# ভূগোল আৰু অৰ্থনীতি বিজ্ঞান

Q1H4B1

## (অষ্টম শ্ৰেণীৰ পাঠ্যপুথি)



প্ৰস্তুতকৰণ ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

*নাম ঃ* ....................................................................................

*বিদ্যালয়ৰ নাম ঃ* ..........................................................................

*শ্ৰেণী ঃ* ..................................................................................

শিক্ষা (প্ৰাথমিক) বিভাগ, অসম চৰকাৰ

**Geograhpy and Economics :** A textbook for Class VIII in Assamese medium developed by SCERT, Assam with financial support of SSA, Assam through workshops and approved by the Government of Assam and published by the Assam State Textbook Production and Publication Corporation Limited, on behalf of Government of Assam.

FREE TEXTBOOK

**ALL RIGHTS RESERVED :** No reproduction in any form of this book, in whole or in part (except for brief quotation in critical articles or reviews), may be made without written authorization from the SCERT, Assam.

গ্ৰন্থস্বত্ব ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

প্ৰথম প্ৰকাশ ঃ ২০১২ ইং চন
দ্বিতীয় প্ৰকাশ ঃ ২০১৩ ইং চন
তৃতীয় প্ৰকাশ ঃ ২০১৪ ইং চন
চতুৰ্থ প্ৰকাশ ঃ ২০১৫ ইং চন
পঞ্চম প্ৰকাশ ঃ ২০১৬ ইং চন
ষষ্ঠ প্ৰকাশ ঃ ২০১৭ ইং চন
সপ্তম প্ৰকাশ ঃ ২০১৮ ইং চন
অষ্টম প্ৰকাশ ঃ ২০১৯ ইং চন
নৱম প্ৰকাশ ঃ ২০২০ ইং চন
দশম প্ৰকাশ ঃ ২০২১ ইং চন
একাদশ প্ৰকাশ ঃ ২০২২ ইং চন (সংশোধিত)

প্ৰকাশক ঃ অসম চৰকাৰৰ দ্বাৰা বিনামূলীয়াকৈ বিতৰণৰ বাবে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগম লিমিটেডৰ দ্বাৰা প্ৰকাশিত পাঠ্যপুথি।

মুদ্ৰক ঃ

**ডাঃ ৰনোজ পেগু,** এম বি বি এছ
মন্ত্ৰী, অসম

**শিক্ষা, ভৈয়াম জনজাতি আৰু**
**পিছপৰা শ্ৰেণী কল্যাণ বিভাগ**

# শুভেচ্ছাবাণী....

বিদ্যায়তনিক শিক্ষাৰ প্ৰধান আহিলা হৈছে পাঠ্যপুথি। পাঠ্যপুথিৰ মাজেৰেই ছাত্ৰ-ছাত্ৰীয়ে জ্ঞানৰ অন্বেষণ কৰে। ছাত্ৰ-ছাত্ৰীসকলেই আমাৰ ৰাজ্যৰ তথা আমাৰ দেশৰ ভৱিষ্যতৰ মূল সম্বল। মানৱ সভ্যতাৰ ধাৰা শিক্ষাৰ দ্বাৰাই প্ৰভাৱান্বিত হয়। এই উপলব্ধিৰেই বৰ্তমান চৰকাৰে শিক্ষা ক্ষেত্ৰত সৰ্বাধিক গুৰুত্ব আৰোপ কৰিছে।

বৰ্তমানৰ ৰাজ্য চৰকাৰে শিক্ষা গ্ৰহণৰ ক্ষেত্ৰত ছাত্ৰ-ছাত্ৰীসকলে সফলতা অৰ্জন আৰু জীৱনৰ লক্ষ্য পূৰণ তথা ৰাজ্যৰ কল্যাণৰ হেতুকে আগুৱাই যোৱাৰ বাবে বিভিন্ন অভিলাষী আঁচনি ৰূপায়ণ কৰি আছে। 'প্ৰজ্ঞান ভাৰতী'ৰ অধীনস্থ বিনামূলীয়া পাঠ্যপুথিৰ অধীনত 'ক' শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈ বিনামূলীয়া পাঠ্যপুথিৰ অবিৰত যোগান ধৰি আহিছে। ২০২০ চনৰ পৰা আমাৰ চৰকাৰে এই আঁচনি স্নাতক শ্ৰেণী পৰ্যন্ত সম্প্ৰসাৰিত কৰিছে। সমগ্ৰ ৰাজ্যত উচ্চতৰ মাধ্যমিক আৰু স্নাতক শ্ৰেণীত নামভৰ্তিকৰণৰ মাচুল ৰেহাইৰ ঘোষণাৰে এক যোগাত্মক পদক্ষেপ লৈ থকা হৈছে। সমাজৰ আৰ্থিকভাৱে পিছপৰা পৰিয়ালৰ শিক্ষাৰ্থীলৈ হাইস্কুল শিক্ষান্ত আৰু উচ্চতৰ মাধ্যমিক পৰীক্ষাৰ মাচুল ৰেহাই দিয়াৰ ব্যৱস্থা কৰি থকা হৈছে। লগতে মাধ্যমিক স্তৰতো ছাত্ৰ-ছাত্ৰীক সমবেশ (ইউনিফৰ্ম) যোগান ধৰাৰ বাবে চৰকাৰে ব্যৱস্থা লৈছে। 'আনন্দৰাম বৰুৱা আঁচনি'ৰ জৰিয়তে হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হোৱা মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক 'লেপ্‌টপ্‌' বা তাৰ সলনি আৰ্থিক অনুদান আগবঢ়োৱা হৈছে।

ছাত্ৰ-ছাত্ৰীৰ শিক্ষা গ্ৰহণৰ বাট সেন্দূৰীয়া কৰি তোলাৰ মহান উদ্দেশ্য সাৰোগত কৰি ৰূপায়ণ কৰি অহা 'প্ৰজ্ঞান ভাৰতী' আঁচনিৰ অন্তৰ্ভুক্ত বিনামূলীয়া পাঠ্যপুথি যোগানৰ দৰে পৱিত্ৰ কৰ্মযজ্ঞ সম্পাদন কৰাৰ ক্ষেত্ৰত অৰিহণা যোগোৱা ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম মাধ্যমিক শিক্ষা পৰিষদ, অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ আৰু লগতে অসম ৰাজ্যিক পাঠ্যপুথি প্ৰণয়ন আৰু প্ৰকাশন নিগমৰ কৰ্মতৎপৰতাক মই শলাগ লৈছোঁ। শিক্ষাৰ্থীসকলে নিৰলস জ্ঞান আহৰণৰ যজ্ঞত আত্মনিয়োগ কৰি ৰাষ্ট্ৰৰ সম্পদৰূপে নিজকে গঢ়ি তুলিব বুলি মই আশা ৰাখি আন্তৰিকতাৰে শুভেচ্ছা জ্ঞাপন কৰিলোঁ।

**(ডাঃ ৰনোজ পেগু)**
শিক্ষামন্ত্ৰী, অসম

# পাতনি

উন্নতমানৰ পাঠ্যক্রমৰ আধাৰতহে গুণগতমানৰ পাঠ্যপুথিৰ সৃষ্টি সম্ভৱ। সংবিধানৰ বাধ্যবাধকতা, ৰাষ্ট্ৰৰ জনগাঁথনি, আৰ্থ-সামাজিক অৱস্থা, শাসনব্যৱস্থা, অৰ্থনৈতিক ক্ৰিয়াকলাপ, বিজ্ঞান প্ৰযুক্তিৰ উপযোগিতা আদি সকলোবোৰ দিশ বিবেচনা কৰি পাঠ্যক্ৰম আৰু পাঠ্যপুথিৰ প্ৰস্তুতি নিতান্তই প্ৰয়োজন। আমাৰ ৰাজ্যৰ শিক্ষা বিভাগে এই সকলোবোৰ দিশ চালি-জাৰি চাই প্ৰাথমিক স্তৰৰ পাঠ্যপুথিসমূহ ২০১০ চনৰপৰাই **ৰাষ্ট্ৰীয় কাৰিকুলাম ২০০৫ৰ** আধাৰত প্ৰস্তুত কৰি আহিছে।

ৰাজ্যৰ শিক্ষাবিদ, ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰ বিষয়াসকল, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ শৈক্ষিক বিষয়া, বুনিয়াদী প্ৰশিক্ষণ কেন্দ্ৰ তথা নৰ্মাল স্কুলৰ শিক্ষক-প্ৰশিক্ষকসকলৰ উপস্থিতিত এলানি কৰ্মশালাৰ জৰিয়তে এই পাঠ্যপুথিৰ পৰিকল্পনা, খচৰা আৰু পুনৰীক্ষণৰ কাম সম্পন্ন কৰা হৈছিল।

পাঠ্যপুথিখনৰ প্ৰস্তুতকৰণ কাৰ্যসূচীত উপৰোক্ত ব্যক্তিসকলৰ উপৰি বিষয় বিশেষজ্ঞৰ সহায় লোৱা হয়। এই সুবাদতে শ্ৰদ্ধাৰে এই ব্যক্তিসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

পাঠপুথিখনৰ কাঠামো প্ৰস্তুত কৰাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শৈক্ষিক অনুসন্ধান আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰা পাঠ্যপুথিসমূহৰ আলম লোৱা হৈছে যাতে আমাৰ পুথিখনৰ গুণগত মান নিশ্চিত কৰিব পাৰি। পাঠ্যপুথিৰ এই মান সুনিশ্চিত কৰাৰ বাবে কিছুসংখ্যক নিৰ্বাচিত বিদ্যালয়ৰ শ্ৰেণীকক্ষত পৰীক্ষামূলকভাৱে পাঠ্যপুথিৰ আদান-প্ৰদানৰ ব্যৱস্থা লোৱা হয়। পৰীক্ষণকালত সদাশয় শিক্ষক-শিক্ষয়িত্ৰীসকলৰপৰা পোৱা প্ৰতিপুষ্টিয়ে পাঠ্যপুথিৰ মান উন্নয়ত যথেষ্ট সহায়ক হৈছে।

সম্প্ৰতি প্ৰযুক্তিসম্বলিত প্ৰেক্ষাপটৰ ওপৰত ভিত্তি কৰি ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক স্থিতিক সবল কৰাৰ অৰ্থে এই পাঠ্যপুথিত 'দীক্ষা' (DIKSHA)ৰ তত্বাৱধানত কিউ আৰ ক'ড (Q.R. Code) সংযোজন কৰা হৈছে যাতে ডিজিটেল প্ৰক্ৰিয়াৰ জৰিয়তে কম সময়তে ছাত্ৰ-ছাত্ৰীক বিষয়বস্তুৰ সামগ্ৰিক ধাৰণা আয়ত্ত কৰাই শিকনৰ ফলাফল নিশ্চিত কৰিব পাৰি। এই কাৰ্য সম্পাদনাৰ ক্ষেত্ৰত দীক্ষাকে ধৰি যিসকল পাৰদৰ্শী ব্যক্তিয়ে অতি কম সময়ৰ ভিতৰত আমাৰ লগত সহযোগ কৰিলে তেখেতসকললৈ আন্তৰিক কৃতজ্ঞতা জনাইছোঁ।

বিগত দহটা বছৰত দেশৰ সামগ্ৰিক দিশলৈ অহা পৰিৱৰ্তন আৰু ন-ন চিন্তা-চৰ্চাৰ আধাৰত ২০২১ বৰ্ষত পাঠ্যপুথিখনৰ পুনৰীক্ষণৰ কাম হাতত লোৱা হয়। সেইমৰ্মে পাঠ্যপুথিৰ আটাইকেইটা খণ্ড নতুন তথ্য, চিন্তা, ধাৰণা আৰু চিত্ৰৰ সংযোজনেৰে সজাই তোলাৰ প্ৰয়াস কৰা হৈছে। আশা কৰা হৈছে, পাঠ্যপুথিৰ এই পুনৰীক্ষিত সংস্কৰণে ছাত্ৰ-ছাত্ৰী তথা শিক্ষকসকলক বিষয়টোৰ প্ৰতি আগ্ৰহান্বিত কৰি তুলিব।

২০২২ বৰ্ষত বিভাগীয় কৰ্তৃপক্ষৰ পৰামৰ্শৰ আধাৰত অষ্টম শ্ৰেণীৰ বাবে সমাজ বিজ্ঞানৰ প্ৰচলিত পাঠ্যপুথিখন দুভাগত ভাগ কৰি দুখন নতুন পাঠ্যপুথি হিচাপে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলৰ হাতত তুলি দিয়াৰ প্ৰচেষ্টা কৰা হৈছে। ইয়াৰে এইখন পাঠ্যপুথি **'ভূগোল আৰু অৰ্থনীতি বিজ্ঞান'** শীৰ্ষক শিৰোনামেৰে প্ৰস্তুত কৰি উলিওৱা হৈছে।

আশা কৰা হৈছে সুকীয়া পাঠ্যপুথিখনে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকসকলক বিষয়টোৰ প্ৰতি কৌতূহলী আৰু আগ্ৰহান্বিত কৰি তুলিব।

অনাগত দিনবোৰত সদাশয় শিক্ষাপ্ৰেমী ৰাইজৰ গঠনমূলক আৰু বহুমূলীয়া দিহা-পৰামৰ্শই পাঠ্যপুথিৰ আসোঁৱাহসমূহ দূৰ কৰাত সহায়ক হ'ব বুলি আশা কৰা হৈছে।

**(ড° নিৰদা দেৱী)**
সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম
কাহিলিপাৰা, গুৱাহাটী-১৯

## পাঠ্যপুথি প্ৰস্তুতকৰণৰ বিভিন্ন পৰ্যায়ত জড়িত ব্যক্তিসকল

### পাঠ প্ৰস্তুতকৰণ

**ভূগোল আৰু অৰ্থনীতি বিজ্ঞান ঃ**
**শ্ৰী অশোক শৰ্মা,** অৱসৰী প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।
**শ্ৰীৰাতুল নেওগ,** অধ্যক্ষ,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, মৰিগাঁও।
**শ্ৰীদেৱেন্দ্ৰ কুমাৰ কলিতা,** জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, দৰং।
**শ্ৰীজেছিমুদ্দিন** শ্বেখ, অধ্যক্ষ,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কৰিমগঞ্জ।
**শ্ৰীমতী ভাৰতী কলিতা,** অৱসৰী অধ্যক্ষ,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, গোৱালপাৰা।
**শ্ৰীদীপক কুমাৰ তালুকদাৰ,** প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও।
**শ্ৰীচিত্ত নাৰায়ণ বৰুৱা,** জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।
**শ্ৰীপ্ৰদীপ ৰয়,** জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, নলবাৰী।
**শ্ৰীসৌম্যজিত** চক্ৰৱৰ্তী, সহকাৰী শিক্ষক,
আৰ্ল উচ্চতৰ মাধ্যমিক বিদ্যালয়, লক্ষীপুৰ, কাছাৰ, অসম।

### পুনৰীক্ষণ

**প্ৰয়াত ড° মহম্মদ তাহেৰ,** প্ৰাক্তন মুৰব্বী অধ্যাপক
ভূগোল বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।
**শ্ৰীযুত গৌতম মজুমদাৰ,** অৱসৰী সহযোগী অধ্যাপক,
অৰ্থনীতি বিভাগ, কটন বিশ্ববিদ্যালয়।

### ভাষা বিশেষজ্ঞ ঃ

**প্ৰয়াত ড° ৰমেশ চন্দ্ৰ পাঠক,** প্ৰাক্তন মুৰব্বী অধ্যাপক,
অসমীয়া বিভাগ, কটন মহাবিদ্যালয়।

### পুনৰীক্ষণ ঃ ২০২১

**ভূগোল খণ্ড**
**অধ্যাপক অৱনী কুমাৰ ভাগৱতী,** (অৱসৰী),
ভূগোল বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়।
**শ্ৰীদেৱেন্দ্ৰ কুমাৰ কলিতা,** জ্যেষ্ঠ প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, দৰং।
**শ্ৰীদীপক কুমাৰ তালুকদাৰ,** প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, বঙাইগাঁও।
**শ্ৰীৰাজেশ বৰদলৈ,** সহকাৰী শিক্ষক,
আদৰ্শ ট্ৰাইবেল উচ্চতৰ মাধ্যমিক বিদ্যালয়, যোৰহাট।
**শ্ৰীৰাজেশ বৰ্মন,** সহকাৰী শিক্ষক,
কমাৰকুছি উচ্চ মাধ্যমিক বিদ্যালয়, কামৰূপ (মহানগৰ)

**অৰ্থনীতি বিজ্ঞান খণ্ড**
**শ্ৰীযুত গৌতম মজুমদাৰ,** অৱসৰী সহযোগী অধ্যাপক,
অৰ্থনীতি বিভাগ, কটন বিশ্ববিদ্যালয়।
**শ্ৰীকাৰ্তিক ৰাজবংশী,** প্ৰবক্তা,
জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কোকৰাঝাৰ।
**শ্ৰীহৃদয় ভট্টাচাৰ্য,** প্ৰবক্তা, জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান, কামৰূপ।
**শ্ৰীমতী জুৰিটি দেৱী,** বিষয় শিক্ষক,
দদৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়, কামৰূপ (গ্ৰাম্য)।

### সম্পাদনা আৰু সংকলন - ২০২২

**ড° অজন্তা ব্ৰহ্ম,** অতিৰিক্ত সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।
**শ্ৰীমতী গীতা দত্ত বৰঠাকুৰ,** উপ সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।
**শ্ৰীমতী বন্দনা দুৰৰী,** উপ সঞ্চালক,
ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম।

## শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি

শান্তিপূৰ্ণ সমাজ এখনৰ ভেটি সমৃদ্ধ হয় সমাজ বিজ্ঞান বিষয়ৰ জ্ঞানৰ আধাৰত। দ্বিধাহীনভাৱে ইয়াৰ জ্ঞানে নৱপ্ৰজন্মৰ সামগ্ৰিক স্থিতিক সবল কৰাৰ লগতে ভৱিষ্যত প্ৰজন্মৰ বাবেও এক সূক্ষ্ম আৰু ৰুচিসম্মত মানসিকতাৰ বাট মুকলি কৰে। ক্ৰমবৰ্ধমান পৰস্পৰ নিৰ্ভৰশীল পৃথিৱীত প্ৰতিনিয়ত মুখামুখি হোৱা বাস্তৱতাৰ লগত মোকাবিলা কৰিবলৈ প্ৰয়োজন হোৱা জ্ঞান, বুদ্ধি আৰু কৌশল আয়ত্ত কৰিব পাৰি একমাত্ৰ সমাজ বিজ্ঞানৰ নিৰলস অধ্যয়নৰ যোগেদি। স্বাধীনতা, বিশ্বাস, পাৰস্পৰিক বুজাপৰা, ভ্ৰাতৃত্ববোধ, সন্মান, বৈচিত্ৰ্যৰ প্ৰতি আস্থা তথা সদ্ভাৱ আদিৰ দৰে মানৱীয় প্ৰমূল্যৰ শক্তিশালী বোধ সৃষ্টিতো ই অৰিহণা যোগায়। তদুপৰি যিকোনো সময়ৰ ঘটনা বা পৰিঘটনাক এক বিশ্লেষণাত্মক দৃষ্টিভংগীৰে চোৱাৰ মানসিকতা ছাত্ৰ-ছাত্ৰীসকলৰ মনত ই গঢ়ি তোলে। সমাজ বিজ্ঞানৰ শিক্ষক-শিক্ষয়িত্ৰী তথা ইয়াৰ লগত জড়িত লোকসকলৰ প্ৰচেষ্টাই সামাজিক প্ৰমূল্যৰ প্ৰতি ভাবুকি স্বৰূপে থিয় দিয়া অপশক্তিসমূহ চিনাক্ত কৰি প্ৰয়োজনত তাক পৰাভূত কৰিবলৈকো ছাত্ৰ-ছাত্ৰীসকলক মনোবল দিয়ে।

এইটো অনস্বীকাৰ্য যে সমাজ বিজ্ঞানত অন্তৰ্ভুক্ত বিষয়সমূহ যেনে -ভূগোল, ইতিহাস, ৰাজনীতি বিজ্ঞান, অৰ্থনীতি আদি প্ৰতিটোৰে উদ্দেশ্য আৰু বিষয়বস্তুৰ স্বকীয়তা আছে। আনহাতে প্ৰতিটো বিষয়ৰ এনে বিভিন্নতা থাকিলেও তাৰ কিছু উমৈহতীয়া বৈশিষ্ট্যও আছে। এটা বিষয়ক বাদ দি আন এটা বিষয়ৰ আলোচনা স্বাভাৱিকতে ফলপ্ৰসূ নহয়। সুস্থ, সবল, শান্তিপূৰ্ণ সমাজ এখন গঢ়িবলৈ প্ৰতিটো বিষয়ৰে অৰ্হতা ভিত্তিক জ্ঞান ছাত্ৰ-ছাত্ৰীসকলৰ বাবে নিতান্ত প্ৰয়োজনীয়, কিয়নো ইয়ে তেওঁলোকক ভৱিষ্যতৰ সুনাগৰিক হিচাপে গঢ়ি তোলাত প্ৰভূত অৰিহণা যোগায়। অন্যথা সমাজ বিজ্ঞানৰ জ্ঞান আধৰুৱা হোৱাই নহয়, ই সমাজ জীৱন ঘূণীয়া কৰাৰো সম্ভাৱনা থাকে। সেয়েহে বোধহয় বিজ্ঞান প্ৰযুক্তিৰে সমৃদ্ধ আজিৰ এই ক্ৰমবৰ্ধমান পৃথিৱীখনত সমাজ বিজ্ঞানৰ আদৰ আৰু গ্ৰহণযোগ্যতা দিনক দিনে বাঢ়ি যাব ধৰিছে।

মুখস্থ আৰু পাঠ্যপুথি নিৰ্ভৰশীল শিক্ষাৰপৰা ছাত্ৰ-ছাত্ৰীসকলক আঁতৰাই ৰাখি সৃষ্টিমূলক কাম-কাজ আৰু সন্ধানীসূচক প্ৰশ্নৰ আধাৰত শিক্ষণ কাৰ্য পৰিচালনা কৰাৰ বাবে সমাজৰ সকলো শ্ৰেণীৰ লোকক অংশীদাৰ কৰি লোৱাটো বৰ্তমান শিক্ষা ব্যৱস্থাৰ এক এৰাব নোৱাৰা দিশ। তাকে কৰিবলৈ যাওঁতে সমাজ বিজ্ঞানত অন্তৰ্ভুক্ত বিষয়সমূহৰ সমন্বয় সাধন অপৰিহাৰ্য। শিশু মনোবিজ্ঞানৰ সু-প্ৰয়োগেৰে শিক্ষাক জীৱনোপযোগী কৰি গঢ়ি তুলিবলৈ শিক্ষক-শিক্ষয়িত্ৰীসকলে অভিভাৱক আৰু সমাজৰ গুণী, জ্ঞানীসকলৰ অংশগ্ৰহণ নিশ্চিত কৰি শ্ৰেণী কোঠাত সতৰ্কতাৰে খোজ দিব লাগিব। সচৰাচৰ শ্ৰেণীকোঠাত চলি থকা একঘেয়ামী শিক্ষণ ব্যৱস্থা আঁতৰাই প্ৰয়োজন সাপেক্ষে শিথিল ৰুটিন আৰু দলগত কাৰ্য অৱলম্বনৰ দ্বাৰা প্ৰচেষ্টা চলাব লাগিব যাতে শ্ৰেণীকোঠালৈ এক গতিশীলতা আহে। তদুপৰি শিকনৰ ফলাফল আয়ত্তকৰণৰ উদ্দেশ্য আগত ৰাখি পাঠ আদান-প্ৰদান প্ৰক্ৰিয়াৰ লগত অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ বাবে প্ৰয়োজন হোৱা ক্ৰিয়াকলাপসমূহ নিশ্চিত কৰি ছাত্ৰ-ছাত্ৰীৰ লব্ধ জ্ঞানৰ এশ শতাংশই হিচাপ ল'ব লাগিব। তাকে কৰিলেহে শিশুৰ সৰ্বাংগীন বিকাশৰ সম্পূৰ্ণ খতিয়ান লোৱাটো সম্ভৱ হ'ব।

এই সকলোবোৰ উদ্দেশ্য আগত ৰাখি সমাজ বিজ্ঞানৰ এই পাঠ্যপুথিখন 'ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰ, ২০০৫'ৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰাৰ চেষ্টা কৰা হৈছে। পাঠ্যপুথিখনত মূল দুটা খণ্ড অন্তৰ্ভুক্ত কৰা হৈছে। সেইকেইটা হ'ল **'ভূগোল আৰু অৰ্থনীতি বিজ্ঞান'**। দুয়োটা খণ্ডৰে বিষয়বস্তু সামৰি মুঠ ১২টা পাঠ ইয়াত সন্নিৰিষ্ট কৰা হৈছে। পাঠসমূহ বিষয় ভিত্তিক, ক্ৰিয়াকলাপ সমৃদ্ধ, আকৰ্ষণীয় আৰু সময়োপযোগী কৰি তোলাৰ চেষ্টা কৰা হৈছে।

শ্ৰেণীকক্ষত পাঠদানৰ সুবিধাৰ্থে পাঠ্যপুথিখনৰ মূল বৈশিষ্ট্যসমূহ থোৰতে আলোচনা কৰা হ'ল--

**শিকনৰ ফলাফল ঃ** পাঠ্যপুথিখনৰ প্ৰতিটো পাঠৰ আৰম্ভণিতে বাকচৰ ভিতৰত 'শিকনৰ ফলাফল' শিতান এটি ৰখা হৈছে। এই শিতানৰ মুখ্য উদ্দেশ্য হৈছে ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰী উভয়কে পাঠৰ অৰ্ন্তনিহিত উদ্দেশ্যৰ লগত পৰিচয় কৰাই দিয়া আৰু পঠন-পাঠন প্ৰক্ৰিয়াৰ জৰিয়তে শিকনৰ ফলাফল আয়ত্তকৰণত সহায় কৰা।

**জানি থওঁ আহা ঃ** পাঠবোৰৰ মাজে মাজে বাকচৰ ভিতৰত 'জানি থওঁ আহা' শিতান এটা ৰখা হৈছে। এই শিতানত পাঠৰ বিষয়বস্তুৰ লগত সম্পৰ্ক থকা অতি প্ৰয়োজনীয় আনুসংগিক কিছু কথাৰ আভাস দিয়া হৈছে। পাঠৰ লগত সংগতি থকা জ্ঞানৰ ভঁৰাল টনকিয়াল কৰাত ই সহায়ক হ'ব বুলি বুলি ধাৰণা কৰা হৈছে।

**ক্ৰিয়াকলাপ ঃ** পাঠত অৰ্ন্তনিহিত হৈ থকা প্ৰতিটো অৰ্হতা যাতে ছাত্ৰ-ছাত্ৰীয়ে আয়ত্ত কৰিব পাৰে আৰু লগতে অবিৰত মূল্যায়নতো সহায়ক হয়, তাৰ বাবে পাঠৰ মাজে মাজে ক্ৰিয়াকলাপ শিতানত কিছুমান চিন্তাৰ উদ্ৰেক কৰিব পৰা প্ৰশ্নৰ অৱতাৰণা কৰা হৈছে। এই ক্ৰিয়াকলাপসমূহ ব্যক্তিগত, যুৰীয়া, দলীয় আদি শিকন ব্যৱস্থাৰে সম্পন্ন কৰাৰ অৱকাশ ৰখা হৈছে।

**উত্তৰ লিখা ঃ** অবিৰত আৰু সামগ্ৰিক মূল্যায়নৰ ব্যৱস্থাৰ লগত সংগতি ৰাখি পাঠত বৰ্ণিত বিষয়বস্তুৰ আধাৰত 'উত্তৰ লিখা' শীৰ্ষক শিতান এটি সন্নিবিষ্ট কৰা হৈছে যাতে শিক্ষকে পাঠ আদান-প্ৰদানৰ লগতেই ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰাৰ অৱকাশ পায়।

**মানচিত্ৰ/ছবি ঃ** পৰ্যবেক্ষণৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীয়ে বহুতো কথা নিজে নিজে শিকে। ছাত্ৰ-ছাত্ৰীৰ এনে মনস্তত্বৰ কথা মনত ৰাখি পাঠ্যপুথিখনত মানচিত্ৰ, ছবি অধ্যয়ন বা অংকনৰ সুবিধা ৰখা হৈছে যাতে তেওঁলোকৰ চিন্তা শক্তিৰ বিকাশ সাধন হয়।

**মনত ৰাখিবলগীয়া কথা ঃ** প্ৰতিটো পাঠৰ সামৰণিত 'মনত ৰাখিবলগীয়া' শীৰ্ষক আন এটি শিতান ৰখা হৈছে। এই শিতানৰ জৰিয়তে প্ৰতিটো পাঠৰ পৰা শিকি অহা কথাবোৰ আউল নলগাকৈ পুনৰ আলোচনাৰ সুযোগ দিয়া হৈছে।

**অনুশীলন ঃ** পাঠত থকা অৰ্হতাসমূহ আয়ত্ত হৈছে নে নাই, তাক নিশ্চিত কৰিবলৈ আৰু লব্ধজ্ঞান স্থায়ীকৰণৰ উদ্দেশ্যে প্ৰতিটো পাঠৰ অন্তত অনুশীলনী শিতান এটা ৰখা হৈছে। এই শিতানত থকা ক্ৰিয়াকলাপসমূহ ছাত্ৰ-ছাত্ৰীক কৰিবলৈ দিয়াৰ উপৰি শিক্ষক বা অভিভাৱকে পাঠৰ লগত সংগতি ৰাখি অধিক ওপৰঞ্চি ক্ৰিয়াকলাপ কৰোৱাটো বাঞ্ছনীয়।

সমাজ বিজ্ঞানৰ পাঠৰপৰা কেৱল বিয়ষবস্তুৰ জ্ঞান আহৰণ কৰোৱাটোৱেই শেষ উদ্দেশ্য নহয়, এই পাঠসমূহত নিহিত হৈ থকা প্ৰমূল্যসমূহ যেনে--পৰিৱেশ সংৰক্ষণ, প্ৰকৃতি প্ৰেম, নিজৰ সভ্যতা-সংস্কৃতিৰ প্ৰতি দায়বদ্ধতা, দয়া মৰম, শ্ৰদ্ধা, পৰোপকাৰিতা, শিষ্টাচাৰ আদি গুণবোৰৰ যাতে বিকাশ সাধন হয় আৰু বাস্তৱ জীৱনত ছাত্ৰ-ছাত্ৰীসকলে তাক প্ৰয়োগ কৰিব পাৰে তাৰ প্ৰতি দৃষ্টি ৰখাটো অৱশ্যেই বাঞ্চনীয়। ইয়াৰ বাবে আমি বিদ্যালয়ৰ বাহিৰে-ভিতৰে প্ৰয়োজন সাপেক্ষে ছাত্ৰ-ছাত্ৰীক দলগত কাৰ্য, ক্ষেত্ৰ অধ্যয়ন, প্ৰকল্প প্ৰস্তুত, সমস্যা সমাধান আৰু উৎসৱ আদিত অংশগ্ৰহণ কৰাবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব।

**(পাঠ্যপুথিৰ পাঠসমূহ বিষয় হিচাপে তিনিটা খণ্ডত ভাগ কৰিলেও গোট মূল্যায়ন কৰোতে আটাইকেইটা বিষয়ে পাঠঅন্তৰ্ভুক্ত হোৱাটো নিশ্চিত কৰিব লাগিব।)**

# সূচীপত্ৰ


| | | |
|---|---|---|
| | *পাতনি* | |
| | *শিক্ষক-শিক্ষয়িত্ৰীসকলৰ প্ৰতি* | |
| | *ভূগোল বিজ্ঞান খণ্ড* | |
| | *আগকথা* | ৯ |
| ১। | প্ৰাকৃতিক সম্পদ | ১০-২০ |
| ২। | জনসংখ্যাৰ বৃদ্ধি আৰু বিতৰণ | ২১-২৯ |
| ৩। | বসতি | ৩০-৩৭ |
| ৪। | বসতি ঃ গ্ৰাম্য জীৱন আৰু নগৰীয়া জীৱন | ৩৮-৪৪ |
| ৫। | সাগৰ-মহাসাগৰ | ৪৫-৫৩ |
| ৬। | ভাৰতৰ উদ্যোগ আৰু পৰিবহণ ব্যৱস্থা | ৫৪-৬১ |
| ৭। | অসমৰ নদ-নদী | ৬২-৭২ |
| ৮। | ভূগোল বিজ্ঞান অধ্যয়নত প্ৰযুক্তিৰ প্ৰয়োগ | ৭৩-৭৬ |
| | *অৰ্থনীতি বিজ্ঞান* | |
| | *আগকথা* | ৭৭ |
| ৯। | মানৱ সম্পদ উন্নয়ন, মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক আৰু মানৱ সম্পদ উন্নয়নত বৃত্তিমূলক শিক্ষাৰ ভূমিকা | ৭৮-৮৫ |
| ১০। | মানৱ সম্পদ উন্নয়নৰ প্ৰতিবন্ধকতাসমূহ আৰু চৰকাৰৰ ভূমিকা | ৮৬-৯২ |
| ১১। | আৰ্থ-সামাজিক উন্নয়নত বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকা | ৯৩-১০৩ |
| ১২। | গ্ৰাহকৰ সজাগতা, অধিকাৰ আৰু সুৰক্ষা | ১০৪-১১২ |

## ভূগোল বিজ্ঞান খণ্ড

# আমাৰ পৃথিৱী

### আগকথা



ৰাষ্ট্ৰীয় শৈক্ষিক গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদে প্ৰস্তুত কৰা 'ৰাষ্ট্ৰীয় পাঠ্যক্ৰমৰ আধাৰ, ২০০৫'ৰ ভিত্তিত দিয়া পৰামৰ্শ অনুসৰি সম্প্ৰতি ভূগোল বিজ্ঞান বিষয়টো সমাজ বিজ্ঞান বিষয়ৰ এটি গুৰুত্বপূৰ্ণ অংগ। ইয়াত ভূপৃষ্ঠৰ বিভিন্ন ঠাইৰ প্ৰাকৃতিক আৰু মানৱ পৰিৱেশৰ মাজৰ পাৰস্পৰিক সম্পৰ্ক, বৈশিষ্ট্য আদিৰ বিচাৰ-বিশ্লেষণ কৰা হয়। অৰ্থাৎ ভূগোলত কোনো ঠাইৰ স্থানীয় বৈশিষ্ট্যবোৰ অধ্যয়ন কৰা হয়। সেইবাবেই ভূগোল বিজ্ঞানক স্থান বিষয়ক বিজ্ঞান বুলিও কোৱা হয়।

এই পাঠ্যপুথিখনৰ ভূগোল বিজ্ঞান অংশটোত প্ৰাকৃতিক সম্পদ, সাগৰ-মহাসাগৰ, নদ-নদী আদি প্ৰাকৃতিক উপাদান আৰু বসতি, জনসংখ্যা, যাতায়াত ব্যৱস্থা, উদ্যোগ, মানচিত্ৰ আদি মানৱসৃষ্ট উপাদানবোৰৰ বিচাৰ-বিশ্লেষণ কৰা হৈছে। এই বিষয়বস্তুসমূহ সামাজিক দৃষ্টিকোণৰপৰা বিশ্লেষণ কৰোতে ভূগোল বিজ্ঞান বিভাগত নিজস্ব দৃষ্টিভংগী, কৌশল আৰু পদ্ধতি প্ৰয়োগ কৰিছে। গতিকে ভূগোল বিজ্ঞান খণ্ডটিৰ পাঠসমূহত প্ৰয়োজন সাপেক্ষে বিভিন্ন চিত্ৰ, মানচিত্ৰ, তালিকা আদি সংযোজনৰ দ্বাৰা আলোচ্য বিষয়বস্তুবোৰ আকৰ্ষণীয় আৰু সহজবোধ্য কৰিবলৈ প্ৰয়াস কৰা হৈছে। শিক্ষকে পাঠৰ লগত দিয়া চিত্ৰ বা মানচিত্ৰৰ লগতে আন প্ৰয়োজনীয় শিক্ষণ-শিকন সামগ্ৰীৰ সহায় লৈ পাঠৰ আদান-প্ৰদান কৰিলে ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পাঠটি মনোগ্ৰাহী হোৱাৰ লগতে অৰ্হতাপ্ৰাপ্তিত সহায়ক হ'ব। পাঠত দিয়া ক্ৰিয়াকলাপ আৰু অনুশীলনীবোৰৰ জৰিয়তে শিক্ষকে ছাত্ৰ-ছাত্ৰীৰ মূল্যায়ন কৰি তেওঁলোকৰ অগ্ৰগতিৰ খতিয়ান ল'ব।

অষ্টম শ্ৰেণীৰবাবে সুকীয়া এই পাঠ্যপুথিখনৰ ভূগোল বিজ্ঞান খণ্ডটিত দিয়া পাঠবোৰৰ জৰিয়তে নিম্নোক্ত শিকনৰ ফলাফলসমূহ আয়ত্ত কৰাবলৈ চেষ্টা কৰা হৈছে—

- প্ৰাকৃতিক সম্পদৰ গুৰুত্ব উপলব্ধি কৰোৱা আৰু ইয়াৰ সুপৰিচালনা, সংৰক্ষণ আদিৰ ধাৰণা দিয়া।
- দেশীয় আৰু মহাদেশীয় পৰ্যায়ত জনসংখ্যাৰ বিতৰণ আৰু প্ৰব্ৰজন সম্পৰ্কে ধাৰণা দিয়া। মানৱ সম্পদৰ গুৰুত্ব উপলব্ধি কৰোৱা।
- বসতি মানে কি আৰু লগতে গ্ৰাম্য আৰু নগৰীয়া বসতিৰ বৈশিষ্ট্য সম্বন্ধে ধাৰণা দিয়া।
- সাগৰ-মহাসাগৰৰ বুকুত সৃষ্টি হোৱা বিভিন্ন পৰিঘটনা আৰু সাগৰীয় সম্পদ সম্পৰ্কে ধাৰণা দিয়া।
- খনিজ সম্পদভিত্তিক ভাৰতৰ বিভিন্ন উদ্যোগবোৰৰ বিষয়ে ধাৰণা দিয়া আৰু দেশৰ অৰ্থনৈতিক বিকাশৰ ক্ষেত্ৰত পৰিবহণ ব্যৱস্থাৰ ভূমিকাৰ বিষয়ে ধাৰণা দিয়া।
- অসমৰ দুখন প্ৰধান নদী ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ উৎস, গতিপথ আদি সম্পৰ্কে সম্যক ধাৰণা দিয়া। অসমৰ অৰ্থনৈতিক উন্নয়নত নদী দুখনৰ গুৰুত্ব উপলব্ধি কৰোৱা আৰু নদী দুখনে সৃষ্টি কৰা সমস্যাবোৰৰ বিষয়ে অৱগত কৰোৱা।
- মানচিত্ৰ অংকনত স্কেলৰ ব্যৱহাৰ আৰু ইতিহাস সম্পৰ্কে ধাৰণা দিয়া।

# পাঠ -১
# প্ৰাকৃতিক সম্পদ


A5Q2F6

**শিকনৰ ফলাফল ঃ**

- সম্পদ হিচাপে ভূমি, জল, বন, বন্যপ্ৰাণী আৰু শক্তিৰ বিষয়ে জানিব পাৰিব।
- অৰ্থনৈতিক আৰু সামাজিক বিকাশৰ ক্ষেত্ৰত ভূমি, জল, বনজ সম্পদ আৰু শক্তি সম্পদৰ গুৰুত্ব উপলব্ধি কৰিব।
- সম্পদসমূহৰ ব্যৱস্থাপনা আৰু সংৰক্ষণৰ ধাৰণা লাভ কৰিব।
- সম্পদৰ সংৰক্ষণৰ প্ৰতি সচেতনতা বৃদ্ধি হ'ব।

তোমালোকে সম্পদ আৰু সম্পদৰ প্ৰকাৰ সম্বন্ধে আগৰ শ্ৰেণীৰ পাঠত কিছু আভাস পাইছাহঁক। এই পাঠত প্ৰাকৃতিক সম্পদৰ গুৰুত্ব, ব্যৱহাৰ, ব্যৱস্থাপনা আৰু সংৰক্ষণৰ বিষয়ে চমুকৈ আলোচনা কৰা হৈছে।

মানুহৰ কামত অহা প্ৰকৃতিৰ সকলো উপাদানকেই **প্ৰাকৃতিক সম্পদ** বুলি ক'ব পাৰি। মাটি, পানী, বতাহ, খনিজ পদাৰ্থ, উদ্ভিদ, বন্যপ্ৰাণী আদি প্ৰকৃতিৰ অমূল্য অৱদান। এই আটাইবোৰেই মানুহৰ বাবে অতি উপযোগী সম্পদ।



চিত্ৰ ১.১ বন্যপ্ৰাণী আৰু উদ্ভিদ

## ভূমি সম্পদ ঃ

পৃথিৱীৰ উপৰিভাগৰ ২৯ শতাংশ হৈছে ভূমি। এই ভূমিয়েই জীৱজগতৰ আধাৰ। মানুহৰ অন্ন, বস্ত্ৰ, বাসস্থান আৰু ইন্ধনৰ মূলতেই হৈছে ভূমি সম্পদ। সেইদৰে উদ্ভিদ আৰু প্ৰাণীৰ স্থিতি আৰু বিকাশো ভূমি সম্পদৰ ওপৰতে নিৰ্ভৰশীল। ভূমিৰ ওপৰত ভিত্তি কৰিয়েই আমাৰ কৃষি, শিল্প, যাতায়াত, যোগাযোগ আদি গঢ় লৈ উঠিছে। অৰ্থাৎ মানুহৰ সভ্যতা, সংস্কৃতি, অৰ্থনীতি আদিৰ ক্ষেত্ৰত ভূমি বা মাটিৰ ভূমিকা সৰ্বাধিক। এই ভূমি বা মাটি কিন্তু অসীম নহয়। ই সীমিত। পৃথিৱীত মানুহৰ সংখ্যা কম হৈ থাকোতে মাটিৰ বিশেষ অভাৱ হোৱা নাছিল। কিন্তু জনসংখ্যা ক্ৰমে বাঢ়ি অহাত সেই অনুপাতে ব্যৱহাৰোপযোগী মাটিৰ অভাৱ হ'বলৈ ধৰে।

প্ৰধানকৈ জলবায়ু আৰু মাটিৰ গুণাগুণৰ তাৰতম্যৰ বাবেই পৃথিৱীৰ সকলো ঠাইতে সমানে জনবসতি গঢ়ি উঠা নাই। সাধাৰণতে ওখোৱা-মোখোৱা শিলাময় ঠাই, পাহাৰৰ থিয় ঢাল, পানী জমা হৈ থকা নিম্নভূমি, মৰু অঞ্চল, মেৰু অঞ্চল, ডাঠ অৰণ্য আদিত জনবসতি নাথাকে বা থাকিলেও অতি সেৰেঙা হয়।

## ভূমিৰ গঠন (Formation of Soil) ঃ

শিলত হোৱা বিচূৰ্ণীভৱনৰ ফলত ধৰাৰ উপৰিভাগত তুলনামূলক কোমল ভূমিৰ এক তৰপৰ সৃষ্টি হয়। ভূমি গঠনৰ এনে ভূতাত্ত্বিক প্ৰক্ৰিয়াত এক-ছেন্টিমিটাৰ মানৰ ডাঠ ভূমিৰ এটা তৰপ গঠন হ'বলৈ বহু শ বছৰৰ প্ৰয়োজন হয়। ভূমিৰ গঠন আৰু ভূমিৰ অৱক্ষয় দুয়োটাই কালক্ৰম অনুসাৰে চলি থাকে।

## ভূমিৰ ব্যৱহাৰ ঃ

সাধাৰণতে কৃষিকাৰ্য, উদ্যোগ, খনিজ সম্পদ আহৰণ, বনানীকৰণ, ঘৰ-দুৱাৰ, ৰাস্তা-ঘাট আদি নিৰ্মাণ কৰাৰ ক্ষেত্ৰত ভূমি ব্যৱহৃত হয়। ভূমি বা মাটি ব্যৱহাৰ কৰোতে মানুহে ঠাইখিনিৰ অৱস্থান, জলবায়ুৰ ধৰণ, মাটিৰ গুণাগুণ, পানীৰ উৎস, বনজ, খনিজ সম্পদ আদিৰ স্থিতি তথা অন্যান্য প্ৰাকৃতিক কাৰকৰ ওপৰত নিৰ্ভৰ কৰে। প্ৰাকৃতিকভাৱে সুবিধাজনক কোনো এঠাইত জীৱন নিৰ্বাহ কৰি থকা মানুহৰ কাষলৈ ক্ৰমান্বয়ে আইন ঠাইৰ মানুহৰ আগমন ঘটে। এনেদৰে লাহে লাহে জনসংখ্যা বৃদ্ধি হৈ আহিলে এটা সময়ত ব্যৱহাৰযোগ্য ভূমিৰ নাটনি হয়। উদাহৰণস্বৰূপে ভাৰতৰ গংগা-ব্ৰহ্মপুত্ৰ উপত্যকাৰ সমভূমি অঞ্চলৰ কথাকে ক'ব পাৰি। এই অঞ্চল কৃষি কাৰ্য আৰু বসবাসৰ বাবে উপযোগী। ইয়াত বসতি ঘন। আনহাতে পাহাৰীয়া অঞ্চলত স্থায়ী কৃষি, উদ্যোগ, যাতায়াত আদিৰ সুবিধা কম হোৱা বাবে তুলনামূলকভাৱে বসতি যথেষ্ট পাতল।

বৰ্তমানে এহাতে জনসংখ্যা বৃদ্ধি আৰু আনহাতে অৰ্থনৈতিক প্ৰতিযোগিতাৰ বাবে ব্যৱহাৰযোগ্য মাটিৰ চাহিদা বাঢ়িছে। ফলত মাটিৰ অত্যধিক ব্যৱহাৰ আৰু অপব্যৱহাৰো হৈছে। এনেবোৰ কাৰণতে পৰিৱেশৰ ভাৰসাম্যও (Ecological Balance) বিনষ্ট হৈছে। অৰণ্য এখন ধ্বংস কৰি যদি নগৰ এখন গঢ়ি তোলা হয় নাইবা খেতিৰ বাবে উপযুক্ত পলসুৱা ভূমিত যদি উদ্যোগ স্থাপন কৰা হয়, তেনেহ'লে সেই ঠাইৰ স্বাভাৱিক পৰিৱেশ বিনষ্ট হ'ব। পাহাৰসমূহৰ মাটি জধে-মধে কাটি বসতি গঢ়ি তোলাৰ ফলত ভূমিস্খলন হৈ পৰিৱেশ বিনষ্ট হোৱাৰ লগতে বিপদো সংঘটিত হয়। ভাৰতৰ সমুদায় মাটিৰ এক বৃহৎ অংশ পৰ্বত-পাহাৰ আৰু মৰুভূমিৰে আবৃত। ২০১৮ চনৰ বিশ্ব-বেংকৰ এক তথ্য অনুসৰি ভাৰতৰ ৬০.৪৫% ভূমি কৃষিকাৰ্যত ব্যৱহাৰ হয়। সেইদৰে বসতিৰ বাবে ব্যৱহৃত মাটিৰ পৰিমাণো বৃদ্ধি হৈ আহিছে।

## গ্ৰামাঞ্চলত ভূমিৰ ব্যৱহাৰ ঃ

গ্ৰামাঞ্চলত কৃষকৰ বাবে মাটিয়েই জীয়াই থকাৰ সম্বল। এই মাটিত কৃষিকাৰ্য কৰিয়েই তেওঁলোকে জীৱন নিৰ্বাহ কৰে। কৃষিকাৰ্যৰ বাবে বহুতে বননি, ঘাঁহনি আদি উভালি বিল, পিতনি, চৰণীয়া পথাৰ আদি মাটিৰে পুতি কৃষি ভূমিলৈ ৰূপান্তৰিত কৰে। এনে কৰোতে পৰিৱেশত পৰিব পৰা প্ৰভাৱৰ কথা বৰ বেছি ভবা নহয়। আচলতে সামাজিক, অৰ্থনৈতিক, পৰিৱেশৰ কথাবোৰ বিবেচনা কৰিহে ভূমি ভাগ ব্যৱহাৰ কৰা উচিত।

## নগৰ অঞ্চলত ভূমিৰ ব্যৱহাৰ ঃ

নগৰত জনসংখ্যা বৃদ্ধিৰ হাৰ অধিক। বৰ্ধিত জনসংখ্যাৰ বাবে ভূমিৰ প্ৰয়োজনো বেছি। জনসংখ্যা বঢ়াৰ লগে লগে ব্যৱসায়-বাণিজ্য, উদ্যোগ, ৰাস্তা-ঘাট আদিৰো প্ৰসাৰ ঘটে। সেই কাৰণেই কাষৰীয়া কৃষিভূমি, জলাহভূমি বা বন্যভূমি আদিলৈ নগৰ সম্প্ৰসাৰিত হয়।

মাটিৰ চাহিদা দিনক দিনে বৃদ্ধি পাই আহিছে যদিও ব্যৱহাৰযোগ্য ভূমিৰ পৰিমাণ কমি অহাটো পৰিলক্ষিত হৈছে। ভূমিস্খলন, খহনীয়া, মৰুকৰণ, ভূমিৰ অৱক্ষয় আৰু মানুহৰ বিভিন্ন কাৰ্যকলাপে ভূমি সম্পদৰ ক্ষেত্ৰত সংকটৰ সৃষ্টি কৰিছে।

### উত্তৰ লিখা ঃ

- প্ৰাকৃতিক সম্পদ বুলিলে কি বুজা?
- ব্যৱহাৰযোগ্য ভূমি সম্পদৰ চাহিদা দিনক দিনে কিয় বাঢ়িছে?

## ভূমিৰ অৱক্ষয় (Land Degradation) ঃ

বিভিন্ন কাৰণত মাটিৰ স্বাভাৱিক বৈশিষ্ট্য, গুণাগুণ আৰু গাঁথনি বিনষ্ট হৈ মাটিৰ অৱক্ষয় ঘটে। অপৰিকল্পিত কৃষি কাৰ্য, ঔদ্যোগীকৰণ, অৰণ্য আৰু ঘাঁহনিৰ অত্যধিক ব্যৱহাৰ আদিৰ ফলত মাটিৰ গুণাগুণৰ পৰিৱৰ্তন ঘটে। কৃষিক্ষেত্ৰত ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য আদি বেছি পৰিমাণে প্ৰয়োগ কৰাৰ ফলত মাটি প্ৰদুষিত হয়। খেতিপথাৰত গঢ়ি উঠা ইটা-ভাটাৰ দৰে উদ্যোগবোৰেও ভূমিৰ ক্ষতিসাধন কৰে।



চিত্ৰ ১.২ ভূমিস্খলন

উৎস ঃ https://www.flickr.com/photos/wsdot/5360943856

## ভূমিস্খলন (Land Sliding) ঃ

ভূমিস্খলন প্ৰাকৃতিক কাৰণত আৰু মানুহৰ কাৰ্যৰ ফলত সংঘটিত এক দুৰ্যোগ। নেৰানেপেৰা বৰষুণ, ভূমিকম্পৰ জোকাৰণি আদিৰ ফলত ওখ ঠাইৰ ভূখণ্ড তললৈ খহি পৰাকে ভূমিস্খলন বোলে। পাহাৰীয়া অঞ্চলত মানুহে মাটি কটা বা গছ-গছনি ধ্বংস কৰাৰ ফলতো ভূমিস্খলন হ'ব পাৰে।

## মাটিৰ ক্ষয়ীভৱন বা খনন (Soil Erosion) ঃ

ৰ'দ, বতাহ, বৰষুণ, নদী, হিমবাহ আদিৰ কাৰ্যৰ ফলত মাটি ক্ষয়প্ৰাপ্ত হয়। মানুহৰ কাৰ্যৰ ফলতো মাটি ক্ষয় হ'ব পাৰে। বেছিকৈ মাটি চহালে সেই মাটি পানীৰ প্ৰবাহত উটি যায়।

## গৰাখহনীয়া (Bank Erosion) ঃ

নদীৰ গতিপথত কাষৰ মাটি খহাই নিয়াকে **গৰাখহনীয়া** বুলি কোৱা হয়। দুয়োপাৰত হোৱা খহনীয়াৰ ফলত নৈপৰীয়া মাটিৰ পৰিমাণ কমি আহে। বানপানী হৈ যোৱাৰ পাছত নৈত গৰাখহনীয়াৰ মাত্ৰা বৃদ্ধি পায়।

## মৰুকৰণ (Desertification) ঃ

প্ৰাকৃতিক বা মানৱজনিত কাৰণত মৰুভূমিৰ প্ৰসাৰ ঘটাকে বা নতুনকৈ মৰুভূমিৰ সৃষ্টি হোৱাকে মৰুকৰণ বুলি কোৱা হয়। অধিক উৎপাদন পাবৰ বাবে একেডৰা মাটিতে বেছিকৈ সাৰ, ৰাসায়নিক দ্ৰব্য, জলসিঞ্চন আদি প্ৰয়োগ কৰি বাৰে বাৰে খেতি কৰি থাকিলে মাটিৰ উৰ্বৰতা নষ্ট হয়, পানী ধৰি ৰাখিব পৰা ক্ষমতা কমে আৰু ভূগৰ্ভৰ জলস্তৰ নিম্নগামী হয়। ফলত অঞ্চলটো শুকান বা মৰুসদৃশ হৈ পৰিব পাৰে। মৰুভূমিৰ দাঁতিকাষৰীয়া অঞ্চলত বননি ধ্বংস আৰু অধিক পশুচাৰণেও মৰুভূমিৰ প্ৰসাৰ ঘটাব পাৰে।



চিত্ৰ ১.৩ বেদিকা কৃষি

উৎস ঃ https://www.pxfuel.com/en/free-photo-qsdim

## ভূমি সংৰক্ষণ ঃ

ভূমিৰ অৱক্ষয় ৰোধ কৰা আৰু ইয়াৰ সংৰক্ষণৰ বাবে ভালেমান পদক্ষেপ গ্ৰহণ কৰিব পাৰি। যেনে—

১। মাটিৰ গুণাগুণ সাপেক্ষে ঘাঁহ-বন আৰু বৃক্ষৰোপণ কৰা।


২। পৰিবেশ অনুকুল কৃষি পদ্ধতি প্ৰয়োগ কৰা।

৩। উচ্চভূমি অঞ্চলত বেদিকা (Terrace) পদ্ধতিৰে খেতি কৰা হয়।

৪। জধে-মধে গছ কটা আৰু পাহাৰৰ মাটি কটা বন্ধ কৰা।

৫। কৃষিক্ষেত্ৰৰ চৌপাশে শাৰী শাৰীকৈ উপকাৰী গছ-গছনি ৰোপণ কৰা।

৬। ব্যৱহাৰ নোহোৱাকৈ পৰি থকা মাটিত বৃক্ষৰোপণ কৰা।



চিত্ৰ ১.৪ বতাহৰ গতি ৰোধ কৰিবলৈ শাৰীকৈ ৰোৱা গছ

**উত্তৰ লিখা ঃ**

✦ ভূমিৰ গঠন কেনেদৰে হয়?

✦ কি কি কাৰণত ভূমিৰ অবক্ষয় হয়?

✦ ভূমি সংৰক্ষণ কৰিব পৰা ব্যৱস্থাসমূহ কি কি?

**ক্ৰিয়াকলাপ ঃ**

✦ তোমাৰ অঞ্চলত গৰাখহনীয়া, ভূমিস্খলন আদি কেতিয়াবা হৈছেনে? যদি হৈছে পৰ্যবেক্ষণ কৰি লিখা। (শিক্ষকৰ সহায় ল'বা)

## জল সম্পদ ঃ

পৃথিৱীত প্ৰাণী আৰু উদ্ভিদ বৰ্তি থাকিবৰ বাবে পানী অপৰিহাৰ্য। পানী এবিধ নবীকৰণযোগ্য অজৈৱিক সম্পদ। পৃথিৱীৰ উপৰিভাগৰ প্ৰায় দুই-তৃতীয়াংশ পানীৰে আবৃত। তথাপি আমাৰ দৈনন্দিন কাম-কাজত ব্যৱহাৰ কৰিব পৰা পানীৰ পৰিমাণ নিচেই তাকৰ। এই পৰিমাণ মুঠ পানীৰ প্ৰায় ২.৫ শতাংশ। এই মূল্যবান পানীৰ অপব্যৱহাৰ হোৱা মানে সম্পদৰ অপব্যৱহাৰ হোৱা। জল সম্পদক লৈ বিভিন্ন সময়ত স্থানীয়, আঞ্চলিক, ৰাষ্ট্ৰীয় বা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত নানা ধৰণৰ বিবাদৰ সূত্ৰপাত হোৱা দেখা যায়। উদাহৰণ স্বৰূপে কৰ্ণাটক আৰু তামিলনাডুৰ মাজেৰে বৈ যোৱা কাবেৰী নদীৰ পানীৰ ব্যৱহাৰক লৈ হোৱা বিবাদৰ কথা উল্লেখ কৰিব পাৰি। এনেবোৰ কাৰণতে জল সম্পদৰ ব্যৱহাৰ, ব্যৱস্থাপনা আৰু সংৰক্ষণৰ ওপৰত যথেষ্ট গুৰুত্ব দিয়া হয়।

## পানীৰ ব্যৱহাৰ ঃ

পৃথিৱীৰ সমুদায় পানীৰ সৰহ ভাগেই মানুহৰ বাবে ব্যৱহাৰযোগ্য নহয়। সাগৰ-মহাসাগৰৰ অসীম জলৰাশিৰ পানী শোধন নকৰাকৈ খোৱাৰ উপযোগী নহয়। কাৰণ এই পানী লুণীয়া। আমাৰ বাবে ব্যৱহাৰযোগ্য পানীৰ ভিতৰত ৭০ শতাংশই সহজে ঢুকি পাব পৰা অৱস্থাত নাই। এইবোৰ উচ্চ পৰ্বত, এণ্টাৰ্কটিকা আদিত বৰফ হিচাপে আছে। বৰষুণ, ভূগৰ্ভৰ জল, নদ-নদী আদিৰপৰা পোৱা প্ৰায় ১ শতাংশমান পানীহে আমি নিৰ্মল পানী হিচাপে ব্যৱহাৰ কৰিব পাৰো। পৃথিৱীত পানীৰ পৰিমাণ সামগ্ৰীকভাৱে একে থাকে যদিও সকলো ঠাইতে সমানে উপলব্ধ নহয়। পানী বাষ্পীভৱন (Evaporation), অধঃক্ষেপণ (Precipitation) আৰু প্ৰবহন (Runoff) প্ৰক্ৰিয়াৰ দ্বাৰা পুনৰ উৎসসমূহত জমা হয়। জল সম্পদ প্ৰধানকৈ জলসিঞ্চন, পৰিবহণ, উদ্যোগ আৰু ঘৰুৱা কামত ব্যৱহাৰ হয়। বিদ্যুৎ শক্তি আহৰণৰ বাবেও জল সম্পদ বহু পৰিমাণে ব্যৱহৃত হয়। জনসংখ্যা বৃদ্ধিৰ ফলত পানীৰ ব্যৱহাৰ যথেষ্ট বাঢ়িছে। সেই অনুপাতে ব্যৱহাৰযোগ্য পানীৰ যোগান বঢ়া নাই। পানীৰ উৎসসমূহ প্ৰদূষিত হ'বলৈ ধৰাৰ বাবেও ক্ৰমে ব্যৱহাৰযোগ্য পানীৰ অভাৱ হ'বলৈ ধৰিছে।

## পানীৰ সংকট ঃ

পৃথিৱীৰ বিভিন্ন অঞ্চল -কাটাৰ, ইজৰাইল, লেবানন, ইৰান আদি দেশত বৰ্তমান পানীৰ ব্যাপক সংকটে দেখা দিছে। আফ্ৰিকা, পশ্চিম এছিয়া, দক্ষিণ এছিয়া, মেক্সিকো আদিৰ বহু ঠাইত বৰ্তমান নিৰ্মল পানীৰ অভাৱজনিত সমস্যা গা কৰি উঠিছে। সাধাৰণতে উন্নত দেশসমূহে দুখীয়া দেশসমূহতকৈ বেছি পৰিমাণে পানী ব্যৱহাৰ কৰে। পশ্চিমীয়া ধনী দেশৰ এজন নাগৰিকে গড় হিচাপে দৈনিক প্ৰায় ৩০০ লিটাৰ পানী ব্যৱহাৰ কৰাৰ বিপৰীতে এজন ভাৰতীয় মানুহে প্ৰায় ২৫ লিটাৰমান পানীহে ব্যৱহাৰ কৰিবলৈ পায়। ৰাজস্থান, গুজৰাট আদি ঠাইত বৰষুণৰ পৰিমাণ কম হোৱা বাবে মানুহে ভূগৰ্ভৰ জলৰ ওপৰতে নিৰ্ভৰ কৰিবলগীয়া হয়। ফলত এই পানীৰ স্তৰ ক্ৰমে নামি গৈ থাকে। উত্তৰ-পূব ভাৰতত গ্ৰীষ্মকালত বৰষুণৰ মাত্ৰা বেছি। খৰালি বৰষুণৰ পৰিমাণ যথেষ্ট কম। সেয়ে অঞ্চলটোত পানীৰ পৰিমাণৰো তাৰতম্য ঘটে।


কৃষিক্ষেত্ৰত ব্যৱহৃত ৰাসায়নিক সাৰ, কীটনাশক দ্ৰব্য আদি পানীত দ্ৰৱীভূত হৈ বহু ঠাইত পানী দুষিত হৈছে। একেদৰে উদ্যোগবোৰৰপৰা নিৰ্গত হোৱা আৱৰ্জনা আৰু বিভিন্ন দ্ৰব্য মিহলি পানী নদ-নদীত পেলাই দিয়াৰ বাবেও পানী প্ৰদূষিত হৈ পৰে। এনে ধৰণৰ বিষাক্ত আৱৰ্জনা নলা-নৰ্দমা, নৈ-বিল বা জান-জুৰিত পেলাই দিয়া তোমালোকে নিশ্চয় দেখিছা? গুৱাহাটী মহানগৰীৰ মাজেৰে বৈ যোৱা ভৰলু নৈখনৰ পানী মানুহে পেলোৱা আৱৰ্জনাৰে প্ৰদূষিত হৈ পৰিছে। এক প্ৰবাহমান নৈ হিচাপে ভৰলু নৈক আমি অচিৰে প্ৰদূষণৰপৰা মুক্ত কৰা উচিত।

**জানি থওঁ আহা ঃ**

- ইউনিচেফৰ তথ্য অনুসৰি বিশ্বৰ ১/৩ অংশ (প্ৰায় ৪ নিযুত জনসংখ্যা) মানুহে বছৰটোৰ কমেও এমাহ পানীৰ সংকটত ভোগে। পানীৰ এনে সংকট বাঢ়ি গৈ থাকিলে ২০২৫ চন মানতে পৃথিৱীৰ আধা জনসংখ্যাই ব্যৱহাৰযোগ্য পানীৰ নাটনিত ভুগিব।

**ক্ৰিয়াকলাপ ঃ**

- ব্যৱহাৰযোগ্য নিৰ্মল পানীৰ অভাৱ হোৱাৰ কাৰণ কি?
- কি কি ব্যৱস্থা হাতত ল'লে পানীৰ প্ৰদূষণ কমাব পাৰি?
- কাষত দিয়া বাতৰিৰ শিৰোনামবোৰ পঢ়া আৰু পানীৰ সংকটৰ বিষয়ে উপলব্ধি কৰা। পানীৰ সংকট আঁতৰাব পাৰিনে?




## পানীৰ সংৰক্ষণ আৰু ব্যৱস্থাপনা ঃ

পানীৰ সমস্যা দূৰ কৰিবলৈ হ'লে আমি পানী সংৰক্ষণৰ প্ৰতি সচেষ্ট হ'ব লাগিব। পানী সংৰক্ষণৰ কেইটিমান ব্যৱস্থা তলত উল্লেখ কৰা হ'ল—

১। পানীৰ প্ৰদূষণ ৰোধ কৰাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিব লাগিব।

২। অৰণ্য তথা ঘাঁহনিয়ে বোঁৱতী পানীক বাধা দি ভূগৰ্ভৰ জলৰ পৰিমাণ বৃদ্ধিত সহায় কৰে। সেয়ে বৃক্ষৰোপণত মনোনিৱেশ কৰিব লাগে।

৩। বেদিকা কৃষিৰ জৰিয়তে পানীৰ প্ৰবাহ হ্ৰাস কৰিব পাৰি। ইয়াৰ যোগেদি পাহাৰৰ ঢালত পানী সংৰক্ষণ কৰিব পাৰি।

৪। কৃষিক্ষেত্ৰত জলসিঞ্চন কৰোতে প্ৰয়োজনতকৈ বেছি পানী ব্যৱহাৰ কৰিব নালাগে। ব'দৰ উত্তাপ কম থকা সময়ত পানী দিলে বাষ্পীভৱন কম হয়।

৫। বৰষুণৰ পানী সংগ্ৰহ কৰি সেই পানী নানা কামত ব্যৱহাৰ কৰিব পাৰি।

৬। পানী পুনৰ ব্যৱহাৰ কৰিও সংৰক্ষণ কৰিব পাৰি। এবাৰ ব্যৱহাৰ কৰাৰ পাছত একেখিনি পানীকে পৰিশোধন কৰি লৈ পুনৰ কামত খটুওৱাকে পানীৰ পুনৰ চক্ৰায়ন বোলে।

৭। মুকলি ঠাইৰ পানীত বাষ্পীভৱনৰ মাত্ৰা বেছি হয়। গছ-গছনি ৰোপণৰ দ্বাৰা ইয়াৰ মাত্ৰা কমাব পাৰি।

৮। পানীৰ ব্যৱহাৰৰ ক্ষেত্ৰত আমি সকলোৰে সচেতন হ'ব লাগিব। সংৰক্ষণৰ বাবে সচেতনতা গঢ়ি তুলিবলৈ পৰিয়াল, বিদ্যালয় আৰু সমাজৰ সকলো স্তৰতে প্ৰচেষ্টা হাতত লোৱা উচিত।

**ক্ৰিয়াকলাপ ঃ**

- পানী সংৰক্ষণৰ বাবে আৰু কি কি ব্যৱস্থা গ্ৰহণ কৰিব পাৰি দলত আলোচনা কৰি লিখা।

## বনজ সম্পদ ঃ

বনজ সম্পদে আমাৰ পৃথিৱীখনক এক সুন্দৰ পৰিৱেশ প্ৰদান কৰিছে। উদ্ভিদে আমাক খাদ্য সম্ভাৰৰ লগতে দৈনন্দিন ব্যৱহাৰ হোৱা অনেক সামগ্ৰী যোগান ধৰে। প্ৰকৃতিৰ এই অমূল্য উপাদানসমূহৰ সৈতে থকা মানুহৰ পাৰস্পৰিক সম্পৰ্কৰ ফলতেই অঞ্চল বিশেষে সুকীয়া পৰিৱেশৰ সৃষ্টি হৈছে।



চিত্ৰ ১.৫ ঘাঁহনি অঞ্চল

উৎস ঃ Wikimedia Commons

পৃথিৱীৰ মুঠ মাটি কালিৰ এক-তৃতীয়াংশৰো কম বননি-ঘাঁহনিয়ে আগুৰি আছে। এইবোৰেই ক্ষুদ্ৰাতিক্ষুদ্ৰ জীৱাণুৰপৰা অতিকায় জীৱ-জন্তুলৈকে সকলোৰে আশ্ৰয় স্থল। সেয়েহে সম্পদ হিচাপে এইবোৰৰ অৰ্থনৈতিক, সাংস্কৃতিক আদি নানা ধৰণৰ মূল্য আছে।

## ব্যৱহাৰ ঃ

বনজ সম্পদৰ ব্যৱহাৰ দুই ধৰণে হয়— বাণিজ্যিক (Commercial) আৰু পাৰিস্থিতিক (Ecological)। আমাৰ প্ৰয়োজনীয় বাঁহ, কাঠ, খৰি, কেঁচামাল, ঔষধি উদ্ভিদ আদি বননিৰপৰাই পাওঁ। লিখিবলৈ ব্যৱহাৰ কৰা কাগজখিলাও আমি বনজ সম্পদৰপৰাই আহৰণ কৰো। এইবিলাকেই বনজ সম্পদৰ বাণিজ্যিক ব্যৱহাৰ। সেইদৰে উদ্ভিদে আমাক অক্সিজেন যোগান ধৰে, বন্যপ্ৰাণীক আশ্ৰয় প্ৰদান কৰে, মাটি সংৰক্ষণত সহায় কৰে, ভূগৰ্ভৰ জল বৃদ্ধিত সহায় কৰে, গোলকীয় উত্তাপ হ্ৰাস কৰে। এনে ধৰণৰ উপযোগিতা বা ব্যৱহাৰেই হ'ল পাৰিস্থিতিক ব্যৱহাৰ। তোমালোকে আগৰ শ্ৰেণীৰ পাঠত পাই আহিছা যে জীৱজগত জীৱমণ্ডল (Biosphere)ৰ ভিতৰতে থাকে আৰু ইয়াৰ প্ৰতিটো উপাদানে পাৰস্পৰিক সম্পৰ্কৰ যোগেদি এটা পাৰিপাৰ্শ্বিক অৱস্থাৰ সৃষ্টি কৰি জীয়াই থাকে। সেয়েহে এই উপাদানসমূহৰ কোনো এটাৰ হ্ৰাস-বৃদ্ধি হ'লেই পৰিৱেশত ভাৰসাম্যহীনতাই দেখা দিয়ে। সামান্য পৰুৱা বা জীৱাণু এটায়ো আমাৰ পৰম উপকাৰ কৰে। উদাহৰণস্বৰূপে মৌ-মাখিৰপৰা আমি মৌজোল পাওঁ। পখিলাই উদ্ভিদৰ বংশবৃদ্ধিত সহায় কৰে। শগুণে মৰাশ খাই পৰিৱেশ নিকা কৰাত সহায় কৰে। ইয়াৰ উপৰি গছ-লতিকা, ফুল-ফল আৰু নানা তৰহৰ প্ৰাণীয়ে মানুহক আনন্দও দিয়ে। এনেদৰে প্ৰত্যেকটো উপাদানেই আমাক কিবা নহয় কিবা প্ৰকাৰে সহায় কৰে।



চিত্ৰ ১.৬ কেকটাছ

উৎস ঃ via Wikimedia Commons

## বিতৰণ ঃ

বনজ সম্পদসমূহ প্ৰধানকৈ উষ্ণতা, বৰষুণ, জলীয় ভাপ আদি কাৰকৰ ওপৰত নিৰ্ভৰ কৰি বিকশিত হয়। অৰণ্য হ'ল স্বাভাৱিকভাৱে নবীকৰণযোগ্য সম্পদ। অধিক বৃষ্টিপাত আৰু উষ্ণতাৰ অঞ্চলসমূহত ডাঠ হাবি-বননি দেখা যায়। মধ্যমীয়া বৰষুণ হোৱা ঠাইত ঘাঁহনিৰ বিস্তৃতি বেছি। শুকান জলবায়ু অঞ্চলৰ পাতলীয়াকৈ জোপোহা গছ দেখিবলৈ পোৱা যায়। তাত কিছু কাঁইটীয়া উদ্ভিদো থাকে।



চিত্ৰ ১.৭ কপৌফুল

উৎস ঃ https://images.app.goo.gl/

অৰণ্যসমূহক ঘাইকৈ চিৰসেউজীয়া আৰু পৰ্ণপাতী হিচাপে ভাগ কৰা হয়। চিৰসেউজীয়া ক্ৰান্তীয় অৰণ্যসমূহক **বৰ্ষাৰণ্য** বুলিও জনা যায়। উষ্ণ আৰু অধিক বৃষ্টিপাত হোৱা অঞ্চলত এই অৰণ্য আছে। এনে ডাঠ অৰণ্যৰ ভিতৰলৈ সূৰ্যৰ পোহৰো সহজে সোমাব নোৱাৰে। অসমৰ দিহিং-পাটকাই এখন বৰ্ষাৰণ্য। ইয়াত হোলোং, মেকাই আদি অতি ওখ গছ পোৱা যায়। লগতে কিছু চাপৰ গছো পোৱা যায়। এই অৰণ্যত

নানাবিধ লতা, বাঁহ, বেত, কপৌফুল আদিও থাকে। ইয়াত থকা জীৱ-জন্তু, নানা প্ৰজাতিৰ চৰাই-চিৰিকটি বোৰৰ আশ্ৰয়ৰ বাবে এই গছ-গছনিবোৰ অতি প্ৰয়োজনীয়। কিন্তু বিভিন্ন কাৰণত এই গছ-গছনিবোৰৰ সংখ্যা কমি আহিছে। ফলস্বৰূপে বহুতো জীৱ-জন্তু আৰু চৰাই-চিৰিকটি বিলুপ্তিৰ পথলৈ আগবাঢ়িছে। এটা হিচাপ মতে বিগত ২০০০ বছৰৰ ভিতৰত পৃথিৱীৰ বুকুৰপৰা প্ৰায় ১৬০ বিধমান জন্তু আৰু প্ৰায় ৮৮ বিধমান চৰাইৰ প্ৰজাতি নাইকীয়া হৈ গৈছে। অৰণ্য ধ্বংস, গৰাখহনীয়া, বনজুই, চুনামী, ভূমিস্খলন, বানপানী আদি দুৰ্যোগে বনজ সম্পদসমূহৰ যথেষ্ট ক্ষতি সাধন কৰিছে।



*চিত্ৰ ১.৮ ক্ৰান্তীয় চিৰসেউজীয়া অৰণ্য*

Photo: via Wikimedia Commons

প্ৰকৃতিৰ বুকুৰ জৈৱ সম্পদসমূহৰ সংৰক্ষণ বৰ্তমান সময়ত অতি প্ৰয়োজনীয় হৈ পৰিছে। কিন্তু বৰ্ধিত জনসংখ্যাৰ জীৱন-জীৱিকাৰ বাবে মানুহে অৰণ্য অঞ্চল মুকলি কৰি খেতিপথাৰ গঢ়ি তুলিছে। বনজ সম্পদসমূহলৈ নামি অহা এনে সংকটৰ কাৰণে সংৰক্ষণৰ প্ৰতি আমাৰ সকলোৰে দায়িত্ব আৰু সচেতনতা বাঢ়িব লাগিব। ৰাষ্ট্ৰীয় উদ্যান, সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য আদিৰ উপৰি ব্যক্তিগতভাৱেও আমি অৰণ্য সম্পদ সংৰক্ষণৰ বাবে ব্যৱস্থা গ্ৰহণ কৰা উচিত।

**ক্ৰিয়াকলাপ ঃ**

- বনজ সম্পদ আমি কিয় সংৰক্ষণ কৰিব লাগে?
- তুমি থকা ঠাইখনৰ বনজ সম্পদবোৰ চিনাক্ত কৰি তাৰ এখন তালিকা কৰা। এইবোৰক বিনষ্ট হোৱাৰপৰা ৰক্ষা কৰিবলৈ কি কি ব্যৱস্থা হাতত ল'বা?

## শক্তি সম্পদ ঃ

শিল্প-উদ্যোগ, কৃষি, পৰিবহণ, যোগাযোগ, প্ৰতিৰক্ষা আদি সকলো ক্ষেত্ৰতে শক্তি সম্পদৰ প্ৰয়োজনীয়তা অপৰিসীম। শক্তি সম্পদক দুই ভাগত ভাগ কৰিব পাৰি। যেনে— পৰম্পৰাগত আৰু অপৰম্পৰাগত শক্তি সম্পদ।

## পৰম্পৰাগত শক্তি সম্পদ ঃ

অতীজৰপৰা জুই জ্বলাবলৈ ব্যৱহাৰ কৰি অহা খৰি আৰু অন্যান্য জীৱাশ্ম ইন্ধনবোৰেই হ'ল পৰম্পৰাগত শক্তিৰ উৎস। কয়লা, পেট্ৰ'লিয়াম, আৰু প্ৰাকৃতিক গেছ আদি জীৱাশ্ম ইন্ধন। এনে ইন্ধন নতুনকৈ সৃষ্টি কৰিব নোৱাৰি। মানুহে যিমান বেছিকৈ এই ইন্ধন শক্তি খৰচ কৰিব সিমান সোনকালে সেইবোৰ শেষ হৈ যাব।

### কয়লা ঃ

কয়লা এবিধ জীৱাশ্ম ইন্ধন। ইয়াক ঘৰুৱা ইন্ধন হিচাপে ব্যৱহাৰ কৰাৰ উপৰি লো-তীখাৰ উদ্যোগ, ভাপ ইঞ্জিন, তাপ বিদ্যুৎ কেন্দ্ৰ আদিত ইন্ধন হিচাপে ব্যৱহাৰ হয়। ভাৰতৰ ৰাণীগঞ্জ, ঝাৰিয়া, ধানবাদ, বোকাৰো আদি উল্লেখযোগ্য কয়লা উৎপাদনকাৰী ঠাই। অসমৰ লিডু, মাকুম, জয়পুৰ আদি আৰু মেঘালয়ৰ চেৰাপুঞ্জীত কিছু পৰিমাণে কয়লা পোৱা যায়।

### পেট্ৰ'লিয়াম ঃ

পেট্ৰ'লিয়াম ভূপৃষ্ঠৰ তলৰ শিলাস্তৰৰ মাজত জমা হৈ থকা এবিধ জুলীয়া জীৱাশ্ম ইন্ধন। তৈল খাদৰপৰা খাৰুৱা তেল (Crude oil) আহৰণ কৰি শোধনাগাৰত শোধন কৰি, পেট্ৰ'ল, ডিজেল, কেৰাচিন আদি উৎপন্ন কৰা হয়। অতি

মূল্যবান সম্পদ হেতুকে ইয়াক **'পনীয়া সোণ'** বুলিও কোৱা হয়। পৃথিৱীৰ মুখ্য পেট্ৰ'লিয়াম উৎপাদনকাৰী দেশসমূহ হ'ল ইৰাণ, ইৰাক, চৌডি আৰব, আমেৰিকা যুক্তৰাষ্ট্ৰ, ৰাছিয়া আদি। অসমৰ ডিগবৈ, নাহৰকটীয়া, মৰাণ, মহাৰাষ্ট্ৰৰ বম্বে হাই আদি অঞ্চলত পেট্ৰ'লিয়াম উদ্‌ঘাটন কৰা হয়। ৰন্ধন কাৰ্যত ইন্ধন হিচাপে ব্যৱহাৰ কৰা এল পি জি (Liquified Petroleum Gas) এবিধ পেট্ৰ'লিয়াম গেছ।

## প্ৰাকৃতিক গেছ ঃ

ভূগৰ্ভত পেট্ৰ'লিয়ামৰ সৈতে প্ৰাকৃতিক গেছো মজুত হৈ থাকে। তৈলখাদৰপৰা খাৰুৱা তেল আহৰণ কৰাৰ সময়তে প্ৰাকৃতিক গেছো আহৰণ কৰা হয়। ঘৰুৱা তথা ঔদ্যোগিক ইন্ধন ৰূপে প্ৰাকৃতিক গেছ ব্যৱহাৰ কৰা হয়। ভাৰতৰ জয়চালমেৰ, কৃষ্ণা-গোদাবৰী ব-দ্বীপীয় অঞ্চল আদিত প্ৰাকৃতিক গেছ আছে। অসম, ত্ৰিপুৰা, ৰাজস্থান আৰু মহাৰাষ্ট্ৰৰ উপকূলীয় অঞ্চলতো প্ৰাকৃতিক গেছ পোৱা যায়।

## সংৰক্ষণ ঃ

জীৱাশ্ম ইন্ধনসমূহৰ ব্যাপক ব্যৱহাৰৰ ফলত এইবোৰৰ পৰিমাণ দ্ৰুত গতিত কমি আহিছে। ঘৰুৱা কামৰ বাহিৰে উদ্যোগসমূহত উৎপাদন বৃদ্ধি কৰিবলৈ যাওঁতে কয়লাৰ ব্যৱহাৰ বাঢ়িছে। গাড়ী-মটৰ তথা অন্যান্য যান-বাহন আৰু যন্ত্ৰপাতিৰ ব্যৱহাৰ বৃদ্ধিৰ বাবে পেট্ৰ'লিয়ামৰ ব্যৱহাৰো বৃদ্ধি হৈছে। এনেবোৰ কাৰণতে বৰ্তমান জীৱাশ্ম ইন্ধনসমূহৰ মিতব্যয়ী ব্যৱহাৰ আৰু ভৱিষ্যতৰ বাবে সংৰক্ষণ কৰাৰ সময় আহি পৰিছে। অন্যথা ভূগৰ্ভত সঞ্চিত হৈ থকা জীৱাশ্ম ইন্ধনৰ ভঁৰাল শূন্য হৈ পৰিব।

### উত্তৰ লিখা ঃ

- শক্তি সম্পদ মানে কি?
- জীৱাশ্ম ইন্ধনসমূহ চিৰদিন একে পৰিমাণে নথকাৰ কাৰণ কি?

## অপৰম্পৰাগত শক্তি সম্পদ ঃ

জীৱাশ্ম ইন্ধনসমূহ শেষ হৈ যোৱাৰ আগতে মানুহে অন্য উৎসৰপৰা শক্তি আহৰণৰ ব্যৱস্থা কৰাটো প্ৰয়োজন। সেয়েহে আজিকালি অপৰম্পৰাগত শক্তিৰ উৎসসমূহ, যেনে— সৌৰশক্তি, জলশক্তি, বতাহশক্তি, জোৱাৰৰ শক্তি আদি নবীকৰণযোগ্য শক্তিৰ ওপৰত গুৰুত্ব দিয়া হৈছে। এই শক্তি ব্যৱহাৰৰ আন এক সুবিধা হ'ল ইয়াত প্ৰদূষণৰ মাত্ৰা কম। অৱশ্যে ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত কিছুমান অসুবিধাও নথকা নহয়।

কাষৰ তালিকাখনলৈ মন কৰিলে দেখিবা যে অপৰম্পৰাগত শক্তি ব্যৱহাৰৰ সুবিধা বহুত।

### জানি থওঁ আহা ঃ

| শক্তিৰ উৎস | সুবিধা | অসুবিধা |
|---|---|---|
| সৌৰশক্তি | ১। অক্ষয় সম্পদ | ১। উৎপাদন ব্যয় বহুল |
| | ২। প্ৰদূষণ মুক্ত | |
| বতাহশক্তি | ১। প্ৰদূষক নহয় | |
| | ২। উৎপাদন খৰচ কম | ১। চৰাইৰ বাবে অন্যায়কাৰী (বতাহ কলৰ পাখীত চৰায়ে খুন্দা খাব পাৰে) |
| | ৩। নিৰাপদ আৰু পৰিষ্কাৰ | ২। কিছু পৰিমাণে শব্দ প্ৰদূষণ হয় |
| জোৱাৰৰ শক্তি | ১। প্ৰদূষণহীন | ১। জলচৰ প্ৰাণীৰ আবাসত ব্যাঘাত ঘটে। |
| | ২। অক্ষয় সম্পদ | ২। বিদ্যুৎশক্তি কাৰ্যক্ষম কৰা কঠিন। |
| পাৰমাণৱিক শক্তি | ১। বহুত পৰিমাণৰ শক্তি পোৱা যায়। | ১। তেজষ্ক্ৰিয় আবৰ্জনা ওলায়। |
| | | ২। খৰচী |
| জৈৱ গেছ | ১। কম খৰচী | ১। সেউজ গৃহ সমস্যাৰ উদ্ভৱ হয়। |
| | ২। বৰ্জিত পদাৰ্থ ব্যৱহাৰ কৰিব পাৰি। | |
| ভূ-তাপীয় শক্তি | ১। পৰিষ্কাৰ, পৰিবেশ উপযোগী | ১। দীৰ্ঘ দূৰত্বত অৱস্থিত বাবে বিদ্যুৎ পৰিবহণত খৰচ বেছি। |
| | ২। সদা উপলব্ধ | |

## সৌৰশক্তি ঃ

সূৰ্য অফুৰন্ত শক্তিৰ ভঁৰাল। আমি প্ৰত্যেক দিনেই সূৰ্যৰ তাপ আৰু পোহৰ পাই থাকো। সূৰ্যৰ এই শক্তিক সৌৰ কোষৰ সহায়ত বিদ্যুৎ শক্তি উৎপাদন কৰিবলৈ ব্যৱহাৰ কৰা হয়। এই বিদ্যুৎ শক্তিৰ সহায়ত সৌৰ চৌকা (Solar Cooker), সৌৰ হিটাৰ (Solar Heater) আদি চলোৱা হয়। সৌৰকোষ (বেটাৰী)ৰ জৰিয়তে সৌৰ বিদ্যুৎ উৎপাদন কৰা হয়। ঘড়ী, কেলকুলেটৰ আদি চলোৱা, বিদ্যুৎ সংযোগ নথকা গাঁৱত বিজুলী চাকি জ্বলোৱাৰ উপৰি মহাকাশ যান, উপগ্ৰহ আদিতো সৌৰশক্তি ব্যৱহাৰ কৰা হয়।

## বতাহশক্তি ঃ

বতাহ এবিধ অক্ষয় শক্তি সম্পদ। বতাহৰ তীব্ৰতা থকা উপকূলীয় অঞ্চল, পৰ্বতৰ গিৰিপথ আদিত বতাহ কল (Wind Mill) বহুৱাই বিদ্যুৎ শক্তি উৎপন্ন কৰা হয়। এই শক্তিৰ দ্বাৰা পানী উঠোৱা পাম্প, আটা-ময়দাৰ মিল, বৈদ্যুতিক জেনেৰেটৰ আদি চলাব পাৰি। নেদাৰলেণ্ড, ডেনমাৰ্ক, জাৰ্মানী, আমেৰিকা যুক্তৰাষ্ট্ৰ আদি প্ৰধান বতাহ শক্তি উৎপাদনকাৰী দেশ। ভাৰতৰ গুজৰাটৰ কচ্ছ উপকূল, তামিলনাডুৰ টুটিকৰিণত থকা এনে প্ৰকল্প উল্লেখযোগ্য। জয়চালমেৰত **অৱস্থিত** ১,৬০০ মেগাৱাটসম্পন্ন বতাহ পাৰ্কখন ভাৰতৰ **ভিতৰতে** আটাইতকৈ ডাঙৰ।

## পাৰমাণৱিক শক্তি ঃ

ইউৰেনিয়াম, থৰিয়াম আদিৰ দৰে তেজস্ক্ৰিয় পদাৰ্থসমূহৰ অণু-পৰমাণুত নিহিত হৈ থকা শক্তিৰপৰা পাৰমাণৱিক শক্তি আহৰণ কৰা হয়। উত্তৰ আমেৰিকা আৰু ইউৰোপৰ উন্নত দেশবোৰত এনে শক্তিৰ প্ৰকল্প আছে। ভাৰতৰ কালপক্কম (তামিলনাডু), নাৰোৱা (উত্তৰ প্ৰদেশ), তাৰাপুৰ (মহাৰাষ্ট্ৰ), ৰাণাপ্ৰতাপ নগৰ (ৰাজস্থান) আদি এই ক্ষেত্ৰত উল্লেখযোগ্য।

## ভূতাপীয় শক্তি ঃ

ভূগৰ্ভত থকা শিল আদিৰ লগত সংযুক্ত তেজস্ক্ৰিয় পদাৰ্থৰপৰা নিৰ্গত হোৱা শক্তিয়েই ভূতাপীয় শক্তি। ইয়াক বৈদ্যুতিক শক্তিলৈ ৰূপান্তৰ কৰিব পাৰি। উষ্ণ প্ৰস্ৰৱন, গলিত লাভা বা বাষ্পৰ উত্তাপৰপৰা বিদ্যুৎ শক্তি উৎপন্ন কৰা হয়। আমেৰিকা যুক্তৰাষ্ট্ৰ, মেক্সিকো, জাপান আদি দেশত এনে শক্তি ব্যৱহাৰ কৰা হয়। ভাৰতৰ মণিকৰণ (হিমাচল প্ৰদেশ), লাডাখৰ পুগা (জম্মু-কাশ্মীৰ), গুজৰাটৰ কাম্বে, চট্টিছগড়ৰ তাতাপানী আৰু ঝাৰখণ্ডৰ সুৰজকুণ্ডত এনে শক্তিৰ প্ৰকল্প আছে।

## জোৱাৰ শক্তি (Tidal Power) ঃ

সমুদ্ৰৰ জোৱাৰ-ভাটাৰপৰা বিদ্যুৎ শক্তি উৎপাদন কৰিব পাৰি। জোৱাৰৰ সময়ত উঠি অহা পানী আবদ্ধ কৰি ভাটাৰ সময়ত নামি যাবলৈ দি 'টাৰবাইন'ৰ সহায়ত বিদ্যুৎ উৎপন্ন কৰা হয়। ৰাছিয়া, ফ্ৰান্স আদিত এনে ব্যৱস্থা আছে। ভাৰতৰ কাচ্চ উপসাগৰত এনেদৰে বিদ্যুৎ শক্তি উৎপন্ন কৰা হয়।

## জৈৱ গেছ (Bio-Gas) ঃ

মৃত জীৱ-জন্তু আৰু উদ্ভিদৰ অৱশিষ্ট, কৃষিজাত আৱৰ্জনা, গোবৰ আদিক বিশেষ প্ৰক্ৰিয়াৰে গেছীয় ইন্ধনলৈ ৰূপান্তৰিত কৰিব পাৰি। গেছ যন্ত্ৰত জমা কৰি থোৱা আৱৰ্জনাবোৰৰপৰা উৎপন্ন হোৱা গেছৰ দ্বাৰা বিজুলী বাতি জ্বলোৱা আৰু ৰন্ধা-বঢ়া কাম কৰিব পাৰি।

## জলবিদ্যুৎ শক্তি ঃ

নদী বা বৰষুণৰ পানী বান্ধৰ সহায়ত আবদ্ধ কৰি যান্ত্ৰিক পদ্ধতিৰে বিদ্যুৎ শক্তিলৈ ৰূপান্তৰ কৰা হয়। পৃথিৱীৰ চাৰি ভাগৰ এভাগ বিদ্যুৎ এনেদৰেই উৎপন্ন কৰা হয়। ভাৰতৰ ভাক্ৰানাঙল, দামোদৰ উপত্যকা, গান্ধীসাগৰ আদি

উল্লেখযোগ্য জলবিদ্যুৎ প্ৰকল্পস্থান। বৰ্তমান সময়ত বহুতো বৃহৎ নদী বান্ধসমূহৰ দ্বাৰা নদী- অববাহিকাৰ পৰিবেশ বিনষ্ট হয় বুলি আশংকা কৰে।

**সংৰক্ষণ ঃ**

পৃথিৱীৰ প্ৰায় সকলোতে শক্তি সম্পদ বিয়পি থকা বুলি ক'ব পাৰি। কিন্তু এই সম্পদ আহৰণৰ ক্ষেত্ৰত খৰচ, সময়, শ্ৰম, প্ৰযুক্তি আদি কাৰকবোৰ জড়িত হৈ আছে। যিকোনো সম্পদ আমি অনায়াসে আহৰণ কৰিব নোৱাৰো। সেয়ে সম্পদৰ অপচয় কৰা উচিত নহয়। ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়ী নহ'লে সম্পদ সংৰক্ষিত নহয়। ভৱিষ্যতৰ কাৰণে সম্পদ ৰাহি কৰিবলৈ হ'লে সম্পদৰ অপচয় ৰোধ কৰিব লাগিব। মানুহে প্ৰয়োজনতকৈ অধিক সম্পদ ভোগ কৰিলে উৎপাদনো বেছিকৈ কৰিবলগীয়া হয়। ফলত অধিক সম্পদ আৰু শক্তিৰ প্ৰয়োজন হয়। সেই অনুপাতে প্ৰদূষণৰ মাত্ৰাও বৃদ্ধি হয়। সেয়েহে সম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়ী আৰু সংৰক্ষণৰ প্ৰতি সচেতন হোৱাটো সকলোৰে কৰ্তব্য।

**উত্তৰ লিখা ঃ**

- পৰম্পৰাগত শক্তি বুলিলে কি বুজা?
- শক্তিৰ বিকল্প হিচাপে অপৰম্পৰাগত শক্তি কিয় গুৰুত্বপূৰ্ণ?
- শক্তি সম্পদ কিয় সংৰক্ষণ কৰিব লাগে?

**মনত ৰাখিবলগীয়া কথা ঃ**

- মানুহৰ কামত অহা প্ৰকৃতিৰ আটাইবোৰ উপাদানেই প্ৰাকৃতিক সম্পদ।
- জীৱজগতৰ মূল আধাৰ হিচাপে ভূমি সম্পদ অতি গুৰুত্বপূৰ্ণ।
- এক-ছেণ্টিমিটাৰ মানৰ ভূমিৰ এটা তৰপ গঠন হ'বলৈ কেবাশ বছৰৰ প্ৰয়োজন হয়।
- ভূমি সম্পদৰ উপযুক্ত ব্যৱহাৰ নহ'লে ব্যৱহাৰযোগ্য ভূমিৰ নাটনি হয়।
- জনসংখ্যাৰ বৃদ্ধি, অপৰিকল্পিত ব্যৱহাৰ আৰু বিভিন্ন প্ৰাকৃতিক কাৰণত ভূমিৰ সমস্যাই দেখা দিছে।
- বিভিন্ন উপায়েৰে ভূমি সংৰক্ষণ কৰিব পাৰি।
- জল সম্পদ আমাৰ বাবে প্ৰকৃতিৰ এক অনবদ্য অবদান।
- জল সম্পদৰ উপযুক্ত ব্যৱহাৰ, ব্যৱস্থাপনা আৰু সংৰক্ষণ অবিহনে জল সংকটৰ সৃষ্টি হয়।
- বনজ সম্পদৰ ব্যৱহাৰ, সংৰক্ষণ আৰু ব্যৱস্থাপনাৰ প্ৰতি সকলো সচেতন হোৱা উচিত।
- বনজ সম্পদৰ উপাদানসমূহৰ মাজত পাৰস্পৰিক সম্পৰ্ক আছে। মানুহক বিভিন্ন প্ৰকাৰে এই সম্পদে সহায় কৰে।
- শক্তি সম্পদ মানুহৰ উন্নতিৰ বাবে অপৰিহাৰ্য।
- পৰম্পৰাগত আৰু অপৰম্পৰাগত শক্তিৰ সংৰক্ষণ অত্যন্ত প্ৰয়োজনীয়।
- জীৱাশ্ম ইন্ধনসমূহৰ ভঁৰাল দিনক দিনে কমি আহিছে। গতিকে বিকল্প শক্তিৰ ব্যৱহাৰৰ ওপৰত জোৰ দিয়া উচিত।
- সামগ্ৰিকভাৱে সকলো সম্পদৰে সংৰক্ষণ দৰকাৰ।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) মাটিৰ চাহিদা দিনক দিনে বৃদ্ধি পাই অহাৰ যিকোনো দুটা কাৰণ উল্লেখ কৰা।

(খ) কোনো এঠাইত জন বসতি ঘন হোৱাৰ কাৰণ কি বুলি ভাবা? (দুটা কাৰণ লিখা)

(গ) ভূমি অৱক্ষয় হোৱাৰ দুটা কাৰণ দৰ্শোৱা।

(ঘ) বিভিন্ন ঠাইত বৰ্তমান পানীৰ সংকটে দেখা দিয়াৰ দুটা কাৰণ লিখা।

২। শুদ্ধ উত্তৰত ☑ চিন দিয়া—

(ক) তলৰ কোনটোৱে পানীৰ সংৰক্ষণত সহায় কৰে?

(১) অবাবতে পানীৰ টেপ খুলি থলে, (২) ভূগৰ্ভৰ পানীৰ অত্যধিক ব্যৱহাৰ কৰিলে, (৩) বৰষুণৰ পানী জমা কৰি থলে।

(খ) নিৰ্মল পানী পাবলৈ হ'লে—

(১) আৱৰ্জনাবোৰ নৈত পেলাব লাগে, (২) পানীত ৰাসায়নিক সাৰ মিহলাব লাগে, (৩) পানীৰ উৎস প্ৰদূষিত নোহোৱাকৈ ৰাখিব লাগে।

(গ) তলৰ কোনটোৱে শক্তি সংৰক্ষণত সহায় নকৰে—

(১) জীৱাশ্ম ইন্ধনৰ ব্যৱহাৰ অধিক হ'লে, (২) অপৰম্পৰাগত শক্তিৰ সুব্যৱহাৰ কৰিলে, (৩) শক্তি সম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত মিতব্যয়ী হ'লে।

৩। ভূমি সম্পদৰ গুৰুত্ব আৰু ব্যৱহাৰৰ বিষয়ে লিখা। (৮০টা মান শব্দৰ ভিতৰত)

৪। তুমি থকা ঠাইখনৰ ভূমি সম্পদৰ ক্ষেত্ৰত কি পৰিৱৰ্তন হৈছে? পৰিয়ালৰ জ্যেষ্ঠ লোক বা ওচৰৰ বিজ্ঞলোকৰপৰা সেই সম্পৰ্কে জানি লৈ এটি টোকা যুগুত কৰা।

৫। বনজ সম্পদ আৰু জলজ সম্পদৰ ব্যৱহাৰৰ ক্ষেত্ৰত কেনে ভূমিকা লোৱা উচিত?

৬। শক্তি সম্পদ সংৰক্ষণৰ বাবে কি কি পদক্ষেপ গ্ৰহণ কৰিব লাগে?

৭। চমু টোকা লিখা—

(ক) বন্যপ্ৰাণী, (খ) জীৱাশ্ম ইন্ধন, (গ) মৰুকৰণ, (ঘ) সৌৰশক্তি, (ঙ) ভূমিস্খলন

৮। পাৰ্থক্য দেখুওৱা —

(ক) গ্ৰামাঞ্চলৰ ভূমিৰ ব্যৱহাৰ আৰু নগৰীয়া অঞ্চলৰ ভূমিৰ ব্যৱহাৰ

(খ) পৰম্পৰাগত আৰু অপৰম্পৰাগত শক্তি।

৯। তোমালোকৰ ওচৰে-পাজৰে থকা বনজ সম্পদসমূহৰ সংৰক্ষণ আৰু বৃদ্ধিৰ বাবে গ্ৰহণ কৰিবপৰা উপায়সমূহ উল্লেখ কৰা।

১০। অপৰম্পৰাগত শক্তিসম্পদ কি কি? এইবোৰ কেনেকৈ পোৱা যায় বা সংগ্ৰহ কৰা হয় তাৰ এখন তালিকা প্ৰস্তুত কৰা।

✧✧✧✧✧✧

# পাঠ - ২

# জনসংখ্যাৰ বৃদ্ধি আৰু বিতৰণ

D4V9L5

**শিকনৰ ফলাফল ঃ**

- জনসংখ্যাৰ বৃদ্ধি আৰু বিকাশ সম্পৰ্কে ধাৰণা লাভ কৰিব।
- জনসংখ্যাৰ বিতৰণ সম্পৰ্কে জানিব পাৰিব।
- জনপ্ৰব্ৰজনৰ বিষয়ে জ্ঞান লাভ কৰিব।
- জনসংখ্যাৰ বিস্ফোৰণ কি সেয়া জানিব পাৰিব।
- মানৱ সম্পদৰ বিষয়ে ধাৰণা লাভ কৰিব।

সময়ৰ লগে লগে সাধাৰণতে একোখন ঠাইৰ জনসংখ্যা বাঢ়ি গৈ থাকে। পৃথিৱীত মানুহৰ সৃষ্টিৰ পিছৰেপৰা এতিয়ালৈকে বংশ বৃদ্ধি হৈ জনসংখ্যাই বিশাল ৰূপ পাইছে। আৰম্ভণিতে অঘৰী আৰু চিকাৰী জীৱন যাপন কৰা মানুহে পাছলৈ কৃষিকাৰ্যত জড়িত হৈ স্থায়ীভাৱে বসতি কৰিবলৈ লয়। সেই সময়ত মানুহে নিজৰ পৰিৱেশত থকা সা-সুবিধাৰ ওপৰত ভিত্তি কৰি বসতি স্থাপন কৰিছিল। জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহে পৃথিৱীৰ বিভিন্ন প্ৰান্তত সিঁচৰতি হৈ পৰিল। বৰ্তমান সময়ত মানুহ উদ্যোগ, বেহা-বেপাৰ, চাকৰি আদি বিভিন্ন কাৰ্যৰ লগত জড়িত হৈ পৰিছে। আজিৰ মানুহ নগৰকেন্দ্ৰিক জীৱনৰ প্ৰতি বেছিকৈ আকৰ্ষিত হৈছে। জনসংখ্যাৰ বৃদ্ধি আৰু প্ৰসাৰৰ ফলত সীমিত প্ৰাকৃতিক সম্পদৰ ব্যৱহাৰ বেছিকৈ হ'ব ধৰাত বিভিন্ন সমস্যাৰ উদ্ভৱ হৈছে।

## জনসংখ্যাৰ বৃদ্ধি আৰু মানৱ সম্পদৰ বিকাশ ঃ

জনসংখ্যাৰ বৃদ্ধি বুলিলে এটা নিৰ্ধাৰিত সময়ৰ ভিতৰত ঘটা জনসংখ্যাৰ সংখ্যাগত পৰিৱৰ্তনকে বুজায়। উদাহৰণ হিচাপে ২০০১ চনৰ লোকপিয়ল মতে অসমৰ মুঠ জনসংখ্যা আছিল ২,৬৬,৩৮,৪০৭ জন। ২০১১ চনত ই হয়গৈ ৩,১১,৬৯,২৭২জন। গতিকে ২০০১ৰপৰা ২০১১ চনলৈ এই দহ বছৰৰ ভিতৰত জনসংখ্যাৰ বৃদ্ধি আছিল ৪৫,৩০,৮৬৫ জন। এনেভাৱে এটা নিৰ্ধাৰিত সময়ৰ ভিতৰত ঠাই এখনৰ জনসংখ্যাৰ যি বৃদ্ধি হয় তাক সংখ্যাগত বৃদ্ধি বুলিব পাৰি। কোনো ঠাইত মহামাৰী বা কোনো দুৰ্যোগত ব্যাপক প্ৰাণহানি নঘটিলে বা কোনো কাৰণত তাৰপৰা অন্য ঠাইলৈ বহুসংখ্যক মানুহ গুচি নগ'লে সেই ঠাইখনত জনসংখ্যাৰ বৃদ্ধি ঘটে। দেশ এখনত অভাৱনীয়ভাৱে জনসংখ্যাৰ বৃদ্ধি হ'লে খাদ্যৰ নাটনি, খোৱা পানীৰ সমস্যা, মূল্যবৃদ্ধি, বাসস্থানৰ সমস্যা, শিক্ষা, স্বাস্থ্য আদি সকলো দিশতে নানা ধৰণৰ সমস্যাৰ উদ্ভৱ হ'বলৈ ধৰে। ইয়াৰ লগে লগে প্ৰাকৃতিক সম্পদৰ ওপৰতো মানুহৰ হেঁচা বৃদ্ধি পায়। ফলত পৰিৱেশ বিনষ্ট হোৱাৰ লগতে ভৱিষ্যতৰ বাবে সম্পদৰ নাটনি হোৱাটো নিশ্চিত হৈ পৰে। আফ্ৰিকাৰ ইথিওপিয়া, চোমালিয়া আদিৰ দৰে দেশত এনে এখন ছবি ক্ৰমে প্ৰকট হৈ পৰিছে।

২০০৮ চনৰ হিচাপ মতে পৃথিৱীৰ মুঠ জনসংখ্যা আছিল ৬৬৮ কোটি। ১৬৫০ চনত পৃথিৱীৰ জনসংখ্যা আছিল ৫০ কোটি। ১৮০০ চনত অৰ্থাৎ ডেৰশ বছৰৰ পাছত ই হয়গৈ ৯৮ কোটি, অৰ্থাৎ প্ৰায় দুগুণৰ ওচৰ। ১৮০০ চনৰপৰা দ্ৰুতভাৱে জনসংখ্যাৰ বৃদ্ধি হৈ ১৯৫০ চনত অৰ্থাৎ পাছৰ ডেৰশ বছৰত হয়গৈ ২৫২ কোটি। ইয়াৰ পিছৰ ৫০ বছৰত অৰ্থাৎ ২০০১ চনত জনসংখ্যা হয়গৈ ৬১৩ কোটি। শিশুৰ জন্মৰ হাৰ বৃদ্ধিৰ উপৰি চিকিৎসাবিজ্ঞানে মানুহৰ বেমাৰজনিত মৃত্যুৰ হাৰ কমাই অনাটোও জনসংখ্যা বৃদ্ধিৰ অন্যতম প্ৰধান কাৰণ। বিগত ৫০ বছৰত প্ৰতি বছৰে গড়ে প্ৰায় ৮ কোটি মানকৈ জনসংখ্যা বৃদ্ধি হৈছে।

দেশ এখনৰ সকলোখিনি মানুহেই শিক্ষা, কৰ্মদক্ষতা, কাৰিকৰী কৌশল, বুদ্ধিমত্তা আদি দিশত সমপৰ্যায়ৰ নহয়। কৰ্মকুশলতা, উৎপাদনমুখী দক্ষতা, জ্ঞান-বুদ্ধি আদি মানৱ সম্পদৰ কিছুমান গুণগত বৈশিষ্ট্য। মানৱ সম্পদ সমাজ তথা দেশৰ উন্নতিৰ ভেটিস্বৰূপ। এনে মানৱ সম্পদক উপযুক্তভাৱে গঢ়ি তোলাকে মানৱ সম্পদৰ উন্নয়ন বা বিকাশ বুলিব পাৰি। গতিকে মানৱ সম্পদৰ বিকাশ মানে সম্পদ হিচাপে মানুহৰ গুণগত উৎকৰ্ষ সাধন। ইয়াৰ বাবে চৰকাৰৰ উপযুক্ত আঁচনি থকা দৰকাৰ। সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে সম্পদ, শিক্ষা, সুস্বাস্থ্য, উপযুক্ত কৰ্মসংস্থাপন আদিৰ ব্যৱস্থা যথাযথভাৱে নিশ্চিত কৰাটোৱেই হৈছে মানৱ সম্পদ উন্নয়নৰ মূল চৰ্ত। জনসংখ্যাৰ গুণগত বিকাশ হ'লে মানৱ সম্পদৰ বিকাশ হোৱা বুলি ক'ব পাৰি।

**উত্তৰ লিখা ঃ**

- জনসংখ্যাৰ বৃদ্ধি মানে কি?
- জনসংখ্যাৰ গুণগত বিকাশ মানে কি?
- জনসংখ্যাৰ বৃদ্ধিয়ে কেনেধৰণৰ সমস্যাৰ সৃষ্টি কৰে?

## জনসংখ্যাৰ বিতৰণ (Population Distribution) ঃ

আমাৰ পৃথিৱীখনৰ কিছুমান বিশেষ অঞ্চলত মানুহৰ বসতি গঢ় লৈ উঠিছে। জনসংখ্যা বৃদ্ধি পোৱাৰ ফলস্বৰূপে পৰৱৰ্তীকালত কৰ্মসংস্থানৰ সন্ধানত মানুহে আন আন ঠাইলৈ গৈ বসতি কৰিবলৈ লয়। লাহে লাহে যোগাযোগ, পৰিবহণ আদি ব্যৱস্থাৰ উন্নতি ঘটিলে মানুহে নতুন নতুন ঠাই আৰু সম্পদৰ সন্ধান কৰিবলৈ ধৰে। উদাহৰণ স্বৰূপে, সোণ, হীৰা আদি মূল্যবান ধাতুৰ সন্ধান পাই অষ্ট্ৰেলিয়াৰ মৰুভূমিত বৃটিছসকলে খনি চহৰ গঢ়ি তোলে। দক্ষিণ আফ্ৰিকাতো হীৰা, সোণ আদি আহৰণৰ বাবে চহৰ গঢ় লৈ উঠে। উত্তৰ আমেৰিকাৰ শীত প্ৰধান আলাস্কাতো তেনে চহৰ গঢ় লৈ উঠিছে। ক্ৰমান্বয়ে সাগৰ-মহাসাগৰৰ দ্বীপ আৰু মৰুপ্ৰায় অঞ্চললৈও মানুহৰ বিতৰণ সম্প্ৰসাৰিত হ'ব ধৰে। বৰ্তমান কুমেৰু মহাদেশ আৰু উত্তৰ মেৰুৰ বৰফাবৃত অংশতহে জনবসিত সম্ভৱ হৈ উঠা নাই। পৃথিৱীৰ মুঠ জনসংখ্যাৰ ৬০ শতাংশ লোক মাত্ৰ ১০ খন ৰাষ্ট্ৰৰ বাসিন্দা। তলৰ তালিকা ২.১ ত ১০ খন জনবহুল ৰাষ্ট্ৰৰ জনসংখ্যাৰ এটা আভাস দিয়া হৈছে।

| ৰাষ্ট্ৰৰ নাম | জনসংখ্যা, ২০২০ চন | ঘনত্ব (প্ৰতি বৰ্গ কিঃমিঃ) | পৃথিৱীৰ মুঠ জনসংখ্যাত অংশীদাৰিত্ব |
|---|---|---|---|
| ১) চীন | ১,৪৩৯,৩২৩,৭৭৬ | ১৫৩ | ১৮.৪৭% |
| ২) ভাৰত | ১,৩৮০,০০৪,৩৮৫ | ৪৬৪ | ১৭.৭০% |
| ৩) আমেৰিকা যুক্তৰাষ্ট্ৰ | ৩৩১,০০২,৬৫১ | ৩৬ | ৪.২৫% |
| ৪) ইণ্ডোনেছিয়া | ২৭৩,৫২৩,৬১৫ | ১৫১ | ৩.৫১% |
| ৫) পাকিস্তান | ২২০,৮৯২,৩৪০ | ২৮৭ | ২.৮৩% |
| ৬) ব্ৰাজিল | ২১২,৫৫৯,৪১৭ | ২৫ | ২.৭৩% |
| ৭) নাইজেৰিয়া | ২০৬,১৩৯,৫৮৯ | ২২৬ | ২.৬৪% |
| ৮) বাংলাদেশ | ১৬৪,৬৮৯,৩৮৩ | ১,২৬৫ | ২.১১% |
| ৯) ৰাছিয়া | ১৪৫,৯৩৪,৪৬২ | ৯ | ১.৮৭% |
| ১০) মেক্সিকো | ১২৮,৯৩২,৭৫৩ | ৬৬ | ১.৬৫% |

তালিকা ঃ পৃথিৱীৰ জনবহুল ১০ খন ৰাষ্ট্ৰৰ ২০২০ চনৰ জনসংখ্যা

[illegible] Economic and Social Affairs Deptt. Revision,2020

পৃথিৱীৰ ভিতৰতে জনবহুল দেশ তিনিখন ক্ৰমান্বয়ে চীন, ভাৰত আৰু আমেৰিকা যুক্তৰাষ্ট্ৰ। এখন দেশৰ জনসংখ্যা বৃদ্ধি বা হ্ৰাসৰ লগত সেই দেশৰ জনসংখ্যাৰ ঘনত্বৰ কথাটিও গুৰুত্বপূৰ্ণ। জনসংখ্যাৰ ফালৰপৰা বাংলাদেশ আৰু ৰাছিয়াৰ স্থান ক্ৰমে অষ্টম আৰু নৱম। কিন্তু জনসংখ্যাৰ ঘনত্ব বাংলাদেশৰ ১,২৬৫ ৰ বিপৰীতে ৰাছিয়াৰ মাথোন ৯ ।

জনসংখ্যাৰ বিতৰণৰ ক্ষেত্ৰত পৰিৱেশৰ কেতবোৰ কাৰকে বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। তেনে কাৰকবোৰৰ ভিতৰত পৰ্যাপ্ত পৰিমাণৰ পানীৰ অৱস্থিতি, স্থলভাগৰ গঠন বা আকৃতি, ঠাইখনৰ জলবায়ু আৰু মাটিৰ স্বাভাৱিক উৰ্বৰতা আদি প্ৰধান। এইবোৰৰ লগতে প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য, ঔদ্যোগিক বিকাশ, নগৰীকৰণ আদিয়েও জনসংখ্যাৰ বিতৰণৰ ওপৰত প্ৰভাৱ পেলায়। তদুপৰি দেশৰ শাসনপ্ৰণালী, ধৰ্ম নিৰপেক্ষ নীতি আদিয়েও জনসংখ্যাৰ বিতৰণৰ ক্ষেত্ৰত বিশেষ ভূমিকা লয়।

**ক্ৰিয়াকলাপ ঃ**

✦ জনসংখ্যাৰ বিতৰণ বুলিলে কি বুজা আৰু জন-সংখ্যাৰ বিতৰণৰ ওপৰত কোনবোৰ কাৰকে প্ৰভাৱ পেলায় দলত আলোচনা কৰি উল্লেখ কৰা।

**জানি থওঁ আহা ঃ**

✦ জনসংখ্যাৰ ভিত্তিত মহাদেশসমূহৰ ভিতৰত এছিয়াৰ স্থান প্ৰথম।

✦ ২০২০ চনৰ হিচাপ মতে এছিয়াৰ মুঠ জনসংখ্যা ৪,৬৪১ নিযুত। ই পৃথিৱীৰ মুঠ জনসংখ্যাৰ ৬০ শতাংশ। আফ্ৰিকা মহাদেশৰ স্থান জনসংখ্যা হিচাপত দ্বিতীয়। ইয়াৰ জনসংখ্যা ১৩৪১ নিযুত। ই পৃথিৱীৰ মুঠ জনসংখ্যাৰ ১৭.২১ শতাংশ। ইউৰোপৰ জনসংখ্যা ৪৪৭.৭ নিযুত। ই পৃথিৱীৰ মুঠ জনসংখ্যাৰ ৯.৭৮ শতাংশ। উত্তৰ আমেৰিকাৰ জনসংখ্যা ৫৯২ নিযুত আৰু দক্ষিণ আমেৰিকাৰ জনসংখ্যা ৪৩০.৭৫ নিযুত।

## জনসংখ্যাৰ কেন্দ্ৰীভৱন বা থুপীকৰণ (Population Concentration) আৰু ঘনত্ব (Population Density) ঃ

জনসংখ্যাৰ বিতৰণ ঠাই বিশেষে ঘন, মজলীয়া আৰু পাতল হোৱা দেখা যায়। অতীজত পৃথিৱীৰ বহুতো অঞ্চলত নদী উপত্যকাকেন্দ্ৰিক সভ্যতাৰ বিকাশ ঘটিছিল। এনে অঞ্চলবোৰত জনবসতি কেন্দ্ৰীভূত হৈছিল। সাধাৰণতে নদী উপত্যকা আৰু উপকূলীয় সমভূমি অঞ্চলৰ মাটি কৃষিকাৰ্যৰ বাবে উপযোগী। তদুপৰি এনে অঞ্চলবোৰত উদ্যোগ, পশুপালন আদিৰ বাবে প্ৰয়োজনীয় পানীৰ সুবিধাও থাকে। মাছ ধৰা বৃত্তি আৰু কম খৰচী যাতায়াতৰ সুবিধা থকাৰ কাৰণে আজিও এনে অঞ্চলবোৰত জনবসতি ঘন আৰু নগৰৰ সংখ্যাও বেছি। সাধাৰণতে যিবোৰ ঠাইত প্ৰাকৃতিক বা মানৱসৃষ্ট সুবিধাৰ ভিত্তিত বসতি অতি ঘন তাতেই জনসংখ্যাৰ কেন্দ্ৰীভৱন ঘটা বুলি ক'ব পাৰি।


আকৌ কোনো অঞ্চলত বৃহৎ উদ্যোগ গঢ় লৈ উঠাৰ ফলতো অঞ্চলটোৰ বাসিন্দাসকলে শিক্ষা, চিকিৎসা, বেংক ব্যৱস্থা, উন্নত যাতায়াত ব্যৱস্থা, পানী যোগান, বজাৰ আদিৰ দৰে সা-সুবিধাসমূহ লাভ কৰে। তেনে অঞ্চলত নিয়োগৰ সম্ভাৱনাও বেছি। ইয়াৰ ফলত ঔদ্যোগিক অঞ্চলবোৰ ক্ষিপ্ৰভাৱে জনবহুল হৈ পৰে।

জনসংখ্যাৰ কেন্দ্ৰীভৱনৰ ভিত্তিত পৃথিৱীত ৪টা বিশেষ অঞ্চল চিনাক্ত কৰিব পাৰি। সেইবোৰ হ'ল— পূব এছিয়া, দক্ষিণ-পূব এছিয়া, পশ্চিম আৰু মধ্য ইউৰোপ আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ উত্তৰ-পূব উপকূলীয় অঞ্চল। এই চাৰিটা ঘন বসতিপূৰ্ণ অঞ্চলত পৃথিৱীৰ মুঠ জনসংখ্যাৰ ৭৫ শতাংশ লোকে বসতি কৰে। এছিয়াৰ চীন দেশৰ হোৱাংহো উপত্যকা, ইয়াংছিকিয়াং অৱবাহিকা, জাপানৰ পূব উপকূলীয় অঞ্চল পূব এছিয়াৰ অন্তৰ্গত। মৌছুমী জলবায়ুৰ অন্তৰ্গত এই অঞ্চলটো কৃষিৰ উপযোগী। জাপানত শিল্প-উদ্যোগৰ ব্যাপক প্ৰসাৰ ঘটিছে। জলবায়ুও নাতিশীতোষ্ণ। এনেবোৰ কাৰণতে অঞ্চলটোত জনবসতি অতি ঘন।

দক্ষিণ-পূব এছিয়াৰ অন্তৰ্গত ভাৰতৰ গংগা-ব্ৰহ্মপুত্ৰ সমভূমি, বাংলাদেশৰ ব-দ্বীপীয় অঞ্চল আৰু পাকিস্তানৰ সিন্ধু উপত্যকা অঞ্চল দ্বিতীয় ঘন বসতিপূৰ্ণ অঞ্চল। ঘনবসতিৰ তৃতীয়টো অঞ্চল পশ্চিম আৰু মধ্য ইউৰোপৰ অন্তৰ্গত গ্ৰেট বৃটেইন, বেলজিয়াম, নেডাৰলেণ্ড, জাৰ্মানী, ফ্ৰান্স আদি পৃথিৱীৰ উন্নত দেশসমূহক লৈ গঠিত। এই অঞ্চলৰ দেশসমূহ শিক্ষা, প্ৰযুক্তিবিদ্যা, উদ্যোগ, ব্যৱসায় আদিত অতি আগবঢ়া। এই দেশবোৰত জনবসতি অতি ঘন। আমেৰিকা

যুক্তৰাষ্ট্ৰ, কানাডাৰ দক্ষিণ অংশ, কিউবা আদি কেইখনমান দেশেৰে পৃথিৱীৰ চতুৰ্থটো ঘনবসতি অঞ্চল গঠিত। ইয়াত বৃহৎ উদ্যোগ, উন্নত কৃষিক্ষেত্ৰ, খনিজ সম্পদৰ প্ৰাচুৰ্য, শিক্ষাৰ সুবিধা আদিৰ বাবে জনবসতি ঘন।

সাধাৰণতে পানীৰ সুবিধা, সাৰুৱা ভূমি, স্বাস্থ্যকৰ জলবায়ু, প্ৰাকৃতিক সম্পদৰ প্ৰাচুৰ্য আদি ঘনবসতিৰ প্ৰধান কাৰক। তদুপৰি ঔদ্যোগীকৰণ, নগৰীকৰণ, উন্নত শিক্ষা, যাতায়াত, চিকিৎসা ব্যৱস্থাৰ লগতে বিনোদনৰ সা-সুবিধা আদিয়েও জনসংখ্যা কেন্দ্ৰীভূত হোৱাত অৰিহণা যোগায়।




*চিত্ৰ ২.১ পৃথিৱীৰ ঘনবসতিপূৰ্ণ চাৰিটা অঞ্চল*

### ক্ৰিয়াকলাপ ঃ

- জনবসতিৰ কেন্দ্ৰীভৱন বা থূপীকৰণ বুলিলে কি বুজা ? সাধাৰণতে কি কি সা-সুবিধাৰ ভিত্তিত জনবসতিৰ থূপীকৰণ ঘটে ? এটি টোকা প্ৰস্তুত কৰা।

জনসংখ্যাৰ থূপীকৰণে একোটা অঞ্চলত মানুহৰ কাম-কাজত আহুকালৰ সৃষ্টি কৰে। এনে আহুকালৰপৰা উদ্ভৱ হোৱা সমস্যা সমাধানৰ কাৰণে বিভিন্ন উপায় অৱলম্বন কৰা হয়। উন্নত দেশসমূহত ঠাইৰ অভাৱত বাসগৃহ, চৰকাৰী কাৰ্যালয় আদিৰ কাৰণে উচ্চ অট্টালিকা নিৰ্মাণ কৰিব লগা হৈছে। তেনেকৈ মাটিৰ তলেৰে সুৰংগ পথ নিৰ্মাণ কৰি পৰিবহণৰ ব্যৱস্থা কৰিবলগীয়া হৈছে।

### ক্ৰিয়াকলাপ ঃ


- পাঠত উল্লেখ কৰা পৃথিৱীৰ ঘন জনবসতিপূৰ্ণ অঞ্চলকেইটিয়ে সামৰা দেশসমূহ মানচিত্ৰত চিনাক্ত কৰা।
- ঘনবসতিৰ বাবে উদ্ভৱ হোৱা সমস্যা লাঘৱ কৰাৰ কাৰণে কি কি বিকল্প ব্যৱস্থা ল'ব পৰা যায় উল্লেখ কৰা।

## জনসংখ্যাৰ ঘনত্ব (Population Density) ঃ

একোখন ঠাইৰ জনসংখ্যা ধাৰণ ক্ষমতাৰ একোটা সীমা থাকে। সম্পদেৰে ভৰা একোটা সৰু অঞ্চলত সম্পদহীন বিশাল অঞ্চল একোটাৰ তুলনাত অধিক মানুহ বসতি কৰে। ফলত ঠাইৰ মাটিকালি অনুপাতে বসতি অধিক ঘন হয়। এখন ঠাইৰ মানুহৰ সংখ্যা আৰু সেই ঠাইখনৰ মাটিকালিৰ অনুপাতক আমি সংখ্যাত প্ৰকাশ কৰিব পাৰো। এনেদৰে ঠাইখনৰ জনসংখ্যাৰ ঘনত্ব নিৰ্ণয় কৰা হয়। অৰ্থাৎ এখন ঠাইৰ প্ৰতি বৰ্গ কিলোমিটাৰ এলেকাত যিমান লোকে বাস কৰে সেয়াই ঠাইখনৰ জনসংখ্যাৰ ঘনত্ব। বিভিন্ন ধৰণৰ উন্নয়ন আঁচনি ৰূপায়ণৰ বেলিকা সাধাৰণতে জনসংখ্যাৰ ঘনত্বৰ প্ৰাসংগিকতা আহি পৰে।

২০১১ চনৰ লোকপিয়ল অনুসৰি অসমৰ মুঠ জনসংখ্যা ৩,১১,৬৯,২৭২ জন আৰু ৰাজ্যখনৰ মাটিকালি ৭৮,৪৩৮ বৰ্গ কিলোমিটাৰ। গতিকে ৰাজ্যখনৰ জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত ৩৮২জন।

জনসংখ্যাৰ ঘনত্ব অঞ্চলভেদে বেলেগ হোৱা দেখা যায়। আমেৰিকা যুক্তৰাষ্ট্ৰৰ উত্তৰ-পূৰ্বাঞ্চল, পশ্চিম আৰু মধ্য ইউৰোপৰ দেশসমূহ, দক্ষিণ আৰু দক্ষিণ-পূব এছিয়াৰ দেশবোৰৰ জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত ২০০ জনতো অধিক। আনহাতে উপমেৰুদেশীয় গ্ৰীণলেণ্ড, তুন্দ্ৰা অঞ্চল, উপক্ৰান্তীয় মৰুভূমি অঞ্চল, দক্ষিণ আমেৰিকাৰ নিৰক্ষীয় বৰ্ষাৰণ্য অঞ্চলত জনসংখ্যাৰ ঘনত্ব প্ৰতি বৰ্গ কিলোমিটাৰত এজনতকৈ কম।



*চিত্ৰ ২.২ পৃথিৱীৰ অঞ্চলভেদে জনসংখ্যাৰ ঘনত্ব*

## জন-প্ৰব্ৰজন (Migration) ঃ

অতীতকালৰপৰাই মানুহে এঠাইৰপৰা অন্য এঠাইলৈ গৈ বসতি স্থাপন কৰি আহিছে। কিছুসংখ্যক লোকে কৰ্মসূত্ৰে বা আন কোনো কাৰণত অন্য এখন ঠাইলৈ গৈ স্থায়ী বা সাময়িকভাৱে বসতি কৰা কাৰ্যক জন-প্ৰব্ৰজন বোলে। প্ৰব্ৰজনকাৰীসকলে যি স্থানৰপৰা যায় সেই ঠাইক প্ৰব্ৰজনৰ **উৎস স্থান** (Place of Origin) আৰু যিখন নতুন ঠাইত গৈ বসবাস কৰিবলৈ লয় তাক প্ৰব্ৰজনৰ **লক্ষ্যস্থান** (Place of Destination) বোলে। প্ৰব্ৰজনৰ মাত্ৰা অধিক হ'লে লক্ষ্যস্থানত

হঠাতে জনসংখ্যা দ্ৰুতভাৱে বৃদ্ধি পায়। ইয়ে ঠাইখনত ভূমি আৰু অন্যান্য সম্পদৰ জনমূৰি পৰিমাণ হ্ৰাস কৰে। ইয়াৰ উপৰি কেতিয়াবা কোনো কোনো প্ৰব্ৰজনৰ লক্ষ্যস্থানত ৰাজনৈতিক, ভাষা-সংস্কৃতিৰ সংকট দেখা দিব পাৰে। সাধাৰণতে যুদ্ধ-বিগ্ৰহ, প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী, বানপানী, গৰাখহনীয়া, খাদ্য সংকট, ৰাজনৈতিক সংকট আদি কাৰণত মানুহে কোনো ঠাই ত্যাগ কৰি অন্য স্থানলৈ প্ৰব্ৰজন কৰে। প্ৰব্ৰজনৰ উৎস স্থানৰ তুলনাত লক্ষ্যস্থানত জীৱন-নিৰ্বাহ অধিক সুবিধাজনক হ'লে মানুহৰ প্ৰব্ৰজন বাঢ়ে। বৰ্তমান সময়ত উন্নত শিক্ষা গ্ৰহণ, কৰ্মসংস্থাপন, নিৰাপদ জীৱন-যাপন আদিৰ বাবেও প্ৰব্ৰজন ঘটে। উদ্যোগ, কাৰখানা, নিৰ্মাণ কাৰ্য আদিত সংস্থাপন বিচাৰি সাধাৰণতে গাঁও অঞ্চলৰপৰা নগৰলৈ মানুহৰ প্ৰব্ৰজন ঘটা দেখা যায়। এনে প্ৰব্ৰজন কেতিয়াবা একেখন ৰাজ্যতে সীমিত নাথাকি আন ৰাজ্যলৈও সম্প্ৰসাৰিত হ'ব পাৰে। মুম্বাই, গুজৰাট, দিল্লী, অন্ধ্ৰপ্ৰদেশ আদিৰ ঔদ্যোগিক ক্ষেত্ৰসমূহলৈ দেশখনৰ বিভিন্ন ৰাজ্যৰপৰা কৰ্মসংস্থাপন বিচাৰি মানুহে প্ৰব্ৰজন কৰিছে। এনেভাৱে কৰ্মক্ষম সম্পদ হিচাপে এঠাইৰপৰা আন ঠাইলৈ মানুহৰ প্ৰব্ৰজন ঘটি আছে।

**ক্ৰিয়াকলাপ ঃ**

- জন-প্ৰব্ৰজন বুলিলে কি বুজা? কেনে কাৰণত প্ৰব্ৰজন ঘটে লিখা।
- প্ৰব্ৰজনৰ উৎসস্থান আৰু লক্ষ্যস্থানে কি বুজাই লিখা। (শিক্ষকৰ সহায় ল'বা)

## জনসংখ্যাৰ বিস্ফোৰণ (Population Explosion) ঃ

পৃথিৱীত মানুহৰ সৃষ্টিৰ সময়ৰেপৰা জনসংখ্যা ক্ৰমশঃ বাঢ়ি আহি বৰ্তমানৰ অৱস্থা পাইছে। বিভিন্ন সময়ত সংঘটিত প্ৰাকৃতিক দুৰ্যোগ, মহামাৰী আদিৰ ফলত ব্যাপকসংখ্যক মানুহৰ জীৱনৰ হানি ঘটিলেও মানুহৰ বৃদ্ধিৰ গতি স্তব্ধ হোৱা নাই। এসময়ৰ মুকলি ঠাইবোৰ এতিয়া মানুহেৰে ভৰি পৰিছে। সোতৰশ শতিকাৰ মাজভাগলৈ পৃথিৱীত মানুহৰ সংখ্যা প্ৰায় ৫০ কোটিৰ ওচৰ চাপিছিল। কিন্তু পৰৱৰ্তী সময়ত চিকিৎসা ব্যৱস্থাৰ উন্নতি ঘটাত মহামাৰীসমূহ নিয়ন্ত্ৰণলৈ অহাৰ লগতে বেমাৰ-আজাৰবোৰ উন্নত চিকিৎসাৰে নিৰাময় কৰিব পৰা হোৱাত মানুহৰ মৃত্যুৰ হাৰ কমি আহে। ইয়াৰ ফলত ঊনবিংশ শতিকাৰ আৰম্ভণিৰপৰা জনসংখ্যা ক্ষিপ্ৰ গতিত বৃদ্ধি হ'বলৈ ধৰে। জনসংখ্যাৰ এনে অভাৱনীয় পৰিবৰ্তনক **জনসংখ্যাৰ বিস্ফোৰণ** বোলা হৈছে। ১৯৫০ চনৰ পিছৰপৰা বিশ্বৰ জনসংখ্যা দ্ৰুত গতিত বাঢ়িবলৈ লয় আৰু ২০০১ চনত ৬১৩ কোটি আৰু ২০০৮ চনত হয়গৈ ৬৬৮ কোটি।

জনসংখ্যাৰ ফালৰপৰা আমাৰ দেশ ভাৰত পৃথিৱীৰ ভিতৰত দ্বিতীয় স্থানত আছে। ২০০৮ চনত ইয়াৰ জনসংখ্যা আছিল ১১৪ কোটি। ২০১১ চনত হয়গৈ ১২১.১ কোটি আৰু ২০২০ চনত হয়গৈ প্ৰায় ১৩৬ কোটি। জনসংখ্যাৰ ঘনত্ব আছিল ১৯৫১ চনত প্ৰতি বৰ্গ কিলোমিটাৰত ১১৭ জন আৰু ২০০১ চনত ৩১৩ জন, ২০১১ চনত ৩৮২ জন আৰু ২০২০ চনত ৪৬৪ জন। ইয়াৰপৰাই ভাৰতৰ জনসংখ্যা যে দ্ৰুতহাৰত বৃদ্ধি হৈ আছে তাক অনুমান কৰিব পাৰি। অসমৰ জনসংখ্যা ১৯০১ চনত আছিল ৩২ লাখ। ১৯৬১ চনত হয় ১.০৮ কোটি, ২০১১ চনত হয় প্ৰায়৩.১২ কোটি। ১৯০১ চনত অসমত জনসংখ্যাৰ ঘনত্ব আছিল প্ৰতি বৰ্গ কিলোমিটাৰত ৪১ জন আৰু ২০১১ চনত হয়গৈ ৩৮২ জন। জনসংখ্যাৰ এনে বৃদ্ধি বা বিস্ফোৰণৰ ফলত সীমিত সম্পদৰ আমাৰ এই পৃথিৱীখনত অদূৰ ভৱিষ্যতত কেনে পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে ভাবি চোৱাচোন! অৱশ্যে ১৯০১ চনৰ অসমৰ ভৌগোলিক পৰিসীমা ২০১১ চনলৈ বহুখিনি সংকুচিত হ'ল। কাৰণ পৰৱৰ্তী সময়ত অসমৰপৰাই কেইবাখনো নতুন ৰাজ্য গঠিত হয়। জনসংখ্যাৰ এনে বৃদ্ধি বা বিস্ফোৰণৰ ফলত সীমিত সম্পদৰ আমাৰ এই পৃথিৱীখনত অদূৰ ভৱিষ্যতত কেনে পৰিস্থিতিৰ উদ্ভৱ হ'ব পাৰে ভাবি চোৱাচোন।

বৰ্তমানে পৃথিৱীৰ উন্নয়নশীল দেশসমূহৰ উন্নয়নৰ প্ৰধান অন্তৰায় হৈ উঠিছে এই জনসংখ্যাৰ বিস্ফোৰণ। ইয়াৰ ফলতে পৰিৱেশৰ ভাৰসাম্যৰ অৱনতি ঘটাৰ উপৰি খাদ্য সংকট, অনগ্ৰসৰতা, মূল্যবৃদ্ধি, সংস্থাপনহীনতা, বাসস্থানৰ অভাৱ, শিক্ষা আৰু স্বাস্থ্যৰ সমস্যা আদিৰ দৰে সমস্যাবোৰৰ উদ্ভৱ হৈছে। অৰ্থাৎ জনসংখ্যাৰ বিস্ফোৰণে দেশৰ লগতে মানৱ সম্পদৰ উন্নয়নতো সমস্যাৰ সৃষ্টি কৰে।

জানি থওঁ আহা ঃ

✦ ২০২০ চনৰ পৰিসংখ্যা অনুসৰি নাইজেৰিয়া পৃথিৱীৰ ভিতৰত আটাইতকৈ বেছি জনসংখ্যা বৃদ্ধি হোৱা (৩.৮৪%) দেশ। অত্যধিক জনসংখ্যা বৃদ্ধি হোৱা বেছিভাগ দেশেই আফ্ৰিকা মহাদেশৰ অন্তৰ্গত।

উত্তৰ লিখা ঃ

✦ জনসংখ্যাৰ বিস্ফোৰণ মানে কি ?

✦ জনসংখ্যাৰ বিস্ফোৰণৰ ফলত সৃষ্টি হোৱা সমস্যাবোৰ কি কি?

সিপিঠিৰ আলোচনাৰপৰা জনসংখ্যা সম্পৰ্কীয় কিছু কথা জানিব পাৰিলা। জনসংখ্যাই কোনো এখন ঠাইত বসবাস কৰা সকলো মানুহকে সামৰি লয়। মানুহৰ প্ৰয়োজন পূৰ কৰিব পৰা বিভিন্ন প্ৰাকৃতিক বস্তুক যিদৰে প্ৰাকৃতিক সম্পদ বুলি কোৱা হৈছে তেনেদৰে সম্প্ৰতি মানুহকো একধৰণৰ সম্পদ বুলি বিবেচনা কৰা হৈছে। সপ্তম শ্ৰেণীৰ 'সম্পদ' শীৰ্ষক পাঠটিত তোমালোকে এই সম্পৰ্কে কিছু কথা পাই আহিছা। সমাজ তথা দেশৰ উন্নয়নৰ বাবে শাৰীৰিক, মানসিকভাৱে অৰিহণা আগবঢ়াব পৰা মানুহখিনিকেই মানৱ সম্পদ বুলি বিবেচনা কৰা হয়। আনহাতে যিখিনি মানুহৰ তেনে দক্ষতাৰ অভাৱ সেইসকল মানুহক প্ৰকৃত অৰ্থত মানৱ সম্পদ বুলি ধৰিব নোৱাৰি। সকলো সম্পদৰ আহৰণ আৰু ব্যৱহাৰৰ মূলতে হ'ল মানুহৰ বুদ্ধি-বৃত্তি, কাৰিকৰী কৌশল, কৰ্মদক্ষতা আৰু শিক্ষা। এনেবোৰ গুণৰ বাবেই মানৱ সম্পদক **শ্ৰেষ্ঠ সম্পদ** বুলি কোৱা হয়।

আমেৰিকা যুক্তৰাষ্ট্ৰ, জাৰ্মানী, ফ্ৰান্স, জাপান, চীন, ৰাছিয়া, গ্ৰেট ব্ৰিটেইন, কানাডা আদি পৃথিৱীৰ তুলনামূলকভাৱে আগবঢ়া দেশ। এইসমূহ দেশত কাৰিকৰী বিদ্যাত পাৰদৰ্শী, উন্নত শিক্ষাৰে শিক্ষিত লোকৰ সংখ্যা আন দেশৰ তুলনাত বহুত বেছি। এই উচ্চ দক্ষতাসম্পন্ন লোকসকল দেশৰ অমূল্য মানৱ সম্পদ। তেওঁলোকে উৎপাদনমুখী কাৰ্যত জড়িত হৈ দেশক উন্নতিৰ পথত আগবঢ়াই নিছে। আনহাতে, উন্নয়নমূলক কামত শাৰীৰিক আৰু মানসিকভাৱে অৰিহণা যোগাবলৈ যিসকল লোক অসমৰ্থ তেওঁলোকক আমি মানৱ সম্পদ বুলি ধৰিম জানো? এনে ধৰণৰ অসমৰ্থ বা কম সামৰ্থ থকা লোকৰ সংখ্যা যিবোৰ দেশত বেছি তেনে দেশৰ অৱস্থা কেনে ধৰণৰ হ'ব বাৰু? প্ৰাকৃতিক সম্পদত চহকী হ'লেও মানৱ সম্পদত দুৰ্বল দেশ এখনে অৰ্থনৈতিক বা ঔদ্যোগিক দিশত আগবাঢ়িব নোৱাৰাটো স্বাভাৱিক।

প্ৰাকৃতিক সম্পদসমূহৰ ভাণ্ডাৰ সীমিত। অত্যধিক ব্যৱহাৰৰ ফলত বহুতো সম্পদৰ ভাণ্ডাৰ নিঃশেষ হোৱাৰ পথত। কিন্তু ইয়াৰ বিপৰীতে মানুহৰ সংখ্যা দিনক দিনে বাঢ়ি গৈ আছে। জনসংখ্যাৰ দ্ৰুত বৃদ্ধি গোটেই পৃথিৱীৰ কাৰণে এতিয়া এটা ডাঙৰ সমস্যা। এই সমস্যাই আকৌ নতুন নতুন সমস্যাৰ উদ্ভৱ কৰি মানৱ সম্পদ সৃষ্টিৰ বাটত হেঙাৰ স্বৰূপ হৈ পৰিছে।

ক্ৰিয়াকলাপ ঃ

দলত আলোচনা কৰি লিখি উলিওৱা-

✦ কি কি গুণ থাকিলে মানুহক মানৱ সম্পদ বুলি ক'ব পাৰি?

✦ সুদক্ষ মানৱ সম্পদৰ অভাৱে দেশ এখনক কি কি দিশত দুৰ্বল কৰে?

✦ আনবোৰ সম্পদতকৈ মানৱ সম্পদক শ্ৰেষ্ঠ সম্পদ আখ্যা দিয়া হৈছে কিয়?

আমাৰ ভাৰত এখন উন্নয়নশীল দেশ। ইয়াৰ মানৱ সম্পদৰ উন্নয়নৰ অৰ্থে চৰকাৰে খাদ্য, বাসগৃহৰ সুবিধা, বিনামূলীয়া গুণগত প্ৰাথমিক শিক্ষা, উপযুক্ত কৰ্মসংস্থাপন, চিকিৎসা সেৱা আদিৰ ক্ষেত্ৰত বিভিন্ন আঁচনি গ্ৰহণ কৰিছে। মানৱ সম্পদৰ বিকাশৰ ওপৰতে দেশ একোখনৰ সামগ্ৰিক উন্নতি নিৰ্ভৰ কৰে।

বৰ্তমান বিশ্বায়নৰ যুগত গোটেই পৃথিৱীতে মুক্ত বাণিজ্য সম্ভৱ হৈ উঠিছে। বহুজাতিক বাণিজ্যিক গোষ্ঠীবোৰে কাৰিকৰী দিশত পাৰদৰ্শী ব্যক্তিসকলক নিযুক্তি দি পৃথিৱীত বাণিজ্যিক প্ৰসাৰ ঘটাইছে। এনেধৰণৰ নিযুক্তি লাভৰ কাৰণে দেশৰ মানুহৰ মাজত অন্য দেশলৈ যোৱাৰ প্ৰৱণতা বাঢ়িছে। ইয়ে অৱশ্যে নিজ দেশৰ উন্নয়নৰ ক্ষেত্ৰত ক্ষতিও কৰিব পাৰে।

**ক্ৰিয়াকলাপ ঃ**

- আমাৰ দেশত মানৱ সম্পদৰ উন্নতিৰ হকে কেনেধৰণৰ ব্যৱস্থা লোৱা হৈছে উল্লেখ কৰা।
- আমাৰ দেশৰ মানৱ সম্পদৰ মাজত বাহিৰলৈ যোৱাৰ প্ৰৱণতা বৃদ্ধি পোৱাৰ কাৰণ কি বুলি ভাবা লিখা।

**মনত ৰাখিবলগীয়া কথা ঃ**

- পৃথিৱীৰ বিভিন্ন ঠাইত ঘন অথবা পাতলীয়াকৈ মানুহে বসতি কৰি আছে, ইয়েই হৈছে জনসংখ্যাৰ বিতৰণ।
- কিছুমান অঞ্চলত মানুহৰ বসতি অতি ঘন হ'বলৈ ধৰা প্ৰক্ৰিয়াকে জনসংখ্যাৰ থুপীকৰণ বা কেন্দ্ৰীভৱন বোলে।
- জনসংখ্যাৰ থুপীকৰণৰ ভিত্তিত পৃথিৱীৰ প্ৰধান চাৰিটা ঘন বসতি অঞ্চল হৈছে— (ক) পূব এছিয়া, (খ) দক্ষিণ পূব এছিয়া, (গ) পশ্চিম আৰু মধ্য ইউৰোপ আৰু (ঘ) আমেৰিকা যুক্তৰাষ্ট্ৰৰ উত্তৰ-পূব উপকূলীয় অঞ্চল।
- প্ৰতি বৰ্গ কিলোমিটাৰ এলেকাত যিমান সংখ্যক লোকে বসতি কৰে সেই সংখ্যাই হৈছে ঠাইখনৰ জনসংখ্যাৰ ঘনত্ব।
- মানুহে কৰ্মসূত্ৰে বা আন কোনো কাৰণত নিজৰ স্থান ত্যাগ কৰি অন্য এখন নতুন স্থানত গৈ স্থায়ী বা সাময়িকভাৱে বসতি কৰা কাৰ্যকে জনপ্ৰব্ৰজন বোলে।
- পৰিৱেশত পোৱা উপাদানসমূহক ব্যৱহাৰৰ উপযোগী কৰি মানুহে সম্পদৰ ৰূপ দিয়ে।
- প্ৰকৃতিৰ বিভিন্ন উপাদানক সম্পদলৈ ৰূপান্তৰিত কৰাৰ সামৰ্থ, উৎপাদনৰ সামৰ্থ আৰু আবিষ্কাৰৰ সামৰ্থৰ বাবে আন সকলো সম্পদৰ তুলনাত মানুহক শ্ৰেষ্ঠ সম্পদ হিচাপে আখ্যা দিয়া হৈছে।
- ব্যৱহাৰৰ ফলত প্ৰাকৃতিক সম্পদসমূহৰ পৰিমাণ দিনক দিনে কমি আহিছে, কিন্তু ইয়াৰ বিপৰীতে মানুহৰ সংখ্যা দিনক দিনে বৃদ্ধিহে হৈ গৈ আছে।
- উচ্চ শিক্ষা লাভ, কৰ্মসংস্থাপন আদিৰ সুযোগ ল'বলৈ মানৱ সম্পদৰ বহিৰ্গমন ঘটে।
- জনসংখ্যাৰ বৃদ্ধি বুলিলে এটা নিৰ্ধাৰিত সময়ৰ ভিতৰত ঠাই এখনত ঘটা জনসংখ্যাৰ বৃদ্ধিক বুজায়। জনসংখ্যাৰ বৃদ্ধি মানে ইয়াৰ সংখ্যাগত বৃদ্ধি আৰু বিকাশ মানে ইয়াৰ উৎকৰ্ষ সাধন।

## অনুশীলনী ঃ

১। **শুদ্ধ উত্তৰটো লিখা—**

(ক) কোনটো অঞ্চলত জনসংখ্যা আটাইতকৈ বেছি—

(১) নিৰক্ষীয় অঞ্চল, (২) উত্তৰ মেৰু, (৩) পূব এছিয়া, (৪) আফ্রিকাৰ চাহাৰা মৰুভূমি।

(খ) কোনখন মহাদেশৰ জনসংখ্যা সৰ্বাধিক—

(১) ইউৰোপ, (২) আফ্রিকা, (৩) এছিয়া, (৪) অষ্ট্রেলিয়া

(গ) ২০১১ চনত অসমৰ জনসংখ্যা আছিল—

(১) ২.২৪ কোটি, (২) ৩.১২ কোটি, (৩) ২.৩৫ কোটি, (৪) ২.৪৬ কোটি।

(ঘ) তলত উল্লেখ কৰা কোনখন মহাদেশত মানুহৰ স্থায়ী বসতি নাই—

(১) এছিয়া, (২) দক্ষিণ আমেৰিকা, (৩) কুমেৰু বা এণ্টাৰ্কটিকা, (৪) ইউৰোপ।

(ঙ) পৃথিৱীৰ ভিতৰত আটাইতকৈ জনবহুল দেশখন হ'ল —

(১) ভাৰত, (২) পাকিস্তান, (৩) ৰাছিয়া, (৪) চীন

২। **খালী ঠাই পূৰ কৰা—**

(ক) জনসংখ্যাৰ বৃদ্ধি শব্দটোৱে জনসংখ্যাৰ ________ বৃদ্ধিক বুজায়।

(খ) পৃথিৱীৰ বেছিভাগ মানুহে ________ গোলাৰ্ধত বসতি কৰে।

(গ) প্ৰতি বৰ্গ কিলোমিটাৰ এলেকাত যিমান সংখ্যক লোকে বসতি কৰে সিয়েই সেই ঠাইখনৰ জনসংখ্যাৰ ________।

(ঘ) এখন ঠাই ত্যাগ কৰি কোনো এখন নতুন ঠাইলৈ গৈ বসতি কৰিবলৈ ল'লে নতুন ঠাইখনক প্ৰব্ৰজনৰ ________ বোলে।

৩। **চমু টোকা লিখা—**

(ক) মানৱ সম্পদৰ উন্নয়ন, (খ) জনসংখ্যাৰ থুপীকৰণ, (গ) জনসংখ্যাৰ বিস্ফোৰণ।

৪। **বহলাই লিখা (৮০টা মান শব্দৰ ভিতৰত)**

জন প্ৰব্ৰজন কাক বোলে? ইয়াৰ কাৰণবোৰ কি কি? জন প্ৰব্ৰজনৰ ফলাফলবোৰ কেনেধৰণৰ?

৫। **প্ৰকল্প কাৰ্য ঃ**

(ক) তোমাৰ গাঁও বা নগৰত কি কি সা-সুবিধাৰ বাবে জনসংখ্যাৰ বৃদ্ধি ঘটিছে নিৰ্ণয় কৰা।

(খ) পৃথিৱীৰ জনসংখ্যা বিতৰণ আৰু জনবহুল দেশসমূহ চাই মহাদেশ অনুসাৰে লিপিবদ্ধ কৰা।

# পাঠ - ৩
# বসতি

G4T4X2

**শিকনৰ ফলাফল ঃ**

- মানুহৰ বসতি মানে কি তাক জানিব পাৰিব।
- বসতিৰ বিভিন্ন প্ৰকাৰ সম্বন্ধে ধাৰণা লাভ কৰিব।
- গ্ৰাম্য আৰু নগৰীয়া বসতিৰ বৈশিষ্ট্যৰ আভাস পাব।
- গাঁও আৰু নগৰৰ মাজত থকা সম্পৰ্কৰ বিষয়ে জানিব পাৰিব।
- উচ্চভূমিৰ বসতি আৰু নিম্নভূমিৰ বসতিৰ পাৰ্থক্য সম্বন্ধে ধাৰণা লাভ কৰিব।


আদিম যুগত মানুহৰ কোনো স্থায়ী বাসস্থান নাছিল। মানুহে তেতিয়া অঘৰী জীৱন-যাপন কৰিছিল। খাদ্যৰ সন্ধানত মানুহে এঠাইৰপৰা আন ঠাইলৈ ঘূৰি ফুৰিবলগীয়া হৈছিল। পৰ্বতৰ গুহা, ডাঙৰ গছ-গছনি আদিক আশ্ৰয়স্থল হিচাপে ব্যৱহাৰ কৰিছিল। ফলত মানুহে নিৰাপত্তাহীনতাত ভুগিছিল। মানুহে কৃষিকাৰ্য কৰিবলৈ লোৱাৰ পিছতহে স্থায়ী বসতিৰ সূচনা হয়। অৰ্থাৎ কৃষি কাৰ্য আৰম্ভ হোৱাৰ লগে লগে মানুহে একে ঠাইতে স্থায়ীভাৱে বসবাস কৰিবলৈ আৰম্ভ কৰে। বিশেষকৈ মাটি চহোৱা, শস্য চোৱা-চিতা কৰাৰ স্বাৰ্থত মানুহে স্থায়ীভাৱে বসতি কৰিবলগীয়া হয়। আনহাতে খেতি চপাই পোৱা শস্যবোৰ ভৱিষ্যতৰ বাবে মজুত কৰি ৰাখিবলৈও মানুহে স্থায়ীভাৱে বসবাসৰ পোষকতা কৰে। সেয়ে কৃষি কাৰ্যকে মানুহৰ স্থায়ী বসতিৰ প্ৰধান কাৰণ বুলি কোৱা হয়।



চিত্ৰ ৩.১ বসতিৰ ছবি

মানুহ আৰু কৃষি উভয়ৰে বাবে পানীৰ প্ৰয়োজন হোৱাৰ কাৰণে মানুহে নদীৰ দাঁতি-কাষৰীয়া অঞ্চলকে বসতিৰ বাবে নিৰ্বাচন কৰিছিল। পিছত ৰ'দ, বতাহ, বৰষুণ আৰু বিভিন্ন বন্যপ্ৰাণীৰপৰা ৰক্ষা পাবৰ নিমিত্তে মানুহে ঘৰ সাজি বাস কৰাৰ প্ৰয়োজনীয়তা অনুভৱ কৰে। প্ৰথমতে কৃষিক্ষেত্ৰৰ ওচৰে-পাজৰে পোৱা সহজলভ্য সা-সঁজুলিৰে বাসগৃহ সাজি উলিয়াইছিল। এনেকৈয়ে মানুহে একোখন ঠাইত ঘৰ সাজি স্থায়ীভাৱে বসতি কৰিবলৈ লৈ চুবুৰিৰ সৃষ্টি কৰে। কালক্ৰমত জনসংখ্যা বাঢ়ি অহাৰ ফলত চুবুৰিৰপৰা প্ৰসাৰতা লাভ কৰি একোখন গাঁৱৰ সৃষ্টি হয়।

আগৰ পৃষ্ঠাৰ ছবিখনলৈ ভালদৰে মন কৰাচোন। ছবিত দেখুওৱাৰ দৰে এটা অঞ্চলত বসতি গঢ়ি উঠিবলৈ হ'লে তাত কিছুমান সা-সুবিধা থাকিব লাগিব। উৎপাদনক্ষম মাটি, জলাশয়, ঘাঁহনি, বননি আদিৰ সুবিধা থকা ঠাইতহে মানুহে বসতি কৰিবলৈ লয়। বসতিয়ে সাধাৰণতে মানুহৰ স্থায়ীভাৱে বসবাস কৰা কাৰ্যকহে সূচায়। বসতি ঘাইকৈ দুই প্ৰকাৰৰ— গ্ৰাম্য বা গাঁৱলীয়া বসতি (Rural Settlement) আৰু নগৰীয়া বা পৌৰ বসতি (Urban Settlement)।



চিত্ৰ ৩.২ গ্ৰাম্য আৰু নগৰীয়া বসতি

কাষৰ ছবি দুখনলৈ ভালকৈ মন কৰা। ছবি দুখনৰ মাজত কি পাৰ্থক্য দেখিছা? তোমালোকৰ নিজৰ অঞ্চলৰ লগত ছবি দুখনৰ কোনখনৰ বেছি মিল থকা যেন পাইছা? আচলতে ছবি দুখনত গ্ৰাম্য আৰু নগৰীয়া বসতি দেখুওৱা হৈছে। কৃষিকাৰ্য, পশুপালন, বনজ দ্ৰব্য সংগ্ৰহ আৰু ব্যৱহাৰ আদিৰ বাবে মানুহে বাসোপযোগী স্থানত একত্ৰিত বা কিছু সিঁচৰতি হৈ বসবাস কৰিলে আমি গ্ৰাম্য বসতি বুলি কওঁ। আকৌ কোনো স্থানত ব্যৱসায়, বাণিজ্য, উদ্যোগ, অধিক যোগাযোগ আৰু যাতায়াত আদিৰ সুবিধা গঢ় লৈ উঠে আৰু তুলনামূলকভাৱে গাঁৱতকৈ বেছি আধুনিক সা-সুবিধা উপলব্ধ হয়। তেনে স্থানৰ বসতিক নগৰীয়া বসতি বুলি জনা যায়।

**উত্তৰ লিখা ঃ**

- মানুহে কৃষিক কেন্দ্ৰ কৰি স্থায়ীভাৱে বসতি আৰম্ভ কৰাৰ কাৰণ কি বুলি ভাবা লিখা।
- মানুহে নৈপৰীয়া ঠাইক স্থায়ী বসতিৰ বাবে কিয় নিৰ্বাচন কৰে?
- নগৰীয়া বসতি মানে কি বুজা?


## গ্ৰাম্য বসতি ঃ

সচৰাচৰ নদ-নদী, জান-জুৰি, হ্ৰদ আদিৰ কাষৰীয়া অঞ্চলতে গাঁৱৰ সৃষ্টি হোৱা দেখা যায়। পানীৰ উৎসক কেন্দ্ৰ কৰি গঢ়ি উঠাৰ কাৰণ এয়ে যে মানুহে খোৱা, ৰন্ধা-বঢ়া, ধোৱা-পখলা, কৃষিকাৰ্য আদি বিভিন্ন কামত পানী ব্যৱহাৰ কৰে। তদুপৰি জলাশয়বোৰত পোৱা মাছ আদি ধৰিও বহুতো মানুহে জীৱন নিৰ্বাহ কৰে। নদীত মানুহে নাও চলাই যাতায়াত আৰু পৰিবহণৰ সমস্যা দূৰ কৰে। গ্ৰাম্য বসতিৰ ক্ষেত্ৰত পানীৰ সমানেই দৰকাৰী হৈছে মাটি। সাধাৰণতে নদীৰ পাৰত সাৰুৱা মাটি থকাৰ কাৰণেই মানুহে তেনে ঠাইত গাঁও গঢ়ি তোলে। কৃষিয়েই গ্ৰাম্য বসতিৰ মূল ভিত্তি। পানী আৰু মাটিৰ


প্ৰয়োজন পূৰ হোৱাৰ পাছত বসতি স্থাপনৰ বাবে ওখ ঠাইৰ আৱশ্যক হয়। ওখ ঠাইত বসতি স্থাপন কৰিলে বানপানী আৰু সেমেকা পৰিৱেশৰপৰা হাত সাৰি থাকিব পাৰি। ওচৰতে গৃহ নিৰ্মাণৰ সামগ্ৰী, যেনে- বাঁহ, কাঠ, খেৰ, বালি, শিল আদি সংগ্ৰহ কৰাৰ সুবিধা থাকিলে বসতি স্থাপন সহজসাধ্য হয়। বসতি স্থাপনৰ ক্ষেত্ৰত ৰ'দ, বতাহ, বৰষুণ আদি জলবায়ুৰ উপাদানৰ কথাও আহি পৰে। সেইদৰে বসতিৰ বাবে ঠাই নিৰ্বাচন কৰোতে ঠাইখনত বেমাৰ-আজাৰ আদি হোৱাৰ সম্ভাৱনাৰ কথাও মানুহে বিবেচনা কৰে।

## গ্ৰাম্য বসতিৰ প্ৰকাৰ ঃ

পৃথিৱীৰ উপৰিভাগত মানুহৰ বসতি সকলোতে একে ধৰণৰ নহয়। যিবিলাক ঠাইৰ মাটি সাৰুৱা, পানীৰ সুবিধা আছে, ঘৰ সজাৰ বাবে সা-সঁজুলি সহজতে পোৱা যায়, পৰিবহণ সুচল তেনে ঠাইত সাধাৰণতে বসতি ঘন হয়। পৰ্বত-পাহাৰে আবৃত বা শিলাময় অঞ্চলত সাধাৰণতে বসতি পাতল হোৱা দেখা যায়। কোনো কোনো অঞ্চলত আকৌ বিভিন্ন সা-সুবিধা থকাৰ কাৰণে মানুহৰ বসতি একে ঠাইতে থুপ খাই থাকে। এনে ধৰণে থুপ খাই থকা বসতিক কেন্দ্ৰীভূত (Nucleated Settlement) বসতি বোলে। তলত দিয়া চিত্ৰ দুটিলৈ মন কৰিলে এই সম্বন্ধে ভালদৰে বুজিব পাৰিবাহঁক।



চিত্ৰ ৩.৩ কেন্দ্ৰীভূত বসতি




চিত্ৰ ৩.৪ পাতল বসতি

সাধাৰণতে পাহাৰীয়া এলেকাত নানা ধৰণৰ অসুবিধা থকা বাবে বসতি পাতল হয় অৱশ্যে কিছুমান সমতল ঠাইতো প্ৰতিকূল জলবায়ু, অসাৰুৱা মাটি আৰু যাতায়াতৰ অসুবিধাৰ বাবে বসতি পাতল বা সিঁচৰতি ধৰণৰ (Dispersed Settlement) হ'ব পাৰে।


তোমালোকে জনবসতিৰ ধৰণৰ ফালে লক্ষ্য কৰিলে দেখিবা যে কিছুমান বসতি বাট-পথৰ কাষে কাষে দীঘলীয়াকৈ বিস্তাৰিত হৈ থাকে। এনে বসতিক ৰৈখিক বসতি (Lincar Settlement) বুলি কোৱা হয়। কেতিয়াবা কোনো ঠাইত দুই-তিনিটা পথৰ সংযোগ ঘটিলে এনে বাট-পথক আশ্ৰয় কৰি বিশেষ তৰাৰূপী বসতি (Star Pattern of Settlement) গঢ় লৈ উঠিব পাৰে। এনে বসতিয়েই কালক্ৰমত নগৰীয়া বসতিত পৰিণত হয়। ঠিক তেনেদৰে গাঁৱত থকা কৃষিক্ষেত্ৰক কেন্দ্ৰ কৰিও এক ধৰণৰ বসতিৰ সৃষ্টি হোৱা দেখা যায়। এনে ধৰণৰ বসতিক বৰ্গক্ষেত্ৰাকাৰ বসতি (Square pattern of Settlement) বোলা হয়।



চিত্ৰ ৩.৫ ৰৈখিক বসতি



চিত্ৰ ৩.৬ তৰাৰূপী বসতি



চিত্ৰ ৩.৭ বৰ্গক্ষেত্ৰাকাৰ বসতি

> **ক্ৰিয়াকলাপ ঃ**
>
> ✦ তোমালোকৰ অঞ্চলত কেনেধৰণৰ বসতি দেখিবলৈ পোৱা যায়? অঞ্চলটোৰ বসতিৰ ধৰণ তেনে হোৱাৰ কাৰণ কি হ'ব পাৰে, দলত আলোচনা কৰা।

## নগৰীয়া বসতি ঃ

নগৰীয়া বসতিক পৌৰ বসতি বুলিও কোৱা হয়। পৌৰ শব্দৰ অৰ্থ হ'ল নগৰ। শিক্ষাই মানুহৰ বুদ্ধি-বৃত্তি আৰু শক্তি সামৰ্থৰ উৎকৰ্ষ সাধন কৰে। এনে সমৰ্থবান মানুহে প্ৰকৃতিৰপৰা পোৱা বিভিন্ন সম্পদ ব্যৱহাৰ কৰি কৃষিৰ উপৰি শিল্প-উদ্যোগ গঢ়ি তুলিবলৈ ধৰে। ফলত কৃষি, পশুপালন, মাছ ধৰা আদি বৃত্তিত নিয়োজিত লোকসকলৰ কিছুমানে উদ্যোগ, বেপাৰ- বাণিজ্য আদিত আত্মনিয়োগ কৰিবলৈ লয়। এনেকৈয়ে কৃষিভিত্তিক বসতি ক্ৰমে শিল্পভিত্তিক বসতিলৈ পৰিবৰ্তিত হয়। এইদৰে এনেবোৰ ঠাইত উদ্যোগ, ব্যৱসায়-বাণিজ্য, যাতায়াত আদিৰ ওপৰত ভিত্তি কৰি প্ৰথমে বাণিজ্যিক কেন্দ্ৰ আৰু পাছলৈ নগৰৰ সৃষ্টি হ'বলৈ ধৰে। অৰ্থাৎ নগৰবাসী লোকৰ বাবে বেপাৰ-বাণিজ্য, শিল্প-উদ্যোগ, শিক্ষানুষ্ঠান, অফিচ-কাছাৰীৰ চাকৰি আদি প্ৰধান বৃত্তি হৈ পৰে। এইদৰে নগৰবাসীসকল প্ৰধানকৈ **দ্বিতীয়ক, তৃতীয়ক, আৰু চতুৰ্থক বৃত্তিৰ লোক** হৈ পৰে।

> **জানি থওঁ আহা ঃ**
>
> ✦ পৃথিৱীৰ বহুতো নগৰ-চহৰ নদীৰ পাৰতে অৱস্থিত। অসমৰ ব্ৰহ্মপুত্ৰ নদীৰ পাৰত ডিব্ৰুগড়, তেজপুৰ, গুৱাহাটী আৰু ধুবুৰী; গংগাৰ পাৰত পাটনা, বেনাৰস আদি চহৰসমূহ অৱস্থিত। সিন্ধু নদীৰ পাৰত কৰাচী, হায়দৰাবাদ; নীলনদীৰ পাৰত কাইৰো, হোৱাংহোৰ পাৰত বেইজিং, মিচিছিপিৰ পাৰত চেইণ্ট লুইচ, টেমচ নদীৰ পাৰত লণ্ডন, টাইগ্ৰীচ নদীৰ পাৰত বাগদাদ আদি নগৰ অৱস্থিত।

## গ্ৰাম্য আৰু নগৰীয়া বসতিৰ বৈশিষ্ট্য ঃ

সকলো জনবসতিৰে কিছুমান সুকীয়া বৈশিষ্ট্য থাকে। সেই বোৰৰ ভিতৰত বাসিন্দাসকলৰ বৃত্তি, ঘৰ-বাৰীৰ আকাৰ-প্ৰকাৰ, ভূমিৰ ব্যৱহাৰ, বাট-পথ, অনুষ্ঠান-প্ৰতিষ্ঠান, শিল্প-উদ্যোগ, যোগাযোগ, ব্যৱসায় আদিয়েই প্ৰধান। স্থান আৰু সময়ৰ পৰিবৰ্তন অনুসাৰে বসতিৰ এনেবোৰ বৈশিষ্ট্যৰ পৰিবৰ্তন ঘটে। বসতিৰ বৈশিষ্ট্যৰ ক্ষেত্ৰত গাঁও আৰু নগৰৰ মাজত যথেষ্ট প্ৰভেদ থকা দেখা যায়। নগৰৰ ক্ষেত্ৰত আকৌ সৰু নগৰ আৰু ডাঙৰ নগৰৰ মাজতো যথেষ্ট প্ৰভেদ থাকে। নিজৰ নিজৰ অঞ্চলত থকা গাঁও আৰু নগৰলৈ লক্ষ্য কৰিলেই এই ধৰণৰ প্ৰভেদবোৰ সহজে চকুত পৰে। তেনে প্ৰভেদবোৰৰ কিছুমান তলত উল্লেখ কৰা হ'ল।

> **জানি থওঁ আহা ঃ**
>
> **প্ৰাথমিক বৃত্তি ঃ** কৃষি, পশুপালন, মাছ ধৰা, চিকাৰ, খনিজ সম্পদ (Primary) আহৰণ ইত্যাদি।
>
> **দ্বিতীয়ক বৃত্তি ঃ** কল-কাৰখানাৰ কাম-কাজ, ঘৰুৱা শিল্পকৰ্ম ইত্যাদি। (Secondary)
>
> **তৃতীয়ক বৃত্তি ঃ** ওকালতি, বেংক সেৱা, শিক্ষকতা, গীত গোৱা, ছবি (Tertiary ) আঁকা ইত্যাদি।
>
> **চতুৰ্থক বৃত্তি ঃ** ব্যৱস্থাপনা, পৰিচালনা, গৱেষণা, উদ্যোক্তা ইত্যাদি। (Quaternary)

| গাঁৱলীয়া বসতিৰ বৈশিষ্ট্য | নগৰীয়া বসতিৰ বৈশিষ্ট্য |
|---|---|
| ১। বাসিন্দাসকলৰ বৃত্তি মূলতঃ কৃষি। | ১। বাসিন্দাসকলৰ বৃত্তি মুলতঃ ব্যৱসায়-বাণিজ্য, উদ্যোগ, কাৰ্যালয়ৰ চাকৰি আদি। |
| ২। বসতি পাতল আৰু বিস্তৃত। | ২। বসতি ঘন আৰু স্তূপীকৃত। |
| ৩। ঘৰ-বাৰীৰ আৰ্হি প্ৰধানকৈ থলুৱা আৰু পৰম্পৰাগত। | ৩। ঘৰ-বাৰীৰ আৰ্হি আধুনিক, ওখ অট্টালিকাৰ প্ৰাধান্য বেছি। |
| ৪। যাতায়াত ব্যৱস্থা সাধাৰণতে সুচল নহয়। | ৪। যাতায়াত ব্যৱস্থা সুচল। |
| ৫। যান-বাহনৰ সংখ্যা কম। | ৩। যান-বাহনৰ সংখ্যা অধিক আৰু বাহিৰৰ লগত সংযোগৰ সুবিধা যথেষ্ট। |
| ৬। অনুষ্ঠান-প্ৰতিষ্ঠানৰ সংখ্যা কম। | ৬। অনুষ্ঠান-প্ৰতিষ্ঠানৰ সংখ্যা বেছি। |
| ৭। ব্যৱসায়-বাণিজ্যৰ সুবিধা কম। | ৭। ব্যৱসায়-বাণিজ্যৰ সুবিধা বেছি। |

**জানি থওঁ আহা ঃ**

- ২০১১ চনৰ লোকপিয়ল অনুসৰি দেশৰ নগৰীয়া জনসংখ্যা হ'ল-৩৭৭ নিযুত অৰ্থাৎ দেশৰ মুঠ জনসংখ্যাৰ ৩১.৯৬ শতাংশ।
- আটাইতকৈ বেছি (১০০ শতাংশ) জনসংখ্যাৰে নগৰীকৰণ হোৱা দেশ কেইখন হ'ল- চীন, ছিংগাপুৰ, কুৱেইট, জিব্ৰালটৰ, মনাকো, আৰু বাৰ্মুদা।
- ভাৰতৰ আটাইতকৈ কম নগৰীয়া জনসংখ্যাৰ চাৰিখন ৰাজ্য ক্ৰমে- হিমাচল প্ৰদেশ (১০%), বিহাৰ (১১.৩%), অসম (১৪.১%), উৰিষ্যা (১৬.৭%)

**ক্ৰিয়াকলাপ ঃ**

- গাঁৱতকৈ নগৰত জনসংখ্যা অধিক হোৱাৰ কাৰণ কি কি বুলি ভাবা আলোচনা কৰা।

বৰ্তমান পৃথিৱীৰ প্ৰায় সকলো দেশতে নগৰত বাস কৰা মানুহৰ সংখ্যা বাঢ়িব লাগিছে। তলৰ তালিকাখনলৈ লক্ষ্য কৰিলে তাক সহজে বুজিব পাৰিবা। আমেৰিকা যুক্তৰাষ্ট্ৰ, কানাডা আদি উন্নত দেশবোৰৰ শতকৰা ৭০জনেই নগৰীয়া লোক। ভাৰতত শতকৰা প্ৰায় ৩০জন লোকহে নগৰত বাস কৰে আৰু বাকী শতকৰা ৭০জনেই গাঁৱত বাস কৰে।

## গ্ৰাম্য আৰু নগৰীয়া বসতিৰ মাজত সম্পৰ্ক ঃ

| চন | নগৰীয়া জনসংখ্যা (%) |
|---|---|
| ১৮০০ | ৩ |
| ১৮৫০ | ৬ |
| ১৯০০ | ১৪ |
| ১৯৫০ | ৩০ |
| ২০০১ | ৪৮ |
| ২০১০ | ৫০.৫ |

*বিশ্বৰ নগৰীয়া জনসংখ্যা বৃদ্ধিৰ স্বৰূপ*

গ্ৰাম্য আৰু নগৰীয়া বসতিৰ মাজত বহুতো পাৰ্থক্য আছে যদিও গাঁও আৰু নগৰৰ মানুহৰ মাজত এৰাব নোৱাৰা সম্পৰ্ক আছে। পাঠত ইতিমধ্যে উল্লেখ কৰা হৈছে যে গাঁৱৰপৰাই কালক্ৰমত নগৰৰ উৎপত্তি হয়। কিন্তু এই কথাটো সকলো ক্ষেত্ৰত প্ৰযোজ্য নহ'বও পাৰে। এনে কিছুমান নগৰ আছে যিবোৰক পৰিকল্পিতভাৱে পোনপটীয়াকৈ নগৰ হিচাপে গঢ়ি তোলা হৈছে।

সাধাৰণতে বেপাৰ-বাণিজ্যই গাঁও আৰু নগৰৰ মাজত সম্পৰ্ক বৰ্তাই ৰাখে। তাৰোপৰি সেৱামূলক কাৰ্যয়ো এই সম্পৰ্ক গাঢ় কৰি তোলে।

গাঁওবাসীয়ে তেওঁলোকৰ উৎপাদিত কৃষিজাত সামগ্ৰী নগৰক যোগান ধৰে আৰু নগৰেও ঔদ্যোগিক দ্ৰব্য আৰু অন্যান্য সেৱা গাঁৱলৈ আগবঢ়ায়। বেংক,ডাক, বীমা, শিক্ষা-দীক্ষা আদি সেৱাৰ যোগেদি গাঁও আৰু নগৰৰ মাজত এক নিবিড় সম্পৰ্ক স্থাপন হয়। গাঁৱৰ কিছুমান মানুহে বিভিন্ন কামৰ তাগিদাত দৈনিক নগৰলৈ আহে আৰু নগৰত পোৱা বিভিন্ন প্ৰয়োজনীয় বস্তু ক্ৰয় কৰি উভতি যায়। আজি-কালি অৱশ্যে ম'বাইল ফোন, ইণ্টাৰনেট আৰু অন্যান্য প্ৰচাৰ মাধ্যমৰ যোগেদি গাঁও আৰু নগৰৰ মাজৰ সম্পৰ্কৰ ক্ষেত্ৰত এক নতুন ধাৰা গঢ়ি উঠিছে।

**ক্ৰিয়াকলাপ ঃ**

- গাঁও আৰু নগৰৰ মাজত সম্পৰ্ক নাথাকিলে আমাৰ কেনেধৰণৰ অসুবিধা হ'লহেঁতেন আলোচনা কৰা।

## উচ্চভূমি আৰু নিম্নভূমিৰ বসতি ঃ

উচ্চভূমিত সাধাৰণতে স্থলভাগৰ ঢাল থিয় আৰু ভূপৃষ্ঠ ওখোৰা-মোখোৰা হোৱাৰ বাবে বসতি পাতল। অৰুণাচল প্ৰদেশ, মিজোৰাম, চিকিম, হিমাচল প্ৰদেশ, জম্মু আৰু কাশ্মীৰৰ ভূপ্ৰকৃতি পৰ্বত-পাহাৰ, উপত্যকাৰে ভৰা আৰু ওখোৰা-মোখোৰা হোৱা বাবে তাত বসতি পাতল হোৱা দেখা যায়। অসমৰ কাৰ্বি আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলা তিনিখন উচ্চভূমিত গঠিত হোৱাৰ বাবে সেইবোৰত বসতি পাতল। আনহাতে নিম্নভূমি বা সমতল অঞ্চলত যাতায়াত-পৰিবহণ, খেতি-বাতি, বাণিজ্য আদিকে ধৰি নানা ধৰণৰ সুবিধা থকাৰ বাবে বসতি ঘন।

আমাৰ অসম প্ৰাকৃতিক অৱয়ৱৰ ফালৰপৰা এখন অতি বৈচিত্ৰ্যপূৰ্ণ ৰাজ্য। ই পৰ্বত-পাহাৰ, মালভূমি, সমভূমি, নদী-উপত্যকা, চৰ-চাপৰি আদি বিভিন্ন প্ৰাকৃতিক অৱয়ৱৰে গঠিত। এনে অৱয়ৱবোৰৰ সকলোতে কম-বেছি পৰিমাণে মানুহৰ বসতি আছে। অসমত বৰ্তমানে ২৬,৩৯৫ খন গাঁও আৰু নগৰ ২১৪ খন আছে। ইয়াৰ বেছিভাগ গাঁৱেই নিম্নভূমি, অৰ্থাৎ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সমতল ভাগত অৱস্থিত। আনহাতে অসমৰ পাহাৰীয়া জিলা তিনিখনত অৰ্থাৎ কাৰ্বি-আংলং, পশ্চিম কাৰ্বি আংলং আৰু ডিমা হাচাও জিলাতো বহুতো গাঁও আছে। সমভূমি, মালভূমি, পাহাৰ য'তেই অৱস্থিত নহওক কিয় প্ৰতিখন গাঁৱৰে বৈশিষ্ট্য নিৰূপণ কৰে তাৰ প্ৰাকৃতিক পৰিবেশে। অসমৰ ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ সমতল অঞ্চলত বসতি কৰা লোকসকলৰ জীৱিকাৰ প্ৰধান উপায় হ'ল কৃষি। ইয়াৰ প্ৰধান শস্য ধান যদিও মৰাপাট, সৰিয়হ, কুঁহিয়াৰ, তিল, মাহ আৰু নানা বিধ শাক-পাচলিৰ খেতিও কৰা হয়। নিম্নভূমি অঞ্চলত ব্ৰহ্মপুত্ৰ আৰু বৰাক নদীয়ে সৃষ্টি কৰা বানপানীৰ ফলত ইয়াৰ শস্য প্ৰায়েই নষ্ট হোৱা দেখা যায়। সেয়েহে এতিয়া অসমৰ নিম্নভূমিৰ ঠায়ে ঠায়ে মানুহে খৰালি কালত বৰো ধান, ইৰি ধানৰ খেতি কৰিবলৈ লৈছে। আনহাতে উচ্চভূমিৰ খেতি কিছু ক্ষেত্ৰত বেলেগ। উচ্চভূমিত বসতি কৰা মানুহে খেতিৰ বাবে ঠাই সলনি কৰে। এনে অঞ্চলত ধান, মাকৈ, তিল, আলু, কচু, শাক-পাচলি, কমলা, মাটিকঁঠাল আদিৰ খেতি কৰা হয়। উচ্চভূমিৰ কৃষিৰ ক্ষেত্ৰত আন এক মন কৰিবলগীয়া কথা এয়ে যে খৰালিকালত পানীৰ অভাৱত এনে ঠাইত উৎপাদন যথেষ্ট কম হয়। গৃহ নিৰ্মাণৰ ক্ষেত্ৰত উচ্চভূমি আৰু নিম্নভূমিৰ বসতিৰ মাজত প্ৰভেদ থকা দেখা যায়। উচ্চভূমিৰ মানুহে সাধাৰণতে পাহাৰৰ ঢালত চাংঘৰ নিৰ্মাণ কৰে। ইয়াৰ লোকসকলে ঘৰবোৰ কাঠ, বাঁহ, খেৰ আদিৰে সাজি লয়। এওঁলোকৰ বেছিভাগেই গাহৰি, হাঁহ-কুকুৰা আদি পোহে। আনহাতে নিম্নভূমিৰ বানপীড়িত অঞ্চলৰ কিছুসংখ্যক লোকে পোহনীয়া জন্তু, খাদ্য আৰু অন্যান্য লাগতীয়াল সা-সামগ্ৰী আৰু নিজৰ সুৰক্ষাৰ বাবে চাংঘৰ সাজি লয়। নৈৰ প্লাৱনভূমিত বসতি কৰা লোকসকলে ওখ ভেটি নিৰ্মাণ কৰি ঘৰ-বাৰী সাজে।

### ক্ৰিয়াকলাপ

✦ ওপৰৰ আলোচনাৰ ভিত্তিত উচ্চভূমিৰ বসতি আৰু নিম্নভূমিৰ বসতি সম্বন্ধে তলৰ তালিকাখনত দিয়া ধৰণে বসতি, কৃষি আৰু উদ্ভিদৰ ক্ষেত্ৰত থকা পাৰ্থক্য উলিয়াবলৈ চেষ্টা কৰা-

| বিষয় | উচ্চভূমিৰ বসতি | নিম্নভূমিৰ বসতি |
|---|---|---|
| বসতি | ১। | |
| | ২। | |
| | ৩। | |
| কৃষি | ১। | |
| | ২। | |
| | ৩। | |
| উদ্ভিদ | ১। | |
| | ২। | |
| | ৩। | |

### মনত ৰাখিবলগীয়া কথা ঃ

✦ বসতি মানে হ'ল মানুহে কোনো এক অঞ্চলত স্থায়ীভাৱে বসবাস কৰা কাৰ্য।

✦ বসতি প্ৰধানকৈ দুই প্ৰকাৰৰ — গ্ৰাম্য বসতি আৰু পৌৰ বসতি।

✦ সাধাৰণতে নদ-নদী, হ্ৰদ, নিজৰা, জান-জুৰিৰ দাঁতিত গ্ৰাম্য বসতি গঢ়ি উঠে।

✦ গ্ৰাম্য বসতি মূলতঃ দুই প্ৰকাৰৰ— পাতল বসতি আৰু কেন্দ্ৰীভূত বসতি।

✦ গ্ৰাম্য বসতিত মানুহৰ জীৱিকাৰ প্ৰধান উপায় হ'ল প্ৰাথমিক বৃত্তি।

✦ নগৰীয়া বসতিৰ মানুহৰ জীৱিকাৰ প্ৰধান উপায় হ'ল বাণিজ্য, উদ্যোগ, চাকৰি আদি।

✦ নগৰীয়া বসতিত জনসংখ্যাৰ ঘনত্ব গাঁৱলীয়া বসতিৰ জনসংখ্যাৰ ঘনত্বতকৈ অধিক।

✦ গাঁৱলীয়া বসতি আৰু নগৰীয়া বসতিৰ লোকসকল পৰস্পৰ নিৰ্ভৰশীল।

✦ নিম্নভূমিত যাতায়াত, খেতিবাতি, বাণিজ্য আদিকে ধৰি বিভিন্ন ধৰণৰ সুবিধা থকা বাবে বসতি ঘন, আনহাতে উচ্চভূমিত এনে সুবিধাসমূহ তুলনামূলকভাৱে কম হোৱাৰ বাবে বসতি পাতল হোৱা দেখা যায়।

### অনুশীলনী ঃ

১। খালী ঠাই পূৰ কৰা—

(ক) ________ কাৰ্য আৰম্ভ হোৱাৰ লগে লগে মানুহে একে ঠাইতে স্থায়ীভাৱে বসবাস কৰিবলৈ আৰম্ভ কৰিলে।

(খ) ________ উৎসক ভিত্তি কৰি গাঁওবাসীয়ে ভালেমান সা-সুবিধা ভোগ কৰে।

(গ) আলিবাট, ৰেলপথ, নদীৰ কাষে কাষে গঢ়ি উঠা বসতিক ________ বসতি বোলে।

(ঘ) বৰ্তমান অসমত গাঁৱৰ সংখ্যা হ'ল ________খন।

২। শুদ্ধ উত্তৰটো বাছি উলিওৱা —

(ক) গ্ৰাম্য বসতিৰ মূল বৃত্তি হ'ল বেপাৰ-বাণিজ্য/ উদ্যোগ/কৃষি।

(খ) গ্ৰাম্য অঞ্চলতকৈ নগৰ অঞ্চলত জনসংখ্যাৰ ঘনত্ব কম/অধিক/সমান।

(গ) ভাৰতৰ প্ৰায় ৭০/৮০/৬০ শতাংশ লোকে গাঁৱত বাস কৰে।

(ঘ) কোনো ঠাইত থুপ খাই থকা বসতিয়েই হ'ল ৰৈখিক/কেন্দ্ৰীভূত/পাতল বসতি।

৩। উত্তৰ লিখা ঃ (৪টা বা ৫টা বাক্যৰ ভিতৰত)

(ক) মানুহে স্থায়ীভাৱে বসবাস কৰিবলৈ লোৱাৰ কাৰণ কি বুলি ভাবা?

(খ) গাঁৱলীয়া বসতিৰ মূল বৈশিষ্ট্য সম্বন্ধে আলোচনা কৰা।

(গ) কেন্দ্ৰীভূত বসতি কেনেধৰণে সৃষ্টি হয় লিখা।

(ঘ) পৌৰ বসতিৰ মানুহৰ জীৱিকাৰ উপায় কেনেকুৱা চমুকৈ লিখা।

(ঙ) গাঁও আৰু নগৰৰ মাজৰ সম্পৰ্ক আলোচনা কৰা।

৪। চমুটোকা লিখা —

(ক) ৰৈখিক বসতি (খ) বৰ্গক্ষেত্ৰাকাৰ বসতি (গ) উচ্চভূমিৰ বসতি।

৫। পাৰ্থক্য লিখা —

(ক) গ্ৰাম্য বসতি আৰু পৌৰ বসতি।

(খ) ৰৈখিক বসতি আৰু কেন্দ্ৰীভূত বসতি।

(গ) উচ্চভূমিৰ বসতি আৰু নিম্নভূমিৰ বসতি।

৬। তোমাৰ গাঁও বা নগৰখনৰ (ডাঙৰ নগৰ হ'লে এটা অংশৰ) এখন আৰ্হি চিত্ৰ আঁকি তাত থকা নদ-নদী, পাহাৰ, বিল আদি প্ৰাকৃতিক উপাদান (যদি আছে) আৰু মানৱসৃষ্ট উপাদানবোৰ বহুওৱা।

৭। তুমি বাস কৰা গাঁওখনত / নগৰখনত কি কি সুবিধা আৰু অসুবিধা তুমি লক্ষ্য কৰিছা ? লিখি উলিওৱা।

# পাঠ - ৪

# বসতি ঃ গ্ৰাম্য জীৱন আৰু নগৰীয়া জীৱন

J6U2M5

**শিকনৰ ফলাফল ঃ**

- গ্ৰাম্য বসতিত মানুহৰ জীৱন-ধাৰণৰ বৈশিষ্ট্য সম্বন্ধে জানিব পাৰিব।
- নগৰীয়া বসতিত জীৱন-ধাৰণৰ বৈশিষ্ট্য সম্বন্ধে জানিব পাৰিব।
- বিভিন্ন শ্ৰেণীৰ নগৰ সম্বন্ধে জ্ঞান লাভ কৰিব।
- নগৰীকৰণ প্ৰক্ৰিয়া সম্পৰ্কে জানিব পাৰিব।
- অসমৰ প্ৰধান নগৰসমূহৰ বিষয়ে সম্যক ধাৰণা লাভ কৰিব।
- নগৰত সৃষ্টি হোৱা বিভিন্ন ধৰণৰ সমস্যা সম্বন্ধে উপলব্ধি কৰিব।

তোমালোকে ইতিমধ্যে আগৰ পাঠত বসতি সম্বন্ধে জানি আহিছা। বসতিক ঘাইকৈ গ্ৰাম্য আৰু নগৰীয়া এই দুই ভাগত ভগাব পাৰি। গ্ৰাম্য আৰু নগৰীয়া বসতিৰ মাজত মানুহৰ জীৱন-ধাৰণৰ প্ৰণালী, সামাজিক তথা সাংস্কৃতিক ৰীতি-নীতি আদি বেলেগ বেলেগ। এই পাঠত গ্ৰাম্য আৰু নগৰীয়া জীৱন প্ৰণালীৰ বৈশিষ্ট্য, নগৰীকৰণ প্ৰক্ৰিয়া, নগৰসমূহত সৃষ্টি হোৱা বিভিন্ন সমস্যা আদিৰ বিষয়ে কিছু আভাস দিবলৈ চেষ্টা কৰা হৈছে।

## গ্ৰাম্য বসতিত জীৱন-ধাৰণৰ বৈশিষ্ট্য ঃ

মানুহৰ অঘৰী জীৱনৰ আমুল পৰিৱৰ্তন ঘটিছিল কৃষিকাৰ্য আৰম্ভ হোৱাৰ লগে লগে। অৰ্থাৎ কৃষিকাৰ্যক কেন্দ্ৰ কৰি মানুহে স্থায়ীভাৱে বসবাস কৰি গাঁৱৰ সৃষ্টি কৰিবলৈ আৰম্ভ কৰে। সাধাৰণতে গ্ৰাম্য বসতি অঞ্চলৰ প্ৰায় ৭০ শতাংশ বা ততোধিক মানুহ কৃষিকাৰ্যত নিয়োজিত হৈ থাকে। আমাৰ অসমৰ গ্ৰামাঞ্চলৰ মানুহে ধান, মৰাপাট, সৰিয়হ, তিল, মাহ আৰু বিভিন্ন শাক-পাচলিৰ খেতি কৰে। খেতি-বাতিৰ উপৰি গাঁৱৰ মানুহে মাছ মৰা, মাটিৰ বাচন তৈয়াৰ কৰা, জীব-জন্তু পোহা, সৰু-সুৰা ব্যৱসায় কৰা আৰু চাকৰি আদিৰ সহায়ত জীৱন নিৰ্বাহ কৰে। আমাৰ অসমৰ কৃষি কাৰ্য প্ৰকৃতিৰ ওপৰত নিৰ্ভৰশীল। ইয়াৰ কৃষিকাৰ্যত উন্নত প্ৰণালীৰ প্ৰয়োগ এতিয়াও সীমিত। কৃষিৰ ওপৰত ভিত্তি কৰি গাঁৱৰ মানুহে বিভিন্ন ধৰণৰ ধৰ্মীয় অনুষ্ঠান, উৎসৱ-পাৰ্বণ, পূজা-অৰ্চনা আদি অনুষ্ঠিত কৰে। এনে উৎসৱ-পাৰ্বন, ধৰ্মীয় অনুষ্ঠান আদি গ্ৰাম্য জীৱনৰ লগত এৰাব নোৱাৰা ধৰণে সাঙোৰ খাই থাকে।

**ক্ৰিয়াকলাপ**

- গ্ৰামাঞ্চলৰ মানুহে কি কি কাৰ্যৰ দ্বাৰা জীৱন নিৰ্বাহ কৰে লিখা?

গাঁৱৰ মানুহে সাধাৰণতে সামাজিক ৰীতি-নীতি আৰু পৰম্পৰা মানি জীৱন নিৰ্বাহ কৰে। এওঁলোকৰ মাজত আত্মীয়তা, মৰম-চেনেহ, ভ্ৰাতৃত্ববোধ, সহযোগিতাৰ মনোভাৱ এতিয়াও সবল। পৰিয়ালবোৰৰ মাজত থকা সম্পৰ্কয়ো গাঁওবাসীক একগোট হৈ থকাত সহায় কৰে। গাঁৱৰ মানুহে কৃষিৰ সা-সঁজুলিৰ লগতে দৈনন্দিন ব্যৱহৃত

বহুতো বস্তু-বাহানি নিজৰ মাজত আদান-প্ৰদান কৰে। গাঁওসমূহত সামাজিক আৰু ধৰ্মীয় অনুষ্ঠান, যেনে— নামঘৰ, মছজিদ, গীৰ্জা, সংঘ আদি থাকে। মানুহৰ মাজত সৃষ্টি হোৱা হাই-কাজিয়া, বিবাদ আদি সমস্যাবোৰ বাজহুৱা আলোচনাৰ জৰিয়তে সমাধান কৰাৰ চেষ্টা কৰা হয়। গাঁৱত মানুহৰ জীৱন-ধাৰণৰ মান নগৰৰ দৰে উন্নত নহয় যদিও খাদ্য উৎপাদনৰ ক্ষেত্ৰত গাঁওবোৰ আগবঢ়া। সম্প্ৰতি কিছু সংখ্যক গাঁৱত নগৰৰ দৰেই যোগাযোগ, যাতায়াত আৰু অন্যান্য সুবিধা পৰিলক্ষিত হয় আৰু এনে গাঁওবোৰত নগৰৰ বৈশিষ্ট্য পৰিলক্ষিত হয়।

**উত্তৰ লিখা ঃ**

- অসমৰ কৃষিকাৰ্য কিহৰ উপৰত নিৰ্ভৰশীল?
- গাঁৱৰ অধিক সংখ্যক লোক কৃষিকাৰ্যৰ লগত জড়িত হোৱাৰ কাৰণ কি?

## নগৰীয়া জীৱন-ধাৰণৰ বৈশিষ্ট্য ঃ

নগৰীয়া বসতি সাধাৰণতে ব্যৱসায়-বাণিজ্য, শিল্প-উদ্যোগ আদিক কেন্দ্ৰ কৰি গঢ় লৈ উঠে। নগৰত প্ৰায় ৭৫ শতাংশ বা ততোধিক লোকে উদ্যোগ, বাণিজ্য আৰু বিভিন্ন সেৱামূলক কাৰ্যৰ লগত জড়িত হৈ জীৱন নিৰ্বাহ কৰে। নগৰৰ কেন্দ্ৰীয় অঞ্চলটো ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰবিন্দু। ইয়াত বেংক, পাইকাৰী আৰু খুচুৰা বিক্ৰী কেন্দ্ৰ, বিভিন্ন প্ৰকাৰৰ ব্যৱসায়িক প্ৰতিষ্ঠান আদি থাকে। নগৰৰ কেন্দ্ৰৰ আশে-পাশে বিভিন্ন ধৰণৰ কাৰ্যালয়, শিক্ষানুষ্ঠান, উদ্যোগ আদি গঢ়ি উঠে। এই অনুষ্ঠানবোৰৰ লগত নগৰৰ মানুহৰ জীৱিকা আৰু বিভিন্ন কাম-কাজ সংযুক্ত হৈ থাকে। নগৰত যিমানে জনসংখ্যা বৃদ্ধি হয় সিমানেই ঠাইৰ নাটনি হয়। জনসংখ্যা বৃদ্ধিৰ ফলত নগৰত সকলো ধৰণৰ প্ৰয়োজনীয় সামগ্ৰীৰ চাহিদা বৃদ্ধি পায়। ফলত কিছুমান বস্তুৰ দামো বাঢ়ে। অধিক উপাৰ্জনৰ স্বাৰ্থত নগৰীয়া মানুহে বিভিন্ন কাম-কাজত ব্যস্ত থাকিবলৈ বাধ্য হয়। নগৰত শিক্ষা, চিকিৎসা আদিৰ সা-সুবিধা বেছি। যাতায়াতৰ ব্যৱস্থাও সুচল। ইয়াত শিক্ষানুষ্ঠান, উদ্যোগ, কল-কাৰখানা, চৰকাৰী-বেচৰকাৰী কাৰ্যালয় আদি থকাৰ বাবে নিয়োগৰ সুবিধা বেছি।



চিত্ৰ ৪.১ নগৰৰ ব্যস্ত অঞ্চল

উৎস: via Wikimedia Commons

নগৰত পৌৰ নিগম, নগৰ পালিকা আদি স্থানীয় প্ৰশাসন ব্যৱস্থা থাকে আৰু এইবোৰে নগৰীয়া বসতি, যাতায়াত-পৰিবহণ আদি পৰিচালিত কৰে। নগৰ অঞ্চলত আমোদ-প্ৰমোদৰ সুবিধা বেছি। নাট ঘৰ, কথাছবি ঘৰ, চিৰিয়াখানা, উদ্যান, খেলপথাৰ আদি থকাত নগৰৰ মানুহে অৱসৰ বিনোদনৰ সুবিধা পায়।

## নগৰীকৰণ প্ৰক্ৰিয়া ঃ

সময়ৰ পৰিৱৰ্তনৰ লগে লগে গ্ৰাম্য বসতিৰ লগত জড়িত কাম-কাজৰো পৰিৱৰ্তন ঘটে। বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতি, জনসংখ্যা বৃদ্ধি, কৃষিকাৰ্যৰ আধুনিকীকৰণ, উদ্যোগ স্থাপন আদিৰ ফলত গ্ৰাম্য জীৱনলৈ নানা ধৰণৰ পৰিৱৰ্তন আহিছে। কোনো এখন গাঁৱৰ বিশেষ অৱস্থানে ইয়াক কৃষিভিত্তিক গাঁৱৰপৰা ক্ৰমে সৰু ব্যৱসায় কেন্দ্ৰলৈ উন্নীত কৰিব পাৰে। উদাহৰণ স্বৰূপে কোনো গ্ৰামাঞ্চলত খনিজ সম্পদ, যেনে— তেল, কয়লা আদি ওলালে তেনে সম্পদক কেন্দ্ৰ কৰি তাতে এখন ঔদ্যোগিক নগৰৰ সৃষ্টি হ'ব পাৰে। কোনো স্থানত ঔদ্যোগিক বা বাণিজ্যিক অনুষ্ঠান-প্ৰতিষ্ঠান স্থাপন কৰাৰ লগে লগে তাৰ একাংশ বাসিন্দাই বিভিন্ন কাম-কাজত আত্মনিয়োগৰ সুবিধা পায়। তদুপৰি কৰ্মসংস্থানৰ সুবিধা

থকাৰ বাবে অইন ঠাইৰপৰাও তালৈ মানুহ আহিবলৈ ধৰে আৰু ফলস্বৰূপে তেনে ঠাইত জনসংখ্যা বৃদ্ধি হ'বলৈ ধৰে। পৰৱৰ্তী কালত বাসিন্দাসকলৰ সুবিধাৰ বাবে তাত যাতায়াত, চিকিৎসা, শিক্ষা, বাণিজ্য, বিদ্যুৎ,পানী যোগান আদিৰ দৰে সুবিধাবোৰো বৃদ্ধি পাবলৈ ধৰে। এনেদৰে বিশেষ ধৰণৰ সম্পদ আৰু সুবিধা থকা ঠাইবোৰ নগৰত পৰিণত হ'ব পাৰে। অসমৰ দুলীয়াজান, লিডু, ডিগবৈ আদি এনে ধৰণে সৃষ্টি হোৱা নগৰ। কেতিয়াবা আকৌ কিছুমান নগৰ পোনপটীয়াকৈ কোনো এটা বিশেষ উদ্যোগক কেন্দ্ৰ কৰি গঢ়ি উঠিব পাৰে। টাটা নগৰ, ভিলাই, বাৰাউনী আদি এনে ধৰণে গঢ়ি উঠা নগৰ। সেইদৰে তিৰুপতি, পুৰী আদি ধৰ্মীয় নগৰ; ভেলোৰ চিকিৎসা নগৰ; দাৰ্জিলিং, মুচৌৰী আদি পৰ্যটন নগৰ হিচাপে বিকশিত হৈছে। এনে ধৰণে গ্ৰাম্য বসতিৰপৰা নগৰীয়া বসতি বা সৰু নগৰে বিস্তাৰ লাভ কৰি ডাঙৰ নগৰ হোৱাৰ যি প্ৰক্ৰিয়া তাকে সৰল অৰ্থত **নগৰীকৰণ প্ৰক্ৰিয়া** বুলি ক'ব পাৰি। নগৰীকৰণ প্ৰক্ৰিয়াৰ ফলত কোনো এখন ঠাইৰ অৰ্থনৈতিক কাম-কাজ, জনসংখ্যাৰ গঠন, ভাষা-সংস্কৃতি আদিৰো পৰিবৰ্তন ঘটে।

**জানি থওঁ আহা ঃ**

✦ নগৰীকৰণৰ সুবিধাৰে দ্ৰুতগতিত বাঢ়ি অহা ভাৰতৰ কেইখনমান মহানগৰ যথাক্ৰমে- (নগৰীকৰণৰ শতকৰা হাৰ সহ)

১) চুৰাট (গুজৰাট) ৯.১৮%
২) বাঙ্গালুৰু (কৰ্ণাটক) ৮.৯০%
৩) আগ্ৰা (উত্তৰ প্ৰদেশ) ৮.৫০%
৪) হায়দৰাবাদ (তেলেঙ্গানা) ৮.৪৭%
৫) নাগপুৰ (মহাৰাষ্ট্ৰ) ৮.৪১%
৬) তিৰুপপুৰ (তামিলনাডু) ৮.৩৬%
৭) ৰাজকোট (গুজৰাট) ৮.৩৩%
৮) তিৰুচিৰাপল্লি (তামিলনাডু) ৮.২৯%
৯) চেন্নাই (তামিলনাডু) ৮.২০%
১০) বিজয়ৱাদা (অন্ধ্ৰপ্ৰদেশ) ৮.১৬%

নগৰীকৰণৰ ক্ষেত্ৰত প্ৰধানকৈ জনসংখ্যাক ভিত্তি হিচাপে ধৰা হয়। প্ৰায় সকলো দেশতে নগৰ এখন হ'বলৈ ঠাইখনৰ জনসংখ্যা কিমান হ'ব লাগে তাক দেশখনৰ লোকপিয়ল বিভাগে নিৰ্ধাৰণ কৰি দিয়ে। সেইমতে দেশ ভেদে নগৰ এখনৰ প্ৰাৰম্ভিক জনসংখ্যা বেলেগ বেলেগ হোৱা দেখা যায়। আমাৰ ভাৰতত এই সংখ্যা ৫,৫০০ জন, আমেৰিকা যুক্তৰাষ্ট্ৰত ২,৫০০ জন, জাপানত ৩০,০০০ জন। জনসংখ্যাৰ উপৰি পৌৰ প্ৰশাসনিক কৰ্তৃপক্ষৰ ভিন্নতাৰ ভিত্তিতো নগৰসমূহক শ্ৰেণীবিভক্ত কৰা হয়। কম জনসংখ্যা আৰু সীমিত কাৰ্যৰ পৌৰ প্ৰশাসিত এলেকা একোটাক সাধাৰণতে **নগৰ** (Town) বোলা হয়। আমাৰ দেশত এক লাখতকৈ অধিক জনসংখ্যা থকা পৌৰ প্ৰশাসিত এলেকাক **মহানগৰ** (City) বোলে। এক নিযুতৰ পৰা পাঁচ নিযুত জনসংখ্যা থকা পৌৰবসতিক **অতি মহানগৰ** (Metropolis) বোলে। আনহাতে একোখন মহানগৰক কেন্দ্ৰ কৰি তাৰ উপকণ্ঠ অঞ্চলৰ ভালেমান সৰু-বৰ নগৰ লগ হৈ যি একোটা নগৰপুঞ্জৰ সৃষ্টি কৰে তাক **মেগাল'পলিছ** (Megalopolis) বোলা হয়।

**ক্ৰিয়াকলাপ**

✦ তোমাৰ নিকটৱৰ্তী নগৰখনৰ ক্ষেত্ৰত তলত দিয়া তথ্যখিনি শিক্ষকৰ সহায়ত জানিবলৈ চেষ্টা কৰা-
(ক) জনসংখ্যা (খ) নামৰ ইতিহাস (গ) ঐতিহাসিক সমল (ঘ) অনুষ্ঠান-প্ৰতিষ্ঠান আদি

## বিভিন্ন শ্ৰেণীৰ নগৰ ঃ

ভাৰতত নগৰ উৎপত্তিৰ ইতিহাস অতি পুৰণি। প্ৰাক্ ঐতিহাসিক কালৰপৰাই ভাৰতত নগৰৰ বিকাশ সম্বন্ধীয় বহুতো তথ্য পোৱা যায়। সিন্ধু নদীৰ উপত্যকাত হৰপ্পা আৰু মহেঞ্জোদাৰো নামৰ দুখন প্ৰাচীন নগৰ আৱিষ্কাৰ কৰা হৈছে। উৎপত্তিৰ যুগ অনুসৰি ভাৰতৰ নগৰসমূহক তিনিটা শ্ৰেণীত বিভক্ত কৰিব পাৰি ঃ প্ৰাচীন নগৰ, মধ্যযুগীয় নগৰ আৰু আধুনিক নগৰ। প্ৰাচীন নগৰৰ ভিতৰত বাৰাণসী, প্ৰয়াগ, পুৰী, মাদুৰাই আদি পৰে। দিল্লী, হায়দৰাবাদ,

জয়পুৰ, আগ্ৰা, নাগপুৰ আদি মধ্যযুগীয় নগৰৰ উদাহৰণ। এনে প্ৰাচীন আৰু মধ্যযুগীয় নগৰসমূহ মূলতঃ ধৰ্মীয় আৰু সাংস্কৃতিক পটভূমিত গঢ়ি উঠিছিল। আনহাতে বৃটিছ আৰু আন ইউৰোপীয় লোকসকলে ভাৰতত ব্যৱসায়িক আৰু প্ৰশাসনিক সা-সুবিধাৰ বাবে চুৰাট, গোৱা, বোম্বাই (মুম্বাই), মাদ্ৰাজ (চেন্নাই), কলিকতা (কলকাতা) আদি চহৰ গঢ়ি উঠাত সহায় কৰিছিল। ঠিক তেনেদৰে স্বাধীনতাৰ পাছত প্ৰধানকৈ ৰাজ্যৰ ৰাজধানী বা প্ৰশাসনিক সুবিধাৰ বাবে চণ্ডীগড়, ভূপাল, ছত্তিশগড়, ভুবনেশ্বৰ, গান্ধীনগৰ, দিছপুৰ (গুৱাহাটী) আদি আধুনিক নগৰসমূহ গঢ় লৈ উঠে।

নগৰসমূহক উৎপত্তিৰ কাৰণ আৰু নগৰীয়া কাৰ্যৰ প্ৰাধান্যৰ ওপৰত ভিত্তি কৰি শ্ৰেণী বিভক্ত কৰিব পাৰি ঃ (ক) প্ৰশাসনিক নগৰ, (খ) বাণিজ্যিক নগৰ, (গ) ঔদ্যোগিক নগৰ, (ঘ) পৰ্যটন নগৰ, (ঙ) পৰিবহণকেন্দ্ৰিক নগৰ, (চ) সাংস্কৃতিক নগৰ, (ছ) খনিজ নগৰ, (জ) সেনা চাউনী নগৰ, (ঝ) শিক্ষাকেন্দ্ৰিক নগৰ আৰু (ঞ) বুৰঞ্জীপ্ৰসিদ্ধ নগৰ। কিছুমান নগৰ কোনো এটা নিৰ্দিষ্ট বিষয়ক কেন্দ্ৰ কৰি উৎপত্তি হ'লেও পিছত আন আন দিশতো নগৰবোৰে বিকাশ লাভ কৰিব পাৰে।

**জানি থওঁ আহা ঃ**

**যমজ চহৰ** ঃ- ওচৰা-উচৰিকৈ থকা দুখন চহৰ মিলিত হ'লে তাক দ্বৈত বা যমজ চহৰ বোলে। উদাহৰণস্বৰূপে- হায়দৰাবাদ-চেকেন্দ্ৰাবাদ, কলকাতা-হাওড়া। অসমৰ বিভিন্ন উৎস আৰু কাৰ্যৰ প্ৰাধান্যত গঢ়ি উঠা কেইখনমান নগৰৰ উদাহৰণ ঃ- বাণিজ্যিক নগৰ - তিনিচুকীয়া, ঔদ্যোগিক নগৰ - ডিগবৈ, পৰ্যটন নগৰ - তেজপুৰ, পৰিবহণকেন্দ্ৰিক নগৰ - ৰঙিয়া।

**ক্ৰিয়াকলাপ ঃ**

- অসমৰ যিকোনো এখন বুৰঞ্জীপ্ৰসিদ্ধ নগৰৰ নাম তথা ইয়াৰ ঐতিহ্য আৰু কীৰ্তিচিহ্নসমূহৰ বিষয়ে চমু বৰ্ণনা দিয়া।


## অসমৰ প্ৰধান নগৰসমূহ ঃ

অসম প্ৰধানকৈ এখন কৃষিভিত্তিক ৰাজ্য। এতিয়াও অসমৰ প্ৰায় ৭০ শতাংশ লোক কৃষিকাৰ্য আৰু অন্যান্য প্ৰাথমিক বৃত্তিৰ লগত জড়িত। জনসংখ্যা বৃদ্ধি, নতুন জিলা আৰু মহকুমা গঠন আদি বিভিন্ন কাৰণত অসমত নগৰৰ সংখ্যা ক্ৰমে বৃদ্ধি পাবলৈ ধৰিছে। অসমত পৌৰ প্ৰশাসনৰ দ্বাৰা পৰিচালিত পূৰ্ণ পৰ্যায়ৰ নগৰৰ সংখ্যা ৮৪ খন। অসমত এক লাখ বা ততোধিক জনসংখ্যাৰ কেইবাখনো নগৰ আছে যদিও কেৱল গুৱাহাটীখনেই মহানগৰ হিচাপে স্বীকৃতি পাইছে । একমাত্ৰ গুৱাহাটীতেই মহানগৰীয় পৌৰ নিগম (Municipal Corporation) গঠন হৈছে। গুৱাহাটী সমগ্ৰ অসমৰে বেপাৰ-বাণিজ্য, শিক্ষা-দীক্ষা, প্ৰশাসন, চিকিৎসা সেৱা, অন্যান্য অনুষ্ঠান-প্ৰতিষ্ঠান, যাতায়াত-পৰিবহণ, অৱসৰ-বিনোদন আদিৰ কেন্দ্ৰস্থল।

**ক্ৰিয়াকলাপ ঃ**

- তোমাৰ জিলাৰ এখন প্ৰধান নগৰৰ ইতিহাস সম্পৰ্কে জানিবলৈ চেষ্টা কৰা আৰু সেই বিষয়ে এটি চমুটোকা প্ৰস্তুত কৰা।

অসমৰ বেছিভাগ নগৰ ব্ৰহ্মপুত্ৰ উপত্যকাত অৱস্থিত। এই নগৰসমূহৰ বেছিভাগেই ঘাইকৈ প্ৰশাসনীয় নগৰ হিচাপে সৃষ্টি হৈছে। সেই হিচাপে বেছি সংখ্যক নগৰেই জিলা বা মহকুমাৰ সদৰ। ইয়াৰে বহুতো নগৰ অৰ্থনৈতিক আৰু শিক্ষা-সংস্কৃতিৰো প্ৰাণকেন্দ্ৰ স্বৰূপ। ইয়াৰ ভিতৰত গুৱাহাটী, তেজপুৰ, যোৰহাট, ডিব্ৰুগড়, নগাঁও, পাঠশালা শিলচৰ, ডিফু আদি উল্লেখযোগ্য। সিপিঠিৰ মানচিত্ৰখনলৈ মন কৰা। মানচিত্ৰখনৰ জৰিয়তে অসমৰ প্ৰধান নগৰসমূহৰ অৱস্থান সম্পৰ্কে জানিব পাৰিবা।




চিত্ৰ ৪.২ অসমৰ পৌৰ প্ৰশাসিত নগৰসমূহ

> **ক্ৰিয়াকলাপ ঃ**
>
> ✦ নগৰ এখন নৈৰ পাৰত অৱস্থিত হ'লে কেনেধৰণৰ সুবিধা হয় আলোচনা কৰা।

## নগৰত সৃষ্টি হোৱা সমস্যা ঃ

নগৰত দ্ৰুত হাৰত জনসংখ্যা বৃদ্ধি হয়। জনসংখ্যা বাঢ়ি অহাৰ লগে লগে নগৰত নানা ধৰণৰ সমস্যাৰ উদ্ভৱ হয়। মানুহ বাঢ়িলে স্বাভাৱিকতে নগৰৰ সীমিত ভূমিভাগৰ ওপৰত বিভিন্ন প্ৰকাৰৰ হেঁচা পৰিবলৈ ধৰে। কেৱল বসতিৰ বাবেই নহয়, বাট-পথ, দোকান-পোহাৰ, উদ্যোগ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান আদি নিৰ্মাণৰ বাবে মাটিৰ প্ৰয়োজন ক্ৰমে বাঢ়িবলৈ ধৰে। নগৰলৈ বিভিন্ন উদ্দেশ্যে মানুহৰ প্ৰব্ৰজন ঘটাৰ ফলত সীমিত ঠাইতে সৰহ সংখ্যক লোক বসবাস কৰিবলগীয়া হয়। এনেবোৰ কাৰণত অপৰিকল্পিতভাৱে সম্প্ৰসাৰণ ঘটিলে নগৰৰ সামগ্ৰিক পৰিবেশৰ অৱনতি ঘটে আৰু বিভিন্ন সমস্যাৰ উদ্ভৱ হ'বলৈ ধৰে।

জনসংখ্যা বৃদ্ধিৰ ফলস্বৰূপে নগৰবোৰত যান-বাহনৰ সংখ্যা দ্ৰুত হাৰত বৃদ্ধি হোৱা দেখা যায়। নগৰৰ ভিতৰৰ কিছুমান বাট-পথ ঠেক হোৱাৰ বাবে গাড়ী-মটৰসমূহে প্ৰচণ্ড যান-জঁটৰ সৃষ্টি কৰে। জনসংখ্যা বৃদ্ধি হোৱাৰ ফলত পানী ওলাই যোৱা নলা-নৰ্দমা, পানী জমা হোৱা জলাহ, পাহাৰৰ নামনি আদিত ঘৰ-বাৰী সাজিবলৈ লোৱাত নগৰৰ পানীভাগ সহজে ওলাই যাব নোৱাৰা হয়। ফলত নগৰত অলপ বৰষুণতে কৃত্ৰিম বানপানী হোৱা দেখা যায়। নগৰৰ পৰিৱেশ ভালে ৰখাত মুকলি ঠাইৰ (খেল পথাৰ, উদ্যান, জলাহ) ভূমিকা লক্ষ্য কৰিবলগীয়া। এনে মুকলি ঠাইবোৰে নগৰৰ জলবায়ু ভালে ৰাখে আৰু নগৰৰ বাসিন্দাসকলক আমোদ-প্ৰমোদৰো সুবিধা দিয়ে। নগৰীকৰণৰ ফলত এনে মুকলি ঠাইৰ পৰিমাণ কমি আহিছে আৰু ইয়ে নগৰীয়া পৰিৱেশৰ ক্ষতিসাধন কৰিছে। আকৌ ব্যৱসায়-বাণিজ্যৰ কেন্দ্ৰস্বৰূপ হৈ পৰাৰ বাবেও নগৰসমূহত নানা ৰকমৰ আৱৰ্জনাৰ সৃষ্টি হয় আৰু নগৰৰ পৰিৱেশ অস্বাস্থ্যকৰ হৈ উঠে। নগৰৰ একাংশ বাসিন্দাই নগৰত থকা নদ-নদী, নলা-নৰ্দমা আদিক ডাষ্টবিনৰ দৰে ব্যৱহাৰ কৰাৰ ফলত এইবোৰৰ স্বাভাৱিক ৰূপ আৰু ক্ৰিয়া ব্যাহত হয়।

গ্ৰাম্য আৰু নগৰীয়া জীৱন-যাপন প্ৰণালী উন্নত কৰাৰ বাবে চৰকাৰে লোৱা দুখন উল্লেখযোগ্য আঁচনি হ'ল- ৰাষ্ট্ৰীয় গ্ৰামীণ জীৱিকা অভিযান (National Rural Livelihood Mission) আৰু ৰাষ্ট্ৰীয় নগৰীয়া জীৱিকা অভিযান

(National Urban Livelihood Mission)। এই আঁচনি দুখন প্ৰবৰ্তনৰ মূল উদ্দেশ্য হ'ল- দৰিদ্ৰ শ্ৰেণীক আৰ্থিক সহযোগিতা আগবঢ়োৱা, দক্ষতা সম্পন্ন লোকক নিয়োগৰ সুবিধা প্ৰদান কৰা আৰু ঘৰুৱা আয় বৃদ্ধি কৰা ইত্যাদি।

নগৰসমূহত পানীৰ সমস্যা এক গুৰুত্বপূৰ্ণ দিশ। জনসাধাৰণৰ বাবে বিশুদ্ধ খোৱা পানী যোগান ধৰা ব্যৱস্থাটো নগৰসমূহত পৰ্যাপ্ত নহয়। খোৱাপানীৰ ক্ষেত্ৰত নগৰৰ মানুহে হাহাকাৰ কৰিবলগীয়া হোৱাটো আন এক জটিল সমস্যা। নগৰসমূহত উদ্যোগ আৰু গাড়ী-মটৰৰ পৰা নিৰ্গত হোৱা ধোঁৱা আৰু অত্যধিক শব্দই জনজীৱনক অতিষ্ঠ কৰি তোলে। নগৰ অঞ্চলত সৃষ্টি হোৱা এনে ধৰণৰ জটিল সমস্যাসমূহ সমাধান কৰিবলৈ হ'লে নগৰখনৰ ভৌগোলিক পৰিৱেশৰ ওপৰত ভিত্তি কৰি আগতীয়াকৈ সঠিক পৰিকল্পনা কৰাটো দৰকাৰ। অপৰিকল্পিতভাৱে নগৰৰ সম্প্ৰসাৰণ চলি থাকিলে পৰৱৰ্তী কালত নগৰবোৰ বসবাসৰ অনুপযোগী হৈ পৰিব পাৰে। সেয়েহে নগৰৰ পৰিৱেশ ভালে ৰাখিবলৈ হ'লে নগৰবাসীৰ লগতে সংশ্লিষ্ট কৰ্তৃপক্ষও সচেতন হৈ থাকিব লাগিব।

## মনত ৰাখিবলগীয়া কথা ঃ

- কৃষি কাৰ্যক কেন্দ্ৰ কৰি মানুহে স্থায়ীভাৱে বসবাস কৰিবলৈ লৈ গাঁৱৰ সৃষ্টি কৰিছে।
- গ্ৰাম্য বসতিৰ প্ৰায় ৭০ শতাংশ বা ততোধিক লোক কৃষি কাৰ্যত নিয়োজিত হৈ জীৱন নিৰ্বাহ কৰে।
- নগৰীয়া বসতি সাধাৰণতে ব্যৱসায়-বাণিজ্য, শিল্প-উদ্যোগ আদিক কেন্দ্ৰ কৰি গঢ়ি উঠে।
- নগৰত বাস কৰা লোকৰ ৭৫ শতাংশতকৈয়ো অধিক লোকে উদ্যোগ, বাণিজ্য, চাকৰি আৰু অন্যান্য উপাৰ্জনমুখী কাৰ্যৰ যোগেদি জীৱন নিৰ্বাহ কৰে।
- নগৰীয়া জীৱন-ধাৰণ প্ৰণালীত পৌৰনিগম, নগৰপালিকা আদিয়ে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।
- ভাৰতৰ নগৰসমূহক প্ৰাচীন, মধ্যযুগীয় আৰু আধুনিক নগৰ হিচাপে বিভক্ত কৰিব পাৰি।
- অসমত পৌৰ প্ৰশাসনৰ অন্তৰ্ভুক্ত নগৰৰ সংখ্যা ৮০ খন।
- অসমৰ বেছিভাগ নগৰ ব্ৰহ্মপুত্ৰ নদীৰ আশে-পাশে অৱস্থিত।
- অসমত এক লাখ বা ততোধিক জনসংখ্যাৰ কেইবাখনো নগৰ আছে যদিও কেৱল গুৱাহাটীয়ে মহানগৰ হিচাপে স্বীকৃতি পাইছে। একমাত্ৰ ইয়াতেই পৌৰনিগম গঠন হৈছে।
- অসমৰ বেছিভাগ নগৰ প্ৰশাসনীয় নগৰ হিচাপে গঢ়ি উঠিছে। সেই হিচাপে বেছিসংখ্যক নগৰেই জিলা বা মহকুমাৰ সদৰ।
- কেতিয়াবা এটা বিষয়ক কেন্দ্ৰ কৰি নগৰ এখন গঠন হ'লেও পিছলৈ আন আন দিশতো ইয়াৰ বিকাশ ঘটে।

## অনুশীলনী ঃ

১। উত্তৰ লিখা—

(ক) বসতিক কেই ভাগত ভাগ কৰা হয়?

(খ) গ্ৰামাঞ্চলৰ কিমান শতাংশ লোক কৃষিকাৰ্যৰ লগত জড়িত?

(গ) নগৰৰ কেন্দ্ৰীয় অঞ্চলটো মুখ্যকৈ কি কাৰ্যৰ লগত জড়িত?

(ঘ) উৎপত্তি কালৰ ভিত্তিত ভাৰতৰ নগৰসমূহক কেইটা শ্ৰেণীত ভাগ কৰা হৈছে?

(ঙ) লোকপিয়ল বিভাগে নিৰ্দিষ্ট কৰি দিয়া মতে ভাৰতৰ নগৰ এখনৰ প্ৰাৰম্ভিক জনসংখ্যা কিমান হ'ব লাগে?

(চ) অসমৰ একমাত্ৰ পৌৰনিগম পৰিচালিত মহানগৰখনৰ নাম কি?

২। শুদ্ধ/অশুদ্ধ লিখা—

(ক) নগৰীয়া বসতিতকৈ গ্ৰাম্য বসতিত জনসংখ্যাৰ ঘনত্ব অধিক ।

(খ) গ্ৰাম্য বসতিৰ অধিক সংখ্যক লোক চাকৰিৰ লগত জড়িত।

(গ) নতুন দিল্লী এখন প্ৰশাসনিক নগৰ।

(ঘ) আগ্ৰা এখন নদীৰ পাৰত অৱস্থিত নগৰ।

(ঙ) শিলচৰ বৰাক নদীৰ পাৰত অৱস্থিত।

৩। চমুকৈ উত্তৰ লিখা —

(ক) গ্ৰাম্য অঞ্চলৰ বৃত্তি।

(খ) নগৰীয়া বসতিৰ সা-সুবিধা।

(গ) নগৰত বসতি ঘন হোৱাৰ কাৰণ কি?

(ঘ) মেগাল'পলিছ কাক বোলে?

৪। নগৰৰ সা-সুবিধা আৰু সমস্যা সম্পৰ্কত দুখন সুকীয়া তালিকা প্ৰস্তুত কৰা।

৫। ভূচিত্ৰাৱলী চাই অসমৰ দহখন নগৰৰ নাম লিখা আৰু সেইবোৰ কোন কোন জিলাত অৱস্থিত উল্লেখ কৰা।

৬। তুমি বাস কৰা ঠাইত থকা দহটা পৰিয়ালৰ লোকসকলৰ শিক্ষাগত অৰ্হতা আৰু তেওঁলোক কি কি বৃত্তিৰ লগত জড়িত তাৰ জৰীপ কৰি এখন প্ৰতিবেদন প্ৰস্তুত কৰা।

৭। অসমৰ মানচিত্ৰ চাই নতুনকৈ ঘোষিত জিলা সমূহৰ অৱস্থান চিনাক্ত কৰা।

✧✧✧✧✧✧

# পাঠ - ৫

# সাগৰ-মহাসাগৰ

M5Z9T4

**শিকনৰ ফলাফল ঃ**

- সাগৰ, মহাসাগৰ কাক বোলে জানিব পাৰিব।
- মহাসাগৰীয় সোঁত, জোৱাৰ-ভাটা, সাগৰীয় ঢৌ আদিৰ উৎপত্তিৰ বিষয়ে ধাৰণা লাভ কৰিব।
- সামুদ্রিক উদ্ভিদ আৰু প্ৰাণীৰ বিষয়ে অৱগত হ'ব।
- মাছ ধৰা বৃত্তি, খনিজ সম্পদ আহৰণ, জল পৰিবহণ আদিৰ ক্ষেত্ৰত সাগৰ-মহাসাগৰৰ গুৰুত্ব উপলব্ধি কৰিব পাৰিব।

ষষ্ঠ শ্ৰেণীৰ সমাজবিজ্ঞানৰ পাঠ্যপুথিৰ 'পৃথিৱীৰ প্ৰধান মণ্ডলসমূহ' শীৰ্ষক পাঠটিত তোমালোকে পৃথিৱীৰ স্থলমণ্ডল, বায়ুমণ্ডল, জীৱমণ্ডল আদিৰ লগতে জলমণ্ডলৰ (Hydrosphere) বিষয়েও কিছু কথা পাই আহিছা। ভূ-পৃষ্ঠৰ প্ৰায় ৭১ শতাংশ জলভাগে আগুৰি আছে। বেছি অংশ পানীয়ে আগুৰি আছে বাবেই আমাৰ পৃথিৱীখনক **নীলা গ্ৰহ** (Blue Planet) বুলিও কোৱা হয়। সাগৰ-মহাসাগৰ, নদী, হ্ৰদ, হিমবাহ, ভূগৰ্ভ, বায়ুমণ্ডল আদিত বিভিন্ন অৱস্থাত থকা পানীভাগেৰে জলমণ্ডল গঠিত। কিন্তু জলমণ্ডলৰ প্ৰায় ৯৭ শতাংশ পানী সাগৰ-মহাসাগৰতে পোৱা যায় বাবে জলমণ্ডল বুলিলে প্ৰধানকৈ সাগৰ-মহাসাগৰকে বুজা যায়। সাগৰ-মহাসাগৰৰ পানী লুণীয়া হোৱা হেতুকে পানীৰে ভৰা গ্ৰহৰ বাসিন্দা হৈও আমি সততে নিৰ্মল পানীৰ (Fresh Water) অভাৱ অনুভৱ কৰোঁ।

**জানি থওঁ আহা ঃ**

- সাগৰৰ পানী লুণীয়া। কাৰণ তাত কেইবাবিধো খনিজ দ্ৰব্য মিহলি হৈ থাকে। গড় হিচাপে সাগৰৰ পানীৰ প্ৰতি ১০০০ ভাগৰ ৩৫ ভাগেই খনিজ লৱণ। ক্ৰান্তীয় অঞ্চলৰ সাগৰৰ পানী বেছি লুণীয়া। আনহাতে নিৰক্ষীয় আৰু দুই মেৰু অঞ্চলৰ সাগৰৰ পানী কিছু কম লুণীয়া।
- শেহতীয়াকৈ বিশ্ববিখ্যাত মানচিত্ৰ প্ৰস্তুত কৰোঁতা 'নেচনেল জিঅ'গ্ৰাফিক' এ পৃথিৱীৰ মানচিত্ৰত অন্তৰ্ভুক্ত কৰা পঞ্চম মহাসাগৰ হ'ল- দক্ষিণ মহাসাগৰ (Southern Ocean)। দক্ষিণ মহাসাগৰে এণ্টাৰ্কটিকা সাগুৰি আছে। এই মহাসাগৰখন ৬০ ডিগ্ৰী দক্ষিণ দ্ৰাঘিমাংশত অৱস্থিত।

পৃথিৱীৰ উপৰিভাগৰ বিস্তীৰ্ণ জলভাগক পাঁচটা ভাগত ভাগ কৰা হৈছে। ইয়াৰে একোটা ভাগেই একোখন মহাসাগৰ। মহাসাগৰ পাঁচখন হ'ল - প্ৰশান্ত মহাসাগৰ, আটলাণ্টিক মহাসাগৰ, ভাৰত মহাসাগৰ, উত্তৰ মহাসাগৰ আৰু দক্ষিণ মহাসাগৰ। পৃথিৱীৰ মানচিত্ৰখনলৈ চালে মহাদেশকেইখনক এই পাঁচখন মহাসাগৰে আগুৰি থকা একোটা দ্বীপ যেন লাগে। সাগৰবোৰ এই মহাসাগৰবোৰৰ একো একোটা অংশ। সাধাৰণতে দেশ বা মহাদেশৰ ওচৰৰ মহাসাগৰৰ একোটা অংশকে সাগৰ বুলি কোৱা হয়। আনহাতে তিনিওফালে স্থলভাগে আগুৰি থকা সাগৰ-মহাসাগৰৰ একোটা অংশক উপসাগৰ বুলি কোৱা হয়। আমাৰ দেশ ভাৰতৰ সীমা চুই থকা বংগোপসাগৰ তেনে এখন উপসাগৰ। গতিকে দেখা যায় যে পৃথিৱীৰ সকলোবোৰ সাগৰ আৰু উপসাগৰেই বিশাল মহাসাগৰৰ একো একোটা অংশ। প্ৰকৃততে সাগৰ, উপসাগৰ বা মহাসাগৰৰ মাজত তেনে কোনো দৃশ্যমান প্ৰাকৃতিক সীমা নাই। তোমালোকে পৃথিৱীৰ মানচিত্ৰ এখনলৈ ভালদৰে লক্ষ্য কৰিলে দেখিবা যে মহাসাগৰকেইখনো ইখনৰ লগত সিখন লগ লাগি আছে।

**উত্তৰ লিখা ঃ**

- পৃথিৱীক নীলা গ্ৰহ বুলি কিয় কোৱা হয়?
- ভাৰতৰ সীমা চুই থকা উপসাগৰ খন কি?




চিত্ৰ- ৫.১ পৃথিৱীৰ মহাদেশ আৰু মহাসাগৰবোৰ

উৎপত্তিৰেপৰা এতিয়ালৈকে পৃথিৱীয়ে প্ৰায় ৪৫৪ বিলিয়ন বছৰ অতিক্ৰম কৰিছে। এই দীঘলীয়া কালছোৱাত ই নানাধৰণৰ পৰিৱৰ্তনৰ সন্মুখীন হৈছে। উৎপত্তিৰ সময়ত আৰু তাৰ বহুকাল পিছলৈকে পৃথিৱীখন এটি উত্তপ্ত গেছীয় পিণ্ড হিচাপে আছিল। আৱৰ্তনৰ যোগেদি তাপ বিকিৰণ কৰি কৰি পৃথিৱীখন ক্ৰমাৎ শীতল আৰু সংকুচিত হ'বলৈ ধৰে। সময়ত গেছীয় অৱস্থাত থকা পদাৰ্থবোৰ ঘণীভূত হৈ জুলীয়া বা গোটা অৱস্থা পায় আৰু ক্ৰমে সংকুচিত হৈ অহাৰ ফলত পৃথিৱীৰ উপৰিভাগত ওখ-চাপৰ আৱৰণৰ সৃষ্টি হয়। পৃথিৱীৰ উপৰিভাগৰ কঠিন আৱৰণটোৰ ওখ অংশবোৰে স্থলমণ্ডলৰ ৰূপ লয় আৰু নিম্ন অংশবোৰত কালক্ৰমত পানী জমা হৈ মহাসাগৰৰ সৃষ্টি হয়। পৃথিৱীৰ পৰিৱেশৰ প্ৰধান উপাদান হিচাপে এই মহাসাগৰবোৰে বিশেষ ভূমিকা পালন কৰি আহিছে। সেয়ে মহাসাগৰবোৰৰ প্ৰাকৃতিক ধৰ্ম, জলভাগৰ গুণাগুণ সম্বন্ধে সকলোৰে সম্যক জ্ঞান থকাটো দৰকাৰ।


**ক্ৰিয়াকলাপ ঃ**

- উৎপত্তিৰ সময়ত পৃথিৱীখন কেনেকুৱা অৱস্থাত আছিল লিখা।
- পৃথিৱীৰ উপৰিভাগত ওখ-চাপৰ আৱৰণটোৰ সৃষ্টি কিদৰে হ'ল লিখা।

## মহাসাগৰীয় সোঁত ঃ

মহাসাগৰবোৰ অতি বিশাল আৰু গভীৰ যদিও ইয়াৰ পানীভাগ স্থিৰ নহয়। স্বাভাৱিক ঢৌৰ উপৰি বিভিন্ন কাৰণত ইয়াৰ পানীভাগে কিছুমান নিৰ্দিষ্ট দিশত এফালৰপৰা আনফাললৈ গতি কৰে। মহাসাগৰৰ পানীভাগ এইদৰে প্ৰবাহিত

হোৱাকে মহাসাগৰীয় সোঁত বুলি কোৱা হয়। নদীৰ দৰে সঠিক গতিপথ নাথাকিলেও মহাসাগৰীয় সোঁতবো বিস্তৃতি, গতিদিশ আৰু বেগ আছে। পৃথিৱীৰ আৱৰ্তন গতি, নিয়ত বতাহ, পানীৰ উষ্ণতা, লৱণতা আৰু চাপৰ তাৰতম্য, উপকূল ৰেখাৰ আকাৰ আদিয়ে সাগৰ-মহাসাগৰৰ পানীত সোঁতৰ সৃষ্টি কৰে। সপ্তম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ পাঠ্যপুথিত তোমালোকে পাই আহিছা যে সুমেৰুৰপৰা কুমেৰুলৈ পৃথিৱীৰ উপৰিভাগত বায়ুমণ্ডলৰ চাপৰ ভিত্তিত কিছুমান উচ্চচাপ আৰু নিম্নচাপ বলয় আছে। চাপৰ এনে পাৰ্থক্যৰ ফলতেই ভূপৃষ্ঠৰ বিভিন্ন অংশৰ ওপৰেদি কিছুমান নিৰ্দিষ্ট বতাহ প্ৰবাহিত হয়। এনে বতাহে সাগৰৰ পানীত সোঁতৰ সৃষ্টি হোৱাত সহায় কৰে। আনহাতে, নিৰক্ষীয় অঞ্চলত সূৰ্যৰ তাপ পোনে পোনে পৰা বাবে এই অংশত মহাসাগৰৰ পানীৰ উত্তাপ তুলনামূলকভাৱে বেছি। সেইবাবে ইয়াত বাষ্পীভৱনো বেছি আৰু পানীৰ ঘনত্ব কম। আনহাতে নাতিশীতোষ্ণ আৰু মেৰু অঞ্চলৰ পানীভাগ শীতল আৰু সেয়ে বাষ্পীভৱনো কমকৈ হয়। ইয়াত পানীৰ ঘনত্ব আৰু বায়ুমণ্ডলৰ চাপো বেছি। তদুপৰি মহাসাগৰকেইখনৰ মাজত পানীৰ লৱণতাৰ ক্ষেত্ৰতো পাৰ্থক্য আছে। এনেবোৰ অসমতাৰ কাৰণেই সাগৰ-মহাসাগৰৰ পানীত সোঁতৰ সৃষ্টি হয়। পৃথিৱীৰ পৰিভ্ৰমণ গতিৰ ফলত মহাসাগৰীয় সোঁতৰ দিশবো পৰিবৰ্তন ঘটে। ইয়াৰ বাবে মেৰু মুখী সোঁত পূবমুখী আৰু বিষুৱমুখী সোঁত প্ৰায় পশ্চিম ফালে প্ৰবাহিত হয়।




*চিত্ৰ - ৫.২ মহাসাগৰীয় সোঁত*

মহাসাগৰীয় সোঁতৰ ক্ষেত্ৰত লক্ষ্য কৰিবলগীয়া কথা এয়ে যে নিৰক্ষীয় অঞ্চলৰ পানী সহজতে গৰম হৈ প্ৰসাৰিত হয়। আনহাতে শীতপ্ৰধান অঞ্চলৰ পানী চেঁচা হৈ সংকুচিত আৰু গধুৰ হয়। সেইবাবে উষ্ণমণ্ডলৰপৰা গৰম আৰু পাতল সমুদ্ৰজল ওপৰে ওপৰে পৃষ্ঠপ্ৰবাহ ৰূপে শীতমণ্ডললৈ প্ৰবাহিত হয়। ইয়েই হ'ল উষ্ণ বা গৰম পানীৰ সোঁত। ইয়াৰ বিপৰীতে শীতমণ্ডলৰপৰা শীতল আৰু গধুৰ সমুদ্ৰজল অন্তঃস্ৰোত হিচাপে উষ্ণ মণ্ডললৈ প্ৰবাহিত হয়। ইয়েই হ'ল শীতল বা ঠাণ্ডা পানীৰ সোঁত। এইদৰেই মহাসাগৰত উষ্ণ আৰু শীতল পানীৰ সোঁত অনবৰতে বৈ আছে। আপেক্ষিকভাৱে গৰম পানীভাগ উত্তৰ আৰু দক্ষিণৰ শীতপ্ৰধান অঞ্চললৈ গতি কৰোতে লাহে লাহে শীতল আৰু গধুৰ হৈ ক্ৰমশঃ তললৈ নামি যায়। সেইদৰে দুয়ো মেৰুৰ ফালৰপৰা শীতল সোঁত উষ্ণমণ্ডলৰ (নিৰক্ষীয় অঞ্চল) ফালে প্ৰবাহিত হওঁতে ক্ৰমশঃ গৰম আৰু পাতল হৈ সমুদ্ৰপৃষ্ঠলৈ উঠি আহে। এই কাৰণেই নিৰক্ষীয় অঞ্চলৰ কিছু অংশত

পানীৰ তলৰপৰা ওপৰলৈ উঠি অহা আৰু মেৰু অঞ্চলৰ কিছু অংশত পানী ওপৰৰপৰা তললৈ নামি যোৱা পৰিলক্ষিত হয়।

মেৰু অঞ্চলৰপৰা অহা শীতল পানীৰ সোঁত যিমানে ক্ৰান্তীয় অঞ্চলৰ ফালে আগবাঢ়ে সিমানে উষ্ণ হ'বলৈ ধৰে। গৰম পানীৰ সোঁতৰ সংস্পৰ্শলৈ অহাৰ লগে লগে শীতল পানীৰ সোঁতৰ লগত উটি অহা তুষাৰখণ্ডবোৰ গলিবলৈ ধৰে। তেতিয়া সেই তুষাৰখণ্ডবোৰৰ মাজত সোমাই থকা শিল, মাটি আৰু গেদবোৰ সমুদ্ৰতলিত জমা হ'বলৈ ধৰে। এই প্ৰক্ৰিয়াই সেই ঠাইত সমুদ্ৰৰ গভীৰতা কমাই আনে। সাগৰৰ বুকুৰ এনে বাম ঠাইবোৰত মাছৰ খাদ্য প্লেংকটন বা প্লৱক যথেষ্ট পৰিমাণে পোৱা যায়। এনে ঠাইবোৰ পৃথিবীৰ উৎকৃষ্ট মৎস্যক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে। জাপানৰ চাৰিওপিনে থকা সাগৰবোৰ আৰু উত্তৰ আমেৰিকাৰ পূব উপকূল এনে মৎস্যক্ষেত্ৰৰ উদাহৰণ। শীতল আৰু গৰম পানীৰ সোঁত লগ লগা ঠাইৰ আন এটা বৈশিষ্ট্য আছে। এনে ঠাইত ঘন কুঁৱলীৰ সৃষ্টি হয়। উষ্ণতাৰ পাৰ্থক্যৰ বাবে তেনে ঠাইবোৰত ধুমুহাৰো সৃষ্টি হয়। ঘন কুঁৱলী আৰু ধুমুহাই জাহাজ চলাচলৰ ক্ষেত্ৰত সমস্যাৰ সৃষ্টি কৰে।

**ক্ৰিয়াকলাপ ঃ**

- নিৰক্ষীয় অঞ্চলৰ মহাসাগৰৰ পানীভাগ কিয় সহজে গৰম হয় আলোচনা কৰা।
- বেলেগ বেলেগ উষ্ণতাৰ দুটা মহাসাগৰীয় সোঁত লগ লগা ঠাইবোৰ লাহে লাহে বাম হৈ পৰা দেখা যায়— কথাষাৰ ব্যাখ্যা কৰা।

## সাগৰীয় ঢৌ ঃ

সাগৰৰ পাৰলৈ তোমালোকৰ সকলোৱে নিজে নগ'লেও বহুতেই নিশ্চয় টেলিভিচনৰ পৰ্দাত সাগৰ দেখিছা। সাগৰৰ পানীভাগ সকলো সময়তেই উঠা-নমা কৰি থকা দেখা যায়। সাগৰৰ ওপৰেৰে প্ৰবাহিত বতাহৰ হেঁচাত সাগৰপৃষ্ঠত ঢৌ বা তৰংগৰ সৃষ্টি হয়। বতাহে পানীভাগ এফালৰপৰা ঠেলি লৈ গৈ ঢৌৰ সৃষ্টি কৰে। সাগৰৰ বুকুত জোৰেৰে বতাহ বলিলে প্ৰকাণ্ড ঢৌৰ সৃষ্টি হয়। ইয়াৰ বাহিৰে সাগৰৰ তলিত উৎপত্তি হোৱা ভূমিকম্প, আগ্নেয় উদ্গিৰণ আৰু জোৱাৰ-ভাটাৰ বাবেও সাগৰত ঢৌৰ সৃষ্টি হয়। ভূমিকম্পৰ ফলত সাগৰৰ বুকুত সৃষ্টি হোৱা ঢৌক চুনামী (Tsunami) বুলি কোৱা হয়। চুনামী এটা জাপানী শব্দ। জাপানী ভাষাত চু (Tsu) মানে পোতাশ্ৰয় (Harbour) আৰু নামী (Nami) মানে ঢৌ (Wave)। জাপান দেশখন প্ৰশান্ত মহাসাগৰীয় আগ্নেয় বলয়ত (Ring of Fire) অৱস্থিত। এই বলয়টো পৃথিবীৰ ভিতৰতে প্ৰধান ভূমিকম্প প্ৰৱণ অঞ্চল। গতিকে জাপানত সঘনাই ভূমিকম্প হয় আৰু তাৰ ফলত চুনামীৰ সৃষ্টি হয়। সাধাৰণতে চুনামীৰ উচ্চতা ১৫ মিটাৰ মান হোৱা দেখা যায়। চুনামীৰ গতিবেগ ঘণ্টাত ৭০০ কিল'মিটাৰৰো বেছি হয়।

**জানি থোৱা আহা ঃ**


- ২০০৪ চনৰ ২৬ ডিচেম্বৰৰ ৰাতিপুৱা চুনামীয়ে ভাৰতৰ পূব উপকূল অঞ্চলত মহাপ্ৰলয়ৰ সৃষ্টি কৰিছিল। সেই মহাপ্ৰলয়ৰ মূলতে আছিল এটি প্ৰলয়ংকাৰী ভূমিকম্প। সেই ভূমিকম্পটোৰ উপকেন্দ্ৰ আছিল সুমাত্ৰা দ্বীপৰ পশ্চিম অংশত। ৰিখ্টাৰ স্কেলত ভূমিকম্পটোৰ প্ৰাবল্য আছিল ৯.০। ভূমিকম্পটোৱে ভাৰত মহাসাগৰত সৃষ্টি কৰা প্ৰায় ৩০ মিটাৰ ওখ চুনামীয়ে ভাৰতৰ তামিলনাডু, আন্দামান-নিকোবৰ দ্বীপপুঞ্জ, শ্ৰীলংকা, ইণ্ডোনেছিয়া আদি ঠাইৰ সাগৰৰ পাৰত বাস কৰা লাখ লাখ মানুহক গৃহহাৰা কৰিছিল, ডেৰ লাখৰো বেছি মানুহ মৃত্যুমুখত পৰিছিল। ভূমিকম্পটোৱে সৃষ্টি কৰা চুনামীৰ গতিবেগ আছিল ঘণ্টাত প্ৰায় ৮০০ কিল'মিটাৰ।

## উত্তৰ লিখা ঃ

- সাগৰত ঢৌৰ সৃষ্টিৰ কাৰণবোৰ কি কি?
- আগ্নেয় বলয় বুলি ক'লে কি বুজা?
- চুনামীৰ উচ্চতা আৰু গতিবেগ সাধাৰণতে কিমান হয়?

## জোৱাৰ-ভাটা ঃ

সাগৰ-মহাসাগৰৰ বুকুত সাধাৰণ ঢৌ আৰু সোঁতৰ বাহিৰেও আন এবিধ গতি দেখা যায়। সেইটো হ'ল জোৱাৰ-ভাটা। দিনটোৰ ভিতৰত দুবাৰকৈ সাগৰৰ পানীৰ উঠা-নমা কৰাকে জোৱাৰ-ভাটা বোলে। জোৱাৰ-ভাটাৰ প্ৰধান কাৰণ হ'ল পৃথিৱীৰ ওপৰত চন্দ্ৰ আৰু সূৰ্যৰ আকৰ্ষণ, আৰু পৃথিৱীৰ আৱৰ্তনৰ বাবে সৃষ্টি হোৱা অপকেন্দ্ৰিক শক্তি (Centrifugal Force)। পৃথিৱীৰ তুলনাত চন্দ্ৰ যদিও যথেষ্ট সৰু, ওচৰতে থকা বাবে পৃথিৱীৰ ওপৰত ইয়াৰ আকৰ্ষণৰ প্ৰভাৱ বেছি। সেই কাৰণে পৃথিৱীয়ে আৱৰ্তন কৰি থাকোতে ইয়াৰ যিটো অংশ চন্দ্ৰৰ মুখামুখি হয় তাতেই আকৰ্ষণৰ প্ৰভাৱ বেছিকৈ পৰে। স্থলভাগ কঠিন হোৱা বাবে সেই আকৰ্ষণৰ প্ৰভাৱ তাত পৰিলক্ষিত নহয়। কিন্তু ইয়াৰ প্ৰভাৱত সাগৰ-মহাসাগৰৰ পানীভাগ ওফন্দি উঠে। এইদৰে যেতিয়াই সাগৰ-মহাসাগৰ চন্দ্ৰৰ মুখামুখি হয় তেতিয়াই জোৱাৰৰ সৃষ্টি হয়। ইয়াকে **মুখ্য জোৱাৰ** (Primary Tide) বোলে। চন্দ্ৰৰ আকৰ্ষণৰ বাবে পৃথিৱীৰ যিটো অংশত মুখ্য জোৱাৰৰ সৃষ্টি হয়, সেই একে সময়তে তাৰ ঠিক বিপৰীত অংশতো জোৱাৰৰ সৃষ্টি হয়। কিন্তু চন্দ্ৰৰপৰা দূৰত্ব বেছি হোৱাৰ বাবে তাত আকৰ্ষণৰ প্ৰভাৱ তেনেই কম। প্ৰধানকৈ পৃথিৱীৰ আৱৰ্তনৰ বাবে সৃষ্টি হোৱা অপকেন্দ্ৰিক শক্তিৰ প্ৰভাৱতহে তাত পানীভাগ ওফন্দি উঠে। এই জোৱাৰক গৌণ জোৱাৰ (Secondary Tide) বোলা হয়।



চিত্ৰ- ৫.৩ বাসন্তী জোৱাৰ আৰু নাটনি জোৱাৰ

### জানি থওঁ আহাঃ

- ১৬৮৭ চনত চাৰ আইজাক নিউটনে ব্যাখ্যা কৰিছিল যে- সাগৰ-মহাসাগৰৰ ওপৰত সূৰ্য আৰু চন্দ্ৰৰ মধ্যাকৰ্ষণ শক্তিৰ ফলত সাগৰত জোৱাৰৰ সৃষ্টি হয়।

পূৰ্ণিমাৰ আৰু অমাৱস্যাৰ দিনা চন্দ্ৰ, পৃথিৱী আৰু সূৰ্য প্ৰায় একেডাল ৰেখাত পৰে। এই দুদিনত চন্দ্ৰ আৰু সূৰ্য উভয়ৰে আকৰ্ষণত জোৱাৰৰ ঢৌ বেছি ওপৰলৈ উঠে। ইয়াক বাসন্তী জোৱাৰ (Spring Tide) বোলে। সপ্তমী আৰু অষ্টমী তিথিত পৃথিৱী, চন্দ্ৰ আৰু সূৰ্যই সমকোণত অৱস্থান কৰে। গতিকে সেই দুটা দিনত চন্দ্ৰৰ মুখামুখি হোৱা ঠাইৰ লগতে সূৰ্যৰ মুখামুখি হোৱা ঠাইতো জোৱাৰ হয়। ফলত কোনো এটা জোৱাৰেই শক্তিশালী নহয়। এই জোৱাৰক নটিনি জোৱাৰ (Neap Tide) বোলে। আকাৰত পৃথিৱী আৰু চন্দ্ৰতকৈ সূৰ্য বহুগুণে ডাঙৰ হোৱা সত্বেও সূৰ্যৰ জোৱাৰ সৃষ্টিকাৰী মধ্যাকৰ্ষণ শক্তি তুলনামূলক কম কিয় জানেনে ? সূৰ্য চন্দ্ৰতকৈ ২৭ মিলিয়ন গুণ ডাঙৰ ; আৰু পৃথিৱীৰপৰা চন্দ্ৰৰ দূৰত্ব ৩৮,৪৪,৪০০ কিলোমিটাৰ। আনহাতে পৃথিৱীৰপৰা সূৰ্যৰ দূৰত্ব ১৪,৯৬,০০,০০০ কিলোমিটাৰ। সেয়েহে সূৰ্যৰ জোৱাৰ সৃষ্টিকাৰী শক্তি চন্দ্ৰৰ আধা।

সাগৰৰ উপকূল আৰু নদীৰ মোহনা অঞ্চলত জোৱাৰ-ভাটাৰ প্ৰভাৱ দেখা যায়। জোৱাৰৰ ঢৌৱে নদীৰ মোহনাত জমা হোৱা গেদ উটুৱাই নিয়াৰ ফলত নাও-জাহাজৰ চলাচলৰ বাবে সুবিধা হয়। জোৱাৰৰ সময়ত পানী ওফন্দি উঠাৰ কাৰণে অগভীৰ উপকূল বা নদীৰ মোহনা অঞ্চলত অৱস্থিত বন্দৰলৈ সহজতে জাহাজ চলাচল কৰিব পাৰে। জোৱাৰৰ প্ৰভাৱ পৰা নদীৰ মোহনাত প্ৰচুৰ মাছ পোৱা যায়। জোৱাৰ-ভাটাৰ শক্তিৰপৰা জাপান, ফ্ৰান্স, কানাডা আদি দেশে বিদ্যুৎ শক্তিও উৎপাদন কৰিছে।

**ক্ৰিয়াকলাপ ঃ**

- পৃথিৱীৰ ওপৰত চন্দ্ৰৰ আকৰ্ষণৰ প্ৰভাৱ বেছি— ইয়াৰ কাৰণ দৰ্শোৱা।
- মুখ্য জোৱাৰৰ উৎপত্তিৰ কাৰণ কি?
- নদীৰ মোহনা আৰু জোৱাৰ-ভাটাৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।

## উদ্ভিদ আৰু প্ৰাণী ঃ

সাগৰ-মহাসাগৰৰ ঢৌ আৰু সোঁতৰ বিষয়ে কিছু আভাস তোমালোকে পালা। এই সাগৰ-মাহাসাগৰ খালী চকুৰে মণিব নোৱাৰা ক্ষুদ্ৰ জীৱৰপৰা বৃহৎ আকাৰৰ স্তন্যপায়ী প্ৰাণীলৈকে বিচিত্ৰ জীৱৰ বাসস্থান। লৰচৰ কৰাৰ ধৰণ আৰু বসতিস্থলৰ ওপৰত ভিত্তি কৰি সাগৰীয় উদ্ভিদ আৰু প্ৰাণীবোৰক তিনি ভাগত ভাগ কৰিব পাৰি— **প্লেংকটন** বা **প্লৱক, বেনথ'জ** আৰু **নেক্‌টন**। প্লৱকবোৰে নিজে লৰচৰ কৰিব নোৱাৰে। পানীৰ সোঁতৰ লগে লগে ইহঁতে উটি ভাহি ফুৰে। প্লৱকবোৰৰ বেছিভাগেই এককোষী আৰু চকুৰে মণিব নোৱৰা বিধৰ। প্লৱকবোৰক দুই ভাগত ভাগ কৰিব পাৰি— উদ্ভিদ প্লৱক আৰু প্ৰাণী প্লৱক। উদ্ভিদ প্লৱকৰ বেছিভাগেই ডায়েটম প্ৰজাতিৰ শেলুৱৈ জাতীয় উদ্ভিদ। এই ডায়েটম, মাছ আৰু আন আন বস্তুতো সাগৰীয় প্ৰাণীৰ প্ৰধান আহাৰ। প্লৱকবোৰ সাধাৰণতে সূৰ্যৰ ৰশ্মি আৰু পুষ্টিকাৰক দ্ৰব্য পাবৰ বাবে অগভীৰ পানীত থাকে। উদ্ভিদ প্লৱকবোৰতকৈ প্ৰাণী প্লৱকৰ শাৰীৰিক গঠন কিছু জটিল। বেনথ'জ শ্ৰেণীৰ জীৱবোৰেও সূৰ্যৰ ৰশ্মি সহজে সোমাব পৰা অগভীৰ পানীত বাস কৰে। বিভিন্ন প্ৰজাতিৰ ঘাঁহ-বন জাতীয় উদ্ভিদ আৰু স্পঞ্জ, প্ৰবাল, অয়ষ্টাৰ আদি প্ৰাণীয়ে লৰচৰ নকৰাকৈ পৰি থাকে বা অতি কম পৰিমাণে লৰচৰ কৰে। আনহাতে বিভিন্ন প্ৰজাতিৰ কেঁকোৰা, শামুক আদি লৰচৰ কৰা প্ৰাণীৰ ভিতৰত পৰে। পানীত সাঁতুৰি ফুৰিব পৰা সাগৰীয় জীৱবোৰ নেক্‌টন শ্ৰেণীত পৰে। বিভিন্ন প্ৰজাতিৰ মাছ, তিমি, ডলফিন আদি এই শ্ৰেণীৰ প্ৰাণী। ইহঁতে সাধাৰণতে প্ৰাণী প্লৱক খাই জীয়াই থাকে। প্লেংকটন আৰু বেনথ'জ শ্ৰেণীৰ প্ৰাণীতকৈ এই নেক্‌টন শ্ৰেণীৰ প্ৰাণীবোৰ উন্নত শ্ৰেণীৰ। এই শ্ৰেণীৰ ডলফিনবোৰ অতি বুধিয়ক প্ৰাণী। ইহঁতক উপযুক্ত প্ৰশিক্ষণ দি বিভিন্ন কামত ব্যৱহাৰ কৰা হয়। সাগৰত থকা উদ্ভিদবোৰ সাধাৰণতে শেলাই জাতীয়। ইহঁতৰ গাত ক্ল'ৰ'ফিল থাকে আৰু সেইবাবে সালোক সংশ্লেষণো সংঘটিত হয়।



চিত্ৰ ৫.৪ সাগৰীয় প্ৰাণী
উৎস ঃ www.pxfuel.com



চিত্ৰ ৫.৫ সাগৰীয় উদ্ভিদ
উৎস ঃ www.pxfuel.com

## মাছ ধৰা বৃত্তি ঃ

সাগৰীয় জৈব সম্পদবিলাকৰ ভিতৰত প্ৰচুৰ পৰিমাণে পোৱা সম্পদ বিধ হ'ল মাছ। ই মানুহৰ প্ৰিয় আৰু পুষ্টিকৰ খাদ্য। প্ৰাক্‌ঐতিহাসিক কালৰপৰাই মানুহে মাছক খাদ্য হিচাপে ব্যৱহাৰ কৰি আহিছে। খাদ্যৰ কাৰণে হেৰিং, চাৰ্ডিন,কড, টুনা, ছামন, মেকেৰেল, হেডক আদি মাছকেই বেছিকৈ ধৰা হয়। এই মাছবোৰক কেৱল খাদ্য হিচাপেই যে ব্যৱহাৰ কৰা হয় এনে নহয়, ইয়াৰে কিছুমানৰ অন্য ব্যৱহাৰিক মূল্যও আছে। কড মাছৰ তেল ভিটামিন সমৃদ্ধ বাবে ই বৰ মূল্যবান। তেনেদৰে হাংগৰ আদি ডাঠ ছালৰ সাগৰীয় প্ৰাণীৰ ছালেৰে জোতা,বেগ আদি তৈয়াৰ কৰা হয়। আজিকালি সাগৰীয় মাছ ধৰাটো এক প্ৰকাৰৰ উন্নত উদ্যোগত পৰিণত হৈছে। মাছৰ চালচলনৰ লক্ষণ অনুসৰি সেইবোৰ ধৰিবলৈ বেলেগ বেলেগ পদ্ধতি অবলম্বন কৰা হয়। সাগৰৰ যি অংশত উদ্ভিদ প্লৱক প্ৰচুৰ পৰিমাণে থাকে, তাতেই বিখ্যাত মৎস্যক্ষেত্ৰবোৰ গঢ়ি উঠিছে। মৎসক্ষেত্ৰৰ অৱস্থান নিৰ্ণয় কৰিবলৈ আজিকালি অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰা হয়। সাগৰীয় মাছবোৰ ধৰা আৰু সংৰক্ষণৰ ক্ষেত্ৰত আজিকালি অত্যাধুনিক প্ৰযুক্তি ব্যৱহাৰ কৰা হয়। সাগৰীয় মাছবোৰ ধৰি উপকূল অঞ্চলত লগে লগে ব্যৱহাৰ কৰা হয় আৰু শীতলীকৰণ ব্যৱস্থাৰে সংৰক্ষণ কৰি টিনত ভৰাই বিশ্বৰ বিভিন্ন প্ৰান্তলৈ পঠিওৱা হয়। আজিকালি সকলো ঠাইতে টিনত ভৰোৱা সাগৰীয় মাছ পোৱা যায়।

> **ক্ৰিয়াকলাপ ঃ**
>
> - বেনথ'জ শ্ৰেণীৰ সাগৰীয় জীৱৰ বৈশিষ্ট্য কি?
> - প্লৱক আৰু মৎস্যক্ষেত্ৰৰ মাজৰ সম্পৰ্ক বিচাৰ কৰা।
> - কেইবিধমান সাগৰীয় মাছৰ নাম তালিকাভুক্ত কৰা।

## খনিজ সম্পদ ঃ

বিভিন্ন প্ৰজাতিৰ উদ্ভিদ আৰু প্ৰাণীৰে ভৰি থকা মহাসাগৰবোৰ নানা প্ৰকাৰৰ মূল্যবান খনিজ সম্পদৰো ভঁৰাল। ইয়াৰ পানীত দ্ৰবীভূত হৈ থকা খনিজ লৱণবোৰ হ'ল— সাধাৰণ নিমখ, মেগনেছিয়াম আৰু ব্ৰ'মিন। পৃথিৱীৰ বহু দেশে সাগৰৰ পানী লৱণমুক্ত কৰি ব্যৱহাৰ কৰিছে। সাগৰৰ বুকুত আৱিষ্কাৰ হোৱা আন আন খনিজ পদাৰ্থবোৰ হ'ল মেংগানিজ, ছালফাৰ, টাইটেনিয়াম, ম'নাজাইট, সোণ, প্লেটিনাম, হীৰা, টিন, লো ইত্যাদি। বতাহ, নদী আদিয়ে কঢ়িয়াই আনি নিক্ষেপ কৰা বহুতো খনিজ দ্ৰব্যও সাগৰৰ তলিৰ বালিৰ লগত মিহলি হৈ থাকে। সাগৰৰ পানীত থকা ৰাসায়নিক মৌলবোৰৰ পৰিমাণ বৰ কম। সেয়েহে সেইবোৰ আহৰণ কৰাটো যথেষ্ট ব্যয়বহুল আৰু কঠিন। মহাসাগৰৰ বুকুৰ খনিজ দ্ৰব্যবোৰৰ ভিতৰত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ আটাইতকৈ গুৰুত্বপূৰ্ণ। সাগৰৰ তলিত ভূগৰ্ভত থকা এই দুবিধ খনিজ সম্পদৰ ওপৰতে এতিয়া ভূবিজ্ঞানীসকলে অধিক গুৰুত্ব দিছে। সাধাৰণতে সাগৰৰ মহীসোপান আৰু মহীঢাল অঞ্চলৰপৰা এই দুবিধ সম্পদ উদ্‌ঘাটন কৰা হয়। আমাৰ দেশৰ মুম্বাই আৰু উৰিষ্যাৰ উপকূলীয় অঞ্চলৰপৰা খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ আহৰণ কৰা হৈছে।

## জল পৰিবহণ ঃ

অফুৰন্ত সম্পদৰ ভঁৰাল মহাসাগৰবোৰে অতীতৰপৰা মানুহক পৰিবহণৰ সুবিধাও প্ৰদান কৰি আহিছে। মহাসাগৰত চলা পৰিবহণ ব্যৱস্থাক জাহাজ পৰিবহণ বুলি জনা যায়। ই আটাইতকৈ সহজ আৰু কম খৰচী পৰিবহণ ব্যৱস্থা। জলপথবোৰ প্ৰাকৃতিক ঘাইপথ। এই পথবোৰ প্ৰাকৃতিক হোৱাৰ কাৰণে এই ক্ষেত্ৰত কোনো অৰ্থ ব্যয় নহয়। পানীৰ স্বাভাৱিক ধৰ্মৰ বাবেই জাহাজবোৰে গধুৰ আৰু বৃহৎ পৰিমাণৰ মাল-বস্তু সহজে কঢ়িয়াই নিব পাৰে। পানীৰ ওপৰেৰে গতি কৰা জাহাজবোৰত শক্তি বা ইন্ধনৰ খৰছো তুলনামূলকভাৱে কম হয়। ৰে'ল পৰিবহণ, পথ পৰিবহণ আৰু আকাশী পৰিবহণৰ ক্ষেত্ৰত কিছুমান সীমাবদ্ধতা থকাৰ বাবে বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত জাহাজ পৰিবহণেই

নিৰ্ভৰযোগ্য ব্যৱস্থা। চাৰিওপিনে মুক্ত আৰু সমান বাবে স্থলপথৰ ক্ষেত্ৰত থকা কিছুমান বাধা জলপথত নাথাকে। তথাপি ঠাইভেদে জাহাজবোৰে কুঁৱলী, শৈলশিৰা, ধুমুহা, হিমপ্লৱ আদিৰ সন্মুখীন হোৱাৰ ভয় থাকে। সেয়েহে জাহাজবোৰে সদায় নিৰ্দিষ্ট গতিপথেৰেহে চলাচল কৰে।

পৃথিৱীৰ প্ৰাকৃতিক পৰিৱেশৰ ওপৰত সাগৰ-মহাসাগৰৰ প্ৰভাৱ যথেষ্ট। ইয়াৰ উপৰি তোমালোকে জানিব পাৰিলা যে সাগৰ-মহাসাগৰ বহু মূল্যবান জৈৱ সম্পদ, খনিজ সম্পদ, কম খৰচী পৰিবহণ ব্যৱস্থা আদিৰ দ্বাৰা মানৱ সমাজ যথেষ্ট উপকৃত হৈছে। পৃথিৱীপৃষ্ঠৰ মাটিভাগত জনসংখ্যা বৃদ্ধিৰ ফলত মানুহৰ বাবে প্ৰয়োজনীয় সম্পদৰ নাটনি হ'ব ধৰিছে। গতিকে সম্পদ আহৰণৰ বাবে মানুহে সাগৰ-মহাসাগৰলৈ চকু দিছে। নতুন নতুন প্ৰযুক্তিৰ উদ্ভাৱন সম্পদ আহৰণৰ ক্ষেত্ৰত যথেষ্ট সহায়ক হৈছে। সাগৰৰ উপকূল অঞ্চল আৰু কিছুমান দ্বীপৰ অপৰূপ প্ৰাকৃতিক সৌন্দৰ্যই পৰ্যটকসকলক সদায়েই আকৰ্ষণ কৰি আহিছে। এইদৰে অদূৰ ভৱিষ্যতলৈ সাগৰ-মহাসাগৰ আৰু মানৱ সমাজৰ মাজৰ সম্পৰ্ক আৰু অধিক গাঢ় হ'ব।

## মনত ৰাখিবলগীয়া কথা ঃ

- ভূপৃষ্ঠৰ প্ৰায় ৭১ শতাংশ জলভাগে আগুৰি আছে। বেছি অংশ পানীয়ে আগুৰি আছে বাবেই আমাৰ পৃথিৱীখনক নীলা গ্ৰহ (Blue Planet) বুলিও কোৱা হয়।
- পৃথিৱীৰ উপৰিভাগৰ বিস্তীৰ্ণ জলভাগক পাঁচটা ভাগত ভাগ কৰা হৈছে। ইয়াৰে একোটা ভাগেই একোখন মহাসাগৰ।
- পৃথিৱীৰ সকলোবোৰ সাগৰ আৰু উপসাগৰেই বিশাল মহাসাগৰবোৰৰ একো একোটা অংশ।
- পৃথিৱীৰ উপৰিভাগৰ কঠিন আৱৰণটোৰ ওখ অংশবোৰে কালক্ৰমত স্থলমণ্ডলৰ ৰূপ লয় আৰু নিম্ন অংশবোৰত পানী জমা হৈ মহাসাগৰৰ সৃষ্টি হয়।
- পৃথিৱীৰ আবৰ্তন, নিয়ত বতাহ, পানীৰ উষ্ণতা, লৱণতা আৰু চাপৰ তাৰতম্য আদিয়ে সাগৰ-মহাসাগৰৰ পানীত সোঁতৰ সৃষ্টি কৰে।
- উষ্ণমণ্ডলৰপৰা গৰম আৰু পাতল সমুদ্ৰজল ওপৰে ওপৰে পৃষ্ঠপ্ৰবাহ ৰূপে শীতমণ্ডললৈ প্ৰবাহিত হয়। ইয়েই হ'ল উষ্ণ বা গৰম পানীৰ সোঁত।
- শীতমণ্ডলৰপৰা শীতল আৰু গধুৰ সমুদ্ৰজল অন্তঃস্ৰোত হিচাপে উষ্ণ মণ্ডললৈ প্ৰবাহিত হয়। ইয়েই হ'ল শীতল বা ঠাণ্ডা পানীৰ সোঁত।
- সাগৰৰ বুকুৰ অগভীৰ অঞ্চলবোৰত মাছৰ খাদ্য প্লেংকটন বা প্লৱক যথেষ্ট পৰিমাণে পোৱা যায়। এনে অঞ্চলবোৰ পৃথিৱীৰ উৎকৃষ্ট মৎস্যক্ষেত্ৰ হিচাপে পৰিগণিত হৈছে।
- ভূমিকম্পৰ ফলত সাগৰৰ বুকুত সৃষ্টি হোৱা ঢৌক চুনামী বুলি কোৱা হয়।
- জোৱাৰ-ভাটাৰ প্ৰধান কাৰণ হ'ল পৃথিৱীৰ ওপৰত চন্দ্ৰ আৰু সূৰ্যৰ আকৰ্ষণ আৰু পৃথিৱীৰ আবৰ্তনৰ বাবে সৃষ্টি হোৱা অপকেন্দ্ৰিক শক্তি।
- সাগৰীয় উদ্ভিদ আৰু প্ৰাণীবোৰক তিনি ভাগত ভাগ কৰিব পাৰি— প্লেংকটন বা প্লৱক, বেনথ'জ আৰু নেক্টন।
- মহাসাগৰৰ বুকুৰ খনিজ দ্ৰব্যবোৰৰ ভিতৰত খাৰুৱা তেল আৰু প্ৰাকৃতিক গেছ আটাইতকৈ গুৰুত্বপূৰ্ণ।
- বৈদেশিক বাণিজ্যৰ ক্ষেত্ৰত জাহাজ পৰিবহণেই নিৰ্ভৰযোগ্য ব্যৱস্থা।

## অনুশীলনী ঃ

১। তলৰ প্ৰশ্নবোৰৰ উত্তৰ লিখা

(ক) মহাসাগৰীয় সোঁতৰ সৃষ্টিৰ কাৰণবোৰ কি কি?

(খ) গৰম পানীৰ সোঁত বুলিলে কি বুজা ?

(গ) সাগৰীয় জীৱবোৰ কেইপ্ৰকাৰৰ? কিহৰ ভিত্তিত এইবোৰক শ্ৰেণী বিভক্ত কৰা হৈছে?

(ঘ) সাগৰৰ কেনেকুৱা অঞ্চলত সাধাৰণতে মৎস্যক্ষেত্ৰ গঢ়ি উঠে ?

২। কাৰণ দৰ্শোৱা—

(ক) নাটনি জোৱাৰ বাসন্তী জোৱাৰৰ সমান শক্তিশালী নহয়।

(খ) আজিকালি পৃথিৱীৰ সকলো ঠাইতে সাগৰীয় মাছ কিনিবলৈ পোৱা যায়।

(গ) জাপানত সঘনাই চুনামী হয়।

(ঘ) সূৰ্য আকাৰত বিশাল হোৱা সত্বেও জোৱাৰ সৃষ্টিকাৰী শক্তি কম।

(ঙ) বৈদেশিক বাণিজ্যৰ বাবে জাহাজ পৰিবহণ ব্যৱস্থা উৎকৃষ্ট।

৩। শুদ্ধ উত্তৰটোত ☑ চিন দিয়া—

(১) সাধাৰণতে শীতল পানীৰ সোঁতৰ উৎপত্তি হয়—

(ক) মেৰু অঞ্চলত (খ) নিৰক্ষীয় অঞ্চলত (গ) এটাও নহয়।

(২) দিনটোত দুবাৰ সাগৰৰ পানীৰ উঠা-নমা কৰাকে —

(ক) সাগৰীয় সোঁত (খ) জোৱাৰ-ভাটা (গ) ঢৌ বোলে।

(৩) চুনামী শব্দৰ অৰ্থ হ'ল—

(ক) ভূমিকম্প (খ) সাগৰৰ ঢৌ (গ) পোতাশ্ৰয়ৰ ঢৌ।

(৪) সাঁতুৰিব পৰা সাগৰীয় প্ৰাণীবোৰ—

(ক) নেক্‌টন (খ) বেনথ'জ (গ) প্লেংকটন শ্ৰেণীৰ।

৩। সোঁফালৰ লগত বাওঁফাল মিলোৱা—

| | |
|---|---|
| ক) ডায়েটম | ক) উদ্ভিদ প্লেংকটন থকা ঠাইত গঢ়ি উঠে। |
| খ) নিৰক্ষীয় অঞ্চলত | খ) নাটনি জোৱাৰ হয়। |
| গ) সাধাৰণ নিমখ | গ) এবিধ উদ্ভিদ প্লেংকটন। |
| ঘ) সপ্তমী আৰু অষ্টমী তিথিত | ঘ) মহাসাগৰৰ পানীত দ্ৰৱীভূত হৈ থাকে। |
| ঙ) মৎস্য ক্ষেত্ৰবোৰ | ঙ) পানীৰ ঘনত্ব কম হয়। |

✧✧✧✧✧✧

## পাঠ - ৬

# ভাৰতৰ উদ্যোগ আৰু পৰিবহণ ব্যৱস্থা

U9F8G1

**শিকনৰ ফলাফল ঃ**

- ভাৰতৰ খনিজ সম্পদসমূহ আৰু সেইবোৰৰ বিতৰণ সম্পৰ্কে জানিব পাৰিব।
- ভাৰতৰ প্ৰধান খনিজ উদ্যোগ সম্পৰ্কে ধাৰণা লাভ কৰিব।
- ভাৰতৰ বস্ত্ৰ উদ্যোগৰ বিষয়ে জানিব পাৰিব।
- ভাৰতৰ পৰিবহণ ব্যৱস্থাৰ প্ৰকাৰ আৰু স্থিতি সম্পৰ্কে ধাৰণা লাভ কৰিব।
- ভাৰতৰ স্থলপথ, আকাশীপথ, জলপথ পৰিবহণ সম্পৰ্কে ধাৰণা লাভ কৰিব।

তোমালোকে আগৰ শ্ৰেণীৰ সমাজ বিজ্ঞানত পাই আহিছা যে সাধাৰণতে পৃথিবীৰ ভূত্বক মণ্ডলতে খনিজ পদাৰ্থসমূহ পোৱা যায়। প্ৰকৃতিৰ বুকুত মুক্তভাৱে বহু ধৰণৰ মণিক পোৱা যায়। ভূভাগত পোৱা এই মণিকসমূহ খনিৰ পৰা উদ্‌ঘাটন কৰা হয়। সেইবাবে এনে দ্ৰব্যসমূহক **খনিজ পদাৰ্থ** বোলে। এই খনিজ পদাৰ্থবোৰে মানুহৰ বিভিন্ন প্ৰয়োজন পূৰণ কৰে কাৰণে এইবোৰক খনিজ সম্পদ বুলি কোৱা হয়। তলত দেখুওৱা ধৰণে খনিজ সম্পদসমূহক কেইটামান ভাগত ভগাব পৰা যায়—

**খনিজ সম্পদ**

- ধাতব খনিজ
  - লৌহজাত (উদাহৰণ- আকৰিক লো, মেংগানিজ, নিকেল ইত্যাদি)
  - অলৌহজাত (উদাহৰণ-তাম, বক্সাইট, সীহ ইত্যাদি)
- অধাতব খনিজ
  - ইন্ধন খনিজ (উদাহৰণ- কয়লা, পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ ইত্যাদি)
  - অন্যান্য অধাতব খনিজ (উদাহৰণ- অভ্ৰ, চুনশিল, গ্ৰেফাইট ইত্যাদি)

### ভাৰতত খনিজ সম্পদৰ বিতৰণ ঃ

ভাৰতৰ সকলো ঠাইতে খনিজ পদাৰ্থসমূহ সমভাৱে পোৱা নাযায়। দেশখনত পৰ্যাপ্ত পৰিমাণে পোৱা খনিজ পদাৰ্থসমূহ হ'ল— লৌহজাত খনিজ পদাৰ্থ- আকৰিক লো, মেংগানিজ।


অলৌহজাত খনিজ পদাৰ্থ- তাম, বক্সাইট।
অধাতবীয় খনিজ পদাৰ্থ- অভ্ৰ, চুণশিল, গ্ৰেফাইট।
ইন্ধন পদাৰ্থ- কয়লা, পেট্ৰ'লিয়াম, প্ৰাকৃতিক গেছ ইত্যাদি।

ভাৰতত সঞ্চিত হৈ থকা খনিজ সম্পদৰ বিতৰণৰ ওপৰত ভিত্তি কৰি দেশখনত প্ৰধানকৈ ছটা খনিজ বলয় চিনাক্ত কৰিব পাৰি। সিপিঠিৰ তালিকাত খনিজ বলয় অনুসৰি প্ৰাপ্ত খনিজ সম্পদ আৰু সেইসমূহৰ প্ৰাপ্তিস্থানৰ আভাস দিয়া হৈছে।

| খনিজ বলয় | অৱস্থান | প্ৰাপ্ত খনিজ সম্পদ |
|---|---|---|
| উত্তৰ-পূব উপদ্বীপীয় বলয় | ছোটানাগপুৰ মালভূমি, উৰিষ্যা, ঝাৰখণ্ড, পশ্চিমবংগ | কয়লা, আকৰিক লো, মেংগানিজ, অভ্ৰ, বক্সাইট, তাম, কাৰোমাইট, কিয়ানাইট (Kyanite) ইত্যাদি। |
| মধ্য বলয় | ছত্তিশগড়, অন্ধ্ৰ প্ৰদেশ, মধ্য প্ৰদেশ আৰু মহাৰাষ্ট্ৰ। | মেংগানিজ, বক্সাইট, ইউৰেনিয়াম চূণশিল, মাৰ্বল, কয়লা, অভ্ৰ, গ্ৰেফাইট ইত্যাদি। |
| দক্ষিণ বলয় | কৰ্ণাটক মালভূমি আৰু তামিলনাডু। | আকৰিক লো, মেংগানিজ আৰু বক্সাইট। |
| দক্ষিণ-পশ্চিম বলয় | কৰ্ণাটক আৰু গোৱা। | আকৰিক লো আৰু চিনামাটি (Clay)। |
| উত্তৰ-পশ্চিম বলয় | আৰাৱলী পৰ্বতৰ সৈতে ৰাজস্থান আৰু গুজৰাট। | তাম, ইউৰেনিয়াম, অভ্ৰ, বেৰিলিয়াম, একুৱামেৰাইন (Acquamarine), পেট্ৰ'লিয়াম, জিপছাম। |
| উত্তৰ-পূব তৈল বলয় | অসমৰ ব্ৰহ্মপুত্ৰ উপত্যকা। | পেট্ৰ'লিয়াম, কয়লা। |

**ক্ৰিয়াকলাপ**

- তলত দিয়া ভাৰতৰ খনিজ বলয়ৰ মানচিত্ৰখনলৈ লক্ষ্য কৰা আৰু খনিজ বলয়বোৰত কি কি ৰাজ্য বা প্ৰধান ঠাই অন্তৰ্ভুক্ত হৈছে তাক জানি লোৱা। ভূচিত্ৰাৱলীবো সহায় ল'ব পাৰা।




*চিত্ৰ -৬.১ ভাৰতৰ খনিজ বলয়সমূহ*

## ভাৰতৰ প্ৰধান খনিজ উদ্যোগ ঃ

খনিজ সম্পদৰ ওপৰত ভিত্তি কৰি গঢ়ি উঠা উদ্যোগসমূহকেই খনিজ উদ্যোগ বুলি কোৱা হয়। খনিজ উদ্যোগ বোলোতে ভাৰতত লো আৰু তীখা উদ্যোগকে মুখ্য উদ্যোগ হিচাপে গণ্য কৰা হয়। কাৰণ বেছিভাগ উদ্যোগৰ ক্ষেত্ৰতে লো-তীখা হৈছে মূল ভিত্তিস্বৰূপ। লো আৰু তীখা উদ্যোগৰ বিকাশে ভাৰতত ঔদ্যোগিক উন্নয়নৰ বাট মোকোলাই দিয়া বুলি ক'ব পাৰি। ভাৰতৰ খনিজ উদ্যোগসমূহে প্ৰায় কেইবা লাখ মানুহক নিযুক্তিৰ সুবিধা দিছে।

লো-তীখা উদ্যোগৰ বাবে প্ৰয়োজনীয় কেঁচামালসমূহ হ'ল— আকৰিক লো, চূণশিল, ড'ল'মাইট, মেংগানিজ আৰু পোৰামাটি। এই কেঁচামালবোৰ গধুৰ হোৱাৰ কাৰণে পৰিবহণৰ সুবিধালৈ লক্ষ্য কৰি লো-তীখা উদ্যোগ সাধাৰণতে কেঁচামাল মজুত থকা অঞ্চলৰ ওচৰে-পাজৰে গঢ়ি উঠা দেখা যায়।




*চিত্ৰ- ৬.২ ঃ ভাৰতৰ প্ৰধান লো-তীখা উদ্যোগসমূহ*

> **জানি থওঁ আহা**
>
> ✦ কেতবোৰ খনিজ সম্পদ আহৰণৰ ক্ষেত্ৰত পৃথিৱীৰ ভিতৰত ভাৰতৰ স্থান এনেধৰণৰ—

| খনিজ সম্পদৰ নাম | পৃথিৱীত স্থান |
|---|---|
| অভ্ৰ | প্ৰথম |
| কয়লা | তৃতীয় |
| আকৰিক লো | পঞ্চম |
| মেংগানিজ | সপ্তম |
| এলুমিনিয়াম | অষ্টম |

ভাৰতৰ প্ৰধান লো-তীখা উদ্যোগসমূহ হ'ল- জামছেদপুৰৰ টটা লো-তীখা উদ্যোগ, বাৰ্ণপুৰ লো আৰু তীখা উদ্যোগ, ভদ্ৰাৱতী বিশ্বেশ্বৰায় লো আৰু তীখা উদ্যোগ, ৰুৰকেল্লা তীখা উদ্যোগ, ভিলাই তীখা উদ্যোগ, দুৰ্গাপুৰ তীখা উদ্যোগ, বোকাৰো তীখা উদ্যোগ, ছালেম তীখা উদ্যোগ, বিজয়নগৰ তীখা উদ্যোগ, বিশাখাপট্টনম তীখা উদ্যোগ ইত্যাদি। ভাৰতৰ লো-তীখা উদ্যোগসমূহে আশা কৰা মতে সফলতা লাভ কৰিব পৰা নাই। ইয়াৰ কাৰণ হ'ল উৎপাদনত হোৱা অধিক ব্যয়, ইন্ধনৰ নাটনি, দক্ষ শ্ৰমিক আৰু অন্যান্য সা-সুবিধাৰ অভাৱ ইত্যাদি।

> **জানি থওঁ আহা**
>
> ✦ ভাৰতত প্ৰথম কপাহী বয়ন কল স্থাপন কৰা হৈছিল ১৮১৮ চনত কলকাতাৰ ওচৰৰ ফোৰ্ট গ্লাষ্টাৰত। বৰ্তমান ভাৰতে কপাহ উৎপাদনত পৃথিৱীৰ ভিতৰত তৃতীয়, পাটসূতাত দ্বিতীয় আৰু কৃত্ৰিম সূতা (Synthetic Fibre) ৰ ক্ষেত্ৰত ষষ্ঠ স্থান অধিকাৰ কৰি আছে।

## ভাৰতৰ কপাহী বয়ন উদ্যোগ ঃ

ভাৰতৰ কপাহী বস্ত্ৰশিল্প অতি পুৰণি। ই মূলতঃ কৃষিভিত্তিক উদ্যোগ। মুম্বাই আৰু আহমেদাবাদৰ বস্ত্ৰশিল্পসমূহ প্ৰধানকৈ মহাৰাষ্ট্ৰ আৰু গুজৰাটত উৎপাদিত কপাহৰ ওপৰত নিৰ্ভৰ কৰি গঢ়ি উঠিছে। ভাৰতৰ বস্ত্ৰ উদ্যোগৰ বাবে

প্ৰয়োজনীয় ১০.৭৯% সূতা মহাৰাষ্ট্ৰৰপৰাই যোগান ধৰা হয়। বস্ত্ৰ উদ্যোগৰ বাবে প্ৰয়োজনীয় যন্ত্ৰ-পাতি, ৰং, ৰাসায়নিক দ্ৰব্য, কপাহ আদি আমদানি কৰিবলৈ আৰু উৎপাদিত সামগ্ৰীবোৰ ৰপ্তানি কৰিবলৈ বন্দৰৰ সুবিধা থকাৰ কাৰণেই মুম্বাই-আহমেদাবাদ অঞ্চলত বস্ত্ৰ উদ্যোগসমূহ গঢ় লৈ উঠিছে।

বৰ্তমান ভাৰতৰ কপাহী বয়ন উদ্যোগ থকা মুখ্য কেন্দ্ৰসমূহ হ'ল— আহমেদাবাদ, ভিৱাণ্ডী, চোলাপুৰ, কোলহাপুৰ, নাগপুৰ, ইন্দোৰ আৰু উজ্জয়িনী। এইবোৰ উদ্যোগ কপাহ উৎপাদনকাৰী অঞ্চলৰ সমীপত অৱস্থিত। ভাৰতৰ মহাৰাষ্ট্ৰ, গুজৰাট আৰু তামিলনাডু হৈছে প্ৰধান কপাহ উৎপাদনকাৰী ৰাজ্য।

> **ক্ৰিয়াকলাপ ঃ**
>
> ✦ মুম্বাই, তামিলনাডু, আহমেদাবাদ অঞ্চলত বয়ন উদ্যোগসমূহ গঢ়ি উঠাৰ কাৰণসমূহ কি লিখা।




চিত্ৰ ৬.৩ ভাৰতৰ কপাহী বয়ন উদ্যোগসমূহৰ অৱস্থান

## ভাৰতৰ পৰিবহণ ব্যৱস্থা ঃ

অতীজত মানুহে এঠাইৰপৰা আন ঠাইলৈ খোজ কাঢ়ি অথবা হাতী, ঘোঁৰা, গাধ, ম'হ আদি জন্তুৰ সহায়ত অহা-যোৱা কৰিছিল। জলভাগত নাৱেৰে মানুহ আৰু বস্তু-বাহানি কঢ়িয়াইছিল। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ জৰিয়তে লাভ কৰা সাফল্যৰ বাবে স্থল, জল আৰু আকাশ তিনিওটা ক্ষেত্ৰতে উন্নত পৰিবহণ ব্যৱস্থা সম্ভৱ হৈ উঠিছে। স্থলপথত অত্যাধুনিক সুবিধাযুক্ত গাড়ী-মটৰ, ৰে'লগাড়ী; জলপথেৰে ভিন্ন সুবিধাযুক্ত জাহাজ, যন্ত্ৰচালিত নাও আৰু আকাশী পথেৰে আকাশী যান আদি ব্যৱহাৰ কৰা হৈছে। পৰিবহণ ব্যৱস্থাক তলত দিয়া ধৰণে ভাগ কৰিব পাৰি।

### পৰিবহণ ব্যৱস্থা

- স্থলপথ
  - মটৰ পথ
  - ৰে'লপথ
  - পাইপলাইন
- জলপথ
  - আভ্যন্তৰীণ জলপথ
  - সমুদ্ৰপথ
- আকাশীপথ
  - ৰাষ্ট্ৰীয়
  - আন্তৰ্জাতিক

> **ক্ৰিয়াকলাপ**
>
> ✦ অতীজৰপৰা বৰ্তমানলৈ পৰিবহণ ব্যৱস্থাৰ কি কি পৰিবৰ্তন হৈছে? পৰিবহণ ব্যৱস্থাৰ এনেবোৰ পৰিবৰ্তন কিয় হৈছে লিখা।

## স্থল পৰিবহণ-ৰে'লপথ ঃ

ভাৰতৰ অতি গুৰুত্বপূৰ্ণ আৰু বৃহৎ পৰিবহণ ব্যৱস্থাটো হৈছে ৰে'ল পৰিবহণ। বাণিজ্যিকভাৱে সামগ্ৰী আৰু যাত্ৰী কঢ়িয়াবলৈ আৰু আমোদ-প্ৰমোদমূলক ভ্ৰমণৰ বাবে ৰে'ল

> **জানি থোৱা আহা**
>
> ✦ ভাৰতত প্ৰথমে ৰে'ল চলিছিল ১৮৫৩ চনৰ ১৬ এপ্ৰিল তাৰিখে মুম্বাইৰপৰা থানেলৈ। এই দুই ঠাইৰ মাজৰ দূৰত্ব ৩৪ কিঃ মিঃ। বৰ্তমান ভাৰতৰ ৰে'ল সেৱা এছিয়াৰ ভিতৰত দ্বিতীয় বৃহত্তম আৰু পৃথিৱীৰ ভিতৰত চতুৰ্থ স্থানত আছে।

পৰিবহণ তুলনামূলকভাৱে অধিক সুবিধাজনক। ভাৰতত থকা ৰে'লপথৰ মুঠ দৈৰ্ঘ্য ৬৭,৯৫৬ কিলমিটাৰ। ৰে'লসেৱাৰ সুপৰিচালনাৰ বাবে দেশৰ ৰে'ল পৰিবহণ ব্যৱস্থাক **১৬টা মণ্ডলত** ভাগ কৰা হৈছে। আমাৰ অসমৰ ৰে'ল পৰিবহণ পৰিচালনা **উত্তৰ-পূব সীমান্ত ৰে'ল সংমণ্ডলৰ** অন্তৰ্গত। ইয়াৰ মুখ্য কাৰ্যালয় মালিগাঁৱত আছে।

**জানি থওঁ আহা ঃ**

✦ ভাৰতৰ দীৰ্ঘতম যাত্ৰাপথৰ ৰে'লগাড়ীখন হ'ল-বিবেক এক্সপ্ৰেছ। ই এবাৰৰ যাত্ৰাত ডিব্ৰুগড়ৰপৰা কন্যাকুমাৰীলৈ ৪২৭৩কিঃমিঃ যাত্ৰাপথ অতিক্ৰম কৰে।



চিত্ৰ- ৬.৪ ভাৰতৰ ৰে'লপথসমূহ

ভাৰতৰ ভূভাগ পাহাৰ-পৰ্বত, মালভূমি, সমভূমি, নদী উপত্যকা আদিৰে পৰিপূৰ্ণ। তুলনামূলকভাৱে সমতল অঞ্চলত ৰে'লপথৰ বিস্তাৰ সুচল। সেই হিচাপে গংগা-ব্ৰহ্মপুত্ৰৰ সমভূমি অঞ্চল আৰু দাক্ষিণাত্য মালভূমি অঞ্চলৰ সমতলত ৰে'ল পথ অধিক পৰিমাণে দেখা যায়। হিমালয় পাৰ্বত্য অঞ্চলত ৰে'লসেৱাৰ সুবিধা অতি কম। ভাৰতৰ ৰে'লসেৱাৰ জৰিয়তে ভালেখিনি ৰাজহ সংগ্ৰহ হয় আৰু ইয়ে দেশৰ অৰ্থনৈতিক উন্নয়নৰ ক্ষেত্ৰত বিশেষ সহায় কৰিছে। এই পৰ্যন্ত ভাৰতীয় ৰে'লসেৱাত ১৩ লাখৰো অধিক বিষয়া-কৰ্মচাৰী নিযুক্ত হৈ আছে। প্ৰতিদিনে ৰে'ল পৰিবহণ যোগে প্ৰায় ৩১ নিযুত যাত্ৰী আৰু ২.৮ নিযুত বস্তু সামগ্ৰী কঢ়িওৱা হয়। ২০১৮-১৯ বৰ্ষত ৰে'ল পৰিবহণৰপৰা হোৱা আয়ৰ পৰিমাণ হ'ল ১.৯৭ লাখ কোটি টকা।

**জানি থওঁ আহা ঃ**

✦ ভাৰতৰ ৰে'ল পৰিবহণ ব্যৱস্থাত প্ৰতিদিনে ১৩১৬৯ খন যাত্ৰীবাহী ৰে'ল চলাচল কৰে। সৰ্বমুঠ ৰে'ল ষ্টেচনৰ সংখ্যা ৭৩২৫ টা।

### স্থল পৰিবহণ-বাটপথ ঃ

বাট-পথসমূহে আমাৰ যাত্ৰা প্ৰণালীত এক গুৰুত্বপূৰ্ণ ভূমিকা লয়। ভাৰতৰ ইতিহাসত সম্ৰাট অশোক আৰু চন্দ্ৰগুপ্তই বাট-পথ নিৰ্মাণত গুৰুত্ব দিয়াৰ প্ৰমাণ পোৱা যায়। পৰৱৰ্তী কালত মোগলৰ দিনত বাট-পথৰ ভালেখিনি সম্প্ৰসাৰণ ঘটে।

পথসমূহৰ ব্যৱহাৰৰ ওপৰত ভিত্তি কৰি স্থলপথসমূহক চাৰিটা ভাগত ভাগ কৰা হয়। সেইকেইটা হ'ল— ৰাষ্ট্ৰীয় ঘাইপথ, ৰাজ্যিক ঘাইপথ, জিলাপথ আৰু গ্ৰাম্যপথ।

### ৰাষ্ট্ৰীয় ঘাইপথ ঃ

ৰাষ্ট্ৰীয় ঘাইপথসমূহে ভাৰতৰ উত্তৰৰপৰা দক্ষিণলৈ আৰু পূবৰপৰা পশ্চিমলৈ সমগ্ৰ ভূখণ্ড সামৰি লৈছে।

৪৪ নং ৰাষ্ট্ৰীয় ঘাইপথটো ভাৰতৰ দীৰ্ঘতম ৰাষ্ট্ৰীয় ঘাইপথ। ইয়াৰ দৈৰ্ঘ্য ৩৭৪৫ কিঃমিঃ। ই উত্তৰৰ শ্ৰীনগৰৰপৰা দক্ষিণৰ কন্যাকুমাৰীলৈকে বিস্তৃত।

### ৰাজ্যিক পথ ঃ

প্ৰতি ৰাজ্যৰ ৰাজধানীৰ সৈতে জিলা সদৰসমূহক সংযোগ কৰা পথবোৰেই ৰাজ্যিক পথ। ৰাজ্যিক গড়কাপ্তানী বিভাগে এই পথসমূহ পৰিচালনা কৰে। ৰাজ্যিক পথসমূহে এখন ৰাজ্যৰ উন্নয়ন আৰু আন্তঃৰাজ্যিক সম্পৰ্কৰ ক্ষেত্ৰত অৰিহণা যোগায়।

> **জানি থওঁ আহা**
>
> ✦ ভাৰতৰ কেৰালা ৰাজ্যত পথৰ ঘনত্ব সকলো ৰাজ্যতকৈ বেছি। আনহাতে জম্মু আৰু কাশ্মীৰ ৰাজ্যত পথৰ ঘনত্ব সকলো ৰাজ্যতকৈ কম।

### জিলা পথ ঃ

এই পথসমূহে জিলাৰ অন্যান্য ঠাইৰ সৈতে জিলা সদৰক সংযোগ কৰে। জিলা পৰিষদে এই পথসমূহ চোৱা-চিতা কৰে।

> **জানি থওঁ আহাঃ**
>
> ✦ অসমত থকা ৰাষ্ট্ৰীয় ঘাইপথৰ মুঠ দৈৰ্ঘ্য হ'ল ৩৯০০.৪৪ কিঃমিঃ। ইয়াৰ লগতে অন্যান্য ১২৫৩ কিঃমিঃ ৰাজ্যিক পথ ৰাষ্ট্ৰীয় পথলৈ উন্নীতকৰণৰ ব্যৱস্থা কৰা হৈছে।

### গ্ৰাম্য পথ ঃ

গাঁৱৰ সৰু-বৰ পথসমূহে ইয়াৰ বাসিন্দাসকলৰ জীৱন প্ৰণালীত বাৰুকৈয়ে প্ৰভাৱ পেলায়। মানুহৰ কাম-কাজ, যাতায়াত আৰু অন্যান্য সুবিধা সহজলভ্য কৰিবলৈ এই বাট-পথসমূহ সুচল হোৱা অতিকৈ প্ৰয়োজন। প্ৰধানমন্ত্ৰীৰ গ্ৰাম্য চড়ক যোজনাৰ অধীনত গ্ৰামাঞ্চলৰ মূলপথসমূহক সংযোগ কৰিবলৈ ভালেসংখ্যক পথ নিৰ্মাণ কৰা হৈছে। এই পথসমূহে গ্ৰাম্য অৰ্থনীতিক সবল কৰাৰ লগতে পৰিবহণ ব্যৱস্থাক সুচল কৰি তুলিছে।

### বায়ু পৰিবহণ-আকাশী পথ ঃ

পৰিবহণ ব্যৱস্থাসমূহৰ ভিতৰত বায়ুসেৱা হৈছে দ্ৰুত সেৱা। অতি কম সময়ৰ ভিতৰতে এঠাইৰপৰা বিমান যোগে আন এঠাইলৈ যাব পাৰি। ১৯১১ চনত এলাহাবাদৰ পৰা নাইনিতাললৈ ১০ কিল'মিটাৰ দুৰত্বত আৰম্ভ হোৱা বায়ু ডাক সেৱাই ভাৰতৰ প্ৰথম বায়ু সেৱা পৰিবহণ।

ভাৰতত প্ৰায় ৪৮৬ টা বিমান বন্দৰ আছে। ইয়াৰ দিল্লী, মুম্বাই, কলকাতা, চেন্নাই, গুৱাহাটীকে ধৰি ২৪ টা আন্তৰ্জাতিক বিমান বন্দৰ আছে।

> **ক্ৰিয়াকলাপ**
>
> ✦ ভূচিত্ৰাৱলীৰ সহায় লৈ ভাৰতৰ আন্তৰ্জাতিক বিমানবন্দৰসমূহ কোন কোন ৰাজ্যত আছে লিখা।

### পাইপ লাইন পৰিবহণ ঃ

পাইপ লাইনৰ ব্যৱহাৰ প্ৰথমতে নগৰ আৰু উদ্যোগসমূহত পানী যোগান ধৰাৰ বাবে হৈছিল। বৰ্তমান সময়ত পাইপ লাইনৰ গুৰুত্ব বাঢ়িছে। কিয়নো পাইপ লাইনৰ জৰিয়তে খনিজ তেল, পেট্ৰ'লিয়ামজাত সামগ্ৰী আৰু প্ৰাকৃতিক গেছ তৈলক্ষেত্ৰসমূহৰপৰা শোধনাগাৰসমূহলৈ প্ৰেৰণ কৰা হয়। ইয়াৰ উপৰি কোনো কোনো চহৰত পাইপ লাইনৰ যোগেদি ঘৰুৱা ব্যৱহাৰৰ বাবে ৰন্ধন গেছ যোগান ধৰা হয়।

ভাৰতৰ তিনিটা প্ৰধান পাইপ লাইন পৰিবহণ হ'ল— উজনি অসমৰ তৈলক্ষেত্ৰসমূহৰপৰা তেল পৰিবহণকাৰী কাণপুৰ-গুৱাহাটী-বাৰাউনী আৰু এলাহাবাদ পাইপ লাইন। ইয়াৰ আন শাখাসমূহ হ'ল- বাৰাউনীৰপৰা ৰাজবন্ধ হৈ

হালদিয়ালৈ, ৰাজবন্ধৰপৰা মৌৰীগ্ৰামলৈ আৰু গুৱাহাটীৰপৰা শিলিগুৰিলৈ। তেনেদৰে গুজৰাটৰ চালায়াৰপৰা বিৰামগ্ৰাম হৈ জলন্ধৰলৈ। ইয়াৰো ভাদোদৰা, চাকুচ আৰু আন ঠাইলৈ শাখা আছে। আকৌ গেছ পৰিবহণকাৰী পাইপ লাইনটো গুজৰাটৰ হাজিৰাৰপৰা মধ্যপ্ৰদেশৰ বিজয়পুৰ হৈ উত্তৰ প্ৰদেশৰ জগদীশপুৰ পাইছেগৈ।

**জানি থওঁ আহা ঃ** ভাৰতৰ ছয়টা প্ৰধান পাইপলাইন পৰিবহণ হ'ল-

- নাহৰকটীয়া -- নুনমাটি -- বাৰাউনী পাইপলাইন
- মুম্বাই হাই -- মুম্বাই-- অনক্লেশ্বৰ -- কায়োলী পাইপলাইন
- হালায়া -- কায়োলী -- মথুৰা পাইপলাইন
- হাজিৰা -- বিজাপুৰ -- জগদীশপুৰ পাইপলাইন
- জামনগৰ -- লোনি এল পি জি পাইপ লাইন
- কান্দলা -- ভাতিন্দা পাইপলাইন

## জল পৰিবহণ-সামুদ্ৰিক বন্দৰ ঃ

ভাৰতত ১৩টা প্ৰধান, ১৮টা মধ্যম আৰু কিছু সংখ্যক সৰু সৰু সাগৰীয় বন্দৰ আছে। প্ৰধান সামুদ্ৰিক বন্দৰসমূহ হ'ল মুম্বাই, জবাহৰলাল নেহৰু বন্দৰ, মৰ্ম গোৱা, নিউমাঙ্গালোৰ, কোচী, কলকাতা, হালদিয়া, পাৰাদ্বীপ, বিশাখাপট্টনম, চেন্নাই, ইন্দোৰ, টুটিকোৰিন ইত্যাদি।

## আভ্যন্তৰীণ জল পৰিবহণ ঃ

ভাৰতত ৰে'লপথ স্থাপিত হোৱাৰ পূৰ্বে আৰু বাট-পথসমূহ অসুচল হৈ থকা সময়ত আভ্যন্তৰীণ জল পৰিবহণ ব্যৱস্থাৰ বিশেষ প্ৰচলন আছিল। জল পৰিবহণ স্থল পৰিবহণতকৈ কম খৰচী হোৱা বাবে কম ব্যয়তে গধুৰ বস্তু কঢ়িয়াব পৰা যায়। ভাৰতৰ গংগা, ব্ৰহ্মপুত্ৰ, ভাগীৰথী, হুগলী আৰু বৰাককে ধৰি কেইবাখনো নদী ফেৰী আৰু নৌকা চলাচলৰ উপযোগী। দেশখনত মুঠতে ১৪,৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ জলপথ আছে। ব্ৰহ্মপুত্ৰ আৰু গংগা নদী দেশখনৰ দুটি প্ৰধান জলপথ।



*চিত্ৰ- ৬.৫ অসমৰ আভ্যন্তৰীণ জল পৰিবহণৰ এটা ঘাট*

**জানি থওঁ আহা**

- ব্ৰহ্মপুত্ৰ নদীৰ ১,৩৮৪ কিল'মিটাৰ সুচল জলপথ আছে। শদিয়াৰপৰা ধুবুৰীলৈ জলপথছোৱা (৮৯১ কিল'মিটাৰ) আভ্যন্তৰীণ ৰাষ্ট্ৰীয় জলপথ।

পৰিবহণ ব্যৱস্থাই দেশৰ প্ৰগতিত দিশ নিৰ্ণায়কৰ ভূমিকা লয়। যোগাযোগ, যাতায়াত আৰু মানুহৰ মাজত আন্তঃসংযোগী পৰিবহণ ব্যৱস্থা দেশৰ সিৰা-উপসিৰাস্বৰূপ। আমাৰ ভাৰতৰ দৰে এখন বিশাল দেশৰ উন্নয়নৰ ক্ষেত্ৰত পৰিবহণ ব্যৱস্থাই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে।

## মনত ৰাখিবলগীয়া কথা ঃ

- ভাৰতত সঞ্চিত হৈ থকা খনিজ সম্পদৰ বিতৰণৰ ওপৰত ভিত্তি কৰি প্ৰধানকৈ ছটা খনিজ বলয় চিনাক্ত কৰা হৈছে। সেইবোৰ হ'ল— উত্তৰ-পূব উপদ্বীপীয় বলয়, মধ্য বলয়, দক্ষিণ বলয়, দক্ষিণ-পশ্চিম বলয়, উত্তৰ-পশ্চিম বলয় আৰু উত্তৰ-পূব তৈল বলয়।
- অভ্ৰ, কয়লা আৰু আকৰিক লো উৎপাদনত ভাৰতৰ স্থান পৃথিৱীৰ ভিতৰত ক্ৰমে প্ৰথম, তৃতীয় আৰু পঞ্চম।

- ভাৰতৰ মুম্বাই আৰু আহমেদাবাদ অঞ্চলত প্ৰধানকৈ বস্ত্ৰ উদ্যোগসমূহ অৱস্থিত।
- ৰে'লসেৱাৰ সুপৰিচালনাৰ বাবে ভাৰতক ১৬ টা মণ্ডলত ভাগ কৰা হৈছে। অসমৰ ৰে'লপথছোৱা উত্তৰ-পূব সীমান্ত ৰে'লপথ সংমণ্ডলৰ অন্তৰ্গত।
- দিল্লী, মুম্বাই, কলকাতা, চেন্নাই, গুৱাহাটীকে ধৰি ২৪ টা আন্তৰ্জাতিক বিমান বন্দৰ আছে।
- ৪৪ নং ৰাষ্ট্ৰীয় ঘাইপথটো ভাৰতৰ দীৰ্ঘতম ৰাষ্ট্ৰীয় ঘাইপথ। ইয়াৰ দৈৰ্ঘ্য ৩৭৪৫ কিল'মিটাৰ।
- ভাৰতৰ প্ৰধান ছয়টা পাইপলাইন পৰিবহণ ব্যৱস্থা আছে।
- ব্ৰহ্মপুত্ৰ আৰু গংগা নদী আমাৰ দেশৰ দুটা প্ৰধান আভ্যন্তৰীণ জলপথ।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) আকৰিক লো কেঁচামাল হিচাপে ব্যৱহাৰ হোৱা এবিধ উদ্যোগৰ নাম লিখা।

(খ) এবিধ ইন্ধন খনিজৰ নাম লিখা।

(গ) ভাৰতৰ এখন কপাহ উৎপাদনকাৰী ৰাজ্যৰ নাম লিখা।

(ঘ) ভাৰতত আটাইতকৈ অধিক পৰিমাণে ব্যৱহৃত পৰিবহণ সেৱা বিধৰ নাম লিখা।

২। শুদ্ধ উত্তৰটো লিখা —

(ক) অভ্ৰ উৎপাদনত ভাৰতৰ স্থান পৃথিৱীৰ ভিতৰত—

(ক) তৃতীয় (খ) দ্বিতীয় (গ) প্ৰথম

(খ) ভাৰতত প্ৰথমে ৰে'ল চলিছিল—

(ক) ১৮৩৫ চনত (খ) ১৯৩৫ চনত (গ) ১৮৫৩ চনত।

(গ) ভাৰতৰ দীৰ্ঘতম ৰাষ্ট্ৰীয় ঘাইপথটো হ'ল—

(ক) ১নং ৰাষ্ট্ৰীয় ঘাইপথ (খ) ২নং ৰাষ্ট্ৰীয় ঘাইপথ (গ) ৪৪নং ৰাষ্ট্ৰীয় ঘাইপথ।

(ঘ) ভাৰতৰ আটাইতকৈ বেছি পথৰ ঘনত্ব থকা ৰাজ্যখন হ'ল—

(ক) অসম (খ) কেৰালা (গ) অন্ধ্ৰপ্ৰদেশ।

৩। উত্তৰ লিখা—

(ক) ভাৰতৰ প্ৰধান খনিজ বলয়সমূহ কি কি? অসম কোনোবা খনিজ বলয়ত অন্তৰ্ভুক্ত হয়নে?

(খ) ভাৰতৰ পাঁচটা প্ৰধান লো-তীখা উদ্যোগৰ নাম।

(গ) মুম্বাই-আহমেদাবাদ অঞ্চলত বয়ন উদ্যোগসমূহ কিয় গঢ়ি উঠিছে?

৪। বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ প্ৰয়োগে স্থল, জল আৰু বায়ু পৰিবহণৰ ক্ষেত্ৰত কেনেধৰণে পৰিৱৰ্তন আনিছে লিখা।

৫। পৰিবহণ ব্যৱস্থা দেশ এখনৰ শিৰা-উপশিৰাস্বৰূপ। কথাষাৰৰ সমৰ্থনত তিনিটা যুক্তি আগবঢ়োৱা।

৬। ভূচিত্ৰাৱলীৰ সহায়ত লিখা—

(ক) অসমত ৰাষ্ট্ৰীয় ঘাইপথসমূহে চুই যোৱা জিলা সদৰসমূহৰ নাম।

(খ) ৰে'লপথে সংযোগ নকৰা উত্তৰ-পূব ভাৰতৰ ৰাজ্যকেইখনৰ নাম।

(গ) ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে ধেমাজি জিলাত থকা ৰে'লপথৰ শেষৰ ৰে'ল ষ্টেচনটোৰ নাম।

৭। আন্তৰ্জাতিক বিমান বন্দৰসমূহৰ ভূমিকা গুৰুত্বপূৰ্ণ কিয় ? লিখা।

# পাঠ - ৭
# অসমৰ নদ-নদী

H1P1C8

**শিকনৰ ফলাফল ঃ**

- ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ উৎস সম্পৰ্কে জানিব পাৰিব।
- ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ গতিপথত সংঘটিত বিভিন্ন কাৰ্যৰ বিষয়ে জানি সাধাৰণভাৱে নদীৰ বিভিন্ন অংশৰ কাৰ্যাবলী সম্পৰ্কে বোধ জন্মিব।
- ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈ দুখনৰ লগত ইয়াৰ উপনৈসমূহৰ সম্পৰ্কৰ বিষয়ে ধাৰণা লাভ কৰিব।
- ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈয়ে সৃষ্টি কৰা বানপানী আৰু গৰাখহনীয়াৰ কাৰণ সম্পৰ্কে জানিব পাৰিব।
- নৈ দুখনৰ প্লাৱনভূমিত মানুহৰ কাম-কাজে ইয়াৰ ওপৰত পেলোৱা প্ৰভাৱ সম্পৰ্কে জ্ঞান লাভ কৰিব।
- ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকাৰ বাসিন্দাসকলৰ অৰ্থনৈতিক অৱস্থাৰ ওপৰত নৈ দুখনৰ ভূমিকা আৰু ভৱিষ্যৎ সম্ভাৱনীয়তা সন্দৰ্ভত ধাৰণা লাভ কৰিব।
- ভৱিষ্যতে ব্ৰহ্মপুত্ৰ নৈয়ে যে উপত্যকাটিৰ বাসিন্দাসকলৰ আৰ্থ-সামাজিক জীৱন আৰু সা-সম্পত্তিৰ নিৰাপত্তাৰ ক্ষেত্ৰত এক নিৰ্ণায়ক ভূমিকা ল'ব তাক উপলব্ধি কৰিব।

ব্ৰহ্মপুত্ৰ আৰু বৰাক অসমৰ দুখন প্ৰধান নৈ। অসংখ্য উপনৈ, জান-জুৰি আদি বৈ আহি এই নৈ দুখনত মিলিছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে তিব্বত, অৰুণাচল, নাগালেণ্ড, অসম, মেঘালয়, ভূটান, ছিকিম, পশ্চিমবংগ আৰু বাংলাদেশৰ কিছু অংশৰপৰা জল আহৰণ কৰে। ব্ৰহ্মপুত্ৰৰ ক্ষেত্ৰত এই নৈ-উপনৈসমূহে যিখিনি ঠাইৰপৰা জল আহৰণ কৰিছে সেই সমগ্ৰ ঠাইখিনিকে ব্ৰহ্মপুত্ৰ অৱবাহিকা (Brahmaputra River Basin) বোলে। একেদৰে বৰাক নৈৰো নিজা অৱবাহিকা আছে। ডিমা হাচাও জিলাত থকা বৰাইল পৰ্বতে উত্তৰৰ ব্ৰহ্মপুত্ৰ অৱবাহিকা আৰু দক্ষিণৰ বৰাক অৱবাহিকাক পৃথক কৰিছে। ব্ৰহ্মপুত্ৰ আৰু বৰাক উপত্যকা ৯০°-৯৬° উত্তৰ অক্ষাংশ আৰু ২৪°-২৮° পুব দ্ৰাঘিমাংশত অৱস্থিত।

## ব্ৰহ্মপুত্ৰ নদী ঃ




চিত্ৰ ৭.১ হিমালয় পৰ্বতৰ এক দৃশ্য

উৎস : pixabay.com

ব্ৰহ্মপুত্ৰৰ উৎসৰপৰা মোহনালৈকে দৈৰ্ঘ্য প্ৰায় ২,৯০৬ কিল'মিটাৰ। এই নৈখনক বিভিন্ন অংশত বিভিন্ন নামেৰে জনা যায়। ব্ৰহ্মপুত্ৰৰ অসম অংশৰ প্ৰাচীন নাম আছিল লৌহিত্য। পিছলৈ ইয়াক লুইত হিচাপে জনা যায়। ব্ৰহ্মপুত্ৰ নৈৰ উৎস সন্দৰ্ভত অনেক কিম্বদন্তি আছে। অনুসন্ধানৰ তথ্য মতে তিব্বতৰ কৈলাস পৰ্বতৰ ওচৰৰ **টামচুক খাম্বালা চোৰটেন** (Tamchak Khambala

Chorten) নামৰ ঠাই এখনৰ **চেমা-য়ুং-দুং** (Chema-yung-dung) নামৰ হিমবাহ এটি হ'ল ব্ৰহ্মপুত্ৰ নৈৰ উৎস। এই স্থানৰ উচ্চতা সাগৰপৃষ্ঠৰপৰা ৫,১৫০ মিটাৰ। উৎসৰপৰা নৈখনে উত্তৰৰ তিব্বত মালভূমি আৰু দক্ষিণে অৱস্থিত হিমালয় পৰ্বতৰ মাজেৰে পুব দিশে প্ৰায় ১,৭০০ কিল'মিটাৰ দূৰত্ব বৈ আহিছে। এই অংশত নৈখনৰ স্থানীয় নাম চাংপো। ইয়াৰ পিছত নৈখনে নামচা বাৰবা (Namcha Barwa) শৃংগৰ ওচৰত দক্ষিণ-পশ্চিমলৈ ঘূৰি অৰুণাচল প্ৰদেশত প্ৰৱেশ কৰিছে। একে দিশেৰে কিছুদূৰ বৈ অহাৰ পিছত ই পুনৰ দক্ষিণ দিশে গতি কৰি পাছিঘাটৰ ওচৰত সমতলত প্ৰৱেশ কৰিছে। অৰুণাচল প্ৰদেশৰ ওপৰ অংশত নৈখনৰ স্থানীয় নাম চিয়াং।




চিত্ৰ ৭.২ ব্ৰহ্মপুত্ৰ আৰু বৰাক নৈৰ অৱবাহিকা

চীনৰ পে' নামৰ ঠাইৰপৰা পাছিঘাটলৈ এই পথছোৱাত নৈখনে সুউচ্চ হিমালয় পৰ্বত পাৰ হৈ আহে। এই অংশত নৈখনে থিয় ঢালেৰে বৈ আহিব লগা হোৱা হেতুকে নদীৰ তলিত খনন অধিক হয়। সেয়েহে এই অংশত নদীৰ



*চিত্ৰ ৭.৩ নৈৰ গিৰিখাত*

গতিপথৰ আকৃতি ইংৰাজী U আখৰটিৰ দৰে হয়। তদুপৰি ঠায়ে ঠায়ে নদীতলৰ গভীৰতা বহু বেছি হৈ গিৰিখাতৰো ৰূপ লৈছে। পাৰ্বত্য অঞ্চলৰ খিয় ঢালেৰে বৈ অহা সোঁতে গতিপথত থকা শিল, বালি, মাটি আদি খহাই তললৈ কঢ়িয়াই আনে।


পাছিঘাটৰ দক্ষিণত অসমৰ সমভূমিত প্ৰৱেশ কৰা ঠাইৰপৰা ৰাজ্যখনৰ পশ্চিম সীমাত অৱস্থিত ধুবুৰীলৈকে এই গতিপথছোৱাক নৈখনৰ মধ্যগতি অংশ বুলিব পাৰি। অসমত নৈখনৰ গতিপথৰ দূৰত্ব প্ৰায় ৬৪০ কিল'মিটাৰ। পাছিঘাটৰপৰা দিহং নামেৰে এই নৈখনে দক্ষিণলৈ কিছুদূৰ বৈ আহি শদিয়াৰ ওচৰত দিবং আৰু লোহিত নৈৰ লগ লাগে। ইয়াৰপৰাই এই নদীখনক ব্ৰহ্মপুত্ৰ নামেৰে জনা যায়। শদিয়া অঞ্চলৰপৰা নৈখনে ভূমিৰ ঢাল অনুসৰি দক্ষিণ-পশ্চিম দিশে নামি আহে। মধ্য অসমত ব্ৰহ্মপুত্ৰই পশ্চিম দিশে গতি কৰে। হিমালয় পাৰ্বত্য অঞ্চলত খিয় ঢালেদি বৈ অহা নৈখনে অসমত প্ৰৱেশ কৰি সমভূমিৰ মৃদু ঢালৰ সন্মুখীন হয়। শদিয়াৰপৰা ধুবুৰীলৈ নৈখনৰ ঢাল প্ৰতি কিল'মিটাৰত গড়ে মাত্ৰ ১৩-১৪ চেণ্টিমিটাৰ । কম ঢালৰ ভূমিভাগেৰে বৈ যোৱা হেতুকে অসমত নৈখনৰ গতিবেগ তুলনামূলকভাৱে ধীৰ। গতিকে এই অংশত নৈখনৰ গেদ পৰিবহণ ক্ষমতা কম । ফলস্বৰূপে হিমালয় অঞ্চলৰপৰা কঢ়িয়াই অনা শিল, বালি, বোকা আদি সমভূমি অঞ্চলত জমা হয়।

মৃদু ঢালত ধীৰ গতিৰে বোৱা সোঁতৰ নদীতল খনন ক্ষমতাও কম। সেয়েহে অসমত ব্ৰহ্মপুত্ৰ নৈৰ তলি খননৰ পৰিমাণ কম। কিন্তু ইয়াৰ বিপৰীতে অসম অংশত নৈখনৰ পাৰ খহোৱা অৰ্থাৎ পাৰ্শ্বখনন কাৰ্য অধিক হয়। নৈৰ দুয়োপাৰৰ মাটিৰ গঠন কোমল হোৱা বাবে নৈখনে দুয়োপাৰে তীব্ৰ খহনীয়াৰ সৃষ্টি কৰে। নৈৰ যিটো পাৰত পাৰ্শ্বখনন হয় তাৰ বিপৰীতে আনটো পাৰত গেদৰ অৱক্ষেপণ ঘটে। এই পাৰ্শ্বখনন আৰু অৱক্ষেপণৰ ফলত ব্ৰহ্মপুত্ৰ নৈখনৰ গতিপথ একা-বেঁকা বা সৰ্পিল (Meandering) হোৱা দেখা যায়।




*চিত্ৰ ৭.৪ নৈৰ সৰ্পিল গতি*

বাৰিষা কালত নৈখনৰ প্লাৱনভূমি পানীৰে উপচি পৰে। এনে সময়তে নৈখন ঠায়ে ঠায়ে অতি বহল হৈ পৰে। আনহাতে খৰালিকালত নৈখনৰ পানী কমি যোৱাৰ ফলত ইয়াৰ বিভিন্ন অংশত গেদৰ অৱক্ষেপবোৰ ওলাই পৰে। এই অৱক্ষেপবোৰে সৰু-বৰ বিভিন্ন আকাৰৰ চৰ-চাপৰি সৃষ্টি কৰে। খৰালি কালত এই চৰ-চাপৰিবোৰত বাধা পাই নৈৰ পানীভাগ কেইবাটাও শাখাত বিভক্ত হৈ পৰে। ইয়াকে নৈৰ **গুম্ফিত** (Braided) ৰূপ বোলে। নৈৰ খনন আৰু অৱক্ষেপণ কাৰ্যৰ ফলস্বৰূপে শাখা নৈসমূহৰ গতিপথ সঘনে পৰিৱৰ্তন হৈ থাকে। শাখা নৈসমূহৰ এনে পৰিৱৰ্তনে ইয়াৰ এৰাসুঁতিত বিল বা জলাহৰ সৃষ্টি কৰে। অসমত ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে এনে অসংখ্য জলাহ দেখা যায়।




*চিত্ৰ ৭.৫ নৈৰ গুম্ফিত ৰূপ*

ব্ৰহ্মপুত্ৰৰ প্লাৱনভূমিত সৃষ্টি হোৱা চৰ-চাপৰিবোৰৰ কিছুমান তুলনামূলকভাৱে স্থায়ী আৰু কিছুমান অস্থায়ী।

কাঙ্গুলীমাৰী, শিয়ালমাৰী, ভাওনমাৰী আদি কেইটামান তুলনামূলকভাৱে স্থায়ী চাপৰিৰ উদাহৰণ। **আলোপতি** ব্ৰহ্মপুত্ৰৰ এটি উল্লেখযোগ্য স্থায়ী চৰ। ব্ৰহ্মপুত্ৰৰ খেৰকটীয়া সুঁতি আৰু দক্ষিণৰ মূল সুঁতিৰ মাজত অৱস্থিত মাজুলী পৃথিৱীৰ অন্যতম বৃহৎ নদীদ্বীপ। ইয়াৰ বৰ্তমান মাটিকালি প্ৰায় ৫১৪ বৰ্গ কিলমিটাৰ ।

প্লাৱনভূমিত গঢ়ি উঠা জলাহ কিছুমানত ঘাঁহ-বন গজি কালক্ৰমত পিতনিত পৰিণত হয়। আনহাতে স্থায়ী চৰ-চাপৰিবোৰ তৃণভূমিত পৰিণত হয়। কেইদশকমান আগলৈকে ব্ৰহ্মপুত্ৰৰ প্লাৱনভূমিত থকা চৰ-চাপৰিবোৰ ঘাঁহ-বনেৰে ঢাক খাই আছিল। ঠায়ে ঠায়ে আনকি ওখ গছ-গছনিও আছিল। আনহাতে জলাহসমূহো নানা জলজ উদ্ভিদেৰে ভৰি আছিল। এনে প্ৰাকৃতিক পৰিৱেশ বিৰাজ কৰা প্লাৱনভূমিভাগ অসংখ্য স্থলচৰ আৰু জলচৰ প্ৰাণীৰ আৱাসভূমি আছিল। কালক্ৰমত মানুহৰ বসতি আৰু কৃষি কাৰ্যই নৈৰ পাৰৰ এই প্ৰাকৃতিক পৰিৱেশ বিনষ্ট কৰে। ব্ৰহ্মপুত্ৰৰ পাৰৰ বৰ্তমানৰ ডিব্ৰু-ছৈখোৱা, কাজিৰঙা, লাউখোৱা আদি এনে আবাসভূমিৰ উদাহৰণ। ১৯৫০ চনৰ ভূমিকম্পৰ পাছত হোৱা গৰাখহনীয়া আৰু অৱক্ষেপণে ব্ৰহ্মপুত্ৰৰ গতিপথ আৰু প্লাৱনভূমিত পৰিবৰ্তন সাধন কৰে।




*চিত্ৰ ৭.৬ ব্ৰহ্মপুত্ৰৰ প্ৰধান উপনৈসমূহ*

**ক্ৰিয়াকলাপ ঃ**

**(ক)** ব্ৰহ্মপুত্ৰৰ উত্তৰৰ প্ৰধান উপনৈসমূহৰ এখন তালিকা তৈয়াৰ কৰা।

**(খ)** ডিব্ৰু-ছৈখোৱা, কাজিৰঙা আৰু লাউখোৱাৰ বৈশিষ্ট্য কি দলত আলোচনা কৰি লিখা।

ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা উপনৈসমূহ ভূটান আৰু অৰুণাচলৰ পাৰ্বত্য অঞ্চলৰপৰা দক্ষিণলৈ বৈ আহি নৈখনত পৰিছে।

ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰৰ কেইখনমান উপনৈ তুলনামূলকভাৱে কঠিন শিলাৰে গঠিত অঞ্চলৰপৰা বৈ আহিছে। সেইবাবে এই উপনৈসমূহে কম পৰিমাণে গেদ পৰিবহণ কৰে। উপনৈসমূহৰ উপৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে বুঢ়ীসুঁতি আৰু খেৰকটীয়া সুঁতি আৰু দক্ষিণ পাৰে কলং নামৰ সুঁতিও আছে।

**জানি থওঁ আহা**

✦ অসমত ব্ৰহ্মপুত্ৰ নৈৰ উত্তৰৰ পৰা ৫৭ খন আৰু দক্ষিণৰ পৰা ৩৩খন মুঠতে ৯০খন সৰু-বৰ উপনৈ আছে।

**অসমৰ দহখন প্ৰধান নদীৰ চমু বিৱৰণ**

| | নদীৰ নাম | উৎস | দৈৰ্ঘ্য (কিঃমিঃ) | সংযোগী ৰাজ্য | সংযোগী জিলা- নগৰ-মহানগৰ |
|---|---|---|---|---|---|
| ১ | ব্ৰহ্মপুত্ৰ | হিমালয় | ২৯০৬ কিঃমিঃ | অৰুণাচল প্ৰদেশ | গুৱাহাটী, ডিব্ৰুগড়, তেজপুৰ |
| ২ | বৰাক | মুকৰু নদী | ৯০০ কিঃমিঃ | মণিপুৰ-মিজোৰাম | শিলচৰ, লক্ষীপুৰ |
| ৩ | ধনশিৰি | লালচেং শৃঙ্গ | ৩৫২ কিঃমিঃ | নগালেণ্ড | গোলাঘাট, ডিমাপুৰ |
| ৪ | মানাহ | হিমালয় | ৩৭৬ কিঃমিঃ | ভূটান দেশ | যোগীঘোপা |
| ৫ | দিহিং | পাটকাই পাহাৰ | ৩৮০ কিঃমিঃ | অৰুণাচল প্ৰদেশ | লিডু,ডিগবৈ, ডুমিয়াজান, নাহৰকটীয়া, তিনিচুকীয়া |
| ৬ | লোহিত | কাংগ্ৰি গাপো পাহাৰ | ২০০ কিঃমিঃ | অৰুণাচল প্ৰদেশ | কিবিথো |
| ৭ | কপিলী | মেঘালয় মালভূমি | ২৯০ কিঃমিঃ | মেঘালয় | কাৰ্বিআংলং, ডিমাহাচাও, নগাঁও |
| ৮ | কামেং | হিমালয় | ২৬৮ কিঃমিঃ | অৰুণাচল প্ৰদেশ | তেজপুৰ, শোণিতপুৰ, পশ্চিম কামেং |
| ৯ | ভোগদৈ | নগা পাহাৰ | ১৬০ কিঃমিঃ | নগালেণ্ড | যোৰহাট |
| ১০ | সুৰমা | মণিপুৰ পাহাৰ | ৯০০ কিঃমিঃ | মণিপুৰ-মিজোৰাম | |

**ক্ৰিয়াকলাপ ঃ**

✦ চিত্ৰ ৭.৬ত দিয়া মানচিত্ৰখনলৈ চাই ব্ৰহ্মপুত্ৰৰ উত্তৰ আৰু দক্ষিণ পাৰৰ প্ৰধান উপনৈসমূহৰ দুখন তালিকা প্ৰস্তুত কৰা।

✦ ভূচিত্ৰাৱলীত অসমৰ মানচিত্ৰ চাই বুঢ়ী সুঁতি, খেৰকটীয়া সুঁতি আৰু কলং সুঁতি কোন জিলাৰ মাজেৰে বা কাষেৰে বৈ গৈছে লিখা।

ব্ৰহ্মপুত্ৰ নৈ অসমৰ পশ্চিম সীমান্তৰ ধুবুৰী জিলা পাৰ হৈ দক্ষিণলৈ ভাঁজ লৈ বাংলাদেশত সোমাইছে। বাংলাদেশত ই প্ৰথমে গংগাৰ লগ হৈ পদ্মা নামেৰে কিছুদূৰ বৈ গৈছে। পূবৰপৰা অহা বৰাক নৈৰ মেঘনা অংশৰ লগ হৈ বংগোপসাগৰত পৰিছে। বাংলাদেশত ব্ৰহ্মপুত্ৰৰ দৈৰ্ঘ্য ৪৫০ কিলʼমিটাৰ। এই ছোৱাত নদীখনৰ গতিবেগ অতি ধীৰ বাবে অৱক্ষেপণৰ পৰিমাণ অধিক। সেয়েহে ইয়াৰ গতিপথত অসংখ্য চৰ-চাপৰি দেখা যায়। নৈৰ মোহনা অংশত নদীখনে কঢ়িয়াই অনা গেদবোৰ জমা হৈ 'ৱ' বা ত্ৰিভুজ ($\Delta$) আকৃতিৰ ব-দ্বীপৰ সৃষ্টি হৈছে। এই ব-দ্বীপ অঞ্চলত প্ৰধানকৈ মেনগ্ৰʼভ (mangrove) উদ্ভিদ পোৱা যায়।

## বানপানী আৰু গৰাখহনীয়া সমস্যা ঃ

বাৰিষা কালত উত্তৰৰ উপনৈসমূহে তুলনামূলকভাৱে কোমল শিলাৰে গঠিত হিমালয় পৰ্বতৰপৰা অত্যধিক গেদ কঢ়িয়াই আনে। সমভূমি অঞ্চলত ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ নদীৰ পাৰ আৰু দাঁতিকাষৰীয়া ঠাইবোৰত এই গেদ জমা হয়। বহু বছৰ ধৰি এনেদৰে গেদ জমা হৈ ব্ৰহ্মপুত্ৰ আৰু উপনৈসমূহৰ নদীতল বাম হৈ পৰিছে। তাৰ ফলত নৈসমূহৰ পানী বহন ক্ষমতা কমি আহিছে। ফলস্বৰূপে কেইদিনমান একেৰাহে হোৱা বৰষুণত নদীৰ বুকু ওফন্দি উঠি পানীয়ে দুয়োপাৰ বুৰাই পেলায়। অসমত সঘনাই বানপানী হোৱাৰ ইও এটা কাৰণ। বাৰিষাকালত কম সময়ৰ ভিতৰতে অত্যধিক বৰষুণ হোৱা,

মথাউৰি নিৰ্মাণৰ ফলস্বৰূপে ঠেক অংশৰে পানী ভাগ বৈ যাব লগা হোৱা আদিও বানপানী হোৱাৰ আন কিছুমান কাৰণ। অসমত সঘনাই হোৱা বানপানীয়ে ঘৰ-দুৱাৰ, জীৱ-জন্তু আৰু কৃষি পথাৰ আদিৰ বিস্তৰ ক্ষতি কৰি আহিছে।

### জানি থওঁ আহা ঃ

- ১৯৫৪ চনৰপৰা বৰ্তমানলৈ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে খহনীয়াই প্ৰায় ২,৫০০ খনৰো অধিক গাঁও নিশ্চিহ্ন কৰিছে। ইয়াৰ লগে লগে খহনীয়া হোৱা অঞ্চলৰ উৰ্বৰভূমি, বননি আৰু জলাহৰ উপৰি মানুহৰ ঘৰ-বাৰী নৈৰ বুকুত জাহ গৈছে।
- ৰাষ্ট্ৰীয় আয়োগৰ মতে অসমত বানপানীপ্ৰৱণ ভূমিৰ পৰিমাণ হ'ল ৩৯ লাখ হেক্টৰ। অৰ্থাৎ অসমৰ মুঠ ভূমিৰ ৩৯.৫৮ শতাংশ।



*চিত্ৰ ৭.৭ নৈৰ খহনীয়াৰ দৃশ্য*

ছবি : via Wikimedia Commons

তৃণভূমিয়ে কিছু পৰিমাণে খহনীয়া ৰোধ কৰাত সহায় কৰে। ব্ৰহ্মপুত্ৰৰ দাঁতিকাষৰীয়া অঞ্চলৰ তৃণভূমিসমূহ ধ্বংস হোৱাৰ ফলত গৰাখহনীয়াৰ প্ৰকোপ বাঢ়িছে। ইয়াৰ উপৰি প্লাৱনভূমিত ঘৰ-দুৱাৰ, আলিবাট, দলং, মথাউৰি আদি নিৰ্মাণৰ ফলত নৈৰ স্বাভাৱিক গতি বাধাগ্ৰস্ত হৈছে। ইয়াৰ ফলতো ঠায়ে ঠায়ে গৰাখহনীয়াৰ প্ৰকোপ বাঢ়িছে।

### অৰ্থনৈতিক গুৰুত্ব ঃ

জল পৰিবহণ এক কম খৰচী পৰিবহণ ব্যৱস্থা। আহোম ৰাজত্ব কালত যাতায়াত, পৰিবহণৰ লগতে যুদ্ধ-বিগ্ৰহৰ বাবেও ব্ৰহ্মপুত্ৰ নদী ব্যৱহাৰ হোৱাৰ অনেক তথ্য পোৱা যায়। ইংৰাজসকলেও যাতায়াতৰ উপৰি সম্পদ পৰিবহণৰ বাবে ৰে'লপথৰ লগতে এই নদীপথ ব্যৱহাৰ কৰিছিল। সেই সময়ত কলিকতা (কলকাতা) ৰপৰা শদিয়ালৈ ব্ৰহ্মপুত্ৰ নদীয়েদি জাহাজ চলিছিল। ১৯৫০ চনৰ ভূমিকম্পৰ পিছৰেপৰা নদীখনৰ তলি বাম হৈ অহা বাবে বৰ্তমান বছৰটোৰ সকলো সময়তে নিমাতীলৈহে ডাঙৰ জাহাজ চলাচল কৰিব পাৰে। তথাপি ব্ৰহ্মপুত্ৰৰ উপৰি ইয়াৰ প্ৰধান উপনৈ— সোৱণশিৰি, জীয়াভৰলী, মানাহ, দিখৌ, ধনশিৰি আদিৰ নিম্নাংশত জল পৰিবহণ ব্যৱস্থাৰ উন্নয়নৰ যথেষ্ট সম্ভাৱনা আছে। ৰাষ্ট্ৰীয় আভ্যন্তৰীণ জল পৰিবহণ বিভাগে পাণ্ডু আৰু ধুবুৰীত দুটি নদী বন্দৰ স্থাপন কৰিছে। বৰ্তমান বাংলাদেশৰ মাজেৰে অসম আৰু কলকাতাৰ মাজত এই বন্দৰ দুটিৰে গধুৰ যন্ত্ৰপাতি, কয়লা আৰু অন্যান্য সা-সামগ্ৰী কিছু পৰিমাণে পৰিবহণ কৰা হয়। ইয়াৰ উপৰি ব্ৰহ্মপুত্ৰৰ পাৰঘাটসমূহত অসংখ্য যন্ত্ৰচালিত নাৱেৰে মানুহৰ লগতে জীৱ-জন্তু আৰু সা-সামগ্ৰী ইপাৰৰ পৰা সিপাৰলৈ পৰিবহণ কৰা হয়।

### জানি থওঁ আহা

- বাৰ্ষিক জল প্ৰবাহৰ পৰিমাণৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ পৃথিৱীৰ নৈসমূহৰ ভিতৰত আমাজান আৰু কঙ্গোৰ পিছতে তৃতীয় স্থানত আছে। জুনৰ পৰা ছেপ্টেম্বৰ মাহৰ ভিতৰত প্ৰায় ৭০-৮০ শতাংশ জল এই নৈৰে প্ৰবাহিত হয়।
- গেদ পৰিবহণৰ ক্ষেত্ৰত ব্ৰহ্মপুত্ৰ নৈ পৃথিৱীৰ ভিতৰত এখন অন্যতম প্ৰধান নদী।

### ক্ৰিয়াকলাপ ঃ

- ব্ৰহ্মপুত্ৰৰ পাৰত অৱস্থিত কেইখনমান ঠাইৰ নামৰ পিছত ঘাট শব্দটি সংযোজিত হৈ আছে। ভূচিত্ৰাৱলীত থকা অসমৰ মানচিত্ৰৰ সহায় লৈ তেনে ঠাইৰ নামৰ এখন তালিকা কৰিবলৈ চেষ্টা কৰা।

কৃষিৰ ক্ষেত্ৰত অসমৰ নদ-নদীসমূহৰ বিশেষ ভূমিকা আছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ বাৢলী পানীয়ে

প্ৰতি বছৰে এবি থৈ যোৱা পলসে প্লাৱনভূমিবোৰক কৃষি কাৰ্যৰ বাবে উপযোগী কৰি ৰাখিছে। আনহাতে, বাৰিষা কালত নদীত পানী বাঢ়ি অহাৰ বাবে অসমৰ প্ৰায়বোৰ অঞ্চল জীপাল হৈ থাকে। সেয়েহে এই সময়ছোৱাত কৃষিকাৰ্য সুচল হোৱাৰ উপৰি অসমৰ হাবি-বন সেউজীয়া গছ-লতিকাৰে ভৰি পৰে। এনে এটি পৰিৱেশৰ বাবেই অসমখন জৈব-বৈচিত্ৰ্যৰ ফালৰ পৰা চহকী ঠাই হিচাপে পৰিগণিত হৈছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ পানী জলসিঞ্চন ব্যৱস্থাৰে খেতি পথাৰত ব্যৱহাৰ কৰি ৰবি শস্যৰ উৎপাদন বঢ়োৱাৰ বিপুল সম্ভাৱনা আছে।



চিত্ৰ ৭.৮ নৈত ফেৰী আৰু যন্ত্ৰচালিত নাও পৰিবহণ সেৱা

উৎসঃ via Wikimedia Commons

সমগ্ৰ ভাৰতৰ ভিতৰতে জল সম্পদত অসম অতি চহকী। অসমৰ প্ৰধান উপনৈসমূহ উচ্চভূমি অঞ্চলত খৰস্ৰোতা আৰু গোটেই বছৰ জুৰি বৈ থাকে। এনে নৈসমূহত পৰিৱেশ বিনষ্ট নোহোৱাকৈ বান্ধ দি জলবিদ্যুৎ শক্তি উৎপাদন কৰাৰ সম্ভাৱনা আছে। পৰিৱেশ অনুকূল বান্ধে জলবিদ্যুৎ উৎপাদনৰ উপৰি জলসিঞ্চন, বাননিয়ন্ত্ৰণ আৰু মৎস্য পালনত সহায় কৰিব পাৰে।

অসমৰ নৈ-উপনৈসমূহত মানুহে জধে-মধে মাছ ধৰা, মথাউৰি নিৰ্মাণ কৰা আদিৰ ফলত মাছ আৰু অন্যান্য জলজ প্ৰাণীৰ সংখ্যা দিনক দিনে হ্ৰাস পাব ধৰিছে। ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ প্ৰধান উপনৈবোৰত থকা শিহু, কাছ, উদ আদি আপুৰুগীয়া প্ৰাণী কেইবিধৰ সংখ্যা দিনক দিনে কমি আহিছে। অসমৰ নৈপৰীয়া কিছুসংখ্যক লোকে মাছ ধৰাক জীৱন নিৰ্বাহৰ উপায় হিচাপে লৈ আহিছে।



চিত্ৰ ৭.৯ পৰিৱেশ পৰ্যটন

উৎসঃ via Wikimedia Commons

ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে কোনো কোনো অংশত থকা অৱশিষ্ট সেউজীয়া তৃণভূমি, জলাহ আৰু চৰ-চাপৰিসমূহ বিভিন্ন জলজ উদ্ভিদ আৰু প্ৰাণী, বিশেষকৈ বিভিন্ন প্ৰজাতিৰ চৰাইৰ আবাস স্থল। এনে প্ৰাকৃতিক উপাদানসমূহক সম্বল হিচাপে লৈ নৈখনৰ এনে স্থানসমূহক একোখন মনোৰম পৰ্যটন ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিব পাৰি। বৰ্তমান গুৱাহাটীৰ ফেৰীঘাটকেইটিত সৰু সৰু জাহাজেৰে স্থানীয়ভাৱে জলবিহাৰৰ সা-সুবিধা আছে যদিও ই বিশেষ প্ৰসাৰতা লাভ কৰা নাই। প্ৰয়োজনীয় আন্তঃগাঁথনি আৰু সা-সুবিধাৰ ব্যৱস্থা কৰিলে ব্ৰহ্মপুত্ৰ আৰু দুই-এখন প্ৰধান উপনৈক ভৱিষ্যতে আকৰ্ষণীয় পৰিৱেশ পৰ্যটন (Eco-Tourism) ক্ষেত্ৰলৈ ৰূপান্তৰিত কৰিব পৰা যাব।

অসমৰ সাংস্কৃতিক ক্ষেত্ৰখনতো ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহৰ প্ৰভাৱ অপৰিসীম। ইয়াৰ বাসিন্দাসকলৰ কৃষ্টি-সংস্কৃতিৰ উৎস হিচাপে এই নদ-নদীসমূহে বিশেষ স্থান অধিকাৰ কৰিছে। তদুপৰি নৈপৰীয়া মানুহৰ সুখ-দুখৰ ক্ষেত্ৰতো বিশেষ ভূমিকা লৈ আহিছে এই নৈ-উপনৈসমূহে। সেয়েহে থলুৱা গীত-মাত, নাট আদিতো লুইত আৰু ইয়াৰ উপনৈসমূহৰ উল্লেখ পোৱা যায়।

**উত্তৰ লিখা ঃ**


- ✦ অসমৰ দুটি নদী বন্দৰৰ নাম।
- ✦ তুমি শুনা গীত-মাতত উল্লেখ থকা অসমৰ নৈ-উপনৈ কেইখনমানৰ নাম।

## বৰাক নদী ঃ

নগালেণ্ড, মণিপুৰৰ সীমান্তৱৰ্তী **মৰাম** নামৰ অঞ্চলটিৰপৰা বৰাক নৈ ওলাই আহিছে। উৎসৰপৰা মণিপুৰৰ মাজেৰে দক্ষিণ-পশ্চিম দিশে বৈ অহা নৈখনে মণিপুৰ-মিজোৰাম সীমাত পুনৰ উত্তৰলৈ গতি কৰিছে। অসম আৰু মণিপুৰৰ সীমাৰে উত্তৰলৈ আহি জিৰি নামৰ উপনৈখন লগ হোৱাৰ পিছত ই পশ্চিমলৈ ঘূৰি অসমত সোমায়। নৈখনে অসমৰ কাছাৰ জিলাৰ মাজেদি আৰু হাইলাকান্দি আৰু কৰিমগঞ্জ জিলাৰ উত্তৰ অংশেৰে বৈ গৈছে। ভাৰত বাংলাদেশ সীমান্তত নৈখন দুভাগত বিভক্ত হয়। তাৰে এভাগে কুশিয়াৰা আৰু আনভাগে সুৰমা নাম লৈ বাংলাদেশত সোমায়। কিছুদূৰ গতি কৰাৰ পিছত পুনৰ দুয়োটি শাখা মিলি মেঘনা নাম লৈ পদ্মাৰ লগত মিলি বংগোপসাগৰত পৰে। বৰাক নৈখন প্ৰায় ৯০০ কিল'মিটাৰ দীঘল। ই প্ৰায় ৩০ মিটাৰৰপৰা ৩০০ মিটাৰ পৰ্যন্ত বহল। বৰাক নৈৰ অসম অংশত প্ৰায় ২৭খন সৰু-বৰ উপনৈ আছে। নৈখনৰ অসম আৰু বাংলাদেশ অংশত গতিপথ অতি সৰ্পিল। কাছাৰ অংশত নৈখনৰ দুয়োপাৰে অসংখ্য জলাহ দেখা যায়। বাংলাদেশত নৈখনে গুম্ফিত ৰূপ লৈছে।

**ক্ৰিয়াকলাপ ঃ**

- ✦ মানচিত্ৰ চাই বৰাক নৈৰ প্ৰধান উপনৈসমূহৰ নাম লিখা।




*চিত্ৰ ৭.১০ বৰাক অৱবাহিকা*

কাছাৰ, কৰিমগঞ্জ আৰু হাইলাকান্দি জিলাৰ ঠায়ে ঠায়ে বৰাক আৰু ইয়াৰ উপনৈসমূহে প্ৰতিবছৰে বানপানীৰ সৃষ্টি কৰে। বানপানীয়ে অঞ্চলটিৰ উন্নয়নত বাধাৰ সৃষ্টি কৰি আহিছে।

## অৰ্থনৈতিক গুৰুত্ব ঃ

বৰাক নৈৰ মধ্য আৰু নামনি অংশ যাতায়াতৰ বাবে উপযোগী। অসম অংশত নৈৰ দাঁতিকাষৰীয়া বাসিন্দাসকলে স্থানীয় নাৱেৰে যাতায়াত কৰাৰ উপৰি কৃষিজাত সামগ্ৰী সৰবৰাহ কৰে। মণিপুৰৰ দক্ষিণ অংশৰ লগত কাছাৰ জিলাৰ বাসিন্দাসকলে এই জলপথেদি যোগাযোগ ৰক্ষা কৰে।

বৰাক নৈৰ অসম অংশৰ পলসুৱা প্লাৱনভূমি কৃষিৰ বাবে অতি উপযোগী। ইয়াৰ দুয়োপাৰৰ জলাশয়সমূহতো প্ৰচুৰ পৰিমাণে মাছ পোৱা যায়। অসমত বৰাক নৈৰ কোনো কোনো অংশত প্ৰাকৃতিকভাৱে পোৱা মাছ ধৰিবলৈ নিলাম যোগে অনুমতি দি চৰকাৰে কিছু পৰিমাণে ৰাজহ আহৰণ কৰে।

## মনত ৰাখিবলগীয়া কথা ঃ

- ব্ৰহ্মপুত্ৰ নৈক বিভিন্ন অংশত বিভিন্ন স্থানীয় নামেৰে জনা যায়, যেনে— চাংপো, চিয়াং, দিহং, ব্ৰহ্মপুত্ৰ আদি।
- ব্ৰহ্মপুত্ৰ নৈৰ মুঠ দৈৰ্ঘ্য ২৯০৬ কিলʼমিটাৰ।
- ব্ৰহ্মপুত্ৰ নৈৰ অসম অংশত প্ৰায় ৯০ খন প্ৰধান উপনৈ আছে।
- তিব্বত আৰু অৰুণাচল প্ৰদেশৰ উচ্চভূমি অঞ্চলত ব্ৰহ্মপুত্ৰ নৈৰ তলি খনন আৰু গেদ পৰিবহণ অধিক।
- ব্ৰহ্মপুত্ৰৰ অসম অংশত গেদ পৰিবহণ ক্ষমতা কম। পাৰ্শ্বখনন আৰু অৱক্ষেপণ অধিক।
- মধ্যগতি আৰু নিম্নগতি অংশত ব্ৰহ্মপুত্ৰ আৰু বৰাকৰ গতিপথ সৰ্পিল আৰু গুম্ফিত।
- ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে অসংখ্য সৰু-বৰ, গভীৰ-অগভীৰ জলাহৰ সৃষ্টি হৈছে।
- ব্ৰহ্মপুত্ৰৰ প্লাৱনভূমিত অসংখ্য সৰু-বৰ, স্থায়ী-অস্থায়ী চৰ-চাপৰি দেখা যায়।
- বাংলাদেশত ব্ৰহ্মপুত্ৰ নৈয়ে প্ৰথমে গংগাৰ লগত আৰু পাছত মেঘনা নৈৰ লগত লগ লাগি বংগোপসাগৰত পৰে।
- ব্ৰহ্মপুত্ৰৰ গতিপথত নিমাতীৰপৰা ধুবুৰীলৈ বছৰটোৰ প্ৰায় সকলো সময়তে জাহাজ চলাচল কৰিব পাৰে।
- ব্ৰহ্মপুত্ৰৰ দুয়োকাষে থকা পাৰঘাটবোৰৰপৰা স্থানীয়ভাৱে যন্ত্ৰচালিত নাও চলা-চল কৰে।
- ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈসমূহে প্ৰতিবছৰে বানপানীৰ সময়ত দুয়োপাৰে এৰি থৈ যোৱা পলসে কৃষি উৎপাদনত সহায় কৰে।
- অসমৰ নৈ-উপনৈসমূহে প্ৰতিবছৰে সৃষ্টি কৰি অহা বানপানী আৰু গৰাখহনীয়াই যথেষ্ট ক্ষতি কৰি আহিছে।
- ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ কেইখনমান প্ৰধান উপনৈত পৰিৱেশ-পৰ্যটনৰ যথেষ্ট সম্ভাৱনা আছে।
- বৰাক নৈ প্ৰায় ৯০০ কিলʼমিটাৰ দীঘল।
- বৰাক নৈৰ অসম অংশত প্ৰায় ২৭খন উপনৈ আছে।
- বৰাক নৈৰ মধ্য আৰু নিম্নগতি অঞ্চলত বহুতো জলাহ দেখা যায়।

## অনুশীলনী :

১। চমু উত্তৰ লিখা—

(ক) ব্ৰহ্মপুত্ৰ নৈৰ উৎসৰ হিমবাহটোৰ নাম কি?

(খ) ব্ৰহ্মপুত্ৰ নৈৰ মুঠ দৈৰ্ঘ্য কিমান?

(গ) ব্ৰহ্মপুত্ৰৰ উৎস কোন ৰাষ্ট্ৰত আছে?

(ঘ) উচ্চগতি অঞ্চলত নদীৰ গতিপথৰ আকৃতি কেনেকুৱা?

(ঙ) ব্ৰহ্মপুত্ৰ নৈ কি কি ৰাষ্ট্ৰৰ মাজেৰে বৈ গৈছে?

২। শুদ্ধ উত্তৰটো লিখা—

(ক) গিৰিখাত নিম্নভূমি/মোহনা/উচ্চভূমি অঞ্চলৰ ভূ-আকৃতি।

(খ) নৈৰ গুম্ফিত ৰূপ সাধাৰণতে পৰ্বত/সমভূমি/মালভূমিত দেখা যায়।

(গ) প্লাৱনভূমিত থকা চৰ-চাপৰি নৈৰ খনন/পৰিবহণ/অৱক্ষেপণৰ ফলত সৃষ্টি হয়।

(ঘ) বৰাক নৈ অসমৰ ২/৩/৪খন জিলাৰ মাজেৰে বৈ গৈছে।

(ঙ) বৰাক নৈৰ দৈৰ্ঘ্য হ'ল ৯০০ কিঃমিঃ / ৯২০০ কিঃমিঃ / ২৯০৬কিঃমিঃ ।

৩। সোঁফালৰ লগত বাওঁফাল মিলোৱা—

| | |
|---|---|
| চাংপো | একা-বেঁকা গতি পথ |
| অৰুণাচল প্ৰদেশ | মাজুলী |
| সৰ্পিল | চিয়াং |
| কলং | তিব্বত |
| নদীদ্বীপ | সুঁতি |

৪। চমু টোকা লিখা—

(ক) নৈৰ উচ্চগতি অংশৰ কাৰ্য

(খ) নৈৰ মধ্যগতি অংশৰ কাৰ্য

(গ) নৈৰ নিম্নগতি অংশৰ কাৰ্য

(ঘ) বৰাক নৈৰ গতিপথ

৫। ব্ৰহ্মপুত্ৰ নদীৰ গতি পথৰ অধিকাংশ সৰ্পিল কিয় ?

৬। উৎসৰপৰা মোহনালৈকে ব্ৰহ্মপুত্ৰ নৈৰ কোন কোন অংশ বৰ্তমান কি কি নামেৰে জনা যায় লিখা।

৭। ভাৰতৰ উত্তৰ-পুব অঞ্চলৰ এখন নক্সা মানচিত্ৰ অংকন কৰি ভূচিত্ৰাৱলীৰ সহায় লৈ সিপিঠিত দিয়া অৱয়বসমূহ বহুওৱা।

| | |
|---|---|
| ১। অৰুণাচল হিমালয় | ১১। দিবং |
| ২। বৰাইল পাহাৰ | ১২। লোহিত |
| ৩। কাৰ্বি মালভূমি | ১৩। পাগলদিয়া |
| ৪। খাছীয়া-জয়ন্তীয়া পাহাৰ | ১৪। মানাহ |
| ৫। নগা পাহাৰ | ১৫। দিখৌ |
| ৬। মণিপুৰ | ১৬। ধনশিৰি |
| ৭। মিজোৰাম | ১৭। বৰাক |
| ৮। গাৰোপাহাৰ | ১৮। জাতিংগা উপনৈ |
| ৯। ব্ৰহ্মপুত্ৰ | ১৯। ধলেশ্বৰী |
| ১০। সোৱণশিৰি | ২০। সোণাই |

৮। নৈ বা উপনৈৰ দাঁতি-কাষৰীয়া অঞ্চলত বাস কৰা লোকৰ সেই নৈ বা উপনৈৰ লগত সম্বন্ধ কেনেধৰণৰ হয় লিখা।

৯। বাতৰি কাকত, আলোচনী আদিত প্ৰকাশ পোৱা বানপানী আৰু গৰাখহনীয়াৰ আলোকচিত্ৰ সংগ্ৰহ কৰি এটি এলবাম প্ৰস্তুত কৰা।

১০। গুৱাহাটীৰপৰা ডিব্ৰুগড়লৈ ব্ৰহ্মপুত্ৰৰ দক্ষিণ পাৰে থকা উপনৈসমূহৰ নাম লিখা। প্ৰয়োজনবোধে শিক্ষক আৰু ভূচিত্ৰাৱলীৰ সহায় লোৱা।

# পাঠ - ৮

# ভূগোল বিজ্ঞান অধ্যয়নত প্ৰযুক্তিৰ প্ৰয়োগ

I7L7S5

**শিকনৰ ফলাফল ঃ**

- ভূগোল বিজ্ঞান অধ্যয়নত মানচিত্ৰ আৰু আধুনিক প্ৰযুক্তিৰ ব্যৱহাৰ সম্পৰ্কে ধাৰণা লাভ কৰিব।
- মানচিত্ৰৰ ইতিহাস সম্পৰ্কে ধাৰণা লাভ কৰিব।

ষষ্ঠ শ্ৰেণীৰ সমাজ বিজ্ঞানৰ পাঠ্যপুথিখনত 'ভূগোল অধ্যয়নৰ আহিলা-মানচিত্ৰ' শীৰ্ষক পাঠটিত তোমালোকে বিষয়টো অধ্যয়নৰ ক্ষেত্ৰত ব্যৱহাৰ হোৱা বিভিন্ন আহিলা, যেনে — মানচিত্ৰ, আৰ্হি চিত্ৰ, কম্পাছ আৰু নক্সাৰ বিষয়ে কিছু আভাস পাইছা। এতিয়া এই পাঠটোৰ যোগেদি তোমালোকে মানচিত্ৰ অংকনৰ প্ৰাথমিক কথা, ইয়াত প্ৰযুক্তিৰ প্ৰয়োগ আৰু ইতিহাস সম্পৰ্কে কিছু কথা জানিব পাৰিবা। ভূপৃষ্ঠৰ সকলোবোৰ উপাদান এবাৰতে একেলগে চাব পৰাটো সম্ভৱ নহয়। একমাত্ৰ মানচিত্ৰ এখনতহে এই কাম কিছু পৰিমাণে সম্ভৱ হ'ব পাৰে। মানচিত্ৰ এখনত ভূপৃষ্ঠ বা ইয়াৰ যিকোনো অংশৰ প্ৰাকৃতিক আৰু মানৱসৃষ্ট উপাদানবোৰ উপস্থাপন কৰি অধ্যয়ন কৰিব পাৰি। কোনো এখন ঠাই বা দেশৰ প্ৰকৃত ক্ষেত্ৰফল এখন সৰু কাগজত দেখুৱাব নোৱাৰি। গতিকে এখন কাগজ অথবা সমতলপৃষ্ঠত ঠাই বা দেশৰ মানচিত্ৰ আঁকিবলৈ এটি কৌশল অবলম্বন কৰা হয়। মানচিত্ৰ অংকন কৰিবলগীয়া ঠাইখনৰ আকাৰ এটি বিশেষ অনুপাতত সৰু কৰি লোৱা হয়। যিটো অনুপাতত পৃথিবীৰ উপৰিভাগৰ বিভিন্ন ঠাইৰ মাজৰ প্ৰকৃত দূৰত্বক কম কৰি লোৱা হয় তাকেই মানচিত্ৰ বিদ্যা (Cartography)ত স্কেল বা মাপনী বুলি কোৱা হয়।


কথাটো সহজকৈ এনেদৰে ক'ব পাৰি— মানচিত্ৰত দুখন ঠাইৰ মাজৰ দূৰত্ব আৰু ভূপৃষ্ঠত সেই একে ঠাই দুখনৰ মাজৰ দূৰত্বৰ অনুপাতকেই স্কেল (Scale) বা মাপনী বোলে। এটা কথা মন কৰিবলগীয়া যে মানচিত্ৰ অংকনৰ ক্ষেত্ৰত স্কেল অপৰিহাৰ্য। স্কেল নথকা চিত্ৰক মানচিত্ৰ নুবুলি আৰ্হি চিত্ৰ (Sketch) বুলি কোৱা হয়।

মানচিত্ৰ অংকনত ব্যৱহাৰ হোৱা স্কেল তিনি প্ৰকাৰৰ — (১) ভাষা বা উক্তিৰ স্কেল, (২) নিৰূপক ভগ্নাংশৰ স্কেল আৰু (৩) ৰৈখিক স্কেল।

(১) **ভাষা বা উক্তিৰ স্কেল** ( Scale of Statemnt ) ঃ এইবিধ স্কেল ভাষা বা শব্দেৰে প্ৰকাশ হয়। যেনে — ১ ছেণ্টিমিটাৰ = ১০ কিল'মিটাৰ। অৰ্থাৎ মানচিত্ৰত দুখন ঠাইৰ মাজৰ ১ ছেণ্টিমিটাৰ দূৰত্ব ভূপৃষ্ঠত সেই দুখন ঠাইৰ মাজৰ ১০ কিলোমিটাৰ দূৰত্বৰ সমান।

(২) **নিৰূপক ভগ্নাংশৰ স্কেল** ( Representative Fraction ) ঃ এইবিধ স্কেল এবিধ বিশেষ ভগ্নাংশত প্ৰকাশ কৰা হয়, যেনে — ১ : ২৫,০০০ বা ১/২৫,০০০। ইয়াত ভগ্নাংশটোৰ লব ১-এ মানচিত্ৰৰ এক একক দূৰত্ব বুজাইছে আৰু হৰ ২৫,০০০-এ ভূপৃষ্ঠত প্ৰকৃত দূৰত্ব ২৫,০০০ একক বুজাইছে। এইবিধ স্কেলত দূৰত্বৰ কোনো একক ব্যৱহাৰ নহয়। পৃথিবীৰ বিভিন্ন ঠাইত দূৰত্বৰ একক বেলেগ বেলেগ হোৱা বাবে একক নোহোৱা অনুপাত বা ভগ্নাংশত এই স্কেল প্ৰকাশ কৰা হয়। পৃথিবীৰ যিকোনো ঠাইত যিকোনো এককত ইয়াক ব্যৱহাৰ কৰিব পাৰি বাবে এই মাপনী অতি বহুলভাৱে ব্যৱহাৰ কৰা হয়।

(৩) ৰৈখিক স্কেল (Graphical Scale)ঃ এইবিধ স্কেল সৰল ৰেখাৰ সহায়ত প্ৰকাশ কৰা হয়। এই ৰেখাৰে মানচিত্ৰত দুখন ঠাইৰ মাজৰ দূৰত্ব আৰু ভূপৃষ্ঠত সেই ঠাই দুখনৰ মাজৰ দূৰত্বৰ জোখ দেখুৱাই দিয়া হয়। দুডাল সমান্তৰাল আনুভূমিক সৰলৰেখা ওচৰা-উচৰিকৈ টানি ৰেখা দুডালক ছেণ্টিমিটাৰত ভাগ কৰি দাগ কাটি দিয়া হয়। সৰলৰেখাডালৰ একেবাৰে বাওঁফালৰ ভাগটোৰ আৰম্ভণিতে শূন্য ধৰি বাওঁফালৰ ১ ছেণ্টিমিটাৰ অংশটোক মিলিমিটাৰত ভাগ কৰা হয়। এই স্কেলত




মিলিমিটাৰ বা ছেণ্টিমিটাৰৰ ভাগ একোটাকৈ ভূপৃষ্ঠত যি দূৰত্ব বুজাই তাক লিখি দিয়া হয়। এই স্কেলডালৰ ক্ষেত্ৰত ১ ছেণ্টিমিটাৰ দৈৰ্ঘ্যৰ একোটা মুখ্য ভাগে ভূপৃষ্ঠৰ ৫ কিল'মিটাৰ দূৰত্বক বুজাইছে আৰু একেবাৰে বাওঁপিনৰ একোটা গৌণ ভাগে ১ কিল'মিটাৰ দূৰত্বক বুজাইছে।

মানচিত্ৰত দেখুওৱা বিষয়বস্তু বা তথ্য অনুসৰি বিভিন্ন ধৰণৰ মানচিত্ৰ অংকন কৰা হয়। উদাহৰণ স্বৰূপে, ভূপৃষ্ঠৰ প্ৰাকৃতিক অৱয়ব আদি দেখুৱাবলৈ প্ৰাকৃতিক মানচিত্ৰ, বতৰ আৰু জলবায়ুৰ তথ্য দেখুওৱা মানচিত্ৰ, বিভিন্ন আৰ্থ-সামাজিক তথ্য উপস্থাপন কৰা মানচিত্ৰ ইত্যাদি। ইতিমধ্যে উল্লেখ কৰা ষষ্ঠ শ্ৰেণীৰ পাঠটিত তোমালোকে মানচিত্ৰত ব্যৱহাৰ হোৱা সাংকেতিক চিহ্নবোৰৰ কথা পাই আহিছা। এই সাংকেতিক চিহ্নবোৰৰ সহায়ত কোনো এখন ঠাইৰ মানচিত্ৰ অধ্যয়ন কৰিলে ঠাইখনৰ প্ৰাকৃতিক আৰু মানৱসৃষ্ট উপাদানবোৰৰ বিষয়ে বহু কথা জানিব পাৰি। একেখন ঠাইৰে বেলেগ বেলেগ সময়ৰ মানচিত্ৰ অধ্যয়ন কৰিলে বিভিন্ন দিশত হোৱা ঠাইখনৰ পৰিৱৰ্তনৰ কথা জানিব পাৰি। আজৰি সময়ত ভূচিত্ৰাৱলী এখন লৈ মানচিত্ৰত থকা পৰ্বত, পাহাৰ, সাগৰ-মহাসাগৰ, নদ-নদী, নগৰ-চহৰ আদি চিনাক্ত কৰা খেল খেলিব পাৰি। এনে খেল বা প্ৰতিযোগিতাই ছাত্ৰ-ছাত্ৰীসকলক কোনো এটি অঞ্চলৰ বিষয়ে ভৌগোলিক জ্ঞান আহৰণত যথেষ্ট সহায় কৰিব।

**উত্তৰ লিখা ঃ**

- স্কেল বা মাপনী কেই প্ৰকাৰৰ আৰু কি কি?
- কোনবিধ স্কেল সকলো দেশৰ মানুহে সহজে ব্যৱহাৰ কৰিব পাৰে?

ভূগোল বিজ্ঞান বিষয়টোত পৃথিৱীপৃষ্ঠৰ বিভিন্ন প্ৰাকৃতিক আৰু সাংস্কৃতিক বৈশিষ্ট্য কিছুমান তথ্যৰ সহায়ত প্ৰকাশ কৰা হয়। এনে তথ্যসমূহকে ভৌগোলিক তথ্য বুলি ক'ব পাৰি। ভৌগোলিক তথ্যসমূহ নিজে ক্ষেত্ৰ অধ্যয়ন কৰি সংগ্ৰহ কৰিব পাৰি বা বিভিন্ন নথি-পত্ৰৰপৰাও সংগ্ৰহ কৰিব পাৰি। এনে তথ্যবোৰ কিছুমান চিত্ৰ আৰু মানচিত্ৰৰ সহায়ত উপস্থাপন কৰা হয়। এনে চিত্ৰ আৰু মানচিত্ৰবোৰে বিষয়বস্তু সম্বন্ধে জ্ঞান লাভ কৰাত যথেষ্ট সহায় কৰে। ভৌগোলিক তথ্যসমূহ ৰৈখিক লেখচিত্ৰ, স্তম্ভ লেখচিত্ৰ, বৃত্ত চিত্ৰ, মানচিত্ৰ আদিৰ যোগেদি প্ৰকাশ কৰা হয়। তথ্যপ্ৰযুক্তিৰ বিকাশ তথা আধুনিক কম্পিউটাৰ বিজ্ঞানৰ অগ্ৰগতিৰ লগে লগে বৰ্তমান ভৌগোলিক তথ্যৰ উপস্থাপন আৰু বিশ্লেষণৰ ক্ষেত্ৰত কম্পিউটাৰ ব্যৱহাৰ কৰা হয়। তথ্য গণনা আৰু বিশ্লেষণৰ কাম অতি ক্ষিপ্ৰতাৰে কৰা, হাতেৰে কৰিব নোৱাৰা বৃহৎ তথ্যৰাজি সহজে বিশ্লেষণ কৰিব পৰা আদি সুবিধাৰ বাবে কম্পিউটাৰৰ ব্যাপক প্ৰয়োগ হৈছে। ইয়াৰ উপৰি কম্পিউটাৰ ব্যৱহাৰ কৰি কম সময়ৰ ভিতৰতে যথেষ্ট সংখ্যক মানচিত্ৰ পাব পৰা হৈছে। সম্প্ৰতি আকৌ স্থানভিত্তিক তথ্য আহৰণৰ ক্ষেত্ৰত তথ্য প্ৰযুক্তিৰ প্ৰয়োগে বিশেষ গুৰুত্ব লাভ কৰিছে। স্থানিক তথ্য প্ৰযুক্তি বুলি ক'লে সাধাৰণতে দূৰসংবেদন (Remote Sensing), ভৌগোলিক তথ্য ব্যৱস্থা (GIS) আৰু গোলকীয় স্থান নিৰ্ণয়ন ব্যৱস্থা (GPS) — এই তিনিটা পদ্ধতিকে সামৰি লোৱা হয়।

## ভূগোল অধ্যয়নৰ ক্ষেত্ৰত নতুন প্ৰযুক্তিৰ ব্যৱহাৰ ঃ

**দূৰ সংবেদন (Remote Sensing) :**

কোনো এটা বস্তু বা পদাৰ্থক স্পৰ্শ নকৰাকৈ আঁতৰৰপৰাই নিৰীক্ষণ কৰি বা জোখ-মাখ লৈ

প্ৰয়োজনীয় তথ্য আহৰণ কৰিব পৰা প্ৰযুক্তি কৌশলকে দূৰ সংবেদন বোলা হয়। দূৰ সংবেদন প্ৰক্ৰিয়াত ভূপৃষ্ঠৰ বিষয়ে জানিবৰ বাবে বিভিন্ন প্ৰকাৰৰ সংবেদক (Sensors) ব্যৱহাৰ কৰা হয়। এই সংবেদকবোৰ ভূপৃষ্ঠৰপৰা বহু উচ্চতাৰে চলা আকাশীযান বা কৃত্ৰিম উপগ্ৰহত সংস্থাপন কৰা হয়। এইবোৰে ভূপৃষ্ঠৰ বিভিন্ন অৱয়বৰ বিষয়ে আমাক তথ্যপাতি যোগান ধৰে।

### ভৌগোলিক তথ্য ব্যৱস্থা (Geographical Information System) ঃ

ভূপৃষ্ঠৰ প্ৰাকৃতিক আৰু মানব সৃষ্ট পৰিবেশ সম্পৰ্কীয় বিভিন্ন তথ্য উপস্থাপন আৰু বিশ্লেষণৰ ক্ষেত্ৰত ভৌগোলিক তথ্য ব্যৱস্থা এটা অতি নিৰ্ভৰযোগ্য কম্পিউটাৰভিত্তিক ব্যৱস্থা। ইয়াক স্থানিক তথ্য ব্যৱস্থা বুলিবও পাৰি। এক কথাত ক'বলৈ হ'লে যিটো ব্যৱস্থাই তথ্য সংগ্ৰহ, পৰীক্ষণ, বিশ্লেষণ, প্ৰদৰ্শন আদি কাৰ্য পৃথিৱীৰ বিভিন্ন স্থানৰ পৰিপ্ৰেক্ষিতত নিয়াৰিকৈ সম্পন্ন কৰে তাকে ভৌগোলিক তথ্য ব্যৱস্থা বুলি কোৱা হয়। পৰম্পৰাগত পদ্ধতিত ভৌগোলিক তথ্যবোৰৰ বিশ্লেষণ আৰু উপস্থাপন পৰিসংখ্যা বিজ্ঞানৰ সহায় লৈ কৰা হৈছিল। এতিয়া সকলো কাম কম্পিউটাৰৰ সহায়ত কৰা হয়। ভৌগোলিক তথ্যবোৰ বিভিন্ন চিত্ৰ, মানচিত্ৰৰ জৰিয়তে উপস্থাপন কৰাৰ বাবে প্ৰয়োজনীয় নিৰ্দেশাৱলী কম্পিউটাৰত মজুত থাকে।

### গোলকীয় স্থান নিৰ্ণয়ন ব্যৱস্থা (Global Positioning System) ঃ

ভূপৃষ্ঠত ঠাইৰ অৱস্থান সম্বন্ধীয় তথ্য অৰ্থাৎ দ্ৰাঘিমাংশ, অক্ষাংশ, উচ্চতা আদি আহৰণ কৰিবলৈ গোলকীয় স্থান নিৰ্ণয়ন ব্যৱস্থা প্ৰয়োগ কৰা হয়। পৃথিৱীৰ উপৰিভাগৰ বিভিন্ন ঠাইৰ বা অৱয়বৰ অৱস্থান নিৰ্ণয় কৰিবলৈ মহাকাশত কৃত্ৰিম উপগ্ৰহ স্থাপন কৰা হয়। এই উপগ্ৰহবোৰে নিৰ্দিষ্ট কক্ষপথেৰে পৰিভ্ৰমণ কৰি প্ৰয়োজনীয় সংকেত পঠিয়াই থাকে। পৃথিৱীৰ যিকোনো ঠাইৰ অৱস্থান, দিশ, উচ্চতা আদি নিৰূপণ কৰিব পৰাকৈ উপগ্ৰহবোৰে পঠিওৱা সংকেতবোৰে জি পি এছ যন্ত্ৰৰ যোগেদি পাব পাৰি। সাধাৰণতে মহাসাগৰৰ বিশাল বুকুত জাহাজ চলোৱা, জৰীপ কাৰ্য আদিত কোনো ঠাইৰ সঠিক অৱস্থান নিৰ্ণয় কৰিবলৈ জি পি এছ ব্যৱহাৰ কৰা হয়। ভৌগোলিক তথ্য ব্যৱস্থাৰ জৰিয়তে মানচিত্ৰ নিৰ্মাণৰ ক্ষেত্ৰত এই জি পি এছ-এ অৱস্থান সম্বন্ধীয় শুদ্ধ তথ্যৰ যোগান ধৰে।

**ক্ৰিয়াকলাপ**

- দূৰ সংবেদন,ভৌগোলিক তথ্য ব্যৱস্থা আৰু গোলকীয় স্থান নিৰ্ণয়ন ব্যৱস্থাৰ দ্বাৰা কি কি নিৰ্ণয় কৰা হয় দলত আলোচনা কৰি লিখা।

### মানচিত্ৰ অংকনৰ ক্ৰমবিকাশ (Evolution of Map drawing) ঃ

এখন অৰ্থপূৰ্ণ মানচিত্ৰ প্ৰস্তুত কৰি উলিওৱাটো সহজ কাম নহয়। এই ক্ষেত্ৰত প্ৰয়োজন হোৱা পদ্ধতি আৰু সামগ্ৰী সম্পৰ্কে উপযুক্ত জ্ঞানৰ প্ৰয়োজন হয়। সভ্যতাৰ একেবাৰে আৰম্ভণিৰপৰাই মানুহে মানচিত্ৰ প্ৰস্তুতিৰ বাবে চেষ্টা চলাই আহিছে। আটাইতকৈ প্ৰাচীন মানচিত্ৰ উদ্ধাৰ হৈছে মেছোপটেমিয়াত (বৰ্তমানৰ ইৰাক)। এই মানচিত্ৰ টেৰাকোটা ফলকত অংকিত কৰা হৈছিল। মিছৰতো এনে ধৰণৰ মানচিত্ৰ প্ৰস্তুত কৰা হৈছিল। তেওঁলোকে নীল নদীৰ বানাক্ৰান্ত অঞ্চলৰ মানচিত্ৰ অংকন কৰিছিল। খ্ৰীষ্টপূৰ্ব দ্বিতীয় শতিকাত চীন দেশত স্কেলৰ ধাৰণাৰে মানচিত্ৰ অংকন কৰাৰ প্ৰমাণ পোৱা গৈছে। তেওঁলোকে পাটৰ কাপোৰত পৰ্বত-পাহাৰ, নদ-নদী, ৰাস্তা-ঘাট আদি দেখুৱাই মানচিত্ৰ অংকন কৰিছিল। প্ৰাচীন যুগৰ পণ্ডিতসকলৰ ভিতৰত টলেমিয়ে (খ্ৰীষ্টপূৰ্ব ৯০-১৬৮) মানচিত্ৰ অংকনৰ ক্ষেত্ৰত বিশেষ দক্ষতা দেখুৱাইছিল। দ্ৰাঘিমাংশ আৰু অক্ষাংশৰ সহায়ত তেওঁ ঠাইৰ অৱস্থান নিৰ্ণয় কৰিবলৈ চেষ্টা কৰিছিল। তাৰ পাছত কলম্বাচ, ভাস্কো-ডা-গামা আদি অভিযাত্ৰীসকলে পৃথিৱীৰ বিভিন্ন ঠাই আৱিষ্কাৰ কৰি পৃথিৱী সম্পৰ্কে মানুহৰ জ্ঞান বঢ়ায়। ইউৰোপত ছপা যন্ত্ৰৰ আৱিষ্কাৰে মানচিত্ৰ প্ৰস্তুতিৰ ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তন আনিলে। ইউৰোপত আৰম্ভ হোৱা শিল্পবিপ্লৱ লাহে লাহে গোটেই বিশ্বতে বিয়পি পৰিল। যন্ত্ৰপাতিৰ সহায়ত মানুহে বিভিন্ন সম্পদ উদঘাটন কৰিব

পৰা হ'ল। সম্পদৰ বিতৰণ, ব্যৱহাৰ আদি তথ্য দেখুৱাই ঠায়ে ঠায়ে বিষয়ভিত্তিক মানচিত্ৰ (Thematic Maps) তৈয়াৰ হ'ল। ভাৰতত খ্ৰীষ্টপূৰ্ব ২৫০০ চনৰপৰাই মানচিত্ৰ তৈয়াৰ কৰাৰ প্ৰমাণ পোৱা যায়। ভাৰতৰ ৰজা-মহাৰজাসকলে তেওঁলোকৰ ৰাজ্যৰ সীমা দেখুৱাবলৈ মানচিত্ৰ তৈয়াৰ কৰিছিল। আমাৰ দেশত প্ৰথমতে ইংৰাজসকলেই মানচিত্ৰ প্ৰস্তুতকৰণত বিজ্ঞানসম্মত কৌশলৰ সূচনা কৰে। তেওঁলোকেই ১৭৬৭ চনত চাৰ্ভে অব্ ইণ্ডিয়া নামৰ প্ৰতিষ্ঠানটো প্ৰতিষ্ঠা কৰিছিল। ১৯ শতিকাৰ আৰম্ভণিতে চাৰ্ভেয়ৰ জেনেৰেল উইলিয়াম লেম্টনে মানচিত্ৰ অংকনত বৈজ্ঞানিক পদ্ধতি অৱলম্বন কৰিছিল। সম্প্ৰতি দূৰসংবেদন প্ৰযুক্তি আৰু কম্পিউটাৰ ব্যৱহাৰ কৰি অতি নিখুঁত মানচিত্ৰ তৈয়াৰ কৰাটো সম্ভৱ হৈ উঠিছে।

### মনত ৰাখিবলগীয়া কথা ঃ

- ✦ যিটো অনুপাতত পৃথিৱীৰ উপৰিভাগৰ বিভিন্ন ঠাইৰ মাজৰ প্ৰকৃত দূৰত্বক কম কৰি লোৱা হয় তাকেই মানচিত্ৰ বিদ্যাত স্কেল বা মাপনী বুলি কোৱা হয়।
- ✦ মানচিত্ৰ অংকনত ব্যৱহাৰ হোৱা স্কেল তিনি প্ৰকাৰৰ — (১) ভাষা বা উক্তিৰ স্কেল, (২) নিৰূপক ভগ্নাংশৰ স্কেল আৰু (৩) ৰৈখিক স্কেল।
- ✦ কোনো এটা বস্তু বা পদাৰ্থক স্পৰ্শ নকৰাকৈ আঁতৰৰপৰাই নিৰীক্ষণ কৰি বা জোখ-মাখ লৈ প্ৰয়োজনীয় তথ্য আহৰণ কৰিব পৰা কৌশলকে দূৰ সংবেদন বোলা হয়।
- ✦ স্থানিক তথ্য প্ৰযুক্তি বুলি ক'লে সাধাৰণতে দূৰ সংবেদন, ভৌগোলিক তথ্য ব্যৱস্থা আৰু গোলকীয় স্থান নিৰ্ণয়ন ব্যৱস্থা এই তিনিটা পদ্ধতিকে সামৰি লোৱা হয়।
- ✦ যিটো ব্যৱস্থাই তথ্য সংগ্ৰহ, পৰীক্ষণ, বিশ্লেষণ, প্ৰদৰ্শন আদি কাৰ্য পৃথিৱীৰ বিভিন্ন স্থানৰ পৰিপ্ৰেক্ষিতত নিয়াৰিকৈ সম্পন্ন কৰে তাকে ভৌগোলিক তথ্য ব্যৱস্থা বুলি কোৱা হয়। ই এটা অতি নিৰ্ভৰযোগ্য কম্পিউটাৰভিত্তিক ব্যৱস্থা।
- ✦ ভূপৃষ্ঠত ঠাইৰ অৱস্থান সম্বন্ধীয় তথ্য, অৰ্থাৎ দ্ৰাঘিমাংশ, অক্ষাংশ, উচ্চতা আদি নিৰ্ণয় কৰিবলৈ গোলকীয় স্থান নিৰ্ণয়ন ব্যৱস্থা প্ৰয়োগ কৰা হয়।
- ✦ ইংৰাজসকলে ভাৰতত বিজ্ঞানসম্মত মানচিত্ৰ প্ৰস্তুতিৰ সূচনা কৰিছিল।

### অনুশীলনী ঃ

১। চমু উত্তৰ দিয়া —

(ক) স্কেল বা মাপনী বুলিলে কি বুজা? (খ) ভৌগোলিক তথ্য ব্যৱস্থা বুলিলে কি বুজা?

২। শুদ্ধ উত্তৰটোত ☑ চিন দিয়া—

(ক) দ্ৰাঘিমাংশ আৰু অক্ষাংশৰ ভিত্তিত প্ৰথমতে মানচিত্ৰ অংকন কৰিছিল—

(১) ইৰাট'স্থেনিচে, (২) ট'লেমিয়ে, (৩) কাৰ্ল ৰিটাৰে

(খ) ১/১০,০০০ এনেদৰে প্ৰকাশ কৰা স্কেলবিধ হ'ল —

(১) নিৰূপক ভগ্নাংশ, (২) ৰৈখিক স্কেল, (৩) ভাষাৰ স্কেল

(গ) আটাইতকৈ প্ৰাচীন মানচিত্ৰ উদ্ধাৰ হৈছে — (১) মিছৰত, (২) মেছ'প'টেমিয়াত, (৩) চীনত।

৩। বহলাই লিখা—

মানচিত্ৰ অংকনৰ ক্ৰমবিকাশৰ সম্বন্ধে এটি টোকা লিখা?

৪। ভূগোল অধ্যয়নত কি কি প্ৰযুক্তি ব্যৱহাৰ কৰা হয় লিখা।

✧✧✧✧✧✧

## অৰ্থনৈতিক খণ্ড
# আমাৰ অৰ্থনৈতিক জীৱন

## আগকথা





ৰাষ্ট্ৰ এখনৰ ভেটি নিৰ্মাণত অৰ্থনৈতিক কাৰ্যসমূহে চালিকাশক্তি হিচাপে কাম কৰে। দেশৰ আভ্যন্তৰীণ পৰিকাঠামো, উৎপাদন, আয়, বিনিয়োগ আদি- এই সকলোবোৰ বিষয় সন্নিবিষ্ট হৈ আছে অৰ্থনৈতিক দিশটোৰ লগত। এক কথাত ক'বলৈ হ'লে অৰ্থনীতি অবিহনে এখন ৰাষ্ট্ৰৰ ধাৰণা অমূলক। এখন দেশ বা এটা অঞ্চলৰ দ্ৰব্য আৰু সেৱাৰ উৎপাদন, যোগান, বিনিময়, বিতৰণ আৰু ভোগ আদিৰ বিষয়ে অৰ্থনীতি বিজ্ঞানে খৰচি মাৰি আলোচনা কৰে। মানুহৰ জীৱন-ধাৰণৰ বাবে বিভিন্ন সম্পদৰ প্ৰয়োজন হয়। সম্পদ সীমিত কিন্তু অভাৱ অসীম। এই সীমাহীন অভাৱ পূৰণৰ বাবে সীমিত সম্পদৰ সুব্যৱহাৰৰ দ্বাৰা মানুহৰ অভাৱ পূৰণ কৰাই হ'ল অৰ্থনীতিৰ মূল উদ্দেশ্য। এই পাঠ্যপুথিখনৰ অৰ্থনীতি বিজ্ঞান অংশত ছাত্ৰ-ছাত্ৰীৰ বয়স আৰু মানসিক সামৰ্থৰ উপযোগী হোৱাকৈ অৰ্থনীতিৰ কিছুমান বিষয়ৰ মূল ধাৰণাৰ (Basic Concept) অৱতাৰণা কৰা হৈছে। পাঠ্যপুথিখনত অৰ্থনীতি বিজ্ঞানৰ সূত্ৰ বা তত্ত্বসমূহৰ প্ৰত্যক্ষ প্ৰতিফলন নঘটোৱাকৈ মানুহৰ দৈনন্দিন জীৱনৰ ঘটনা-পৰিঘটনাৰ আলমত ব্যক্তি, সমাজ আৰু ৰাষ্ট্ৰৰ গুৰুত্বপূৰ্ণ অৰ্থনৈতিক কাম-কাজসমূহৰ বিষয়ে ছাত্ৰ-ছাত্ৰীক কিদৰে বুজাব পাৰি তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰি পাঠসমূহৰ পৰিকল্পনা কৰা হৈছে। প্ৰচলিত পাঠ্যক্ৰমৰ নিৰ্দেশ অনুযায়ী বিষয়ভিত্তিক গুৰুত্বৰ (Weightage) আধাৰত পাঠকেইটা যুগুতাই উলিওৱা হৈছে যাতে শ্ৰেণীকোঠা বা ঘৰত ইয়াক আগবঢ়াই নিয়াত শিক্ষক অভিভাৱকৰ আহুকাল নহয় আৰু ছাত্ৰ-ছাত্ৰীয়েও অতি সহজে নিৰ্ধাৰিত শিকনৰ ফলাফলসমূহ আয়ত্ত কৰিব পাৰে।

অষ্টম শ্ৰেণীৰ এই পাঠ্যপুথিৰ অৰ্থনীতি বিজ্ঞান খণ্ডটিত দিয়া পাঠবোৰৰ জৰিয়তে নিম্নোক্ত শিকনৰ ফলাফলসমূহ আয়ত্ত কৰাবলৈ চেষ্টা কৰা হৈছে—

- মানৱ সম্পদ আৰু ইয়াৰ উন্নয়ন সম্পৰ্কে ধাৰণা দিয়া।
- আৰ্থ-সামাজিক ক্ষেত্ৰত মানৱ সম্পদৰ গুৰুত্ব অৱগত কৰা।
- বৃত্তিমূলক শিক্ষাৰ দ্বাৰা মানৱ সম্পদৰ উন্নয়নৰ বিষয়ে জ্ঞান দিয়া।
- আৰ্থ সামাজিক উন্নয়ন আৰু এই উন্নয়নত বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকাৰ বিষয়ে অৱগত কৰা।
- আত্মসহায়ক গোট, ইয়াৰ সুবিধা-অসুবিধা, প্ৰয়োজনীয় সম্পৰ্কে ধাৰণা দিয়া।
- গ্ৰাহক, গ্ৰাহকৰ অধিকাৰ, গ্ৰাহক সুৰক্ষা আইন আদালতৰ বিষয়ে ধাৰণা দিয়া।
- MRP, ISI, AGMARK, HALL MARK, EPO MARK ইত্যাদিৰ সম্যক ধাৰণা দিয়া।

## পাঠ - ৯

# মানৱ সম্পদ উন্নয়ন, মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক আৰু মানৱ সম্পদ উন্নয়নত বৃত্তিমূলক শিক্ষাৰ ভূমিকা

S8Q7Z4

**শিকনৰ ফলাফল ঃ**

- মানৱ সম্পদ কি, সেই বিষয়ে জানিব পাৰিব।
- মানৱ সম্পদ উন্নয়নৰ ধাৰণা লাভ কৰিব।
- জনসংখ্যাৰ লগত মানৱ সম্পদৰ সম্পৰ্ক বুজি পাব।
- মানৱ সম্পদ উন্নয়নৰ কিছু নিৰ্বাচিত নিৰ্দেশকৰ বিষয়ে জানিব পাৰিব।
- আৰ্থ-সামাজিক উন্নয়নত মানৱ সম্পদৰ ভূমিকাৰ বিষয়ে অৱগত হ'ব।
- মানৱ সম্পদ উন্নয়নত বৃত্তিমূলক শিক্ষাৰ গুৰুত্ব বুজি পাব।

তোমালোকে ইতিমধ্যে প্ৰাকৃতিক আৰু মানৱ সম্পদৰ বিষয়ে আগৰ শ্ৰেণীৰ পাঠত ভালেখিনি কথা শিকি আহিছা। প্ৰাকৃতিক সম্পদ প্ৰচুৰ পৰিমাণে থাকিলেই এখন দেশৰ উৎপাদন বৃদ্ধি নাপায়, যদিহে সেই সম্পদৰ ওপৰত নিৰ্ভৰ কৰি বিভিন্ন উৎপাদনমুখী কাৰ্য সংঘটিত নহয়। উৎপাদন প্ৰক্ৰিয়াৰ এক অন্যতম কাৰক হ'ল শ্ৰম য'ত অংশগ্ৰহণ কৰিব পাৰে একমাত্ৰ মানুহে। কিন্তু সকলো মানুহে আকৌ উৎপাদনত অংশ ল'ব নোৱাৰে যদিহে তেওঁ শাৰীৰিক আৰু মানসিকভাৱে শ্ৰম কৰিবলৈ সক্ষম নহয়। সেয়েহে এখন দেশৰ জনসংখ্যা বৃদ্ধি হোৱাটোৱে মানৱ সম্পদ বৃদ্ধি হোৱাটো নুবুজায়। সম্পদ হ'বলৈ মানুহ কিছুমান গুণৰ অধিকাৰী হ'ব লাগিব। এইখিনিৰপৰা তোমালোকে ধাৰণা কৰিব পাৰিলা যে মানুহ মাত্ৰেই সম্পদ নহয়। সম্পদ হিচাপে বিবেচিত হ'বলৈ হ'লে মানুহে উন্নতমানৰ জীৱন নিৰ্বাহৰ বাবে প্ৰয়োজনীয় শিক্ষা আৰু প্ৰশিক্ষণপ্ৰাপ্ত হোৱাৰ লগতে সুস্বাস্থ্যৰো অধিকাৰী হ'ব লাগিব। কিন্তু উচ্চ শিক্ষা আৰু প্ৰশিক্ষণ ল'লেই এজন সুস্বাস্থ্যৰ অধিকাৰী লোক মানৱ সম্পদলৈ ৰূপান্তৰ হ'ব নোৱাৰে যদিহে তেওঁ কাৰিকৰী দক্ষতা, কুশলতা, ব্যৱস্থাপনা আদিৰ দৰে গুণবোৰৰ বিকাশৰ জৰিয়তে উৎপাদন কাৰ্যত জড়িত নহয়। এই কথাখিনি পৰিষ্কাৰকৈ বুজিবলৈ তলৰ পৰিয়াল দুটিৰ কথাখিনি মন কৰা।



### প্ৰথম পৰিয়াল ঃ

প্ৰথম পৰিয়ালৰ মুৰব্বীজন গাঁৱৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক। তেওঁৰ পত্নীয়েও নিতান্ত ঘৰুৱা কাম-বন খিনিহে চম্ভালে। তেওঁলোকৰ ল'ৰা দুজন। এজন

স্নাতক আৰু আনজনে স্নাতকোত্তৰ ডিগ্ৰী লৈ চৰকাৰী চাকৰিৰ পিছত দৌৰি ফুৰিছে। চৰকাৰী চাকৰিৰ বাহিৰে অন্য কাম কৰিবলৈ দুয়োজনেই অনিচ্ছুক। শিক্ষা সাং কৰা কেইবাবছৰো উকলিল কিন্তু ল'ৰা দুজনৰ এজনেও চাকৰি যোগাৰ কৰিবলৈ নোৱাৰিলে। চাওঁতে চাওঁতে দেউতাকেও চাকৰিৰপৰা অৱসৰ পালে। পেঞ্চনৰ টকাৰে চাৰিজনীয়া পৰিয়ালটো পোহ-পাল দিয়াত বৰ কষ্ট হ'ল। কিন্তু এনে অৱস্থাতো ল'ৰা দুজনৰ এজনেও উপাৰ্জন কৰিব পৰা কোনো এটা কামত হাত নিদিলে। হতাশাই পৰিয়ালটোক হেঁচা মাৰি ধৰিলে। এটা সময়ত দেউতাক শয্যাশায়ী হ'ল। পৰিয়ালটোৰ দুৰ্দশাই চৰম সীমা পালে।

### দ্বিতীয় পৰিয়াল ঃ

একেখন গাঁৱৰে দ্বিতীয় পৰিয়ালটোৰ মুখ্যজন বৃত্তিত খেতিয়ক। পত্নীও বৰ কৰ্মী। ঘৰুৱা কাম-বনৰ লগতে মহিলা গৰাকীয়ে তাঁতশালত কাপোৰ বয়। সেই কাপোৰ বিক্ৰী কৰি মাহেকত তেওঁ কিছু টকা উপাৰ্জন কৰে। তেওঁলোকৰো ল'ৰা-ছোৱালী এহাল। স্নাতক শিক্ষা সামৰাৰ পিছত ল'ৰাটোৱে চৰকাৰী চাকৰিৰ কাৰণে বৈ নাথাকিল। দেউতাকৰ কথা মতে ল'ৰাটোৱে কাৰিকৰী প্ৰশিক্ষণ লোৱাৰ উদ্দেশ্যে চহৰলৈ গ'ল। এবছৰৰ পিছত প্ৰশিক্ষণ সমাপ্ত কৰি বেচৰকাৰী সংস্থা এটাত চাকৰি লাভ কৰে। ল'ৰাজনৰ নিখুঁত কামৰ নমুনা দেখি অতি কম সময়ত পদোন্নতি হয়। এতিয়া তেওঁ মাহেকত ভাল টকা উপাৰ্জন কৰে। পৰিয়ালৰ ছোৱালীজনীৰ সোঁ ভৰিখন অলপ চুটি। কিন্তু শাৰীৰিক বাধা নেওচি ছোৱালীজনীয়েও স্নাতক শিক্ষা শেষ কৰি চহৰলৈ গৈ ছমহীয়া বিউটিচিয়ানৰ প্ৰশিক্ষণ লৈ আহি গাঁৱতে এখন বিউটিপাৰ্লাৰ খুলিলে। এতিয়া সেই পাৰ্লাৰতো গ্ৰাহকৰ ভিৰ। মুঠৰ ওপৰত চাৰিওজন সদস্যৰে নিজা নিজা উপাৰ্জন। কোনেও কাৰো মুখলৈ চাব নালাগে। দেউতাকৰ সঞ্চয়ৰ ধনেৰে ট্ৰেক্টৰ এখনো কিনি ল'লে। বৰ্তমান সেই পৰিয়ালটো গাঁওখনৰ এটা সচ্ছল পৰিয়াল।



উল্লিখিত পৰিয়াল দুটাৰ উদাহৰণৰপৰা কি ধাৰণা কৰিব পাৰিলা? দুয়োটা পৰিয়ালৰ দুটা ভিন্ন আৰ্থিক ৰূপ, নহয় জানো? মানুহ উচ্চ শিক্ষিত আৰু প্ৰশিক্ষিত হ'লেও উপাৰ্জনক্ষম হ'ব নোৱাৰে যদিহে তেওঁ সঠিক দিশত নিজৰ শিক্ষা বা প্ৰশিক্ষণক ব্যৱহাৰ নকৰে।



**ক্ৰিয়াকলাপ ঃ**

- 'প্ৰাকৃতিক সম্পদ প্ৰচুৰ পৰিমাণে থাকিলে বা জনসংখ্যা বৃদ্ধি হ'লেই দেশ এখনৰ উৎপাদন বৃদ্ধি নহয়'- কথাষাৰৰ তাৎপৰ্য দলত আলোচনা কৰি মতামত লিখা।

**উত্তৰ লিখা ঃ**

- প্ৰথম পৰিয়ালটোত দুৰ্দশা নামি অহাৰ কাৰণ কি?
- কোনটো পৰিয়ালৰ মানুহখিনি মানৱ সম্পদ হিচাপে বিবেচিত হৈছে?
- দ্বিতীয় পৰিয়ালৰ ল'ৰা-ছোৱালী হালে প্ৰশিক্ষণ লৈ কি কৰিলে?
- মানুহ কেতিয়া সম্পদ হিচাপে বিবেচিত হয়?

> **জানি থওঁ আহা**
>
> ✦ আমাৰ চৰকাৰে ৮০ শতাংশ বা ততোধিক অক্ষমতা থকা ব্যক্তিক জটিল অক্ষমতাগ্ৰস্ত ব্যক্তি বুলি বিবেচনা কৰিছে। ইতিমধ্যে ১৯৯৫ চনৰপৰা দেশত 'অক্ষমতাগ্ৰস্ত ব্যক্তিৰ সমান সুযোগ, সুৰক্ষা, অধিকাৰ আৰু সম্পূৰ্ণ অংশগ্ৰহণ' আইন প্ৰবৰ্তন হৈছে।

এইখিনিতে মন কৰিবলগীয়া কথা যে- **বিশেষভাৱে সক্ষম মানুহো মানৱ সম্পদ হিচাপে বিবেচিত হ'ব পাৰে যদিহে উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণৰ জৰিয়তে তেওঁ কোনো উৎপাদন কাৰ্যত নিয়োজিত হয়।**

### মানৱ সম্পদৰ উন্নয়ন ঃ

তোমালোকে ইতিমধ্যে ধাৰণা কৰিব পাৰিলা যে মানুহৰ সংখ্যা বৃদ্ধি হ'লেই মানব সম্পদৰ বৃদ্ধি নহয়। মানুহক কেনেদৰে আমি সম্পদলৈ ৰূপান্তৰ কৰিব পাৰো সেই বিষয়ে যোৱা শ্ৰেণীৰ পাঠত তোমালোকে কিছু কথা পঢ়িছিলা। দেশৰ উৎপাদন কাৰ্যৰ চাৰিটা মূল উপাদান আছে। সেয়া হ'ল— ভূমি, শ্ৰম, মূলধন আৰু সংগঠন। ইয়াৰে প্ৰথমটোৰ বাহিৰে বাকী আটাইকেইটা উপাদানত মানুহৰ প্ৰত্যক্ষ অৱদান থাকে। গতিকে দেশৰ উৎপাদন বৃদ্ধি কৰিবলৈ হ'লে মানৱ সম্পদৰ বিকাশ হ'বই লাগিব। যিমানেই মানৱ সম্পদৰ উন্নয়ন হ'ব সিমানেই দেশে উৎপাদন কাৰ্যত সফলতা লাভ কৰিব আৰু ৰাষ্ট্ৰীয় আয় বৃদ্ধি হ'ব। ৰাষ্ট্ৰীয় আয়ৰ বৃদ্ধিয়ে দেশ এখন স্বাৱলম্বী হোৱাত সহায় কৰে। বৰ্তমানৰ বিকশিত অৰ্থনীতিৰ প্ৰেক্ষাপটত মানৱ সম্পদ উন্নয়নৰ বিষয়টোৱে যথেষ্ট তাৎপৰ্য বহণ কৰিছে। মানৱ সম্পদ উন্নয়নৰ মূল চালিকা শক্তি হৈছে স্বাস্থ্য, উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণ কাৰণ শিক্ষা আৰু প্ৰশিক্ষণে মানুহৰ চিন্তাশক্তি জাগ্ৰত কৰে আৰু দক্ষতা বৃদ্ধি কৰে। আকৌ সুস্বাস্থ্যই মানুহৰ কৰ্মশক্তি বঢ়ায়।

> **জানি থওঁ আহা**
>
> ✦ ভাৰতৰ মুঠ জনসংখ্যা ঃ ১২১,০১,৯৩,৪২২ জন।
>
> ✦ ভাৰতৰ আয়তন ঃ ৩২,৭৮,২৬৩ বৰ্গ কিল'মিটাৰ।
>
> ✦ জনসংখ্যাৰ ঘনত্ব ঃ ৩৮২ জন।
>
> *উৎস ঃ লোকপিয়ল, ২০১১, পৃষ্ঠা ৩*

আমাৰ দেশৰ চৰকাৰে প্ৰবৰ্তন কৰা আধুনিক আৰু বিজ্ঞানসম্মত শিক্ষা ব্যৱস্থা, স্বাস্থ্য নীতি, বিভিন্ন আঁচনি, জলপানীৰ ব্যৱস্থা, উন্নত মানৰ প্ৰশিক্ষণ তথা বিভিন্ন সা-সুবিধাৰ ফলত বৰ্তমান দেশৰ মানৱ সম্পদ উন্নয়নৰ দিশটো যথেষ্ট সবল হৈছে। অৱশ্যে এই দিশত ক্ষিপ্ৰতা লাভ কৰিবলৈ আমাৰ দেশক এতিয়াও কিছু সময় লাগিব। কাৰণ ভূআয়তনৰ তুলনাত দেশৰ জনসংখ্যাৰ ঘনত্ব বহু বেছি। ইমান সংখ্যক মানুহক একেলগে উপযুক্ত শিক্ষা, খাদ্য, বাসস্থান, কৰ্মসংস্থান আৰু স্বাস্থ্যৰ সুবিধা প্ৰদান কৰাটো বৰ সহজ কাম নহয়। কিন্তু পৰিবৰ্তিত সময়ৰ লগত খাপ খুৱাবলৈ আমাৰ দেশৰ চৰকাৰেও উল্লিখিত দিশসমূহত যথেষ্ট মনোনিবেশ কৰিছে। সেয়েহে আগৰ তুলনাত দেশত শিক্ষিত মানুহৰ হাৰ বৃদ্ধি পাইছে আৰু তাৰ লগে লগে মানুহ সম্পদলৈ উন্নীত হৈছে।

### মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক ঃ

এখন দেশৰ মানৱ সম্পদ কিমান উন্নত বা গুণগত তাক জানিবলৈ আমি সমাজ ব্যৱস্থাত কিছুমান বিশেষ দিশৰ ওপৰত আলোকপাত কৰিব লাগিব। যিবোৰ দিশ লক্ষ্য কৰিলে দেশ এখনৰ মানৱ সম্পদ উন্নয়নৰ আভাস পোৱা যায় সেইবোৰকে মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক বুলি কোৱা হয়। এনে নিৰ্দেশকসমূহৰ কিছুমান উল্লেখযোগ্য নিৰ্দেশক হ'ল এনেধৰণৰ—

### শিক্ষাৰ হাৰ ঃ

গুণগত শিক্ষা মানৱ সম্পদ উন্নয়নৰ প্ৰাথমিক কাৰক। শিক্ষা ব্যৱস্থা সঠিক হ'লেহে উন্নত মানৱ সম্পদ তৈয়াৰ

হোৱা সম্ভৱ হয়। প্ৰকৃত শিক্ষাই জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰে। জ্ঞান আৰু দক্ষতা বৃদ্ধি কৰিব পৰা শিক্ষাৰ যোগেদি শিক্ষিতৰ হাৰ বঢ়াব পৰাটোৱে মানৱ সম্পদৰ উন্নয়নৰ কথা সূচায়। যি দেশত শিক্ষিতৰ হাৰ উচ্চ সেই দেশৰ মানৱ সম্পদৰ মানো উন্নত। উদাহৰণ স্বৰূপে জাপান, ইংলেণ্ড, আমেৰিকা আদি দেশত শিক্ষিতৰ হাৰ অধিক আৰু সেইবিলাক দেশৰ মানৱ সম্পদো উন্নত। তলৰ তালিকাখনৰপৰা ভাৰত আৰু জাপানৰ শিক্ষাৰ তুলনামূলক ছবিখনৰ ধাৰণা কৰা।

**২০১১ চনৰ ভাৰত আৰু জাপানৰ মুঠ শিক্ষিতৰ হাৰ**

(শতাংশ হিচাপত)

| চন | দেশ/ৰাজ্য | মুঠ শিক্ষিতৰ হাৰ | পুৰুষ শিক্ষিতৰ হাৰ | মহিলাৰ শিক্ষিতৰ হাৰ |
|---|---|---|---|---|
| ২০১১ | ভাৰত | ৭৪.০৪ | ৮২.১৪ | ৬৫.৪৬ |
| ২০১১ | জাপান | ৯৯.০ | ৯৯.৯ | ৯৯.৭ |

উৎস ঃ www.pincodeindia.net

## জীৱনৰ প্ৰত্যাশা ঃ

মানৱ সম্পদ উন্নয়নৰ আন এটি নিৰ্দেশক হৈছে জীৱনৰ প্ৰত্যাশা। এটি শিশু জন্মৰ পাছৰপৰা কিমান বয়সলৈ সুস্থ, সবলভাৱে জীয়াই থাকে তাক জীৱন প্ৰত্যাশাই নিৰ্ণয় কৰে। এই প্ৰত্যাশা যিমানে বেছি হ'ব মানুহক সম্পদলৈ ৰূপান্তৰ কৰাৰ হাৰো সিমানেই বেছি হ'ব। সেয়েহে উচ্চ জীৱন প্ৰত্যাশা উন্নত মানৱ সম্পদৰ নিৰ্ণায়ক। ২০০৬ চনৰ পৰা ২০১১ চনলৈ ভাৰতত জীৱনৰ প্ৰত্যাশাৰ হাৰ পুৰুষৰ ক্ষেত্ৰত ৬৫.৮ বছৰ হোৱাৰ বিপৰীতে মহিলাৰ ক্ষেত্ৰত এই হাৰ ৬৮.১ বছৰ।

## জন্মকালীন শিশুৰ মৃত্যুৰ হাৰ ঃ

এখন দেশত জন্মকালীন শিশু মৃত্যুৰ হাৰ হ্ৰাস হোৱাটো সেই দেশখনৰ মানৱ সম্পদ উন্নয়নৰ আন এটি প্ৰধান নিৰ্দেশক হিচাপে বিবেচিত হয়। তলৰ তালিকাখন মন কৰা—

**শিশু মৃত্যুৰ হাৰ (প্ৰতি হাজাৰত)**

| চন | ভাৰত | অসম |
|---|---|---|
| ২০১১ | ৪৪ | ৫৫ |
| ২০১৬ | ৩৪ | ৪৪ |

উৎস ঃ NITI Ayog Report

ওপৰৰ তালিকাত আমাৰ দেশ আৰু ৰাজ্যৰ দুটা বছৰৰ জন্মকালীন শিশুৰ মৃত্যুৰ হাৰ দেখুওৱা হৈছে। তালিকাখনৰ পৰা এইটো স্পষ্ট হৈছে যে জন্মকালীন অৱস্থাত শিশুৰ মৃত্যুৰ সংখ্যা আমাৰ দেশত এতিয়াও যথেষ্ট সংখ্যক। অসমত তাতোকৈও বেছি। মানৱ সম্পদৰ উন্নয়ন হ'ব লাগিলে এনে মৃত্যুৰ হাৰ হ্ৰাস পাব লাগিব।

## জনমূৰি আয় ঃ

দেশ এখনৰ মুঠ ৰাষ্ট্ৰীয় আয়ক দেশখনৰ মুঠ জনসংখ্যাৰে হৰণ কৰিলে যি আয় উপলব্ধ হয় তাক জনমূৰি আয় বোলা হয়। জনমূৰি আয় বৃদ্ধি পোৱাটোৱে মানৱ সম্পদ উন্নয়নৰ কথাকে সূচায়। উন্নত জনমূৰি আয় উন্নত মানৱ সম্পদৰ পৰিচায়ক।

## বিদ্যালয় ভৰ্তি আৰু বিদ্যালয় এৰাৰ হাৰ ঃ



প্ৰাথমিক স্তৰৰপৰা উচ্চ শিক্ষাৰ স্তৰ পৰ্যন্ত বিদ্যালয়, মহাবিদ্যালয়সমূহত ছাত্ৰ-ছাত্ৰীৰ ভৰ্তিকৰণৰ হাৰ উচ্চ আৰু বিদ্যালয় বা মহাবিদ্যালয় এৰাৰ হাৰ নিম্ন হোৱাটো মানৱ সম্পদ উন্নয়নৰ আন এটি উল্লেখযোগ্য নিৰ্দেশক।

## প্ৰতিষেধক টিকাকৰণৰ হাৰ ঃ

এখন দেশৰ প্ৰতিষেধক টিকাকৰণৰ হাৰেও দেশখনৰ মানৱ সম্পদ উন্নয়নৰ সাক্ষ্য বহন কৰে। কিয়নো ই শিশুৰ স্বাস্থ্য আৰু দীৰ্ঘজীৱনৰ সুৰক্ষা প্ৰদান কৰে। সেয়েহে প্ৰতিষেধক টিকাকৰণৰ হাৰকো মানৱ সম্পদৰ নিৰ্দেশক হিচাপে বিবেচনা কৰা হয়।

### ক্ৰিয়াকলাপ ঃ

✦ "ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান" আঁচনিৰ অধীনত দেশৰ সকলো ৰাজ্যৰ লগতে আমাৰ ৰাজ্যতো প্ৰতিবছৰে নিৰ্ধাৰিত দিনত শিশুৰ প্ৰতিষেধক টিকাকৰণ কাৰ্যসূচী অনুষ্ঠিত হয়। তোমাৰ অঞ্চল বা তাৰ আশে-পাশে অনুষ্ঠিত হোৱা এনে অনুষ্ঠানলৈ গৈ শিশুৰ টিকাকৰণ প্ৰক্ৰিয়াত সহযোগ কৰা আৰু শিশুৰ স্বাস্থ্য ৰক্ষাত প্ৰতিষেধক টিকাকৰণৰ গুৰুত্বৰ ওপৰত এটি টোকা প্ৰস্তুত কৰা। (চিকিৎসক/নাৰ্ছৰ সহায় ল'বা)

### উত্তৰ লিখা ঃ

১। শিক্ষাৰ উচ্চ হাৰে কিদৰে মানৱ সম্পদৰ উন্নয়ন হোৱা বুজায়?

২। জীৱনৰ প্ৰত্যাশা মানে কি?

৩। মানৱ সম্পদৰ উন্নয়নৰ বাবে প্ৰতিষেধক টিকাকৰণৰ হাৰ উচ্চ হ'ব লাগে নে নিম্ন হ'ব লাগে?

৪। জনমুৰি আয়ৰ বৃদ্ধিয়ে মানৱ সম্পদৰ উন্নয়ন হোৱাটোকে সূচায়নে?



## মানৱ সম্পদ উন্নয়নত বৃত্তিমূলক শিক্ষাৰ ভূমিকা ঃ

ষষ্ঠ শ্ৰেণীৰ পাঠত তোমালোকে বিভিন্ন বৃত্তিৰ বিষয়ে জানি আহিছা। আদিম মানুহৰ প্ৰাচীনতম বৃত্তি কি আছিল মনত পেলোৱাচোন? এই পাঠত বৃত্তিমূলক শিক্ষানো কি তাৰ বিষয়ে কিছু আলোচনা কৰিম। তোমালোকে পাঠৰ আৰম্ভণিতে সন্নিবিষ্ট কৰা পৰিয়াল দুটাৰ প্ৰতিচ্ছবি দুখন মন কৰা। প্ৰথম পৰিয়ালৰ ল'ৰা দুজনে উচ্চ শিক্ষা আহৰণ কৰাৰ পিছতো জীৱন নিৰ্বাহৰ বাবে স্ব-নিৰ্ভৰশীল হ'ব পৰা নাছিল। আনহাতে দ্বিতীয় পৰিয়ালৰ ল'ৰা - ছোৱালীহালে প্ৰশিক্ষণ লৈ জীৱন নিৰ্বাহৰ বাবে স্ব-নিৰ্ভৰশীল হৈ জীৱন নিৰ্বাহ কৰিবলৈ শিকিছিল। উচ্চ শিক্ষা লাভ কৰিও প্ৰথম পৰিয়ালৰ ল'ৰা দুজনে চৰকাৰী চাকৰি নোপোৱাৰ বাবে



নিবনুৱা হৈ ঘৰতে বহি থাকিব লগা হ'ল। কৰ্মসংস্থানৰ অভাৱ হ'লে মানুহৰ আয়ৰ উৎস নাথাকে। ফলত দৰিদ্ৰতা বাঢ়ে। দৰিদ্ৰতাই মানৱ সম্পদ উন্নয়নত বাধাৰ সৃষ্টি কৰে। উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পিছত চৰকাৰে সকলো শিক্ষিত ব্যক্তিকে চাকৰি যোগান ধৰাটো সম্ভৱ নহয়। তোমালোকে জানি আহিছা যে উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পিছতো ব্যক্তি এজনে মানৱ সম্পদ হ'ব নোৱাৰে যদিহে তেওঁ উৎপাদন কাৰ্যত কোনো অৰিহণা যোগাব নোৱাৰে। ২০১১ চনৰ লোকপিয়লৰ হিচাপ মতে অসমৰ জনসংখ্যা ৩,১১,৬৯,২৭২ জন। শতকৰা ৭০ জন মানুহে গাঁৱত বাস কৰে। খেতি-বাতিয়েই হৈছে গাঁৱৰ মানুহৰ ঘাই জীৱিকা। দুখৰ বিষয় যে অসমত শতকৰা ৩৪ জন মানুহ এতিয়াও দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰে। সাক্ষৰতাৰ হাৰ ৭৩.১৮, ভাৰতৰ তুলনাত সামান্য কম। এক বৃহৎ পৰিমাণৰ শিক্ষিত নিবনুৱাই মানৱ সম্পদৰ উন্নয়নত প্ৰাচীৰৰূপে থিয় দিছে। দিনক দিনে শিক্ষিত নিবনুৱাৰ সংখ্যা বৃদ্ধি হৈ গৈ আছে। অৰ্থাৎ প্ৰচলিত শিক্ষা ব্যৱস্থাই আমাক আত্মনিৰ্ভৰশীল কৰি গঢ়ি তুলিব পৰা নাই। গতিকে এতিয়া আমাৰ এনে শিক্ষাৰ প্ৰয়োজন হৈ পৰিছে যি শিক্ষাই প্ৰতিজন ব্যক্তিক উৎপাদনৰ ক্ষেত্ৰত স্ব-নিৰ্ভৰশীল কৰি গঢ়ি তুলিব পাৰে। এই কাৰণেই বৃত্তিমূলক শিক্ষাৰ প্ৰয়োজন আহি পৰিছে। জীৱন ধাৰণৰ বাবে ব্যক্তি এজনে যি কাম কৰে তাক সেই মানুহজনৰ বৃত্তি বুলি কোৱা হয়। কোনো ব্যক্তিয়ে কাপোৰ চিলাই কৰাৰ প্ৰশিক্ষণ লৈ দৰ্জী হিচাপে জীৱিকা অৰ্জন কৰিলে সেইটোৱেই হ'ব তেওঁৰ বৃত্তি। মানুহৰ দৈনন্দিন জীৱনৰ প্ৰয়োজন অনেক। এই প্ৰয়োজনসমূহ পূৰ কৰিব পাৰে কিছুমান দক্ষ ব্যক্তিয়ে। কাৰোবাৰ ঘৰত পানীকলৰ বিজুতি ঘটিলে প্ৰয়োজন হয় পানীকল মিস্ত্ৰীৰ। ঠিক তেনেদৰে মটৰ মেকানিক, কাঠমিস্ত্ৰী, ৰাজমিস্ত্ৰী, পেইণ্টাৰ, বিউটিচিয়ান, ইলেকট্ৰিচিয়ান, ম'বাইল, কম্পিউটাৰ ভাল কৰা মানুহ আধুনিক জীৱনৰ অপৰিহাৰ্য অংগ। এই বিষয়বোৰত প্ৰশিক্ষণ লৈ মানুহে অতি সহজে উপাৰ্জনৰ পথ মোকলাব পাৰে। আনুষ্ঠানিক শিক্ষাৰ উপৰি যি শিক্ষাৰ দ্বাৰা উপাৰ্জনৰ পথ মুকলি হয় তাকে **বৃত্তিমূলক শিক্ষা** বোলে। বৃত্তিমূলক শিক্ষাই মানুহক অকল উপাৰ্জনক্ষমেই নকৰে তাৰ লগে লগে দেশৰ নিবনুৱা সমস্যা লাঘৱ কৰি স্ব-নিয়োজন পথ মুকলি হোৱাত সহায় কৰে। মানুহক আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল কৰাত বৃত্তিমূলক শিক্ষাই সবল ভূমিকা লয়। সেয়েহে আমাৰ চৰকাৰে বৰ্তমান এই শিক্ষাৰ প্ৰসাৰৰ ক্ষেত্ৰত যথেষ্ট গুৰুত্ব প্ৰদান কৰিছে। ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি, ২০২০ এ সেয়েহে বৃত্তিমূলক শিক্ষাৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ওপৰত অত্যধিক গুৰুত্ব আৰোপ কৰিছে।

**জানি থওঁ আহা**

- অসম চৰকাৰে এই পৰ্যন্ত ১৫০খন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত বৃত্তিমূলক শিক্ষা প্ৰদানৰ বাবে ব্যৱস্থা হাতত লৈছে।
- সমগ্ৰ ভাৰতৰ উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে ভৰ্তি হ'ব পৰাকৈ প্ৰায় ৬ হেজাৰ বিদ্যালয়ত ১৬০ টা বৃত্তিমূলক শিক্ষাৰ পাঠ্যক্ৰম প্ৰচলন কৰা হৈছে।

**ক্ৰিয়াকলাপ ঃ**

- পাঠত উল্লেখ কৰাৰ উপৰি আৰু কিছুমান বৃত্তিৰ বিষয়ে দলত আলোচনা কৰা। সেই বৃত্তিসমূহে মানুহক উপাৰ্জনশীল হোৱাত কেনেদৰে সহায় কৰে ব্যাখ্যা কৰা।

## মনত ৰাখিবলগীয়া কথা ঃ

- প্ৰাকৃতিক সম্পদ প্ৰচুৰ পৰিমাণে থাকিলে বা জনসংখ্যা বৃদ্ধি হ'লেই দেশৰ উৎপাদন বৃদ্ধি নাপায়।
- সুস্বাস্থ্যৰ অধিকাৰী যি ব্যক্তিয়ে শিক্ষা আৰু প্ৰশিক্ষণৰ দ্বাৰা কৌশলী আৰু দক্ষতাসম্পন্ন হৈ উৎপাদনমূলক কামত নিজকে জড়িত কৰে তেওঁকেই মানৱ সম্পদ বুলি কোৱা হয়।
- এজন বিশেষ প্ৰয়োজনসম্পন্ন মানুহো মানৱ সম্পদ হিচাপে বিবেচিত হ'ব পাৰে যদিহে শিক্ষা বা প্ৰশিক্ষণৰ জৰিয়তে তেওঁ কোনো উৎপাদন কাৰ্যত নিয়োজিত হয়।
- উৎপাদনৰ চাৰিটা মূল উপাদান আছে। সেয়া হ'ল ভূমি, শ্ৰম, মূলধন আৰু সংগঠন।
- যিমানেই মানৱ সম্পদৰ উন্নয়ন হয়, সিমানেই দেশে উৎপাদন কাৰ্যত সফলতা লাভ কৰে আৰু ৰাষ্ট্ৰীয় আয় বৃদ্ধি হয়।
- মানৱ সম্পদ উন্নয়নৰ মূল চালিকা শক্তি হৈছে স্বাস্থ্য, উপযুক্ত শিক্ষা আৰু প্ৰশিক্ষণ।
- যিবোৰ দিশ লক্ষ্য কৰিলে দেশ এখনৰ মানৱ সম্পদ উন্নয়নৰ আভাস পোৱা যায় সেইবোৰকে মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক বুলি কোৱা হয়।
- মানৱ সম্পদ উন্নয়নৰ কিছুমান উল্লেখযোগ্য নিৰ্দেশক হ'ল— শিক্ষাৰ হাৰ, জীৱনৰ প্ৰত্যাশা, জন্মকালীন শিশুৰ মৃত্যুৰ হাৰ, জনমূৰি আয়, বিদ্যালয়ত নামভৰ্তি আৰু বিদ্যালয় এৰাৰ হাৰ, প্ৰতিষেধক টিকাকৰণৰ হাৰ আদি।
- আনুষ্ঠানিক শিক্ষাৰ উপৰি যি শিক্ষাৰ দ্বাৰা উপাৰ্জনৰ পথ মুকলি হয় তাকে বৃত্তিমূলক শিক্ষা বোলে।
- বৃত্তিমূলক শিক্ষাই মানৱ সম্পদ উন্নয়নত বিশেষ ভূমিকা পালন কৰে।
- বৃত্তিমূলক শিক্ষাই মানুহক আৰ্থিকভাৱে আত্মনিৰ্ভৰশীল কৰিস্ব-নিয়োজনত অৰিহণা যোগায় আৰু নিবনুৱা সমস্যা লাঘৱ কৰাত সহায় কৰে।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) মানৱ সম্পদ কাক বোলে?

(খ) দেশৰ উৎপাদন কাৰ্যত কোনে অংশগ্ৰহণ কৰিব পাৰে?

(গ) মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক মানে কি?

(ঘ) বৃত্তিমূলক শিক্ষা কাক বোলে?

(ঙ) মানৱ সম্পদৰ মূল চালিকা শক্তি কি?

২। বহলাই আলোচনা কৰা —

(ক) মানৱ সম্পদ উন্নয়নৰ বাবে ল'বলগীয়া ব্যৱস্থাৱলী।

(খ) মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশকসমূহ।

(গ) মানৱ সম্পদ উন্নয়ন আৰু বৃত্তিমূলক শিক্ষাৰ মাজত থকা সম্পৰ্ক।

(ঘ) বৃত্তিমূলক শিক্ষাই কিদৰে নিবনুৱা সমস্যা লাঘৱ কৰাত সহায় কৰে?

৩। শুদ্ধ/অশুদ্ধ নিৰ্ণয় কৰা —

(ক) প্ৰাকৃতিক সম্পদৰ বৃদ্ধি হ'লেই দেশৰ উৎপাদন বৃদ্ধি হয়।

(খ) মানুহ মাত্ৰেই মানৱ সম্পদ নহয়।

(গ) জনসংখ্যা বৃদ্ধিয়েই মানৱ সম্পদৰ বৃদ্ধি হোৱা নুবুজায়।

(ঘ) উচ্চ জীৱন প্ৰত্যাশাই অনুন্নত মানৱ সম্পদক সূচায়।

(ঙ) ৰাষ্ট্ৰীয় আয়ৰ বৃদ্ধিয়ে দেশ এখন স্বাবলম্বী হোৱাত সহায় কৰে।

(চ) জন্মকালীন শিশুৰ মৃত্যুৰ হাৰে মানৱ সম্পদ উন্নয়নত বাধাৰ সৃষ্টি কৰে।

৪। খালী ঠাই পূৰ কৰা—

(ক) এখন দেশৰ উৎপাদন প্ৰক্ৰিয়াৰ এক অন্যতম কাৰক হ'ল ________ য'ত অংশগ্ৰহণ কৰিব পাৰে একমাত্ৰ ________।

(খ) ________ আয়ৰ বৃদ্ধিয়ে দেশ এখন ________ হোৱাত সহায় কৰে।

(গ) উচ্চ শিক্ষা গ্ৰহণ কৰাৰ পিছত ________ সকলো শিক্ষিত ব্যক্তিকে ________ যোগান ধৰাতো সম্ভৱ নহয়।

(ঘ) ________ শিক্ষা মানৱ সম্পদ উন্নয়নৰ ________ সোপান।

(ঙ) বৃত্তিমূলক শিক্ষাই মানুহক অকল ________ নকৰে তাৰ লগে লগে দেশৰ নিবনুৱা সমস্যা লাঘৱ কৰি ________ৰ পথ মুকলি হোৱাত সহায় কৰে।

৫। চমু টোকা লিখা —

(ক) মানৱ সম্পদ

(খ) মানৱ সম্পদ উন্নয়ন

(গ) মানৱ সম্পদ উন্নয়নৰ নিৰ্দেশক

(ঘ) বৃত্তিমূলক শিক্ষা

৬। প্ৰকল্প —

তোমাৰ নিজ অঞ্চলত জীৱিকা অৰ্জন কৰিবলৈ সক্ষম হোৱা পাঁচজন ভিন ভিন বৃত্তিধাৰী লোকৰ সাক্ষাৎকাৰ লৈ তেওঁলোকৰ জীৱিকা অৰ্জনত বৃত্তিমূলক শিক্ষাই কিদৰে অৰিহণা যোগাইছে সেই বিষয়ে একেটিকৈ চমু টোকা প্ৰস্তুত কৰা।

পাঠ-১০

# মানৱ সম্পদ উন্নয়নৰ প্ৰতিবন্ধকতাসমূহ আৰু চৰকাৰৰ ভূমিকা

Q3K6P7

**শিকনৰ ফলাফল ঃ**

- মানৱ সম্পদ উন্নয়নৰ প্ৰয়োজনীয়তাৰ বিষয়ে জানিব পাৰিব।
- মানৱ সম্পদ উন্নয়নৰ অসুবিধাসমূহ বুজিব পাৰিব।
- দেশৰ শিক্ষা, স্বাস্থ্য, কৰ্মসংস্থান আদিৰ ক্ষেত্ৰত চৰকাৰে হাতত লোৱা নতুন নতুন ব্যৱস্থাৰ বিষয়ে জানিব পাৰিব।
- মানৱ সম্পদ উন্নয়নত চৰকাৰৰ ভূমিকা সম্বন্ধে জ্ঞাত হ'ব।

পূৰ্ববৰ্তী পাঠত তোমালোকে মানৱ সম্পদ, মানৱ সম্পদ উন্নয়ন আৰু এই সম্পদৰ নিৰ্দেশকসমূহৰ বিষয়ে বিশদভাৱে পালা। এখন দেশৰ প্ৰতিজন নাগৰিকেই সম্পদ হিচাপে পৰিগণিত হোৱাৰ সুযোগ পাব লাগে। উন্নত দেশসমূহৰ উন্নতিৰ মূল চালিকা শক্তি হৈছে উন্নত মানৱ সম্পদ। কিন্তু ভাৰতৰ দৰে এখন বিশাল জনসংখ্যাৰ দেশত মানৱ সম্পদ বিকাশৰ সুবিধাসমূহ পৰ্যাপ্ত নহয়। কাৰণ জনসংখ্যাৰ হিচাপত আমাৰ দেশৰ উৎপাদন ব্যৱস্থা এতিয়াও সবল হৈ উঠা নাই যাৰ ফলত আমাৰ ৰাষ্ট্ৰীয় আয়ৰ পৰিমাণ উন্নত দেশৰ তুলনাত বহুগুণে কম। বৰ্তমান সমগ্ৰ বিশ্বৰ প্ৰতিখন দেশেই নিজৰ অৰ্থনৈতিক স্থিতি দৃঢ় কৰাৰ ক্ষেত্ৰত যথেষ্ট মনোনিৱেশ কৰিছে। এই ক্ষেত্ৰত আমাৰ দেশো পিছ হুহকি থকা নাই। দেশৰ উৎপাদন বৃদ্ধিত প্ৰাকৃতিক সম্পদৰ লগে লগে প্ৰয়োজন হয় উপযুক্ত আৰু কৌশলী মানৱ সম্পদৰ। আমাৰ চৰকাৰেও বৰ্তমান 'শিক্ষা মন্ত্ৰণালয়'ৰ জৰিয়তে এই দিশত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। মন কৰিবলগীয়া কথা এই যে চৰকাৰৰ ভিন্নমুখী প্ৰচেষ্টা সত্বেও আমাৰ দেশত মানৱ সম্পদ উন্নয়নৰ দিশটো ঠন ধৰি উঠিব পৰা নাই। এই প্ৰচেষ্টাৰ বাটত বহুতো কাৰকে অন্তৰায় হিচাপে থিয় দিছে। এই পাঠৰ জৰিয়তে মানৱ সম্পদৰ উন্নয়নৰ কিছুমান বিশেষ অসুবিধাৰ লগতে মানৱ সম্পদ উন্নয়নত চৰকাৰে লোৱা ভূমিকাসমূহৰ বিষয়ে আলোচনা কৰিম।

## মানৱ সম্পদ উন্নয়নৰ অসুবিধা ঃ

ইতিমধ্যে উল্লেখ কৰা হৈছে যে মানৱ সম্পদ উন্নয়নৰ পথত আমাৰ দেশত অনেক বাধা বা অসুবিধা আছে। এই অসুবিধাসমূহৰ ভিতৰত উল্লেখযোগ্য হ'ল অধিক জনসংখ্যা, মূলধন বা পুঁজিৰ অভাৱ, নিৰক্ষৰতা, দৰিদ্ৰতা, অন্ধবিশ্বাস, কুসংস্কাৰ, বিষমতা আদি। এই কাৰকবোৰৰ কাৰণে আমাৰ দেশৰ মানুহ উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি উঠিব পৰা নাই। আহাচোন, এই বিষয়ে চমুকৈ আলোচনা কৰোঁ।

### অধিক জনসংখ্যা ঃ

তোমালোকে ইতিমধ্যে পাই আহিছা যে অধিক জনসংখ্যাই আমাৰ দেশৰ উন্নয়নত যথেষ্ট বাধাৰ সৃষ্টি কৰিছে। উন্নয়নশীল ৰাষ্ট্ৰ হিচাপে সীমিত আয়েৰে অত্যধিক জনসংখ্যাক উপযুক্তভাৱে সা-

**জানি থওঁ আহা ঃ**

- ২০১১ চনৰ লোক গণনা মতে অসমৰ মুঠ জনসংখ্যা ৩,১১,৬৯,২৭২ জন।

উৎস ঃ ষ্টেটিচটিকেল হেণ্ডবুক অসম ২০১১, পৃষ্ঠা ৩

সুবিধা তথা শিক্ষা দি সম্পদলৈ ৰূপান্তৰ কৰাৰ পথ আমাৰ দেশৰ বাবে সহজসাধ্য নহয়। সেয়েহে অধিক জনসংখ্যা মানৱ সম্পদ উন্নয়নৰ এটা অন্যতম বাধা হিচাপে চিহ্নিত হৈছে। আমাৰ ৰাজ্য আৰু ৰাষ্ট্ৰ উভয়েই অধিক জনসংখ্যাৰ কবলত নিমজ্জিত। মানৱ সম্পদৰ উন্নয়ন ঘটাবলৈ হ'লে জনসংখ্যা বৃদ্ধিৰ এই দ্ৰুত হাৰ হ্ৰাস হ'ব লাগিব।

## মূলধন বা পুঁজিৰ অভাৱ ঃ

মূলধন বা পুঁজিৰ অভাৱ মানৱ সম্পদ উন্নয়নৰ ক্ষেত্ৰত আন এক উল্লেখযোগ্য বাধা। মানৱ সম্পদ উন্নয়নৰ আটাইতকৈ প্ৰয়োজনীয় কাৰক হ'ল শিক্ষা, স্বাস্থ্য আৰু আৰু অন্যান্য পৌৰ সুবিধাৰ ব্যৱস্থা। প্ৰাথমিক বিদ্যালয়ৰপৰা বিশ্ববিদ্যালয়, কাৰিকৰী আৰু বৃত্তিমুখী শিক্ষা প্ৰতিষ্ঠান, হস্পিতাল, খোৱাপানীৰ প্ৰকল্প, উন্নতমানৰ ৰাস্তা-ঘাট, দলং, নলা-নৰ্দমা আদি পৰিকাঠামো মানৱ সম্পদ উন্নয়নৰ ক্ষেত্ৰত অত্যন্ত প্ৰয়োজনীয়। কিন্তু মূলধন বা পুঁজিৰ অভাৱৰ কাৰণে আমাৰ দেশত বিশেষকৈ গাঁও অঞ্চলত প্ৰয়োজনৰ তুলনাত এই ব্যৱস্থাসমূহ সীমিত।

## দৰিদ্ৰতা ঃ

দৰিদ্ৰতা মানৱ সম্পদ উন্নয়নৰ অন্যতম বাধা। দৰিদ্ৰতাৰ বাবে আমাৰ দেশৰ এক বৃহৎসংখ্যক লোক শাৰীৰিক আৰু মানসিকভাৱে সবল হ'ব পৰা নাই। শাৰীৰিক আৰু মানসিক বিকাশৰ বাবে ক্ৰমে পুষ্টিকৰ খাদ্য আৰু উপযুক্ত শিক্ষাৰ প্ৰয়োজন যাৰ অভাৱে আমাৰ দেশৰ দৰিদ্ৰ লোকসকলক জুৰুলা কৰি আহিছে। ফলস্বৰূপে তেওঁলোকে আত্মমৰ্যাদা হেৰুৱাই ভাগ্যৰ ওপৰত বিশ্বাসী হয় আৰু নিজকে সেই অৱস্থাৰ পৰা উন্নীত কৰাৰ মানসিকতা হেৰুৱাই পেলায়।

## নিৰক্ষৰতা ঃ



নিৰক্ষৰতা মানৱ সমাজৰ বাবে এটা ডাঙৰ অভিশাপ। আমাৰ দেশৰ প্ৰায় ২৬ শতাংশ লোকেই নিৰক্ষৰ। নিৰক্ষৰতাই জ্ঞান, উপযুক্ততা, দক্ষতা, কাৰিকৰী কুশলতা আদিৰ বৃদ্ধিত বাধাৰ সৃষ্টি কৰে আৰু ই মানৱ সম্পদ গঢ় দিয়াত অন্তৰায় স্বৰূপ। নিৰক্ষৰ লোকসকল অতি সহজেই বিভিন্ন ধৰণৰ শোষণৰ বলি হয় যাৰ ফলত সমাজত আৰ্থ-সামাজিক বৈষম্য অতি প্ৰকট হৈ উঠে।

## অন্ধবিশ্বাস ঃ

মানৱ সম্পদ উন্নয়নৰ পথত আৰু এটা উল্লেখযোগ্য অন্তৰায় হৈছে **অন্ধবিশ্বাস**। বিজ্ঞান আৰু প্ৰযুক্তিয়ে আজি সমগ্ৰ বিশ্বৰ সামগ্ৰিক ছবি সলনি কৰি দিছে যদিও শিক্ষিত, অশিক্ষিত নিৰ্বিশেষে আমাৰ দেশৰ এক বৃহৎসংখ্যক লোক অন্ধবিশ্বাস আৰু কু-সংস্কাৰ বলি। এই লোকসকল বৈজ্ঞানিক আৰু পৰিৱৰ্তনশীল চিন্তাধাৰাৰ পৰিপন্থী যাৰ ফলত তেওঁলোক উন্নত মানৱ সম্পদ হিচাপে গঢ়ি উঠিব পৰা নাই।

## বিষমতা ঃ

বিভিন্ন ধৰণৰ বিষমতা মানৱ সম্পদ উন্নয়নৰ আন এটি বাধা। এখন সৰ্ববৃহৎ গণতান্ত্ৰিক দেশ হিচাপে ভাৰত আজি বিশ্বৰ সকলোৰে আগত পৰিচিত। কিন্তু গণতান্ত্ৰিক ব্যৱস্থা বা চিন্তাধাৰাইও আমাৰ দেশৰ লোকৰ মাজত ধৰ্মীয় বিষমতা, ভাষাভিত্তিক বিষমতা, জাতি আৰু গোষ্ঠীভিত্তিক বিষমতা, লিংগ বিষমতা আৰু অঞ্চলভিত্তিক বিষমতা আঁতৰ কৰিব পৰা নাই। এই বিষমতাসমূহে আজি মানুহৰ মাজত এনে এক পৰিস্থিতিৰ সৃষ্টি কৰিছে যিয়ে সমাজৰ প্ৰগতিৰ পথ ৰুদ্ধ কৰিছে।

**উত্তৰ লিখা ঃ**

- অধিক জনসংখ্যাই কিদৰে মানৱ সম্পদৰ উন্নয়নত বাধাৰ সৃষ্টি কৰে?
- শাৰীৰিক আৰু মানসিক বিকাশৰ কাৰণে কিহৰ প্ৰয়োজন?
- ভাৰতৰ কিমান শতাংশ লোক সাক্ষৰ?

**জানি থওঁ আহা ঃ**

- ডাইনী হত্যা এতিয়া আমাৰ ৰাজ্যৰ এক প্ৰাত্যহিক ঘটনাত পৰিণত হৈছে। এই হত্যাৰ কাৰণ একমাত্ৰ আমাৰ সমাজৰ প্ৰচলিত অন্ধবিশ্বাস।

**ক্ৰিয়াকলাপ ঃ**

- উল্লিখিত অসুবিধাসমূহৰ উপৰি আৰু ভালেমান অসুবিধা মানৱ সম্পদ উন্নয়নৰ ক্ষেত্ৰত বাধাস্বৰূপ হৈ আছে। তোমালোকে দলত ভাগ হৈ এনে কিছুমান বাধা বা অসুবিধাৰ একোখনকৈ তালিকা প্ৰস্তুত কৰা। (শিক্ষকৰ সহায় লʼবা)

## মানৱ সম্পদ উন্নয়নত চৰকাৰৰ ভূমিকা ঃ

ওপৰৰ আলোচনাৰপৰা তোমালোকে মানৱ সম্পদ উন্নয়নৰ অসুবিধাসমূহৰ বিষয়ে কিছু আভাস পালা। এতিয়া আমি এখন দেশৰ মানৱ সম্পদৰ উন্নয়নত সেই দেশৰ চৰকাৰৰ ভূমিকা সম্বন্ধে কিছু আলোচনা কৰোঁ আহা।

এখন দেশৰ মানৱ সম্পদ উন্নয়নত সেই দেশৰ চৰকাৰৰ ভূমিকা অপৰিসীম। চৰকাৰে গ্ৰহণ আৰু কাৰ্যকৰী কৰা সঠিক পৰিকল্পনাই মানৱ সম্পদ উন্নয়নৰ গতি ত্বৰান্বিত কৰে। কোন কোন দিশত চৰকাৰে সঠিক কৰ্মসূচী গ্ৰহণ কৰিলে মানৱ সম্পদৰ উন্নয়নৰ গতি খৰতকীয়া হʼব তাৰ এটি সংক্ষিপ্ত আলোচনা তলত কৰা হʼল।

## শিক্ষাক্ষেত্ৰ ঃ

শিক্ষাৰ অধিকাৰ আমাৰ অন্যতম মৌলিক অধিকাৰ। শিক্ষাক্ষেত্ৰৰ উন্নয়ন অবিহনে মানৱ সম্পদৰ উন্নয়ন অসম্ভৱ।



*সৰ্বভাৰতীয় কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান, গুৱাহাটী*
উৎস ঃ via Wikimedia Commons

উপযুক্ত শৈক্ষিক বাতাবৰণ গঢ়ি তোলাটো এখন দেশৰ চৰকাৰৰ অন্যতম দায়িত্ব। এই দায়িত্ব পালনৰ অৰ্থে আমাৰ চৰকাৰেও এক সবল শৈক্ষিক পৰিকাঠামো গঢ়ি তোলাৰ উদ্দেশ্যে নতুন নতুন বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়, কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান আদি স্থাপন কৰিছে। ২০০৯ চনৰপৰাই আমাৰ দেশত প্ৰৱৰ্তিত হৈছে শিক্ষাৰ অধিকাৰ আইন। এই আইন দেশৰ সৰ্বস্তৰত ফলপ্ৰসূ কৰাৰ অৰ্থে সৰ্বশিক্ষা অভিযান মিছন আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান মিছনক একত্ৰীত কৰি বৰ্তমান সমগ্ৰ শিক্ষা নামেৰে এক নতুন আঁচনি প্ৰৱৰ্তন কৰি শিক্ষাৰ সুদূৰ প্ৰসাৰী পৰিৱৰ্তনৰ চেষ্টা দ্ৰুতগতিত চলিছে যাতে উন্নত মানৱ সম্পদ গঢ়ি উঠাত কোনো অসুবিধা নাথাকে। ঠিক সেইদৰে উচ্চ শিক্ষা ক্ষেত্ৰতো চৰকাৰে দৃঢ় পদক্ষেপ লোৱা পৰিলক্ষিত হৈছে। চৰকাৰৰ এই প্ৰচেষ্টা সফল হʼলে অনতি পলমে আমাৰ দেশৰ মানৱ সম্পদে ঠন ধৰি উঠিব আৰু বিশ্বৰ উন্নত আৰু প্ৰভাৱশালী দেশসমূহৰ লগত ফেৰ মাৰিবলৈ সক্ষম হʼব। ৰাজ্যসমূহত বিভিন্ন স্তৰৰ বিদ্যালয়, মহাবিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, বিশ্ববিদ্যালয়, কেন্দ্ৰীয় বিশ্ববিদ্যালয়কে ধৰি বিভিন্ন কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান, উচ্চ শিক্ষা আৰু গৱেষণা প্ৰতিষ্ঠান আদি প্ৰতিষ্ঠা কৰি সৰ্বস্তৰৰ ছাত্ৰ-ছাত্ৰীৰ শিক্ষা লাভৰ বাবে বিভিন্ন সুবিধা প্ৰদান কৰিছে।



*ৰাষ্ট্ৰীয় কাৰিকৰী শিক্ষা প্ৰতিষ্ঠান, শিলচৰ*
উৎস ঃ via Wikimedia Commons

## স্বাস্থ্য আৰু খাদ্যক্ষেত্ৰ ঃ

সুস্থ মনৰ কাৰণে সুস্থ শৰীৰৰ প্ৰয়োজন। সুস্থ শৰীৰৰ বাবে প্ৰয়োজন হয় পুষ্টিকৰ খাদ্য আৰু উন্নত স্বাস্থ্য ব্যৱস্থা। মানৱ সম্পদ হিচাপে পৰিগণিত হ'বলৈ এজন মানুহ শাৰীৰিক আৰু মানসিকভাৱে সুস্থ আৰু সবল হ'বই লাগিব। এই দৃষ্টিভংগীক গুৰুত্ব দি আমাৰ চৰকাৰে স্বাস্থ্য ক্ষেত্ৰৰ উন্নতিৰ কাৰণে উপযুক্ত পৰিকাঠামো গঢ়ি তোলাৰ আপ্ৰাণ চেষ্টা কৰিছে। গাঁও, চহৰ সকলোকে সামৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, স্বাস্থ্য উপকেন্দ্ৰ, মহকুমা স্বাস্থ্য কেন্দ্ৰ, জিলা স্বাস্থ্য কেন্দ্ৰ আদি প্ৰতিষ্ঠা কৰিছে। তাৰ উপৰি ৰাজ্যিক আৰু কেন্দ্ৰীয় স্তৰত অতি উন্নত মানৰ হস্পিতাল স্থাপন কৰি আমাৰ চৰকাৰে স্বাস্থ্য সেৱাৰ ক্ষেত্ৰত এক অভূতপূৰ্ব পদক্ষেপ লোৱা পৰিলক্ষিত হৈছে। আধুনিক ভ্ৰাম্যমাণ হস্পিতালৰ দ্বাৰা যিকোনো মুহূৰ্তত মানুহক চিকিৎসা প্ৰদান কৰাৰ দৰে সুবিধাও এতিয়া উপলব্ধ হৈছে। ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান মিছনৰ অধীনত অনেক কাৰ্যসূচী গ্ৰহণ কৰি সমগ্ৰ দেশৰ মানুহক উন্নত স্বাস্থ্যৰ অধিকাৰী কৰাৰ যি লক্ষ্য চৰকাৰে গ্ৰহণ কৰিছে সেয়া আমাৰ উন্নত ভৱিষ্যতৰ মাপকাঠি বুলি নিশ্চিত হ'ব পাৰি। আগৰ শ্ৰেণীৰ পাঠ্যপুথিত তোমালোকে স্বাস্থ্যক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন কাৰ্যসূচীৰ বিষয়ে বিতংকৈ পাই আহিছা। কথাখিনি পুনৰ মনত পেলোৱা।



*ভ্ৰাম্যমাণ ম'বাইল হস্পিতাল*

মানুহৰ মৌলিক চাহিদাসমূহৰ ভিতৰত অন্যতম হৈছে খাদ্য। সুস্থ শাৰীৰিক বিকাশৰ অনেকখিনি নিৰ্ভৰ কৰে সুষম খাদ্যৰ ওপৰত। এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাপে আমাৰ দেশৰ ক্ষুধাৰ্ত আৰু দৰিদ্ৰ সীমাৰেখাৰ তলৰ জনসাধাৰণক উপযুক্ত পৰিমাণৰ সুষম খাদ্যৰ যোগান ধৰাটো চৰকাৰৰ অন্যতম কৰ্তব্য। এই দিশটোক গুৰুত্ব দি চৰকাৰে 'নূন্যতম মৌলিক চাহিদা কাৰ্যসূচী'ৰ অধীনত বিভিন্ন প্ৰকল্প গ্ৰহণ কৰি দেশ তথা ৰাজ্যৰ জনসাধাৰণক উপযুক্ত মানৱ সম্পদ হিচাপে পৰিণত কৰাৰ চেষ্টা কৰিছে। 'ৰাজহুৱা বিতৰণ ব্যৱস্থা' (Public Distribution System)ৰ অধীনত দেশৰ খাদ্য সামগ্ৰীসমূহ সকলো জনসাধাৰণে যাতে যথাযথ পৰিমাণে একে দৰত লাভ কৰিব পাৰে তাৰ বাবে জিলা প্ৰশাসনে ভাৰতীয় খাদ্য নিগম, সমবায় সমিতিসমূহ আৰু সুলভ মূল্যৰ দোকানসমূহৰ জৰিয়তে প্ৰয়োজনীয় ব্যৱস্থা হাতত লৈছে। যুদ্ধ-বিগ্ৰহৰ সময়ত বা যিকোনো প্ৰাকৃতিক দুৰ্যোগ যেনে— বানপানী, ভূমিকম্প, খৰাং বতৰ আদিৰ দৰে পৰিস্থিতিতো যাতে দেশৰ ধনী-দুখীয়া সমন্বিতে কোনো লোকেই খাদ্য সামগ্ৰীৰ যোগানৰপৰা বঞ্চিত হ'ব লগা নহয় তাৰ বাবেও চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰে। খাদ্য-সামগ্ৰীৰ অভাৱৰ ফলত অত্যাধিক মূল্যবৃদ্ধি, ভেজাল খাদ্য প্ৰস্তুতকৰণ, বয়-বস্তুৰ কৃত্ৰিম নাটনি আদি সমস্যাৰ সৃষ্টি হয়। সেয়েহে উপযুক্ত পৰিমাণে গুণসম্পন্ন খাদ্য সামগ্ৰী মজুত কৰি ৰখাটো চৰকাৰৰ এখনৰ এটা গুৰু দায়িত্ব। দেশ এখনৰ জনসংখ্যা অনুপাতে খাদ্য সামগ্ৰীৰ উৎপাদন আৰু তাৰ যথাযথ সংৰক্ষণ কৰি সময় আৰু প্ৰয়োজন অনুসাৰে জনসাধাৰণক খাদ্য বস্তুৰ যোগান ধৰিব পৰা কাৰ্যটোকে আমি **খাদ্য সুৰক্ষা** বুলি কওঁ। মানৱ সম্পদৰ বিকাশৰ বাবে চৰকাৰে খাদ্য সুৰক্ষাৰ ব্যৱস্থা কৰাটো নিতান্তই প্ৰয়োজনীয়।



## কৰ্মসংস্থান ক্ষেত্ৰ ঃ

আৰ্থিক উন্নতি অবিহনে সমাজৰ সামগ্ৰিক উন্নতিৰ কথা ভাবিব নোৱাৰি। আৰ্থিক উন্নতিৰ বাবে প্ৰয়োজন হয় উপযুক্ত কৰ্মসংস্থানৰ সুযোগ সৃষ্টি কৰা। উন্নত মানৱ সম্পদ গঢ়াৰ স্বাৰ্থত আমাৰ চৰকাৰে বিভিন্ন নিয়োগজনিত কৰ্মসূচী হাতত লোৱা পৰিলক্ষিত হৈছে। ইয়াৰ ভিতৰত গ্ৰামাঞ্চলৰ বাবে উল্লেখযোগ্য কৰ্মসূচী হ'ল মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আঁচনি (MGNREGA) আৰু চহৰ অঞ্চলৰ বাবে প্ৰধানমন্ত্ৰী কৰ্মসংস্থান নিশ্চিতকৰণ কৰ্মসূচী (PMEGP) আদি। স্ব-নিয়োজনৰ বাবে বিভিন্ন ধৰণৰ প্ৰশিক্ষণ প্ৰদান কৰিও কৰ্মসংস্থান ক্ষেত্ৰৰ উন্নতি সাধন কৰিব পৰা যায়। প্ৰাকৃতিক সম্পদত অসম বেছ চহকী। এই দিশটোক গুৰুত্ব দি চৰকাৰে যদি ৰাজ্যখনত অধিক উদ্যোগ প্ৰতিষ্ঠাত আগভাগ লয় তেনেহলে অসমত কৰ্মসংস্থানৰ সুবিধা বাঢ়িব। তদুপৰি বৰ্তমান ৰাজ্য চৰকাৰে গ্ৰহণ কৰা বিভিন্ন আঁচনিসমূহৰ জৰিয়তে নিবনুৱা যুৱক-যুৱতীৰ কৰ্মসংস্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই বিষয়ে তোমালোকে পিছত বহলাই পাবা।



এনৰেগাৰ অধীনত কৰ্মৰত লোক

via Wikimedia Commons

## অন্যান্য পৰিসেৱা ক্ষেত্ৰ ঃ

ওপৰত উল্লিখিত ক্ষেত্ৰসমূহৰ উপৰি আৰু কিছুমান ক্ষেত্ৰ আছে যিবিলাকৰ দ্বাৰা মানৱ সম্পদ উন্নয়নত সহায় হয়। আমাৰ চৰকাৰে নিজস্ব বিভাগ, বেচৰকাৰী সংগঠন আৰু আত্মসহায়ক গোষ্ঠীৰ সহায়ত বৃত্তিমূলক শিক্ষাৰ কৰ্মশালাৰ আয়োজন কৰি বিভিন্ন সুবিধা প্ৰদান কৰিব পাৰে। চৰকাৰ তথা বিভিন্ন বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ দ্বাৰা ৰেহাইসহ ঋণ দান তথা বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী, যেনে— ৰিক্সা, অ'টো ৰিক্সা, ঠেলা, ট্ৰেক্টৰ, চিলাই মেচিন, পাৱাৰ টিলাৰ, গাড়ী আদি হিতাধিকাৰীৰ মাজত বিতৰণ কৰি স্বাৱলম্বীকৰণৰ দ্বাৰা মানুহক সম্পদ হিচাপে পৰিণত কৰাৰ চেষ্টা উপলব্ধ হৈছে।

### ক্ৰিয়াকলাপ ঃ

- তোমালোকে নিজকে মানৱ সম্পদ হিচাপে গঢ়ি তুলিবলৈ কি লক্ষ্য স্থিৰ কৰিবা দলত আলোচনা কৰি এটিকৈ টোকা প্ৰস্তুত কৰা।

### উত্তৰ লিখা ঃ

- কোন চনত আমাৰ দেশত শিক্ষাৰ অধিকাৰ আইন গৃহীত হৈছে?
- সুস্থ মনৰ বাবে মানুহক কিহৰ প্ৰয়োজন হয়?
- মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰামীণ নিয়োগ নিশ্চিতকৰণ আঁচনিখন কোন অঞ্চলৰ মানুহৰ কৰ্মসংস্থানৰ বাবে গ্ৰহণ কৰা হৈছে?
- আমাৰ মৌলিক চাহিদাসমূহৰ ভিতৰত অন্যতম চাহিদাটো কি?

ওপৰৰ আলোচনাৰ পৰা তোমালোকে মানৱ সম্পদ উন্নয়নত চৰকাৰী ব্যৱস্থাসমূহৰ বিষয়ে জানিব পাৰিলা। ইয়াৰ উপৰি মানৱ সম্পদ উন্নয়নত চৰকাৰৰ ভূমিকা কিমান গুৰুত্বপূৰ্ণ তাৰ বিষয়েও কিছু আভাস পালা। এখন কল্যাণকামী ৰাষ্ট্ৰ হিচাপে স্বাধীনতাৰ পিছৰপৰাই আমাৰ দেশে আজি পৰ্যন্ত মানৱ সম্পদ উন্নয়নৰ ক্ষেত্ৰত অলেখ কৰ্মসূচী আৰু পৰিকল্পনা গ্ৰহণ কৰিছে। যাৰ ফলস্বৰূপে আজি আমাৰ দেশে কিছু কিছু দিশত বিশ্বৰ উন্নত দেশসমূহৰ লগত সমানে খোজ মিলাব পৰা হৈছে। দুখৰ বিষয় যে ইমানখিনিৰ পিছতো আমাৰ দেশৰ এক বিশাল সংখ্যক জনসাধাৰণ এই

কৰ্মসূচীসমূহৰ সুফলৰপৰা বঞ্চিত। কিন্তু দেশৰ সামগ্রিক ভেটি সুদৃঢ় কৰাৰ যি লক্ষ্য ঠাৱৰ কৰা হৈছে তাক পূৰ্ণ কৰিবলৈ হ'লে আমি সকলোৱে নিজকে একো একোজন উন্নত মানৱ সম্পদত পৰিণত কৰিবলৈ চেষ্টা কৰিব লাগিব। এই ক্ষেত্ৰত লক্ষণীয় বিষয় এই যে চৰকাৰৰ সহযোগিতাৰ লগতে আমিও নিজকে সচেতন কৰিব লাগিব যাতে ভৱিষ্যতে আমি আমাৰ দেশ আৰু নিজক লৈ বিশ্বৰ আগত গৰ্ববোধ কৰিব পাৰো।

## মনত ৰাখিবলগীয়া কথা ঃ

- অধিক জনসংখ্যা, মূলধন বা পুঁজিৰ অভাৱ, দৰিদ্ৰতা, নিৰক্ষৰতা, অন্ধবিশ্বাস, বিভিন্ন ধৰণৰ বিষমতা আদি মানৱ সম্পদ উন্নয়নৰ বাধাস্বৰূপ।
- মানৱ সম্পদ উন্নয়নৰ অন্যতম প্ৰয়োজন হৈছে শিক্ষা, স্বাস্থ্য আৰু পৌৰ সুবিধা।
- নিৰক্ষৰ লোকসকল অতি সহজে বিভিন্ন ধৰণৰ শোষণৰ বলি হয়।
- ২০০৯ চনৰপৰাই আমাৰ দেশত প্ৰৱৰ্তিত হৈছে শিক্ষাৰ অধিকাৰ আইন।
- অন্ধবিশ্বাসী মানুহ বৈজ্ঞানিক আৰু পৰিৱৰ্তনশীল চিন্তাধাৰাৰ পৰিপন্থী।
- সম্প্ৰতি আধুনিক ভ্ৰাম্যমাণ হস্পিতালৰ দ্বাৰা যিকোনো মুহূৰ্ততে মানুহক চিকিৎসা প্ৰদান কৰাৰ দৰে সুবিধা উপলব্ধ হৈছে।
- ৰাষ্ট্ৰীয় স্বাস্থ্য অভিযান মিছনৰ অধীনত অনেক কৰ্মসূচী গ্ৰহণ কৰি সমগ্ৰ দেশৰ মানুহক উন্নত স্বাস্থ্যৰ অধিকাৰী কৰাৰ লক্ষ্য চৰকাৰে গ্ৰহণ কৰিছে।
- সৰ্বশিক্ষা অভিযান মিছন আৰু ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান মিছনৰ জৰিয়তে চৰকাৰে প্ৰাথমিকৰপৰা মাধ্যমিক স্তৰ পৰ্যন্ত শিক্ষা ক্ষেত্ৰত পৰিৱৰ্তন অনাৰ চেষ্টা কৰিছে।
- উপযুক্ত পৰিমাণে গুণসম্পন্ন খাদ্য-সামগ্ৰী মজুত কৰি ৰখাটো চৰকাৰ এখনৰ এটা গুৰু দায়িত্ব।
- দেশৰ ক্ষুধাৰ্ত আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত বাস কৰা লোকসকলক উপযুক্ত পৰিমাণৰ সুষম খাদ্যৰ যোগান ধৰাটো চৰকাৰৰ কৰ্তব্য।
- বৃত্তিমূলক কৰ্মশালাৰ আয়োজন, ৰেহাইসহ ঋণদান তথা বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী বিতৰণৰ দ্বাৰা চৰকাৰে দেশৰ জনসাধাৰণক স্ব-নিৰ্ভৰশীল কৰি উপযুক্ত মানৱ সম্পদত পৰিণত কৰাৰ চেষ্টা কৰিছে।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) মানৱ সম্পদ উন্নয়নৰ বাধাসমূহ কি কি?

(খ) যিকোনো তিনিপ্ৰকাৰৰ বিষমতাৰ নাম উল্লেখ কৰা।

(গ) বৰ্তমান অসমত কেইখন চিকিৎসা মহাবিদ্যালয় আছে?

(ঘ) অসমৰ ৰাষ্ট্ৰীয় কাৰিকৰী শিক্ষা প্ৰতিষ্ঠানখন ক'ত অৱস্থিত?

(ঙ) সুস্থ শৰীৰৰ বাবে মানুহক কিহৰ প্ৰয়োজন হয়?

২। আলোচনা কৰা—

(ক) মানৱ সম্পদ উন্নয়নৰ অসুবিধাসমূহ দূৰ কৰাৰ বাবে কেইটামান উল্লেখযোগ্য পৰামৰ্শ।

(খ) মানৱ সম্পদ উন্নয়নত চৰকাৰৰ ভূমিকা।

(গ) দৰিদ্ৰতা আৰু মানৱ সম্পদ উন্নয়নৰ মাজত থকা সম্পৰ্ক।

(ঘ) নিৰক্ষৰতাই কিদৰে মানৱ সম্পদৰ বিকাশত বাধাৰ সৃষ্টি কৰে?

(ঙ) অন্ধবিশ্বাস তথা কু-সংস্কাৰে মানৱ সম্পদৰ বিকাশত কেনেদৰে প্ৰভাৱ পেলায়?

৩। খালী ঠাই পূৰ কৰা—

(ক) মানৱ সম্পদ উন্নয়নৰ অন্যতম প্ৰয়োজন হৈছে ________, স্বাস্থ্য আৰু পৌৰ সুবিধা।

(খ) ________ লোকসকল অতি সহজে বিভিন্ন ধৰণৰ শোষণৰ বলি হয়।

(গ) শিক্ষাৰ অধিকাৰ আমাৰ অন্যতম ________ অধিকাৰ।

(ঘ) ________ চনৰপৰাই আমাৰ দেশত শিক্ষাৰ অধিকাৰ আইন প্ৰবৰ্তন কৰা হৈছে।

(ঙ) চৰকাৰে গ্ৰহণ আৰু কাৰ্যকৰী কৰা সঠিক পৰিকল্পনাই মানৱ সম্পদ উন্নয়নৰ গতি ________ কৰে।

(চ) উপযুক্ত শৈক্ষিক ________ গঢ়ি তোলাটো এখন দেশৰ চৰকাৰৰ অন্যতম দায়িত্ব।

৪। তোমাৰ ওচৰত বসবাস কৰা চাৰি/পাঁচজন মানুহৰ জীৱনত ঘটা অন্ধবিশ্বাসৰ কোনো চাক্ষুস ঘটনাৰ অভিজ্ঞতা সংগ্ৰহ কৰা। অন্ধবিশ্বাস আঁতৰ কৰিবলৈ তুমি কি কি ব্যৱস্থা হাতত ল'বা বৰ্ণনা কৰা।

# পাঠ - ১১

# আৰ্থ-সামাজিক উন্নয়নত বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকা

V8N3B1

**শিকনৰ ফলাফল ঃ**

- আৰ্থ-সামাজিক উন্নয়ন মানে কি, সেই বিষয়ে অৱগত হ'ব।
- আৰ্থ-সামাজিক উন্নয়নত বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভূমিকাৰ বিষয়ে জানিব পাৰিব।
- উত্তৰ-পূব ভাৰতৰ আৰ্থ-সামাজিক উন্নয়নত নেড্‌ফি (NEDFi), এন ই চি (NEC) আদিৰ কাম-কাজ সম্পৰ্কে ধাৰণা লাভ কৰিব।
- আত্মসহায়ক গোটৰ ধাৰণা, প্ৰয়োজনীয়তা আৰু বিভিন্ন আঁচনি সম্পৰ্কে জানিব।

সপ্তম শ্ৰেণীৰ পাঠত অৰ্থনৈতিক উন্নয়নত চৰকাৰৰ ভূমিকা সম্পৰ্কে তোমালোকে ইতিমধ্যে কিছু আভাস পাইছা। দেশৰ উন্নয়ন আৰু জনসাধাৰণৰ কল্যাণ সাধন কৰাটোৱেই হ'ল চৰকাৰ এখনৰ মূল লক্ষ্য। দেশ এখনৰ ঘৰুৱা উৎপাদন বৃদ্ধিয়ে আৰ্থিক উন্নয়ন সাধনকে নিৰ্দেশ কৰে। উৎপাদন বৃদ্ধি হোৱা মানে দেশৰ আয় বৃদ্ধি হোৱা। এখন দেশৰ কোনো এক নিৰ্দিষ্ট বৰ্ষত বিভিন্ন অৰ্থনৈতিক খণ্ডসমূহত উৎপাদিত চূড়ান্ত দ্ৰব্য আৰু সেৱাৰ মুদ্ৰাগত মূল্যক দেশখনৰ ৰাষ্ট্ৰীয় আয় বোলে। ৰাষ্ট্ৰীয় আয়ক দেশখনত কোনো এক নিৰ্দিষ্ট বৰ্ষত উৎপাদনৰ উপাদানসমূহৰ (ভূমি, শ্ৰম, মূলধন আৰু সংগঠন) আয়ৰ সমষ্টি হিচাপেও প্ৰকাশ কৰা হয়। দেশত জনসংখ্যা বৃদ্ধিৰ হাৰতকৈ ৰাষ্ট্ৰীয় আয় বৃদ্ধিৰ হাৰ অধিক হ'লে জনমূৰি আয় বৃদ্ধি পায়। বৰ্ধিত জনমূৰি আয় হ'ল দেশত আৰ্থিক উন্নয়নৰ আন এটা সূচক। তোমালোকে পাই আহিছা ৰাস্তা-ঘাট, দলং, গৃহ, যাতায়াত, যোগাযোগ, জনশিক্ষা, খোৱাপানীৰ সুব্যৱস্থা, চিকিৎসালয়, বিদ্যালয়, অনাময়, বিজুলী যোগান, টেলিফোন, বেংক বীমা আদি বিত্তীয় প্ৰতিষ্ঠানৰ সেৱা আদি ব্যৱস্থাবোৰে দেশ এখনৰ অৰ্থনৈতিক উন্নয়ন খৰতকীয়া কৰাত অৰিহণা যোগায়। এই ব্যৱস্থাবোৰৰ কিছুমানে উৎপাদন কাৰ্যপ্ৰণালীক প্ৰত্যক্ষভাৱে প্ৰভাৱিত কৰে। আনহাতে আনবোৰে দেশত সামাজিক খণ্ড গঠনত পৰোক্ষভাৱে প্ৰভাৱিত কৰে। মুঠৰ ওপৰত আন্তঃগাঁথনিয়ে উৎপাদন বৃদ্ধিত সহায় কৰে। ওপৰত উল্লিখিত ব্যৱস্থাসমূহৰ সুফল সৰ্বস্তৰৰ মানুহে সমানে ভোগ কৰিব পাৰিলেহে দেশ এখনৰ সামগ্ৰিক উন্নয়ন সম্ভৱ হ'ব পাৰে। অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক উন্নয়ন (সংক্ষেপতে আৰ্থ- সামাজিক উন্নয়ন) আকৌ পৰস্পৰ নিৰ্ভৰশীল। ইয়াৰ যিকোনো এটাৰ অবিহনে উন্নয়নৰ কথা ভাবিব নোৱাৰি।

**জানি থওঁ আহা ঃ**

- চূড়ান্ত দ্ৰব্যবোৰ প্ৰত্যক্ষভাৱে উপভোগ কৰিবলৈ উৎপাদন কৰা হয়। আন দ্ৰব্য বা সেৱা উৎপাদনৰ বাবে এইসমূহ সামগ্ৰী ব্যৱহৃত নহয়, যেনে- ম'বাইল ফোন, টি ভি, সাজ-পোছাক, খাদ্যবস্তু ইত্যাদি।

আৰ্থ-সামাজিক উন্নয়নৰ বাবে চৰকাৰ এখনে বিভিন্ন ধৰণৰ কাৰ্যসূচী, আঁচনি আদি গ্ৰহণ কৰে আৰু তাক কাৰ্যকৰী কৰে। এইধৰণৰ কাম কৰিবলৈ জনসাধাৰণৰ ওচৰত এখন চৰকাৰ (বিশেষকৈ গণতান্ত্ৰিক চৰকাৰ) দায়বদ্ধ। ইয়াৰ উপৰি চৰকাৰৰ দ্বাৰা অনুমোদিত বা স্বীকৃত অন্যান্য সংস্থা, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানসমূহেও দেশৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে বিভিন্ন কাম-কাজ কৰে। এই পাঠৰ জৰিয়তে আমাৰ দেশ তথা ৰাজ্যৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে বিত্তীয়

অনুষ্ঠান-প্ৰতিষ্ঠানে লোৱা ভূমিকাৰ বিষয়ে কিছু কথা জানি লওঁ আহা।

এটা কথা তোমালোকে নিশ্চয় জানা বা আনৰ মুখৰপৰা শুনিছা যে আপদ-বিপদৰ সময়ত মানুহে মহাজন বা অন্য ব্যক্তিৰপৰা টকা ধাৰ লয়। ধাৰ লোৱা টকাক ঋণ বুলিও কোৱা হয়। এই ঋণৰ বাবদ ধাৰ দিওতাসকলে ধাৰ লওঁতাসকলৰপৰা মোটা অংকৰ সুদ আদায় কৰে। এটা সময়ত কাবুলৰপৰা অহা লোকসকলে আমাৰ ইয়াত সুদৰ ব্যৱসায়ত জড়িত হোৱা আমি প্ৰত্যক্ষ কৰিছিলোঁ। আজিকালি অৱশ্যে এই লোকসকলক কমকৈ চকুত পৰে। এই ধৰণৰ ব্যৱসায়ীসকলে চৰকাৰী নীতি-নিৰ্দেশনাৰ বিপৰীতে নিজাববীয়াকৈ ধাৰে দিয়া টকাৰ সুদৰ পৰিমাণ নিৰ্ধাৰণ কৰে। বিপদগ্ৰস্ত মানুহে এই ব্যক্তিসকলৰপৰা বিপদৰপৰা পৰিত্ৰাণ পাবলৈ বেছি সুদত ঋণ লৈ পিছত ঘুৰাব নোৱাৰি সৰ্বস্বান্ত হোৱাৰ নজিৰ আমাৰ সমাজত কম নহয়। আমাৰ ৰাজ্যৰ বহু অঞ্চলৰ দুখীয়া জনসাধাৰণৰ মাজত এনে ধৰণৰ অসুৰক্ষিত ব্যৱস্থা এতিয়াও বিলোপ হোৱা নাই।



পিচে সময় আগবঢ়াৰ লগে লগে আমাৰ সমাজ ক্ৰমশঃ নতুনৰ দিশে অগ্ৰসৰ হ'ল। একে ধৰণৰ জীৱন-ধাৰণ প্ৰক্ৰিয়াতে মানুহ সীমাবদ্ধ হৈ নাথাকিল। আৰ্থ-সামাজিক, সাংস্কৃতিক, ৰাজনৈতিক আদি সকলো দিশতে ব্যাপক পৰিৱৰ্তন পৰিলক্ষিত হ'ল। এই পৰিৱৰ্তনকামী মানসিকতাই সমগ্ৰ বিশ্বতে সুদূৰপ্ৰসাৰী প্ৰভাৱ বিস্তাৰ কৰিলে। এখন ৰাষ্ট্ৰই পৰিচালনা কৰা বিভিন্ন দিশসমূহতো নতুন নতুন চিন্তাৰ সংযোজন ঘটিল। ফলস্বৰূপে পুৰণি নীতি-নিয়মৰ উত্তৰণ ঘটাই সকলো দিশতে নতুন নীতি-নিয়ম, বিধি-ব্যৱস্থাৰ সৃষ্টি হ'ল। শিক্ষা, স্বাস্থ্য, যাতায়াত, যোগাযোগ আদিৰ দৰে গুৰুত্বপূৰ্ণ ব্যৱস্থাৰ লগতে বিত্তীয় ব্যৱস্থাটো ইয়াৰ প্ৰতিফলন ঘটিল। ফলস্বৰূপে এই ব্যৱস্থাৰ অধীনত গঢ় লৈ উঠিল বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান যাক আমি বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠান বুলি জানো। বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানসমূহে দেশৰ সামগ্ৰিক উন্নয়ন প্ৰক্ৰিয়াক খৰতকীয়া কৰাত আগভাগ লয়।

### জানি থওঁ আহা ঃ

- কোনো অৰ্থব্যৱস্থাত যিবোৰ উৎপাদনকাৰী গোটৰ আৰ্জিত আয়তকৈ ব্যয়ৰ পৰিমাণ কম হয়, সেইসমূহক ৰাহিগোট বোলা হয়। আনহাতে যিবোৰ উৎপাদনকাৰী গোটৰ আৰ্জিত আয়ৰ পৰিমাণ ব্যয়ৰ তুলনাত কম হয়, সেইবোৰক ঘাটি গোট বোলা হয়।
- যি ব্যৱস্থাই ৰাহি গোটৰপৰা সঞ্চিত ধন ঘাটি গোটলৈ স্থানান্তৰিত কৰাৰ ক্ষেত্ৰত মাধ্যম হিচাপে কাৰ্য সম্পাদন কৰে তাকেই বিত্তীয় ব্যৱস্থা বোলা হয়। বিত্তীয় ব্যৱস্থাৰ উপাদানবোৰ (ক) বিত্তীয় অনুষ্ঠান- প্ৰতিষ্ঠান (খ) বিত্তীয় সম্পদ (গ) বিত্তীয় বজাৰ আৰু (ঘ) বিত্তীয় সেৱা হিচাপে চাৰি ভাগত বিভক্ত। এই ভাগবোৰৰ প্ৰত্যেককে আকৌ কিছুমান উপভাগত ভগাব পাৰি।

### উত্তৰ লিখা ঃ

- দেশ এখনৰ ঘৰুৱা উৎপাদন বৃদ্ধিয়ে কি নিৰ্দেশ কৰে?
- ৰাষ্ট্ৰীয় আয় মানে কি?
- এখন দেশত জনমূৰি আয় কেতিয়া বৃদ্ধি হয়?
- উৎপাদন বৃদ্ধিৰ ফলত কি বৃদ্ধি পায়?
- ধাৰে দিয়া টকাৰ বিনিময়ত ব্যৱসায়ীয়ে কি আদায় কৰে?

এখন দেশৰ বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে বিভিন্ন ধৰণৰ যেনে- হ্ৰস্বকালীন, মধ্যকালীন আৰু দীৰ্ঘকালীন আদি ঋণৰ যোগান ধৰি মানুহক উৎপাদনক্ষম আৰু আত্মনিৰ্ভৰশীল কৰাত অভূতপূৰ্ব অৰিহণা যোগায়। আধুনিক অৰ্থ ব্যৱস্থাত

ঋণৰ ভূমিকা অন্যতম। ভৱিষ্যতে তোমালোকে এই বিষয়ে বিশদভাৱে জানিব পাৰিবা। তলৰ আলোচনাত কেতবোৰ গুৰুত্বপূৰ্ণ বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ কাৰ্যাৱলীৰ বিষয়ে কিছু আভাস দিয়া হ'ল।

### বেংক ঃ

দেশৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে চৰকাৰী আৰু ব্যক্তিগতভাৱে গঠন কৰা বিভিন্ন বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভিতৰত **বেংক** হৈছে আটাইতকৈ উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ অনুষ্ঠান। অৰ্থনৈতিক উন্নয়নৰ বাবে কিছুমান মৌলিক সা-সুবিধাৰ প্ৰয়োজন হয় যিবোৰ সা-সুবিধা বেংকে যোগান ধৰিব পাৰে। কিছুমান বেংকে নিৰ্ধাৰিত নীতি-নিয়মৰ ভিত্তিত সমাজৰ সকলো শ্ৰেণীৰ নাগৰিকক ইয়াৰ গ্ৰাহক হোৱাৰ সুবিধা প্ৰদান কৰে। গ্ৰাহকসকলক **সঞ্চয়কাৰী বা আমানতকাৰী** বুলিও কোৱা হয়। তেওঁলোকে নিজৰ ধন বেংকত সঞ্চয় কৰে। সঞ্চয়ৰ প্ৰতি আগ্ৰহ জন্মাবলৈ বেংকে গ্ৰাহকসকলক বিভিন্ন ধৰণৰ সঞ্চয় আঁচনি আগবঢ়ায়। সঞ্চিত ধনৰ ওপৰত বেংকে সময়ে সময়ে গ্ৰাহকসকলক সুদ প্ৰদান কৰে। গ্ৰাহকসকলৰ দ্বাৰা সঞ্চিত ধন বেংকে জনসাধাৰণক বিভিন্ন কাৰণত ঋণ হিচাপে আগবঢ়ায়। এনেদৰে বেংকে সঞ্চয়কাৰী আৰু বিনিয়োগকাৰীৰ মাজত এক যোগসূত্ৰ স্থাপন কৰে। বেংকৰ বিধি ব্যৱস্থা সুৰক্ষিত আৰু নিৰ্ভৰযোগ্য। কোনো ধৰণৰ গ্ৰাহক বেংকৰ দ্বাৰা কেতিয়াও প্ৰতাৰিত নহয়। পাঠৰ আগছোৱাত উল্লেখ কৰা মহাজন বা সুদৰ ব্যৱসায়ীসকলে ঋণ দিয়াৰ নামত মানুহক শোষণ কৰাৰ বিভিন্ন উপায় অৱলম্বন কৰে। আনকি শিক্ষিত লোকসকলো এনে প্ৰবঞ্চনাৰপৰা হাত সাৰি নাযায়। তাৰ বিপৰীতে বেংক ব্যৱস্থাই সম্পূৰ্ণ বিশ্বাসযোগ্যতাৰে মানুহক ঋণ প্ৰদান কৰি আৰ্থিকভাৱে সচ্ছল আৰু কৰ্মক্ষম হোৱাত প্ৰেৰণা যোগায়। প্ৰয়োজন সাপেক্ষে ব্যক্তি আৰু সমাজৰ স্বাৰ্থত ঋণৰ বাবদ ধাৰ্য কৰা সুদৰপৰা ৰেহাই দি মানুহক উৎপাদনমুখী কামত জড়িত কৰাৰ দৰে দায়িত্বও বেংকে পালন কৰে। এক কথাত ক'বলৈ হ'লে এখন দেশৰ অৰ্থনৈতিক দিশৰ উন্নয়নত বেংক ব্যৱস্থাৰ ভূমিকা অপৰিহাৰ্য।

> **জানি থওঁ আহা ঃ**
>
> ✦ ভাৰতবৰ্ষত ১৭৭০ চনত প্ৰথম বেংক স্থাপন কৰা হৈছিল। এই বেংকটোৰ নাম আছিল বেংক অব হিন্দুস্থান (Bank of Hindusthan)।
>
> ✦ অসমত ১৯২৬ চনত থলুৱা প্ৰচেষ্টাত গঢ় লৈ উঠা অসমৰ বেংকটো হ'ল গুৱাহাটী বেংক।
>
> *উৎস ঃ উচ্চতৰ মাধ্যমিক অৰ্থবিজ্ঞান, অধ্যাপক দিলীপ কুমাৰ বৰুৱা আৰু ইন্দিৰা বৰুৱা*

অৰ্থনৈতিক ক্ষেত্ৰসমূহৰ অন্তৰ্গত বিভিন্ন খণ্ডসমূহৰ গুণগত বিকাশৰ বাবে উৎপাদনকাৰীক প্ৰয়োজন হয় বৃহৎ পৰিমাণৰ পুঁজি বা মূলধনৰ। চৰকাৰী সাহায্য অবিহনে কোনো ব্যক্তিয়ে নিজৰ ফালৰপৰা বৃহৎ পুঁজি বিনিয়োগ কৰিব নোৱাৰে। বেংকে এইসকল বিনিয়োগকাৰীক ঋণ প্ৰদান কৰি উৎসাহিত কৰে যাতে তেওঁলোকৰ দ্বাৰা উৎপাদিত সামগ্ৰী বা সেৱাৰ সুফল সকলো মানুহে লাভ কৰিব পাৰে।

আৰ্থ-সামাজিক দিশৰ বিভিন্ন ক্ষেত্ৰ যেনে কৃষি, উদ্যোগ, বাণিজ্য আদিৰ বিকাশৰ বাবে বিত্তীয় লেনদেন তথা ঋণৰ যোগান ধৰাটো এক অত্যাৱশ্যকীয় প্ৰক্ৰিয়া। আমাৰ দেশৰ বিভিন্ন ক্ষেত্ৰত উন্নয়নৰ বাবে ভিন্ন প্ৰকাৰৰ বেংক ব্যৱস্থা আছে। এইবোৰৰ ভিতৰত কেন্দ্ৰীয় বেংক, বাণিজ্যিক বেংক, ঔদ্যোগিক আৰু বিনিয়োগ বেংক, সমবায় বেংক, ভূমি বন্ধকী বেংক আদিয়ে প্ৰধান। তলৰ আলোচনাৰপৰা আমাৰ দেশৰ কেতবোৰ উল্লেখযোগ্য বেংকৰ কাৰ্যাৱলীৰ বিষয়ে কিছু কথা জানি থওঁ আহা।



ভাৰতীয় ৰিজাৰ্ভ বেংক
উৎস ঃ via Wikimedia Commons

### কেন্দ্ৰীয় বেংক (Central Bank) ঃ

এখন দেশৰ সমগ্ৰ বেংক ব্যৱস্থাটোৰ মুৰব্বী বা শীৰ্ষস্থানীয় বেংকটোৱেই হ'ল **কেন্দ্ৰীয় বেংক**। এখন সহটকীয়া বা বিছটকীয়া নোট উলিয়াই লৈ ভালদৰে লক্ষ্য কৰাচোন তাত কি বেংকৰ নাম

লিখা আছে। ৰিজাৰ্ভ বেংক অব ইণ্ডিয়া (Reserve Bank of India)নহয় জানো? এই ৰিজাৰ্ভ বেংকেই হৈছে আমাৰ দেশৰ কেন্দ্ৰীয় বেংক। ১৯৩৫ চনত এই বেংক স্থাপন কৰা হয়। আমি ব্যৱহাৰ কৰা কাগজী মুদ্ৰা ছপা কৰাৰ একচেটিয়া অধিকাৰ কেন্দ্ৰীয় বেংকৰহে থাকে। কেন্দ্ৰীয় বেংকৰ বাহিৰে আন কোনো বেংকে কাগজী মুদ্ৰা ছপাব নোৱাৰে। কেন্দ্ৰীয় বেংক দেশৰ সৰ্বোচ্চ আৰু শীৰ্ষতম বিত্তীয় প্ৰতিষ্ঠান। কেন্দ্ৰীয় বেংক হ'ল বেংকসমূহৰ বেংক। আনবোৰ বেংকৰ হিচাপ কেন্দ্ৰীয় বেংকে পৰীক্ষা কৰে। আমাৰ দেশৰ বাণিজ্যিক বেংকসমূহে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ এজেণ্ট হিচাপে কাম কৰে। থোৰতে ক'বলৈ হ'লে ৰিজাৰ্ভ বেংকে চৰকাৰৰ বেংক হিচাপে কাৰ্য সম্পাদন কৰে।

## বাণিজ্যিক বেংক (Commercial Bank):



ষ্টেট বেংক অব ইণ্ডিয়া

ভাৰতৰ বেংক ব্যৱস্থাৰ সৰ্ববৃহৎ অংশটো বাণিজ্যিক বেংকৰ দ্বাৰা পৰিচালিত হয়। বণিজ্যিক বেংকত মানুহে নিজৰ উপাৰ্জনৰ টকা সঞ্চয় কৰে আৰু দৰকাৰ হ'লে আবেদন কৰি ঋণ গ্ৰহণ কৰিব পাৰে। বাণিজ্যিক বেংকে জনসাধাৰণৰপৰা সংগ্ৰহ কৰা সঞ্চয়সমূহক চাৰিটা ভাগত ভগাব পাৰি, (ক) সঞ্চয় আমানত (Saving Deposit), (খ) চলিত আমানত (Current Deposit), (গ) স্থিৰ/কাল আমানত (Fixed Term Deposit), (ঘ) আৱৰ্তী আমানত (Recurring Deposit)। বেংকিং ব্যৱসায় প্ৰক্ৰিয়াত বেংক আৰু ইয়াৰ উপভোক্তাসকলে কিছুমান চৰ্ত মানি চলে। উদাহৰণস্বৰূপে (ক) সঞ্চয়কাৰীয়ে বেংকৰ দ্বাৰা আৰোপিত বিধি অনুযায়ী প্ৰয়োজন সাপেক্ষে নিজৰ জমাধন উলিয়াব পাৰে। বেংকে এই ক্ষেত্ৰত উপভোক্তাৰ আবেদন অস্বীকাৰ কৰিব নোৱাৰে।(খ) যিসকল লোকে বেংকৰ পৰা ঋণ লয়, তেওঁলোকে বেংকে ধাৰ্য কৰি দিয়া সুদৰ সৈতে নিৰ্দিষ্ট সময়ত ঋণ ঘূৰাই দিবলৈ চুক্তিবদ্ধ হয়। প্ৰয়োজন অনুসাৰে চৰ্তভিত্তিত বাণিজ্যিক বেংকে গ্ৰাহকসকললৈ দীৰ্ঘকালীন আৰু হ্ৰস্বকালীন ঋণ আগবঢ়ায়। বাণিজ্যিক বেংকসমূহে সঞ্চয়কাৰীয়ে জমা দিয়া আমানতৰ ভিত্তিত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকলৈ যেনে উদ্যোগপতি, কৃষক, কাৰিকৰ, চাকৰিয়াল, শিক্ষাৰ্থী আদিলৈ ঋণৰ যোগান ধৰে আৰু দেশৰ আৰ্থ-সামাজিক উন্নয়নলৈ প্ৰভূত বৰঙণি যোগায়। অৱশ্যে ঋণ প্ৰদানৰ ক্ষেত্ৰত বেংকসমূহে বিশেষ সতৰ্কতা অৱলম্বন কৰা দেখা যায়। অন্যথা কিছুসংখ্যক অসাধু ঋণ গ্ৰহণকাৰীয়ে ঋণ পৰিশোধ নকৰাৰ ফলত বেংকবোৰ লোকচানৰ সন্মুখীন হয় আৰু বেংক বন্ধ হৈ যোৱাৰ আশংকাৰ সৃষ্টি হয়। ২০২০চনৰ ১এপ্ৰিলৰপৰা কাৰ্যকৰী হোৱা বেংক একত্ৰীকৰণ (Merger) পদক্ষেপৰ ফলত আমাৰ দেশত বৰ্তমান ৰাষ্ট্ৰীয়কৃত বেংকৰ সংখ্যা হ'ল ১২। ষ্টেট বেংক অব ইণ্ডিয়া (SBI), পঞ্জাব নেচনেল বেংক (PNB), বেংক অব বৰোদা (BOB ) আদি আমাৰ দেশৰ উল্লেখযোগ্য ৰাষ্ট্ৰীয়কৃত বেংকৰ উদাহৰণ। এইবোৰৰ লগতে ব্যক্তিগত খণ্ডৰ বাণিজ্যিক বেংকসমূহেও দেশত জনসাধাৰণৰপৰা সঞ্চয় সংগ্ৰহ আৰু ঋণ যোগানৰ ক্ষেত্ৰত বিশেষ ভূমিকা গ্ৰহণ কৰিছে। আই চি আই চি আই বেংক (ICICI Bank), এক্সিছ বেংক (AXIS Bank), এইচ ডি এফ চি বেংক (HDFC Bank), কটাক মহিন্দ্ৰা বেংক (Kotak Mahindra Bank) এই ক্ষেত্ৰত উল্লেখযোগ্য।

> **জানি থওঁ আহা :**
>
> ✦ বাণিজ্যিক বেংকে ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা ঋণ আগবঢ়ায় যাতে উচ্চ শিক্ষাৰ প্ৰতি তেওঁলোকৰ ধাউতি বাঢ়ে। শিক্ষা সমাপ্ত নকৰা পৰ্যন্ত ছাত্ৰ-ছাত্ৰীয়ে বেংকক এই ঋণ ওভোতাই দিব নালাগে। আনকি শিক্ষা শেষ কৰাৰ পাছতো ১৮ মাহ পৰ্যন্ত ঋণ পৰিশোধৰ ম্যাদ বঢ়াই দিয়া হয়।

> **ক্ৰিয়াকলাপ :**
>
> ✦ বাণিজ্যিক বেংকসমূহ কেন্দ্ৰীয় বেংকৰ ওপৰত কেনেদৰে নিৰ্ভৰশীল? শিক্ষকৰ সহায়ত আলোচনা কৰি লিখা।

## ঔদ্যোগিক আৰু বিনিয়োগ বেংক (Industrial and Investment Bank) :

১৯৮৫ চনত স্থাপন হোৱা ঔদ্যোগিক আৰু বিনিয়োগ বেংকে দেশৰ ঔদ্যোগিক উন্নয়নত বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। এই বেংকে উদ্যোগখণ্ডলৈ দীৰ্ঘকালীন ঋণ আগবঢ়ায়। উদ্যোগৰ বাবে যন্ত্ৰপাতি, কলকব্জা, কাৰখানা আদি ক্ৰয় আৰু স্থাপন কৰিবলৈ দীৰ্ঘম্যাদী ঋণৰ প্ৰয়োজন হয়। ঔদ্যোগিক বেংকে ঋণৰ যোগান ধৰি দেশৰ উদ্যোগ বিকাশত সহায় কৰে আৰু ফলস্বৰূপে দেশৰ অৰ্থনৈতিক উন্নয়নৰ পথ সুচল হয়। ২০১২ চনৰ কেন্দ্ৰীয় বাজেটত ঔদ্যোগিক আৰু বিনিয়োগ বেংক বন্ধ হোৱা বুলি ঘোষণা কৰা হয়।

**জানি থওঁ আহা ঃ**

- ভাৰত চৰকাৰে বেংকৰ জৰিয়তে অৰ্থনৈতিক উন্নয়নৰ ধাৰা ক্ষীপ্ৰতৰ কৰাৰ কাৰণে ১৯৬৯ চনত ১৪টা আৰু ১৯৮০ চনত ৬টা বাণিজ্যিক বেংক ৰাষ্ট্ৰীয়কৰণ কৰিছিল।
- আঞ্চলিক গ্ৰাম্য বেংকসমূহ ভাৰতৰ কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু ৰাষ্ট্ৰীয়কৃত বাণিজ্যিক বেংকৰ অংশীদাৰিত্ব তথা বিত্তীয় সাহায্যৰ ভিত্তিত প্ৰতিষ্ঠিত। যেনেঃ অসম গ্ৰামীণ বিকাশ বেংক(AGVB)।

## সমবায় বেংক (Co-operative Bank) :

আমাৰ দেশত গ্ৰাম্য অঞ্চলত বসতি কৰা দুখীয়া শ্ৰেণী লোকসকলক মহাজন শ্ৰেণীৰ লোকসকলৰ শোষণৰপৰা উদ্ধাৰ কৰিবলৈ আৰু কম সুদৰ হাৰত সেই শ্ৰেণীৰ লোকৰ বাবে ঋণ সহজলভ্য কৰাৰ উদ্দেশ্যে সমবায় বেংক ব্যৱস্থাৰ সূচনা কৰা হৈছিল। সমবায় বেংক ব্যৱস্থাটো আমাৰ দেশত তিনি খলপীয়াঃ- (ক) শীৰ্ষ পৰ্যায়ত প্ৰত্যেক ৰাজ্যতে ৰাজ্যিক সমবায় বেংক (খ) জিলা পৰ্যায়ত একোটাকৈ কেন্দ্ৰীয় সমবায় বেংক আৰু (গ) তৃণমূল পৰ্যায়ত গ্ৰামাঞ্চলত কৃষিভিত্তিক সমবায় সমিতিসমূহে কাৰ্য সম্পাদন কৰে। সমবায় বেংকে কম সুদত দুখীয়া কৃষক, শিপিনী, ক্ষুদ্ৰ উদ্যোগী আদিলৈ উৎপাদনমুখী কামৰ বাবে হ্ৰস্বম্যাদী ঋণৰ যোগান ধৰে। ভাৰতৰ সৰহসংখ্যক লোক কৃষিজীৱি হোৱাৰ পৰিপ্ৰেক্ষিতত দেশৰ আৰ্থিক উন্নয়নত সমবায় বেংকৰ অৱদান মন কৰিবলগীয়া।

## ভূমি উন্নয়ন বেংক (Land Development Bank) :

ভূমি উন্নয়ন বেংকে কৃষকলৈ ভূমি বন্ধকীৰ বিপৰীতে দীৰ্ঘকালীন ঋণ আগবঢ়ায়। অৰ্থাৎ বেংকৰ দ্বাৰা আৰোপিত চৰ্ত সাপেক্ষে চুক্তিবদ্ধ হৈ নিজৰ মাটিৰ প্ৰকৃত কাগজ পত্ৰ বেংক কৰ্তৃপক্ষৰ ওচৰত জমা থৈ কৃষকে বেংকৰপৰা ঋণ আদায় কৰে। কৃষকসকলে মাটিৰ মূল্যৰ ৫০ শতাংশ পৰিমাণ পৰ্যন্ত ঋণ হিচাপে গ্ৰহণ কৰিব পাৰে। এই ঋণ পৰিশোধৰ বাবে কৃষকে ২০ ৰপৰা ৩০ বছৰ পৰ্যন্ত দীঘলীয়া সময় লাভ কৰে। তদুপৰি ঋণৰ সুদৰ হাৰ নিম্ন হোৱা বাবে তেওঁলোক উপকৃত হয় আৰু উৎপাদন কাৰ্যত মনোনিবেশ কৰিবলৈ আগ্ৰহ সৃষ্টি হয়।

## ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক (NABARD) :

দেশৰ কৃষি আৰু গ্ৰাম্য উন্নয়নৰ লক্ষ্য আগত ৰাখি আমাৰ চৰকাৰে ১৯৮২ চনত **ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক** (NABARD) নামৰ এটি বিত্তীয় প্ৰতিষ্ঠান স্থাপন কৰে। এই বেংকে সকলো প্ৰকাৰৰ কৃষি ঋণৰ লগতে গ্ৰাম্য উন্নয়নৰ বাবে বিভিন্ন আঁচনি, প্ৰকল্প আদিৰ বাবে ঋণৰ যোগান ধৰে। এই ঋণসমূহ হ্ৰস্বকালীন (১৮ মাহৰ বাবে) আৰু দীৰ্ঘকালীন (২৫ বছৰ বাবে) হিচাপে আগবঢ়োৱা হয়। সমবায় বেংক, ভূমি উন্নয়ন বেংক, আঞ্চলিক গ্ৰামীণ বিকাশ বেংক, বাণিজ্যিক বেংকসমূহক নাবাৰ্ডে ঋণ প্ৰদান কৰে। গ্ৰাম্য ঋণৰ সৰবৰাহৰ ক্ষেত্ৰত নাবাৰ্ডে আমাৰ দেশত কেন্দ্ৰীয় চৰকাৰৰ প্ৰতিনিধি হিচাপে কাম কৰে।



নাবাৰ্ড ভৱন

## বীমা কোম্পানী (Insurance Company) ঃ

আমাৰ দেশত উপলব্ধ চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিভিন্ন বীমা কোম্পানীসমূহে উৎপাদনমূলক বিনিয়োগৰ ক্ষেত্ৰত পুঁজিৰ যোগান ধৰে। জীৱন বীমাৰ লগতে উদ্যোগ, কল-কাৰখানা, যান-বাহন আদিৰ লগত নিহিত হৈ থকা যিকোনো দুৰ্ঘটনাসদৃশ অথবা আশংকাজড়িত পৰিস্থিতিত বীমা কোম্পানীসমূহে বিত্তীয় সুৰক্ষা প্ৰদান কৰে। ইয়াৰ উপৰি নিজ নিজ বীমা পলিচিত জমা হোৱা ধনৰ বিপৰীতে জনসাধাৰণে বীমা কোম্পানীৰপৰা দীৰ্ঘকালীন ঋণ গ্ৰহণ কৰিব পাৰে। আনকি চলিত বীমা পলিচি বন্ধক হিচাপে থৈ জনসাধাৰণে আন বিত্তীয় সংস্থাৰপৰাও ঋণ গ্ৰহণ কৰিব পাৰে। বহু সময়ত জনসাধাৰণে বিভিন্ন ধৰণৰ জটিল ৰোগত আক্ৰান্ত হৈ আৰ্থিকভাৱে জুৰুলা হৈ পৰা দেখা যায়। এনে পৰিস্থিতিত নপৰিবলৈ আগতীয়াকৈ স্বাস্থ্য বীমা আঁচনিত বিনিয়োগ কৰাটো খুবেই আৱশ্যকীয়। ভাৰত চৰকাৰে ২০১৮ চনত সূচনা কৰা **আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য বীমা** আঁচনিৰ জৰিয়তে আমাৰ দেশৰ নিম্ন আয় শ্ৰেণীৰ এক বৃহৎ সংখ্যক লোকে বিনামূলীয়া স্বাস্থ্য সেৱাৰ সুবিধা লাভ কৰিবলৈ সক্ষম হৈছে। ভাৰতত বীমা কোম্পানীসমূহৰ কাৰ্যকলাপ চোৱাচিতা আৰু নিয়ন্ত্ৰণৰ দায়িত্ব কেন্দ্ৰীয়ভাৱে IRDA (Insurance Regulatory and Development Authority of India)য়ে পালন কৰে।

**উত্তৰ লিখা ঃ**

- বেংকক কি অনুষ্ঠান বুলি কোৱা হয়?
- আধুনিক অৰ্থ ব্যৱস্থাত কিহৰ ভূমিকা অনন্য ?
- উৎপাদনৰ কাৰণে উৎপাদনকাৰীক কিহৰ প্ৰয়োজন হয়?
- কাগজী মুদ্ৰা কি বেংকে ছপা কৰে?
- বেংকে কাৰ কাৰ মাজত যোগসূত্ৰ স্থাপন কৰে?
- উত্তৰ-পূব পৰিষদৰ কাৰ্যালয় ক'ত অৱস্থিত?

**ক্ৰিয়াকলাপ ঃ**

- পাঠত উল্লিখিত বাণিজ্যিক আৰু অন্যান্য বেংকসমূহৰ উপৰি আমাৰ দেশ আৰু ৰাজ্যত উপলব্ধ আৰু কিছুমান বেংকৰ নাম জানি লৈ এখন তালিকা প্ৰস্তুত কৰা।

ওপৰৰ আলোচনাখিনিৰপৰা তোমালোকে বিভিন্ন ধৰণৰ বেংক আৰু ইয়াৰ কাৰ্যাৱলীসমূহৰ বিষয়ে কিছু কথা জানিব পাৰিলা। বেংকৰ উপৰি দেশৰ আৰ্থ-সামাজিক দিশক উন্নত কৰাৰ বাবে আন কিছুমান অনুষ্ঠান-প্ৰতিষ্ঠানেও উদ্যোগ, কৃষি, বাণিজ্য, হস্ত-তাঁত শিল্প, ক্ষুদ্ৰ উদ্যোগ, কুটিৰ শিল্প আদি ক্ষেত্ৰলৈ ঋণৰ যোগান ধৰে। অসমকে ধৰি সমগ্ৰ উত্তৰ-পূব ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ গতি বৰ লেহেমীয়া। কাৰণ নানাধৰণৰ প্ৰতিকূলতাই এই অঞ্চলত উদ্যোগ প্ৰতিষ্ঠাত অন্তৰায় হিচাপে ক্ৰিয়া কৰি আছে। ফলস্বৰূপে অৰ্থনৈতিক দিশত আমি আনৰ ওপৰত এতিয়াও নিৰ্ভৰশীল হৈ থাকিবলগীয়া হৈছে। উত্তৰ-পূব ভাৰতৰ অৰ্থনৈতিক স্বাৱলম্বীতাৰ দিশটোক গুৰুত্ব দি কেন্দ্ৰীয় চৰকাৰে কেইটামান বিশেষ অনুষ্ঠান প্ৰতিষ্ঠান গঢ়ি তুলিছিল যাতে অঞ্চলটোৰ জনসাধাৰণৰ মাজত ঔদ্যোগিক বিকাশৰ ধাৰণাই প্ৰসাৰতা লাভ কৰে আৰু আৰ্থ-সামাজিক উন্নতি সাধন হয়।

## উত্তৰ-পূব পৰিষদ (NEC) ঃ

অসম, মেঘালয়, অৰুণাচল প্ৰদেশ, ত্ৰিপুৰা, নাগালেণ্ড, মণিপুৰ, মিজোৰাম আৰু ছিকিমক লৈ উত্তৰ-পূব ভাৰত গঠিত। তোমালোকে ইতিমধ্যে জানি আহিছা যে প্ৰাকৃতিক সম্পদত ধনী হ'লেও ঔদ্যোগিক ক্ষেত্ৰত দেশৰ এই অঞ্চলটো

এতিয়াও অতি পিছপৰা। সেয়েহে উত্তৰ-পূব ভাৰতৰ আৰ্থিক দিশটো দেশৰ অন্যান্য অঞ্চলৰ তুলনাত যথেষ্ট দুৰ্বল। এই বৃহৎ অঞ্চলটোৰ সামগ্ৰিক উন্নয়নৰ লক্ষ্য আগত ৰাখি ভাৰত চৰকাৰে ১৯৭১ চনত **উত্তৰ-পূব পৰিষদ** (NEC) নামৰ অনুষ্ঠানটো গঠন কৰে। ভাৰতৰ ৰাষ্ট্ৰপতিয়ে উত্তৰ-পূব ভাৰতৰ আটাইকেইখন ৰাজ্যৰ মুখ্যমন্ত্ৰী আৰু ৰাজ্যপালসকলৰ মাজৰপৰা এজনক পৰিষদৰ অধ্যক্ষ হিচাপে মনোনীত কৰে। ইয়াৰ উপৰি ৰাষ্ট্ৰপতিৰ এজন কেন্দ্ৰীয়মন্ত্ৰীক এই পৰিষদৰ সভ্য হিচাপে মনোনীত কৰাৰ অধিকাৰ আছে। ইয়াৰ মুখ্য কাৰ্যালয় শিলঙত অৱস্থিত। এই অনুষ্ঠানৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ হৈছে—



*উত্তৰ-পূব পৰিষদৰ মুখ্য কাৰ্যালয়*

১। সুসংহত আঞ্চলিক পৰিকল্পনাৰ জৰিয়তে সমগ্ৰ উত্তৰ-পূব ভাৰতৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে যথাযথ প্ৰচেষ্টা গ্ৰহণ কৰা।

২। সুষম আঞ্চলিক উন্নয়নৰ জৰিয়তে আঞ্চলিক ভাৰসাম্যতা ৰক্ষা কৰা আৰু অসমতা দূৰ কৰা।

৩। উত্তৰ-পূব ভাৰতৰ ৰাজ্যবিলাকৰ মাজত সহযোগিতা, সুসংহত প্ৰচেষ্টা আৰু ঐক্য বৃদ্ধি কৰা।

৪। অংশীদাৰ ৰাজ্যবিলাকৰ আন্তঃগাঁথনিমূলক ব্যৱস্থাবোৰৰ উন্নয়নৰ বাবে প্ৰচেষ্টা চলোৱা।

৫। উত্তৰ-পূব ভাৰতৰ অৰ্থনৈতিক সম্পদৰ ওপৰত প্ৰণালীবদ্ধ জৰীপ কাৰ্য সম্পাদন কৰা আৰু তাৰ লগতে সেই সম্পদৰ ভিত্তিত গ্ৰহণ কৰিবলগীয়া বিভিন্ন প্ৰকল্প আৰু আঁচনিৰ উপকাৰিতা আৰু যথাৰ্থতা নিৰ্ণয়ৰ বাবে জৰীপ চলোৱা।

## উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগম (NEDFi) :

উত্তৰ-পূব ভাৰতৰ অন্তৰ্গত ৰাজ্যসমূহত বিত্তীয় সাহায্য আগবঢ়োৱাৰ নিমিত্তে ১৯৯৫ চনত **উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগম বা নেডফি** নামৰ প্ৰতিষ্ঠানটো স্থাপন কৰা হৈছে। ইয়াৰ প্ৰধান কাৰ্যালয় গুৱাহাটীত অৱস্থিত। ক্ষুদ্ৰ উদ্যোগ, কুটিৰ উদ্যোগ, হস্ত-তাঁত আৰু বস্ত্ৰ উদ্যোগ, আত্মসহায়ক গোট আদিৰ উৎপাদিত বস্তু বিক্ৰীৰ বাবে এই নিগমে সা-সুবিধা আগবঢ়ায়।

নেড্‌ফিয়ে অঞ্চলটোৰ থলুৱা সম্পদসমূহৰ উপযুক্ত ব্যৱহাৰৰ বাবে পৰিবেশ আৰু আন্তঃগাঁথনিৰ প্ৰকল্পসমূহ চিনাক্তকৰণ আৰু প্ৰতিপালন কৰাত সহায় কৰে। নেড্‌ফিৰ মুখ্য কাম হ'ল অঞ্চলটোৰ সম্পদসমূহ ব্যৱহাৰ কৰি উৎপাদনমুখী কামত সহযোগ কৰা আৰু জনসাধাৰণৰ অৰ্থনৈতিক উন্নতি সাধন কৰা।



*নেড্‌ফিৰ সাহায্যপ্ৰাপ্ত শিপিনী*

উত্তৰ-পূব ভাৰতৰ মাটি আৰু জলবায়ুৰ ভিন্নতাই ইয়াক নানা ধৰণৰ উদ্ভিদ আৰু প্ৰাণীৰ বাসভূমি কৰি গঢ়ি তুলিছে। বিভিন্ন জাতীয় ঔষধি আৰু সুগন্ধি গছ-গছনিৰে ইয়াৰ বনাঞ্চল ভৰি আছে। ইয়াৰ জলবায়ু আৰু বজাৰৰ লগত খাপ খুৱাই বহুতো মূল্যবান উদ্ভিদ ঔদ্যোগিক শস্য হিচাপে খেতি কৰি বিভিন্ন কৃষি ভিত্তিক উদ্যোগ গঢ়াৰ পৰিবেশ সৃষ্টি কৰাত নেড্‌ফিয়ে গুৰুত্ব দিয়ে।



*নেড্ফিৰ সাহায্যত স্থাপিত ঔদ্যোগিক শস্য উদ্যান*

উত্তৰ-পূৰ ভাৰতৰ ৰাজ্যকেইখনৰ জনসাধাৰণক এই অনুষ্ঠানটিয়ে বিভিন্ন দিশত যেনে কৃষি, ঔষধি বৃক্ষৰোপণ, ৰেচম শিল্প, কুটিৰ শিল্প, হস্ত-তাঁত আৰু বস্ত্ৰ শিল্প, উদ্যান শস্য, হাঁহ-কুকুৰা পালন, গাহৰি পালন, মীন পালন আদি দিশলৈ আৰ্থিক সাহায্য আগবঢ়াই আহিছে। বিশেষকৈ যিসকল লোকে বেংকৰপৰা ঋণ পোৱাৰ বাবে বিভিন্ন চৰ্তসমূহ পূৰণ কৰিব নোৱাৰে সেইসকলক এই অনুষ্ঠানটিৰ জৰিয়তে ৰেহাই হাৰত ঋণৰ যোগান ধৰা হয়। উত্তৰ-পূৰ ভাৰত বিশেষকৈ প্ৰাকৃতিক গেছ, খাৰুৱা তেল, চূণ, কয়লা আদি প্ৰাকৃতিক সম্পদত চহকী। অসমত প্ৰচুৰ পৰিমাণে মৰাপাট উৎপন্ন হয় যদিও প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱত এই কেঁচামালৰ শতকৰা ৭০ ভাগ অঞ্চলটোৰ বাহিৰত বিক্ৰী কৰিব লগা হয়। মৰাপাটৰ ওপৰত ভিত্তি কৰি এই অঞ্চলত যথেষ্ট পৰিমাণে ক্ষুদ্ৰ বস্ত্ৰ উদ্যোগ, সজ্জিতকৰণ সামগ্ৰী, বেগ আদি নিৰ্মাণ কৰাৰ প্ৰচুৰ সম্ভাৱনা আছে। বৰ্তমান নেড্ফিয়ে এই দিশটোক যথেষ্ট গুৰুত্বসহকাৰে গ্ৰহণ কৰিছে।

নেড্ফিয়ে উত্তৰ-পূৰ ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ বাবে **ক্ষুদ্ৰ বিত্তীয় আঁচনি** (Micro Finance Scheme)ৰ জৰিয়তে মহিলাসকলক স্ব-নিৰ্ভৰশীল কৰি গঢ়ি তুলিবৰ বাবে অহৰ্নিশে চেষ্টা চলাই আহিছে। আত্মসহায়ক গোটসমূহ এই প্ৰচেষ্টাৰে সুফল। বৰ্তমান এই অঞ্চলৰ অৰ্থনৈতিক উন্নয়নৰ এক শক্তিশালী কাৰক হিচাপে আত্মসহায়ক গোটসমূহে যথেষ্ট মৰ্যাদা লাভ কৰিছে। তলত ইয়াৰ বিষয়ে চমু আলোচনা কৰা হ'ল—

### আত্মসহায়ক গোট (Selfhelp Group) :

আত্মসহায়ক গোট হৈছে উৎপাদনমূলক কামত নিয়োজিত হৈ আৰ্থিকভাৱে স্বাৱলম্বী হ'ব বিচৰা জনসাধাৰণৰ এটা থুপ বা গোট যি সকল অৰ্থনৈতিকভাৱে সচ্ছল নহয়। সাধাৰণতে ১০ৰ পৰা ২০জন সদস্যক লৈ এনে ধৰণৰ গোট গঠন কৰিব পাৰি। এই গোটৰ মূল লক্ষ্য হৈছে গোটৰ সদস্যসকলৰ দৰিদ্ৰতা দূৰীকৰণৰ অৰ্থে সমূহীয়া উদ্দেশ্য আগত লৈ একগোট হৈ কাম কৰাৰ প্ৰয়াস। আৰ্থিকভাৱে পিছপৰা আৰু কৰ্মসংস্থান নোহোৱা শ্ৰেণীৰ লোকে এইধৰণৰ গোট গঠন কৰি বেংক, নেড্ফি আদি বিত্তীয় অনুষ্ঠানৰপৰা ঋণ লাভ কৰে। আত্মসহায়ক গোটে কৰ্মসংস্থানহীন যুৱক-যুৱতীসকলক বিভিন্ন ধৰণৰ উপাৰ্জনৰ পথ উলিয়াই দিয়াত সহায় কৰে। তদুপৰি এই গোটৰ জৰিয়তে গাঁও অঞ্চলৰ দৰিদ্ৰ সীমাৰেখাৰ তলৰ লোকসকলে হাঁহ-কুকুৰা পালন, কাপোৰ বোৱা, চিলাই কৰা ফুলৰ খেতি কৰা আদি আঁচনি গ্ৰহণ কৰি স্ব-নিয়োজনৰ পথ মুকলি কৰি ল'ব পাৰে। এই গোটৰ প্ৰতিজন সদস্যই নিয়মিতভাৱে সঞ্চয় কৰি এক সমূহীয়া পুঁজি গঠন কৰে। ৰাষ্ট্ৰীয়কৃত বেংক অথবা আঞ্চলিক গ্ৰামীণ বিকাশ বেংকত তেওঁলোকৰ এটা চেভিং বেংক একাউণ্ট থাকে। বহু ক্ষেত্ৰত গাঁৱৰ মানুহে ব্যক্তিগতভাৱে কোনো ব্যৱসায়ৰ কাৰ্যসূচী হাতত ল'লেও বিভিন্ন অসুবিধাৰ সন্মুখীন হৈ অৱশেষত উক্ত ব্যৱসায় বাদ দিবলগীয়াৰ দৰে অৱস্থা হয়। কিন্তু একে ব্যৱসায় যদি এটা গোটে সমূহীয়াভাৱে পৰিচালনা কৰে তেনেহ'লে সেই ব্যৱসায় স্থায়ী আৰু লাভজনক হোৱাৰ সম্ভাৱনা অধিক হয়। অকল অৰ্থনৈতিক আঁচনিৰ



*কৰ্মব্যস্ত মহিলা আত্মসহায়ক গোটৰ সদস্য*

**জানি থওঁ আহা ঃ**

✦ অসমত ২০২১ চনৰ জুলাই মাহলৈ ২,৯৬,৯৮৩ আত্মসহায়ক গোট গঠন কৰা হৈছে। ইয়াৰে ১.৭২ মহিলা আত্মসহায়ক গোট।

(উৎস ঃ www.nrlm.gov.in)

পৰিচালনাৰ ক্ষেত্ৰতেই নহয় বিভিন্ন সামাজিক সা-সুবিধা লাভৰ ক্ষেত্ৰতো গাঁৱৰ বাইজ সংঘবদ্ধ হৈ থাকিলে সুবিধা আহ্‌ৰণত যথেষ্ট সহায় হয়। এই বিলাক কাৰণতেই গাঁৱলীয়া বাইজৰ মাজত আত্মসহায়ক গোট গঠনৰ প্ৰয়োজনীয়তা বাৰুকৈয়ে উপলব্ধি কৰা হৈছে যাতে দুখীয়া বাইজৰ মাজত স্ব-নিয়োজনৰ পথ মুকলি হয় আৰু আত্মনিৰ্ভৰশীল মানসিকতা গঢ় লৈ উঠে।

## আত্মসহায়ক গোট গঠনৰ লক্ষ্য আৰু উদ্দেশ্য ঃ

১। আত্মসহায়ক গোট গঠনৰ জৰিয়তে সমূহীয়াভাৱে কাম কৰাৰ শক্তি আৰু উদ্যম সৃষ্টি কৰা।

২। উন্নয়নমূলক আঁচনিৰ জৰিয়তে বিত্তীয় প্ৰতিষ্ঠানবপৰা ঋণ গ্ৰহণৰ সুবিধা লোৱা।

৩। গোটৰ সদস্যসকলে সমূহীয়াভাৱে অৰ্থনৈতিক কাৰ্যসূচী গ্ৰহণ কৰা।

৪। গোটৰ সদস্যসকলৰ মাজত সঞ্চয়ৰ অভ্যাস গঢ়ি তোলা।

৫। গ্ৰাম্য জনসাধাৰণৰ মাজত সজাগতা সৃষ্টি কৰি নিজকে নিজে সহায় কৰাৰ মানসিকতা গ্ৰহণ কৰা।

৬। ঋণ দিয়া অনুষ্ঠানৰ লগত যোগাযোগ স্থাপন কৰা আৰু সমূহীয়া ঋণ পোৱাত সহায় কৰা আদি উল্লেখযোগ্য।

মুঠৰ ওপৰত আত্মসহায়ক গোটৰ মাধ্যমত বৰ্তমান আমাৰ এই অঞ্চলৰ অলেখ নিবনুৱা যুৱক-যুৱতীৰ লগতে পুৰুষ-মহিলাসকলেও অৰ্থনৈতিকভাৱে যথেষ্ট সকাহ লাভ কৰিছে। স্ব-নিয়োজন আৰু স্ব-নিৰ্ভৰশীলতাৰ ধাৰণা জনপ্ৰিয় আৰু মজবুত কৰাত আত্মসহায়ক গোটে চমকপ্ৰদ ভূমিকা পালন কৰিছে।

### মনত ৰাখিবলগীয়া কথা ঃ

- এখন দেশৰ কোনো এক নিৰ্দিষ্ট বৰ্ষত বিভিন্ন অৰ্থনৈতিক খণ্ডসমূহত উৎপাদিত চূড়ান্ত দ্ৰব্য আৰু সেৱাৰ মুদ্ৰাগত মূল্যক দেশখনৰ ৰাষ্ট্ৰীয় আয় বোলে। ৰাষ্ট্ৰীয় আয়ক অৰ্থনীতিত কোনো এক নিৰ্দিষ্ট বৰ্ষত উৎপাদনৰ উপাদানসমূহৰ (ভূমি, শ্ৰম, মূলধন আৰু সংগঠন) আয়ৰ সমষ্টি হিচাপেও প্ৰকাশ কৰা হয়।
- জনসংখ্যা বৃদ্ধিৰ হাৰতকৈ ৰাষ্ট্ৰীয় আয় বেছি হ'লে জনমূৰি আয় বৃদ্ধি পায়।
- অৰ্থনৈতিক উন্নয়ন আৰু সামাজিক উন্নয়ন— এই দুয়োটা দিশ হৈছে এটা আনটোৰ ওপৰত নিৰ্ভৰশীল।
- দেশৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে চৰকাৰী আৰু ব্যক্তিগতভাৱে গঠন কৰা বিভিন্ন বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠানৰ ভিতৰত বেংক হৈছে আটাইতকৈ উল্লেখযোগ্য আৰু গুৰুত্বপূৰ্ণ অনুষ্ঠান।
- বেংকৰ গ্ৰাহকসকলক সঞ্চয়কাৰী বা আমানতকাৰী বুলি কোৱা হয়।
- সঞ্চয়কাৰী আৰু বিনিয়োগকাৰীৰ মাজত বেংকে এক যোগসূত্ৰ স্থাপন কৰে।
- আমাৰ দেশত বিভিন্ন ক্ষেত্ৰত উন্নয়নৰ বাবে ভিন্ন প্ৰকাৰৰ বেংক ব্যৱস্থা আছে। এইবোৰৰ ভিতৰত কেন্দ্ৰীয় বেংক, বাণিজ্যিক বেংক, সমবায় বেংক, ভূমি উন্নয়ন বেংক আদি।
- ৰিজাৰ্ভ বেংক হৈছে আমাৰ দেশৰ কেন্দ্ৰীয় বেংক। ১৯৩৫ চনত এই বেংক প্ৰতিষ্ঠা হয়। আমি ব্যৱহাৰ কৰা কাগজী মুদ্ৰা ছপোৱাৰ একচেটিয়া অধিকাৰ একমাত্ৰ কেন্দ্ৰীয় বেংকৰহে থাকে।
- ভাৰতৰ বেংক ব্যৱস্থাৰ সৰ্ববৃহৎ অংশটো বাণিজ্যিক বেংকৰ দ্বাৰা পৰিচালিত হয়।
- বাণিজ্যিক বেংকত তিনি ধৰণৰ একাউণ্ট খুলিব পাৰি— (ক) চলিত হিচাপ (Current Account), (খ) সঞ্চয় হিচাপ (Saving Account) আৰু (গ) স্থিৰ হিচাপ (Fixed Account)।

- ঔদ্যোগিক আৰু বিনিয়োগ বেংকে আমাৰ দেশৰ উদ্যোগখণ্ডলৈ দীৰ্ঘকালীন ঋণ আগবঢ়াইছিল। ২০১২ চনৰ কেন্দ্ৰীয় বাজেটত এই বেংক বন্ধ হোৱা বুলি ঘোষিত হয়।
- সমবায় বেংকে কৃষকসকলক হ্ৰস্বকালীন ঋণ যোগান ধৰে।
- ভূমি উন্নয়ন বেংকে ভূমি বন্ধকীৰ বিপৰীতে কৃষকলৈ দীৰ্ঘকালীন ঋণ আগবঢ়ায়।
- ১৯৮২ চনত ৰাষ্ট্ৰীয় কৃষি আৰু গ্ৰাম্য উন্নয়ন বেংক স্থাপন কৰা হয়।
- উত্তৰ-পূব ভাৰতৰ সামগ্ৰিক উন্নয়নৰ লক্ষ্য আগত ৰাখি ভাৰত চৰকাৰে ১৯৭১ চনত উত্তৰ-পূব পৰিষদ (NEC) নামৰ অনুষ্ঠানটো গঠন কৰে। ইয়াৰ মুখ্য কাৰ্যালয় শ্বিলঙত অৱস্থিত।
- ১৯৯৫ চনত উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগম বা নেড্‌ফি (NEDFi) প্ৰতিষ্ঠা কৰা হয়। ইয়াৰ প্ৰধান কাৰ্যালয় গুৱাহাটীত অৱস্থিত।
- নেড্‌ফিৰ মুখ্য কাম হল অঞ্চলটোৰ সম্পদ বৃদ্ধি কৰা আৰু জনসাধাৰণৰ অৰ্থনৈতিক উন্নতি সাধন কৰা।
- আত্মসহায়ক গোট হৈছে উৎপাদনমূলক কামত নিয়োজিত হৈ আৰ্থিকভাৱে স্বাৱলম্বী হব বিচৰা জনসাধাৰণৰ এটা থূপ বা গোট যিসকল অৰ্থনৈতিভাৱে স্বচ্ছল নহয়।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা—

(ক) দেশৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে চৰকাৰে কি কৰে?

(খ) অৰ্থনৈতিক উন্নয়নৰ মূল নিৰ্দেশক কেইটামানৰ নাম উল্লেখ কৰা।

(গ) বিত্তীয় অনুষ্ঠান-প্ৰতিষ্ঠান কাক বোলে?

(ঘ) বেংকে কৰা দুটা উল্লেখযোগ্য কামৰ উদাহৰণ দিয়া।

(ঙ) আমাৰ দেশৰ কেন্দ্ৰীয় বেংকক কি নামেৰে জনা যায়?

(চ) নেড্‌ফিৰ সাহায্যত উৎপাদিত সামগ্ৰীসমূহ ক'ত বিক্ৰী কৰা হয়?

২। বহলাই আলোচনা কৰা —

(ক) আৰ্থ-সামাজিক উন্নয়নত বাণিজ্যিক বেংকসমূহৰ অৱদান।

(খ) উত্তৰ-পূব ভাৰতৰ অৰ্থনৈতিক বিকাশত উত্তৰ-পূব পৰিষদ আৰু উত্তৰ-পূব উন্নয়ন বিত্তীয় নিগমৰ ভূমিকা।

(গ) আত্মসহায়ক গোট গঠনৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ।

৩। চমু টোকা লিখা—

(ক) সমবায় বেংক (খ) নাবাৰ্ড

(গ) কেন্দ্ৰীয় বেংক (ঘ) আত্মসহায়ক গোট

৪। শুদ্ধ/অশুদ্ধ নিৰ্ণয় কৰা—

(ক) বৰ্ধিত জনমূৰি আয়ে দেশৰ উন্নয়নত অন্তৰায়ৰ সৃষ্টি কৰে।

(গ) ঔদ্যোগিক আৰু বিনিয়োগ বেংকে উদ্যোগখণ্ডলৈ দীৰ্ঘকালীন ঋণ আগবঢ়ায়।

(গ) আত্মসহায়ক গোটে কেন্দ্ৰীয় বেংকত চেভিং বেংক একাউণ্ট খুলিব লাগে।

(ঘ) নেড্‌ফিৰ মুখ্য কাৰ্যালয় শ্বিলঙত অৱস্থিত।

(ঙ) আৰ্থিকভাৱে সচ্ছল লোকসকলে আত্মসহায়ক গোটৰ সদস্য হ'ব পাৰে।

৫। প্ৰকল্প —

(ক) তোমাৰ ওচৰত থকা যিকোনো এটা বেংকলৈ গৈ তাত ১৮ বছৰৰ অনূৰ্ধ্ব লোকৰ বাবে একাউণ্ট খুলিবলৈ কি নিয়ম পালন কৰিব লাগে ভালদৰে জানি লোৱা।

(খ) তোমাৰ অঞ্চলৰ কোনো এটা আত্মসহায়ক গোটলৈ গৈ তেওঁলোকৰ কাৰ্যকলাপ মন কৰা আৰু গোটটোৰ বাৰ্ষিক কাম-কাজ, সঞ্চয়, লাভালাভ আদিৰ ওপৰত এটা বিৱৰণী লিখা।

# পাঠ-১২

# গ্ৰাহকৰ সজাগতা, অধিকাৰ আৰু সুৰক্ষা

G6W7B8

**শিকনৰ ফলাফল ঃ**

- গ্ৰাহকৰ অৰ্থ বুজিব পাৰিব।
- অৰ্থনৈতিক ব্যৱস্থাত গ্ৰাহকৰ গুৰুত্বৰ বিষয়ে আভাস পাব।
- গ্ৰাহকৰ অধিকাৰ সম্পৰ্কে বুজি পোৱা আৰু অধিকাৰসমূহৰ বিষয়ে জানিব পাৰিব।
- গ্ৰাহক কিদৰে প্ৰতাৰিত হয়, সেই বিষয়ে বুজি পাব।
- প্ৰতাৰণা বা প্ৰৱঞ্চনাৰ বিৰুদ্ধে গ্ৰাহক সজাগতাৰ সৃষ্টি হ'ব।
- গ্ৰাহক সুৰক্ষা সংস্থা, গ্ৰাহক সুৰক্ষা আইন আৰু গ্ৰাহক আদালতৰ বিষয়ে অৱগত হ'ব।

আগৰ শ্ৰেণীৰ পাঠত তোমালোকে বজাৰ, ক্ৰয়-বিক্ৰয়, ক্ৰেতা-বিক্ৰেতা, লাভ-লোকচান আদিৰ বিষয়ে জানিব পাৰিছাহঁক। যিয়ে নিজৰ প্ৰয়োজনীয় দ্ৰব্য বা সামগ্ৰী আৰু সেৱা বজাৰৰপৰা ক্ৰয় কৰি উপভোগ কৰে তেওঁকেই আমি **ক্ৰেতা** বা **গ্ৰাহক** বুলি কওঁ। অৰ্থনীতিৰ ভাষাত গ্ৰাহকজনক **উপভোক্তা** বুলি কোৱা হয়। উৎপাদন, উপভোগ, বিনিময়, বিনিয়োগ, বিতৰণ, নিয়োগ আদি বিষয়সমূহ এটা অৰ্থনৈতিক ব্যৱস্থাৰ কিছুমান বিশেষ কাৰ্যাবলী। এই প্ৰতিটো কাৰ্যই পৰস্পৰ নিৰ্ভৰশীল। উদাহৰণস্বৰূপে উপভোক্তাৰ উপভোগৰ বাবে উৎপাদনৰ প্ৰয়োজন। কিয়নো উৎপাদন নহ'লে ভোগৰ বাবে সামগ্ৰীৰ অভাৱ হয়। আনহাতে যিমানেই ভোগৰ পৰিমাণ বাঢ়ে সিমানেই দ্ৰব্য বা সামগ্ৰীৰ চাহিদা বাঢ়ে আৰু উৎপাদনকাৰীয়ে উৎপাদন বৃদ্ধি কৰিবলৈ প্ৰেৰণা পায়। অৰ্থাৎ ভোগ আৰু উৎপাদন এই দুয়োটা কাৰ্যই এটাই আনটোৰ ওপৰত নিৰ্ভৰ কৰে। ঠিক তেনেদৰে বিভিন্ন কাৰক বা উপাদানসমূহৰ পৰস্পৰ নিৰ্ভৰশীলতাৰ মাজেৰে সমগ্ৰ অৰ্থনৈতিক কাৰ্যাবলী সাধন হয়।

অৰ্থনৈতিক ব্যৱস্থাত উপভোক্তাৰ অৱদান যথেষ্ট গুৰুত্বপূৰ্ণ। উৎপাদিত দ্ৰব্য আৰু সেৱা উপভোগ কৰি উপভোক্তাই দেশৰ উন্নয়ন প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰে। এইখিনিতে মন কৰিবলগীয়া প্ৰশ্ন হ'ল সকলোধৰণৰ উপভোক্তাই দেশৰ বাবে প্ৰয়োজনীয়নে? কৰ্মী, উদ্যমী আৰু দূৰদৃষ্টিসম্পন্ন উপভোক্তাহে দেশৰ উন্নয়নৰ অংশীদাৰ হ'ব পাৰে। এজন দুৰ্যোৰ নিচাসক্ত উপভোক্তা কেতিয়াও সমাজৰ বাবে হিতকাৰী হ'ব নোৱাৰে। তোমালোকে এতিয়াৰ পৰাই যত্নবান হ'বা যাতে ভৱিষ্যতে দেশ আৰু দহৰ কল্যাণ সাধন কৰিব পৰা একো একোজন ব্যক্তি হ'ব পাৰা।

**উত্তৰ লিখা ঃ**

- গ্ৰাহক মানে কি?
- গ্ৰাহক বা উপভোক্তা কেনেকৈ দেশৰ উন্নয়নৰ অংশীদাৰ হ'ব পাৰে?
- অৰ্থনৈতিক কাৰ্যাবলীসমূহ কেনেদৰে সাধন হয়?
- উপভোক্তাৰ উপভোগৰ বাবে কিহৰ প্ৰয়োজন?

ইমানখিনিলৈ তোমালোকে গ্ৰাহক বা উপভোক্তাৰ বিষয়ে কিছু কথা জানিলা। এতিয়া আমি গ্ৰাহক বা উপভোক্তাৰ লগত জড়িত আন এটা গুৰুত্বপূৰ্ণ বিষয়ৰ ওপৰত আলোকপাত কৰিম। এই বিষয়টো হৈছে গ্ৰাহকসকলৰ সজাগতা, দায়িত্ব, কৰ্তব্য আৰু অধিকাৰ। এটা সুসংহত আৰু নিৰাপদ অৰ্থনৈতিক ব্যৱস্থা তৈয়াৰ কৰিবলৈ এইবোৰ দিশত আমি সকলোৱে সচেতন হ'ব লাগিব।

একবিংশ শতিকাক সমগ্ৰ বিশ্বই জ্ঞান আৰু বিকাশৰ শতিকা বুলি অভিহিত কৰিছে। এয়া মানৱ জাতিৰ বাবে সৌভাগ্যৰ কথা। কিন্তু আমি দেখা পাইছো যে সমাজৰ আৰ্থিকভাৱে পিছপৰা আৰু অশিক্ষিত লোকসকলক এচাম অসাধু মানুহে বিভিন্ন ধৰণে শোষণ আৰু প্ৰৱঞ্চনা কৰি আহিছে। অশিক্ষিত, দুখীয়া লোকসকলে মহাজনৰ লেখীয়া মানুহৰ ওচৰত নিজৰ মাটি, ঘৰ, গহনা, বাচন-বৰ্তন পৰ্যন্ত বন্ধকত থৈ সাময়িক বিপদৰপৰা হাত সাৰিবলৈ চেষ্টা কৰে। কিন্তু নিৰ্ধাৰিত সময়ত বন্ধকী মোকলাব নোৱৰাৰ গইনা লৈ মহাজনে সেই সম্পত্তি হস্তগত কৰি লোৱাৰ নানান কৌশল উলিয়ায়। এয়া আমাৰ পুৰণি সমাজৰ প্ৰচলিত শোষণ নীতি। কিন্তু বৰ্তমানৰ আধুনিক, শিক্ষিত সমাজতো প্ৰৱঞ্চনাৰ অলেখ কলা-কৌশল আমি দেখিবলৈ পাওঁ য'ত শিক্ষিত, অশিক্ষিত, ধনী, দুখীয়া নিৰ্বিশেষে সকলোৱে প্ৰতাৰণাৰ চিকাৰ হয়। তলৰ কাহিনীটোৰপৰা গ্ৰাহকসকলক কিদৰে শোষণ কৰা হয় সেই বিষয়ে বুজ লওঁ আহা—



সেওবাৰে দুপৰীয়া বুগ্‌দুগুৰ মাকৰ হঠাতে অসহ্য পেটৰ বিষ উঠিল। ইফালে কিবা জৰুৰী কামত দেউতাক ৰাতিপুৱাই গুৱাহাটীলৈ ওলাই গৈছে। মাকৰ কষ্ট দেখি ল'ৰাটোৱে সিহঁতৰ চুবুৰীৰ মূৰত থকা ডাঃ প্ৰণৱ দাসৰ ঘৰলৈ দৌৰি গ'ল। তেখেত চৰকাৰী হস্পিতালৰ অৱসৰপ্ৰাপ্ত চিকিৎসক। বুগ্‌দুগুৱে ডাক্তৰক মাকৰ অৱস্থাটো বুজাই দি সিহঁতৰ ঘৰলৈ আহি এবাৰ মাকক চাই দিবলৈ অনুৰোধ কৰিলে। ডাঃ দাস লৰালৰিকৈ সিহঁতৰ ঘৰ পালেহি। তেখেতে মানুহগৰাকীক ভালদৰে চাই-চিতি দুটা ঔষধৰ প্ৰেছক্ৰিপ্‌ছন এখন লিখি দি সেই মুহূৰ্ততে ঔষধকেইটা আনি খুৱাবলৈ ক'লে আৰু কম সময়ৰ ভিতৰতে মাকে ভাল পাব বুলি আশ্বাস দি উভতি গ'ল। অকণো সময় নষ্ট নকৰি বুগ্‌দুগুৱে অলপ আঁতৰৰ ফাৰ্মাচী এখনলৈ দৌৰি ওলাই গ'ল। হাতত লৈ যোৱা প্ৰেছক্ৰিপ্‌ছনখন ফাৰ্মাচিষ্টজনলৈ আগবঢ়াই দি সোনকালে দৰৱ দুটা দিবলৈ অনুৰোধ কৰিলে। ফাৰ্মাচিষ্টজনে কাগজখন চাই ৰেকৰপৰা দুটা বটল উলিয়াই তাৰ হাতত দিলে। দৰৱৰ দাম পৰিশোধ কৰি ৰচিদ নোলোৱাকৈ একে উশাহে আহি বুগ্‌দুগু ঘৰ পালেহি আৰু ডাক্তৰে বুজাই দিয়াৰ দৰে মাকক দৰৱ খুৱালে। দৰৱ খুৱাই ল'ৰাটো আশ্বস্ত হ'ল আৰু মাকৰ ওচৰত বহি থাকিল। সময় পাৰ হৈ যাবলৈ ধৰিলে। পিছে মাকৰ বিষটো কমক চাৰি গধুলিলৈ ক্ৰমাৎ বেছি হৈহে গৈ থাকিল। বুগ্‌দুগুৰ বৰ চিন্তা হ'ল। ৰাতিলৈ দেউতাক উভতি আহিলত সি গোটেইখিনি কথা বিৱৰি কৈ ঔষধৰ বটল দুটাও দেখুৱালে। দেউতাকে ভালকৈ চাই দেখে যে দুয়োটা ঔষধেই ইতিমধ্যে ম্যাদ উকলি যোৱা ঔষধ। বুগ্‌দুগুৰ দেউতাকৰ বৰ খং উঠিল। ফাৰ্মাচিষ্টজনৰ এনে কাৰ্যৰ প্ৰতিবাদ কৰিবলৈ যাওঁ বুলি ভাবিও পত্নীৰ অৱস্থা সংকটজনক দেখি সেইবোৰ বাদ দি ৰাতিৰ ভিতৰতে মানুহগৰাকীক চহৰৰ হস্পিতাললৈ লৈ গ'ল। দুসপ্তাহৰ মূৰতহে তেওঁ সুস্থ হৈ ঘৰ পালেহি। ম্যাদ উকলি যোৱা ঔষধ খাই মানুহগৰাকীৰ অৱস্থা অতি বেয়ালৈ ঢাল খাইছিল। ফাৰ্মাচিষ্টজনৰ এই অসাধু কাৰ্যৰ বাবে গোটেই পৰিয়ালটো শাৰীৰিক আৰু মানসিকভাৱে যথেষ্ট ভাৰাক্ৰান্ত হ'ব লগাত পৰিল।

ওপৰৰ ঘটনাটো মন কৰিলানে? ম্যাদ উকলি যোৱা ঔষধ বিক্ৰী কৰি ফাৰ্মাচিষ্টজনে বুগ্‌দুঙহঁতক প্ৰতাৰণা কৰিলে। এনেদৰে ব্যক্তিগত লাভৰ আশাত বিক্ৰেতাই গ্ৰাহকক ঠগোৱাৰ অনেক সুৰুঙা উলিয়াই লয়।

**উত্তৰ লিখা ঃ**

- ফাৰ্মাচিষ্টজনে বুগ্‌দুঙক ঔষধ বিক্ৰী কৰোতে কি প্ৰতাৰণাৰ আশ্ৰয় লৈছিল?
- ঔষধ খাই বুগ্‌দুঙৰ মাকৰ বেমাৰ ভাল হ'লনে?
- বুগ্‌দুঙহঁতৰ পৰিয়ালটো কিয় ভাৰাক্ৰান্ত হ'বলগীয়া হৈছিল?
- ফাৰ্মাচিষ্টজনে এনে অসাধু কাৰ্য কৰাৰ কাৰণ কি?
- বুগ্‌দুঙে ঔষধ কিনোতে কি ভুল কৰিছিল?

## গ্ৰাহকসকল কেনেদৰে প্ৰতাৰিত হয় ঃ

বুগ্‌দুঙহঁতক কৰাৰ দৰে বিক্ৰেতাসকলে গ্ৰাহকসকলক প্ৰতাৰণা কৰিবলৈ আৰু বহু ধৰণৰ কৌশল অৱলম্বন কৰে। উদাহৰণস্বৰূপে—

- বস্তুৰ ওজন সঠিকভাৱে নকৰা।
- ভেজাল বস্তু বিক্ৰী কৰা।
- বস্তু বা সেৱা উপযুক্ত মানবিশিষ্ট নোহোৱা।
- ক্ৰয় কৰা বস্তু বা সেৱাৰ ৰচিদ নিদিয়া বা অশুদ্ধকৈ দিয়া।
- সামগ্ৰী প্ৰস্তুতকৰণৰ প্ৰকৃত তাৰিখ মচি পেলোৱা বা নকল তাৰিখ লগোৱা।
- প্ৰকৃত মূল্যৰ ওপৰত নকল মূল্যৰ লেবেল লগোৱা।
- মানসূচক চিহ্নসমূহ নকল কৰা।
- নামী-দামী কোম্পানীৰ দ্বাৰা উৎপাদিত সামগ্ৰীৰ হুবহু নকল কৰা।
- ডাকসেৱা, টেলিফোন বা ইণ্টাৰনেটযোগে অৰ্ডাৰ কৰা বস্তু সময়মতে আদায় নিদিয়া আদি।

**ক্ৰিয়াকলাপ ঃ**

- গ্ৰাহকসকল আৰু কি কি ধৰণে প্ৰতাৰিত হ'ব পাৰে, শিক্ষকৰ সহায় লৈ দলত আলোচনা কৰা আৰু ওপৰত দিয়াখিনিৰ লগত সংযোগ কৰা।

আমি জানো যে বিক্ৰেতাই নিজে ক্ৰয় কৰা দামতকৈ অধিক দামত বস্তু বিক্ৰী কৰি লাভ অৰ্জন কৰে। ব্যৱসায়ত লাভ অৰ্জন কৰাটোৱেই হ'ল ব্যৱসায়ীৰ মূল লক্ষ্য। লাভ তেওঁলোকৰ প্ৰাপ্য। আনহাতে লাভ কৰিব নোৱাৰাৰ ফলত ব্যৱসায়ীয়ে ব্যৱসায় বন্ধ কৰিলে ভোগ কৰিবলৈ সামগ্ৰীৰ অভাৱ ঘটিব। লাভৰ ওপৰত নিৰ্ভৰ কৰিয়েই তেওঁলোকে জীৱন নিৰ্বাহ কৰে। গতিকে ব্যৱসায়ত সৰ্বাধিক লাভ অৰ্জন কৰিবলৈ ব্যৱসায়ীয়ে নিশ্চয় চেষ্টা কৰিব। কিন্তু তাকে কৰিবলৈ যাওঁতে ব্যৱসায়ী বা বিক্ৰেতাই অসৎ উপায় অৱলম্বন কৰি গ্ৰাহকক শোষণ কৰাটো অমাৰ্জনীয়। কাৰণ এনে কাৰ্যই সমাজত অনৈতিক কাৰ্য সংঘটিত হোৱাত অৰিহণা যোগায় আৰু সামাজিক কল্যাণ সাধন হোৱাত বাধাৰ সৃষ্টি কৰে। ফলস্বৰূপে সমাজৰ সামূহিক উন্নয়নৰ গতি মন্থৰ হৈ পৰে। সেয়েহে এই প্ৰতাৰণামূলক কাৰ্যবিলাক ৰোধ কৰাৰ

বাবে গ্ৰাহকসকল সজাগ হ'ব লাগিব। আমাৰ চৰকাৰে গ্ৰাহকৰ মাজত সজাগতাৰ সৃষ্টি কৰিবলৈ বিভিন্ন কাৰ্যসূচী হাতত লৈছে। এই বিষয়ে কিছু আলোচনা কৰো আহা—

## গ্ৰাহক সজাগতা আৰু গ্ৰাহকৰ অধিকাৰ ঃ

*'জাগো গ্ৰাহক জাগো................'*

ওপৰৰ বাক্যটি তোমালোক আটায়ে নিশ্চয় শুনিছা। ৰেডিঅ', টেলিভিচন, বাতৰি কাকত আদি আটাইবোৰ প্ৰচাৰ মাধ্যমত প্ৰায়ে গ্ৰাহকৰ বাবে কিছুমান বিজ্ঞাপন প্ৰচাৰ কৰা হয় য'ত গ্ৰাহকক সচেতন কৰাৰ উদ্দেশ্য নিহিত হৈ থাকে। ওপৰৰ বাক্যটি সেই বিজ্ঞাপনসমূহৰে শীৰ্ষক। চৰকাৰৰ জনসংযোগ বিভাগে এনেবোৰ কামৰ দায়িত্ব লয়। সাধাৰণতে দূৰদৰ্শনৰ ৰাষ্ট্ৰীয় আৰু আঞ্চলিক কাৰ্যসূচীত এনেবিলাক বিজ্ঞাপন বেছিকৈ সম্প্ৰচাৰ কৰা হয়। তোমালোকে অন্য চেনেলতকৈ দূৰদৰ্শনৰ কাৰ্যসূচীবিলাক চাবলৈ যত্ন কৰিবা, কিয়নো দূৰদৰ্শনে জনসাধাৰণৰ হিতৰ কাৰণে বহুতো জ্ঞানবৰ্ধক কাৰ্যসূচী প্ৰস্তুত কৰে।

## গ্ৰাহক হিচাপে আমি কেনেকৈ সজাগ হ'ব লাগে ঃ

গ্ৰাহক হিচাপে বস্তু বা সেৱা ক্ৰয় কৰাৰ সময়ত আমি কিছুমান সাৱধানতা অৱলম্বন কৰিব লাগে, নহ'লে চকুৰ পচাৰতে বিক্ৰেতাই প্ৰতাৰণা কৰাৰ সুযোগ পায়। তলত গ্ৰাহকে ল'বলগীয়া কেতবোৰ সাৱধানতাৰ বিষয়ে উল্লেখ কৰা হ'ল—

- বস্তু বা সেৱা ক্ৰয় কৰোঁতে তাৰ গুণাগুণ, দাম, ওজন, বিশুদ্ধতা আদি সম্পৰ্কে নিশ্চিত হোৱা।
- বস্তুৰ ওজন বা জোখ লওঁতে জোখ-মাখৰ আহিলা (যেনে দগা-পাল্লা, মিটাৰ কাঠি আদি) সমূহ সঠিক আৰু বিজ্ঞানসন্মত হয় নে নহয় তাক পৰীক্ষা কৰি চোৱা।
- যিকোনো বস্তু কিনাৰ পিছত বস্তুৰ বিৱৰণ আৰু মূল্য লিখা থকা ৰচিদ বিচৰা।
- বিভিন্ন ক্ষেত্ৰৰ উৎপাদিত সামগ্ৰীসমূহৰ বাবে চৰকাৰে নিৰ্ণয় কৰা মানসূচক চিহ্নসমূহ যেনে এগমাৰ্ক, আই এছ আই মাৰ্ক, হলমাৰ্ক, এফ পি অ' আদি চিহ্ন ক্ৰয় কৰা সামগ্ৰীত আছে নে নাই তাক পৰীক্ষা কৰি চোৱা।
- দীৰ্ঘস্থায়ী সামগ্ৰীৰ ক্ষেত্ৰত বিক্ৰেতাৰপৰা গেৰাণ্টি বা ৱাৰেণ্টি কাৰ্ড বিচৰা।
- পেকেটযুক্ত বস্তু কিনাৰ ক্ষেত্ৰত উৎপাদনৰ তাৰিখ, ম্যাদ উকলা তাৰিখ, MRP (সৰ্বোচ্চ খুচুৰা মূল্য) লক্ষ্য কৰা আদি।

### জানি থওঁ আহা ঃ

- **MRP** মানে হ'ল উচ্চতম খুচুৰা মূল্য বা সৰ্বোচ্চ খুচুৰা মূল্য। সৰ্বোচ্চ খুচুৰা মূল্যৰ ওপৰত গ্ৰাহকে দৰদাম কৰিব পাৰে। কাৰণ সামগ্ৰী সৰবৰাহৰ বাবে প্ৰয়োজনীয় পৰিবহণ খৰচ **MRP**ত নিহিত হৈ থাকে। মুম্বাইত উৎপাদিত বস্তু এটাৰ ক্ষেত্ৰত মুম্বাইৰ গ্ৰাহকে **MRP**ৰ ওপৰত দৰদাম কৰিব পাৰে। একেদৰে গুৱাহাটী বা শ্বিলঙৰ গ্ৰাহকেও সেই একেটা বস্তুৰ MRP ৰ ওপৰত দৰদাম কৰিব পাৰে। কিয়নো বস্তুটো ততোধিক দূৰত্বৰ স্থান যেনে অৰুণাচল প্ৰদেশ বা মিজোৰামৰ বিভিন্ন অঞ্চললৈ সৰবৰাহ হয়। ঠিক একেদৰে অসমত উৎপাদিত বস্তুৰ ক্ষেত্ৰত অসমৰ গ্ৰাহকে **MRP**ৰ ওপৰত দৰদাম কৰিবলৈ সুচল হয়।

এনেকুৱা আৰু অনেক সজাগতামূলক কাৰ্য আছে। তোমালোকে শিক্ষক আৰু অন্য জনা লোকৰ লগত আলোচনা কৰি নিজৰ লগতে আনকো সজাগ কৰিবলৈ যত্ন কৰিবা।

ওপৰৰ আলোচনাৰপৰা আমি জানিব পাৰিলোঁ যে গ্ৰাহক হিচাপে আমাৰ সকলোৰে কিছুমান দায়িত্ব আছে যিবিলাক পালন কৰি আমি বিভিন্ন ধৰণৰ প্ৰতাৰণাৰপৰা ৰক্ষা পাব পাৰোঁ।

তোমালোকে ইতিমধ্যে জানি আহিছা যে আমাৰ ৰাষ্ট্ৰখন এখন কল্যাণকামী ৰাষ্ট্ৰ। সেইহেতুকে জনসাধাৰণৰ কল্যাণৰ বাবে চৰকাৰে অন্যান্য দিশৰ লগতে গ্ৰাহকৰ সুৰক্ষাৰ দিশটোও গুৰুত্ব সহকাৰে লৈছে। গ্ৰাহকৰ কল্যাণ আৰু সুৰক্ষাৰ হকে আমাৰ চৰকাৰে কিছুমান অধিকাৰ প্ৰদান কৰাৰ লগতে আইনী ব্যৱস্থাও গ্ৰহণ কৰিছে। তলত এই বিষয়ে চমু আলোচনা কৰা হ'ল।

## গ্ৰাহকসকলে লাভ কৰা অধিকাৰসমূহ ঃ

- যিকোনো বস্তু কিনোতে বস্তুৰ মূল্য, ওজন, বিশুদ্ধতা, গুণাগুণ আদিৰ বিচাৰ কৰিব পৰা।
- গ্ৰাহক সুৰক্ষাৰ বাবে গ্ৰাহক সুৰক্ষা সমিতি গঠন কৰা।
- গ্ৰাহকৰ অভাব-অভিযোগ আদি গ্ৰাহক সুৰক্ষা সমিতি বা গ্ৰাহক আদালতত দাখিল কৰা।
- প্ৰয়োজন সাপেক্ষে গ্ৰাহক সুৰক্ষা আইনৰ সহায় লোৱা।
- প্ৰতাৰণা কৰা বিক্ৰেতাৰ বিৰুদ্ধে শাস্তিমূলক ব্যৱস্থাৰ দাবী কৰা।
- গ্ৰাহক শিক্ষা লাভ কৰাৰ অধিকাৰ আদি।

মনত ৰাখিবা, এই অধিকাৰসমূহ আমাৰ দেশৰ সকলো নাগৰিকৰ ক্ষেত্ৰতে প্ৰযোজ্য। এই অধিকাৰসমূহ ভোগ কৰিবলৈ আমি সকলোৱে আগ্ৰহী আৰু সচেতন হোৱা উচিত। ইয়াক সাব্যস্ত কৰাত আমাক কোনেও বাধা দিব নোৱাৰে। সমগ্ৰ বিশ্বত গ্ৰাহকৰ অধিকাৰৰ বিষয়টোৱে বৰ্তমান এক জনজাগৰণৰ সৃষ্টি কৰিছে। তাৰেই ভিত্তিত ১৫ মাৰ্চ তাৰিখটো বিশ্বজুৰি **গ্ৰাহক অধিকাৰ দিবস** হিচাপে পালন কৰা হয়।

### জানি থওঁ আহা ঃ

**এগমাৰ্ক (AGMARK) ঃ** আমাৰ দেশৰ কৃষিক্ষেত্ৰৰপৰা উৎপাদিত খাদ্য সামগ্ৰী যেনে — খোৱা তেল, আটা, ময়দা, ডালিয়া, ঘি, মাখন, বিভিন্ন মছলা আদিৰ ক্ষেত্ৰত এগমাৰ্ক চিহ্ন ব্যৱহাৰ হয়।

**আই এছ আই (ISI) ঃ** ব্যৱহাৰযোগ্য শিল্পজাত সামগ্ৰী যেনে — ব'ড, প্ৰেছাৰ কুকাৰ, ষ্টিলৰ বাচন, বৈদ্যুতিন সামগ্ৰী আদিৰ ক্ষেত্ৰত আই এছ আই চিহ্ন ব্যৱহাৰ হয়।

**হলমাৰ্ক (HALL MARK) ঃ** মূল্যবান ধাতু যেনে — সোণ, ৰূপ, প্লেটিনাম আৰু এই বোৰৰ দ্বাৰা তৈয়াৰী অলংকাৰৰ ক্ষেত্ৰত হলমাৰ্ক চিহ্ন ব্যৱহাৰ হয়।

**এফ পি অ' (FPO MARK) ঃ** ফল-মূলৰ পৰা বিশেষ পদ্ধতিৰ দ্বাৰা পৰিবৰ্তন সাধিত খাদ্য (processed food) যেনে— জাম, জেলী, আচাৰ, চৰ্বত আদিৰ ক্ষেত্ৰত এফ পি অ' চিহ্ন থকাটো বাধ্যতামূলক।

*ওপৰত উল্লিখিত চিহ্নবোৰ হৈছে চৰকাৰৰ দ্বাৰা নিৰূপিত প্ৰামাণিক চিহ্ন। খাদ্য বস্তু বা আন বস্তুৰ বিশুদ্ধতা, গুণাগুণ, ওজন আদি বিষয়বোৰ নিশ্চিত কৰি এই চিহ্নবোৰ ব্যৱহাৰ কৰিবলৈ দিয়া হয়। সকলো ধৰণৰ সামগ্ৰীত এই চিহ্নবোৰ উপলব্ধ নহয়।*

## গ্ৰাহক সুৰক্ষা আইন, ২০১৯ ঃ

২০১৯ চনৰ আগষ্ট মাহৰ ৯ তাৰিখৰপৰা ভাৰতত গ্ৰাহক সুৰক্ষা আইন, ২০১৯ প্ৰৱৰ্তিত হয়। পূৰ্বৰ গ্ৰাহক সুৰক্ষা আইন ১৯৮৬ ৰ সলনি বৰ্তমান এই আইনৰ অধীনত গ্ৰাহকৰ সুৰক্ষাৰ বিষয়টো চোৱাচিতা কৰা হ'ব। এই আইনে গ্ৰাহকৰ বিভিন্ন প্ৰকাৰৰ ওজৰ-আপত্তি সঠিক সময়ত আৰু সঠিক ধৰণে নিষ্পত্তিকৰণৰ ব্যৱস্থা কৰি বিভিন্ন ক্ষেত্ৰত গ্ৰাহকক সুৰক্ষা প্ৰদান কৰিব। গ্ৰাহকৰ অধিকাৰ আৰু বিবাদ নিষ্পত্তিকৰণ সম্পৰ্কীয় বিষয়ত পৰামৰ্শ প্ৰদান কৰাৰ বাবে এই আইনৰ অধীনত কেন্দ্ৰীয়, ৰাজ্যিক আৰু জিলা পৰ্যায়ত 'গ্ৰাহক সুৰক্ষা পৰিষদ' (Consumer Protection Council) নামেৰে উপদেষ্টাধৰ্মী পৰিষদ গঠন কৰা হয়। এই আইনৰ অধীনতে গ্ৰাহকক তেওঁলোকৰ অধিকাৰ প্ৰদানৰ হকে আৰু বিভিন্ন প্ৰতাৰণাৰ বিৰুদ্ধে ব্যৱস্থা গ্ৰহণৰ বাবে চৰকাৰে 'কেন্দ্ৰীয় গ্ৰাহক সুৰক্ষা কৰ্তৃপক্ষ' (Central Consumer Protection Authority) স্থাপন কৰে। উক্ত কেন্দ্ৰীয় কৰ্তৃপক্ষই কোনো সামগ্ৰী বা সেৱাৰ ভুৱা বিজ্ঞাপন প্ৰচাৰ কৰোঁতাৰ বিৰুদ্ধে ১০ লাখ টকা পৰ্যন্ত জৰিমনা আৰু অন্যান্য বিহিত ব্যৱস্থা গ্ৰহণ

কৰে। গ্ৰাহকৰ অধিকাৰৰ সুৰক্ষা আৰু বিবাদ নিষ্পত্তিকৰণৰ বাবে সঠিক সময়ত বিহিত ব্যৱস্থা গ্ৰহণৰ উদ্দেশ্যে এই আইনৰ অধীনতে ৰাষ্ট্ৰীয়, ৰাজিক আৰু জিলা পৰ্যায়ত 'গ্ৰাহক বিবাদ নিষ্পত্তিকৰণৰ আয়োগ' (Consumer Disputes Redressal Commission) গঠন কৰা হয়। এই ক্ষেত্ৰত যদি বিবাদিত সামগ্ৰী অথবা সেৱাৰ মূল্য কৌটি টকা পৰ্যন্ত হয়, তেন্তে জিলা পৰ্যায়ত, ১ কৌটি টকাৰপৰা ১০ কৌটি টকা পৰ্যন্ত হয়, তেন্তে ৰাজ্যিক পৰ্যায়ত আৰু ১০ কোটি টকাৰ ওপৰত হ'লে ৰাষ্ট্ৰীয় পৰ্যায়ত উক্ত বিবাদ নিষ্পত্তিকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়।

**জানি থওঁ আহা ঃ**

- গ্ৰাহকৰ বিভিন্ন ক্ষেত্ৰত সহায়ৰ বাবে বিভিন্ন জ্ঞান আৰু তথ্য সমৃদ্ধ দুটা ব্যৱহাৰযোগ্য ৱেবছাইট হৈছে- www.jagograhakjago.gov.in আৰু www.jagograhakjago.com

এটা ঘটনাৰ বিষয়ে বুজ লওঁ আহা—



নিষ্ঠা অষ্টম শ্ৰেণীৰ ছাত্ৰী। গুৱাহাটীৰ এখন বোৰ্ডিং স্কুলত থাকি পঢ়ে। দেউতাক সমীৰণ বৰুৱা মাৰ্ঘেৰিটাৰ ওচৰৰ চাহবাগিচা এখনৰ পৰিচালক। গৰমৰ বন্ধত নিষ্ঠা ঘৰলৈ গৈছিল। বন্ধ খোলাৰ দুদিন আগতে দেউতাকে বয়বস্তুৰে সৈতে তাইক স্কুলৰ হোষ্টেলত থৈ গ'লহি। হোষ্টেললৈ আহি পিছদিনা বেগবিলাক খুলি বস্তুবিলাক ঠিক-ঠাক কৰি থবলৈ গৈ নিষ্ঠা একেবাৰে নাৰ্ভাচ হৈ পৰিল। কিয়নো বন্ধ খোলাৰ দুসপ্তাহ পিছতে হ'বলগীয়া ৰাজ্যিক পৰ্যায়ৰ বিজ্ঞানৰ প্ৰদৰ্শনী তথা প্ৰতিযোগিতাখনত অংশ লোৱাৰ বাবে বহু কষ্ট কৰি প্ৰস্তুত কৰা মডেলটোৱেই তাই মাৰ্ঘেৰিটাৰ ঘৰত এৰি থৈ আহিল। ইপিনে স্কুলৰ পিনৰ পৰা শিক্ষকসকলে তাইৰ ওপৰত বহুত আশা কৰি আছে। এই কেইদিনৰ ভিতৰতে মডেলটো পুনৰ সাজি উলিওৱাটোও অসম্ভৱ।



ততাতৈয়াকৈ তাই ম'বাইল ফোনেৰে দেউতাকক কথাটো জনালে আৰু 'কোৰিয়াৰ চাৰ্ভিচ'যোগে মডেলটো সেইদিনাই পঠিয়াই দিবলৈ ক'লে।

নিষ্ঠাৰ কথামতেই দেউতাকে চহৰৰ এটা কোৰিয়াৰ চাৰ্ভিচৰ অফিচলৈ গৈ যাৱতীয় কামখিনি কৰি মডেলৰ পাৰ্চেলটো নিষ্ঠালৈ পঠিয়াই দিলে। কোৰিয়াৰ চাৰ্ভিচৰ মতে পাৰ্চেলটো এদিনৰ পিছতে নিষ্ঠাৰ হাতত পৰিব লাগে। তেওঁলোকৰ কথাত আশ্বস্ত হৈ সমীৰণ বৰুৱাই পাৰ্চেল পঠিওৱা খৰচ পৰিশোধ কৰি ৰচিদখন লৈ তাৰপৰা ওলাই আহিল আৰু লগে লগে নিষ্ঠাক ফোনযোগে কথাটো জনালে।



ফোনটো পাই নিষ্ঠাৰ মনটো বৰ পাতল লাগিল আৰু মডেলটো অহালৈ আশাৰে বাট চাই থাকিল।

পিচে পাৰ্চেলটো পিছদিনাটো নাহিলেই তাৰ দুদিন পিছলৈকেও আহি নাপালে। চিন্তাত উদ্গ্ৰীৱ হৈ তাই দেউতাকক পুনৰ ফোন কৰি কথাটো জনালে।

পাৰ্চেলটো তিনিদিনৰ পিছতো গৈ নোপোৱাত সমীৰণ বৰুৱা আচৰিত হ'ল। লৰালৰিকৈ তেওঁ কোৰিয়াৰ চাৰ্ভিচৰ অফিচলৈ গৈ পাৰ্চেলটো তেতিয়ালৈ গৈ নোপোৱাৰ

কাৰণ জানিবলৈ বিচাৰিলে। কোৰিয়াৰ বিষয়াগৰাকীয়ে অন্য এক ব্যস্ততা দেখুৱাই দেউতাকক কোনো সদুত্তৰ নিদিলে।



পাছদিনা আহি তেওঁৰ লগত কথা পাতিবলৈ কৈ মানুহজন নিজৰ কামত ব্যস্ত হ'ল।

মানুহজনৰ নির্লিপ্ততাত সমীৰণ বৰুৱা ক্ষুণ্ণ হ'ল। সময় নষ্ট নকৰি তেওঁ সেইদিনাই তিনিচুকীয়াত থকা জিলা গ্ৰাহক সুৰক্ষা সংস্থাৰ কার্যালয়লৈ গৈ কথাখিনি ভালদৰে বিৱৰি ক'লে আৰু তেওঁলোকৰ পৰামর্শক্রমে কোৰিয়াৰ চাৰ্ভিচটোৰ বিৰুদ্ধে তথ্য প্ৰমাণ দি অভিযোগ দাখিল কৰিলে।



নির্দিষ্ট সময়ত সমীৰণ বৰুৱা জিলা বিবাদ নিষ্পত্তিকৰণ আয়োগ (গ্ৰাহক আদালত)লৈ গৈ তেওঁৰ গোচৰটোৰ বিষয়ে যুক্তিভিত্তিক বিৱৰণ দিলে। কোৰিয়াৰ চাৰ্ভিচৰ প্ৰতিনিধিয়েও উপায়হীন হৈ নিজৰ বক্তব্য ৰাখিলে।

বিচাৰপতিয়ে দুয়োপক্ষৰ বক্তব্য আৰু নথি-পত্ৰ ভালদৰে পৰীক্ষা কৰি সমীৰণ বৰুৱাৰ সপক্ষে ৰায় দিলে। কোৰিয়াৰ চাৰ্ভিচটো দোষী সাব্যস্ত হ'ল আৰু পাৰ্চেলটো দুদিনৰ ভিতৰত যথাস্থানত পোৱাই দিবলৈ আদালতে নির্দেশ দিলে। তদুপৰি গ্ৰাহক (সমীকৰণ বৰুৱা)ৰ হাৰাশাস্তিৰ ক্ষতিপূৰণ হিচাপে কোৰিয়াৰ চাৰ্ভিচটোক ৫,০০০ টকা জৰিমনা বিহা হ'ল।



## উত্তৰ লিখা ঃ

- নিষ্ঠাই ঘৰত কি এৰি থৈ আহিছিল?
- তাইৰ বাবে সেইটো কিয় জৰুৰী আছিল?
- সময়মতে বস্তুটো নিষ্ঠাই পাবৰ বাবে দেউতাকে কি ব্যৱস্থা হাতত লৈছিল?
- সেই ব্যৱস্থা ফলপ্ৰসূ হ'লনে?
- তেওঁ অৱশেষত কি কৰিলে?
- সমীৰণ বৰুৱাই ন্যায় পালেনে?
- ন্যায় বিচাৰত কি ৰায় প্ৰদান কৰা হ'ল?

গতিকে আমি দেখিলো যে গ্ৰাহক হিচাপে চৰকাৰে আমাক দিয়া অধিকাৰ আৰু সুৰক্ষাসমূহ সঠিকভাৱে পালন কৰিব পাৰিলে বিভিন্ন প্ৰতাৰণাৰপৰা হাত সাৰি থাকিব পাৰো। এই ক্ষেত্ৰত দৰকাৰী কথাটো হ'ল অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে উপযুক্ত তথ্য প্ৰমাণ মজুত থাকিব লাগে। সমীৰণ বৰুৱা যথেষ্ট সজাগ আৰু কৰ্মোদ্যমী গ্ৰাহক। সেয়েহে তেওঁ ন্যায়বিচাৰ লাভ কৰিলে। প্ৰদৰ্শনী তথা প্ৰতিযোগিতাখনৰ আগে আগে মডেলটো গৈ হাতত পৰাত নিষ্ঠাও আনন্দিত হ'ল।

চৰকাৰী অনুষ্ঠানসমূহৰ উপৰি গ্ৰাহকসকলে নিজাববীয়াকৈও গ্ৰাহক সমিতি গঠন কৰে। এই অনুষ্ঠানবোৰে গ্ৰাহকৰ সজাগতাৰ বাবে সময়ে সময়ে সভা-সমিতি, বিক্ষোভ, ধৰ্ণা, বাটৰ নাট আদিৰ দৰে অনুষ্ঠান অনুষ্ঠিত কৰে। পাইকাৰী আৰু খুচুৰা বজাৰৰ বস্তুৰ মজুত, বস্তুৰ গুণাগুণ, দৰ, বজাৰৰ পৰিৱেশ আদিৰ দৰে বিষয়বোৰ এই সমিতিবোৰে পৰ্যৱেক্ষণ কৰে। মুঠৰ ওপৰত এই সমিতিবোৰে বস্তুৰ দৰ, গুণাগুণ আদিৰ ক্ষেত্ৰতে গ্ৰাহকৰ স্বাৰ্থত এটা হেঁচা প্ৰয়োগকাৰী গোট হিচাপে কাম কৰে।

ওপৰৰ আলোচনাৰপৰা আমি জানিব পাৰিলো যে গ্ৰাহকৰ সজাগতা, অধিকাৰ আৰু সুৰক্ষাই এখন সমাজৰ সামগ্ৰিক পৰিকাঠামো সবল কৰে। ভাৰতৰ দৰে এখন জনবহুল দেশত সামাজিক উন্নয়নৰ গতি খৰতকীয়া কৰাত গ্ৰাহক বা উপভোক্তাসকলৰ দায়িত্ব অপৰিসীম। আমি আটায়ে এই বিষয়ে এতিয়াৰ পৰাই সজাগ হ'লে দেশৰ ভৱিষ্যত উজ্জ্বল কৰাৰ লগতে এক মানবিশিষ্ট অৰ্থনৈতিক ব্যৱস্থাৰ অংশীদাৰ হ'ব পাৰিম।

## মনত ৰাখিবলগীয়া কথা ঃ

- অৰ্থনীতিৰ ভাষাত গ্ৰাহকক উপভোক্তা বুলি কোৱা হয়।
- উৎপাদন, উপভোগ, বিনিময়, বিনিয়োগ, বিতৰণ নিয়োগ আদি অৰ্থনৈতিক ব্যৱস্থাৰ কিছুমান বিশেষ কাৰ্যাৱলী।
- অৰ্থনৈতিক কাৰ্যসমূহ ইটোৰ ওপৰত আনটো নিৰ্ভৰশীল।
- অৰ্থনৈতিক ব্যৱস্থাত উপভোক্তাৰ অৱদান যথেষ্ট গুৰুত্বপূৰ্ণ।
- কৰ্মী, উদ্যমী, দূৰদৃষ্টিসম্পন্ন উপভোক্তাহে দেশৰ উন্নয়নৰ অংশীদাৰ হ'ব পাৰে।
- ব্যক্তিগত লাভৰ আশাত বিক্ৰেতাই গ্ৰাহকক ঠগোৱাৰ অনেক সুৰুঙা উলিয়াই লয়।
- ব্যৱসায়ত লাভ অৰ্জন কৰাটোৱে ব্যৱসায়ীৰ মূল লক্ষ্য।
- লাভ উপাৰ্জনত ব্যৱসায়ীয়ে অসৎ উপায় অৱলম্বন কৰি গ্ৰাহকক শোষণ কৰাটো অমাৰ্জনীয়।
- গ্ৰাহকৰ সুৰক্ষা আৰু কল্যাণৰ হকে আমাৰ চৰকাৰে কিছুমান অধিকাৰ প্ৰদান কৰিছে।
- গ্ৰাহক হিচাপে বস্তু বা সেৱা ক্ৰয় কৰোঁতে আমি কিছুমান সাৱধানতা অৱলম্বন কৰিব লাগে।
- ১৫ মাৰ্চ তাৰিখটো বিশ্বজুৰি গ্ৰাহক অধিকাৰ দিৱস হিচাপে পালন কৰা হয়।
- ১৯৮৫ চনত ৰাষ্ট্ৰসংঘই গ্ৰাহকৰ সুৰক্ষাৰ বাবে কিছুমান নীতি-নিৰ্দেশনা নিৰ্ণয় কৰি দিছে।
- ১৯৮৬ চনৰ ২৪ ডিচেম্বৰত ভাৰতীয় সংসদৰ যুটীয়া সদনে গ্ৰাহক সুৰক্ষা আইন গৃহীত কৰে।
- ২০১৯ চনৰ আগষ্ট মাহৰ ৯ তাৰিখৰপৰা ভাৰতত গ্ৰাহক সুৰক্ষা আইন, ২০১৯ প্ৰৱৰ্তিত হয়।
- গ্ৰাহক সুৰক্ষা আইনৰ অধীনত তিনিটা পৰ্যায়ত গ্ৰাহক সুৰক্ষা পৰিষদ গঠন কৰা হৈছে।
- সম্প্ৰতি বিশ্বৰ ১০০ খনৰো অধিক ৰাষ্ট্ৰই গ্ৰাহক সুৰক্ষাৰ বাবে আইন প্ৰণয়ন কৰিছে।
- গ্ৰাহকৰ বিবাদ নিষ্পত্তিকৰণৰ বাবে গ্ৰাহক বিবাদ নিষ্পত্তিকৰণ আয়োগ গঠন কৰা হৈছে।
- অসাধু ব্যৱসায়ীৰ বিৰুদ্ধে উপযুক্ত তথ্য প্ৰমাণ মজুত থাকিব লাগে।
- চৰকাৰী অনুষ্ঠানসমূহৰ উপৰি গ্ৰাহকসকলে নিজাববীয়াকৈ গ্ৰাহক সমিতি গঠন কৰে।
- গ্ৰাহকসকলে গঠন কৰা গ্ৰাহক সমিতিবোৰে বস্তুৰ দৰ, গুণাগুণ আদিৰ ক্ষেত্ৰত গ্ৰাহকৰ স্বাৰ্থত এটা হেঁচা প্ৰয়োগকাৰী গোট হিচাপে কাম কৰে।

## অনুশীলনী ঃ

১। চমু উত্তৰ লিখা-

(ক) গ্ৰাহক সজাগতাৰ আৱশ্যকতা আছেনে? তোমাৰ উত্তৰৰ সপক্ষে দুটা যুক্তি আগবঢ়োৱা।

(খ) গ্ৰাহকক শোষণ কৰাৰ কৌশলসমূহ কি কি?

(গ) গ্ৰাহক হিচাপে তোমাৰ কৰ্তব্য কি? বজাৰলৈ গৈ বস্তু ক্ৰয় কৰাৰ সময়ত কোনবিলাক কথালৈ মনোযোগ দিয়া উচিত?

(ঘ) গ্ৰাহকৰ অধিকাৰ মানে কি? কেইটামান এনে অধিকাৰৰ বিষয়ে চমুকৈ আলোচনা কৰা।

(ঙ) চৰকাৰে গ্ৰাহকৰ সুৰক্ষাৰ বাবে গ্ৰহণ কৰা পদক্ষেপসমূহৰ বিষয়ে চমুকৈ আলোচনা কৰা।

২। চমু টোকা লিখা —

(ক) গ্ৰাহক সুৰক্ষা আইন (খ) গ্ৰাহক সজাগতা

(গ) গ্ৰাহক প্ৰতাৰণা (ঘ) গ্ৰাহকৰ অধিকাৰ

(ঙ) গ্ৰাহক আদালত।

৩। শুদ্ধ/অশুদ্ধ নিৰ্ণয় কৰা—

(ক) গ্ৰাহক সুৰক্ষা আইন কেৱল দোকানত ক্ৰয় কৰা বস্তুৰ ক্ষেত্ৰতহে প্ৰযোজ্য।

(খ) গ্ৰাহকৰ সুৰক্ষাৰ ক্ষেত্ৰত ভাৰতেই একমাত্ৰ ৰাষ্ট্ৰ যিখনে আইন প্ৰণয়ন কৰিছে।

(গ) শোষণৰ বলি হোৱা গ্ৰাহকে জিলা বিবাদ নিষ্পত্তিকৰণ ফ'ৰামত গোচৰ তৰিব লাগে।

(ঘ) কেৱল মূল্যবান আৰু দামী বস্তুৰ ক্ষেত্ৰতহে গ্ৰাহক সুৰক্ষা আইন প্ৰযোজ্য।

(ঙ) কৃষিজাত সামগ্ৰীৰ মানবিশিষ্টতাৰ প্ৰমাণ হিচাপে হলমাৰ্ক চিহ্ন ব্যৱহাৰ কৰা হয়।

(চ) বিক্ৰেতাৰপৰা বস্তু বা সেৱাৰ ক্ষেত্ৰত লাভ কৰা প্ৰতাৰণাৰ ফলত হোৱা ক্ষতিৰ বাবে গ্ৰাহকে ক্ষতিপূৰণ পোৱাটো আইনগত অধিকাৰ।

৪। প্ৰকল্প—

(ক) গ্ৰাহকৰ মাজত সজাগতাৰ সৃষ্টি কৰাৰ কাৰণে তোমালোকে দলত ভাগ হৈ পাঁচেটাকৈ শ্ল'গান লিখা।

(খ) তোমাৰ ঘৰৰ ওচৰৰ চাৰি/পাঁচজন মানুহক লগ ধৰি তেওঁলোকে লাভ কৰা গ্ৰাহক প্ৰতাৰণাৰ বিৱৰণ লিখি সেই প্ৰতাৰণাৰ বিপৰীতে তেওঁলোকে কি ব্যৱস্থা গ্ৰহণ কৰিছিল তাৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা।